


পাহৰণিৰ গৰ্ভত হেৰাই যাব ধৰা এজন অসাধাৰণ মানুহ

শিল্পপ্ৰাণ চন্দ্ৰ ফুকন

# সূত্ৰধাৰ


চতুৰ্থ বছৰ, ষষ্ঠদশ সংখ্যা

১-১৫ চেপ্তেম্বৰ, ১৯৯২

Vol. IV, No. 14

1-15 September, 1992



সম্পাদক (অবৈতনিক)

হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী

মালবিকা পাঠক

কলা নিৰ্দেশক

চম্পক বৰবৰা

কাৰ্যাধ্যক্ষ

অনিল কুমাৰ গগৈ

অংগ সজ্জা

মোহন নাথ



পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইন্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী-১-ৰ পৰা প্ৰকাশিত : ▫ ফোন : ৪৪৮৫৪, ৩৩৬১৮



**Calcutta :-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 449363, 448574

**Delhi :-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608


## বিষয়ঃসূচী


প্ৰচ্ছদ নিবন্ধ

মানুহৰ শিপা □ দেৱব্ৰত শৰ্মা ▫ ১৫

আলেখ্য

শিল্পপ্ৰাণ চন্দ্ৰফুকন □ ডাঃ মুক্তি প্ৰসাদ গগৈ ▫ ২১

বিশেষ নিবন্ধ

সাম্প্ৰদায়িক আৰু বৰ্ণবাদী অশান্তিৰ আঁৰত থকা কিছু কথা ▫ মছউদুল হক ▫ ১২

জীৱন

জীৱনবোধৰ ক, খ ▫ দীপিকা বৰগোহাঁই ▫ ১৯

দৃষ্টিকোণ

তাই আহোম সংস্কৃতিৰ প্ৰগতিশীল দিশ ▫ গিৰিণ ফুকন ▫ ২৬

তদন্ত

অৰক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয় ▫ স্বপ্না বেজবৰুৱা ▫ ৩০

ব্যক্তি, ঘটনা ইত্যাদি

বৃক্ষৰ মিনতি ▫ মনোৰমা বৰুৱা ▫ ৩২

ৰাজনীতি

শইকীয়া চৰকাৰৰ সাফল্য আৰু ব্যৰ্থতাৰ খতিয়ান ▫ হিতেন মহন্ত ▫ ৩৪

দৃষ্টিপাত

নতুন কৌশলেৰে অহাবাৰলৈ ভাৰতীয় অলিম্পিক দল ▫ ৰসানন্দ অভাজন ▫ ৩৫

শিল্প-সংস্কৃতি

মানিকবাবু সত্যজিৎ ৰায় ▫ আবু নাছাৰ চাঈদ আহমদ ▫ ৪০

সাময়িক প্ৰসঙ্গ

পুথি প্ৰকাশক আৰু বিক্ৰেতা সকলৰ সমস্যা ▫ পবিত্ৰ লহকৰ ▫ ৪৩

সাহিত

লক্ষীনাথ বেজবৰুৱাৰ গদ্য ▫ ৰূপশ্ৰী গোস্বামী ▫ ৪৪

গল্প

তেজৰ ডোঙাত শুই থকা মানুহবোৰ ▫ ৰশ্মিৰেখা বৰা ▫ ৪৮

জীৱন

পূজনীয়া আৰু মৰমৰ মা স্বৰ্গীয়া উষা চৌধুৰীলৈ ▫ অনুৰাধা দাস ▫ ৪৯

গ্ৰন্থ জগত

অসমীয়া ল'ৰাৰ মিত্ৰ ঃ এখন সু-সম্পাদিত গ্ৰন্থ ▫ নগেন শইকীয়া ▫ ৫১

এজাক জোনাকীৰ জিলিকনি ▫ জয়ন্তী চুতীয়া ▫ ৫২

বিশ্ব-সাহিত্য/কৱিতা

অনুবাদ ▫ হোমেন বৰগোহাঞি ▫ ৫৩

সভ্যতা

মানৱ সভ্যতা আৰু সংস্কৃতি ▫পবিত্ৰ কুমাৰ শৰ্মা ▫ ৫৪

চিঠি ▫ ৪
সম্পাদকৰ টোকাবহী ▫ ১১
ধাৰাবাহিক উপন্যাস ▫ ৩৬
কবিতা ▫ ৫৬
মাধুকৰী ▫ ৫৫
দৃষ্টিকোণ ▫ ৫৮
বিজ্ঞান ▫ ৬০
কাগজ/কলম ▫ ৬২


*বেটুপাত ▫ চম্পক বৰবৰা*

## মুছলমানৰ সমস্যা

১৯৯২ চনৰ ১-১৫ আগষ্টৰ 'সূত্ৰধাৰ'ৰ পাতত মছউদুল হকৰ 'মুছলমানৰ সমস্যা ঃ পটভূমি আৰু সমাধান' শীৰ্ষক চিন্তা-উদ্ৰেককাৰী আলোচনাটি পঢ়ি চমুকৈ দুআষাৰ লিখাৰ হেপাহ সামৰিব নোৱাৰিলো। ধৰ্মীয় ঐতিহ্য আৰু তাৰ বিকৃতিৰ বিচাৰ কৰোতে হক ডাঙৰীয়াই নিঃসন্দেহে এক বিৰল বলিষ্ঠতাৰ পৰিচয় দিছে। তেওঁৰ তথ্য আৰু যুক্তিয়ে প্ৰতিজন প্ৰগতি-সচেতন মুছলমানক চিন্তাৰ অশেষ খোৰাক দিব। কোৱা বাহুল্য যে অ-মুছলমানসকলৰ সচেতন আৰু সন্ধিৎসু অংশটোও এই যুক্তিবাদী আলোচনাটিৰ দ্বাৰা আত্মবিশ্লেষণৰ বাবে উদ্বুদ্ধ হোৱাৰ থল আছে। হক ডাঙৰীয়াই মোল্লাতন্ত্ৰৰ ভূমিকাৰ বিষয়ে নিৰ্মোহ নিৰ্ভীকতাৰে যিখিনি কথা লিখিছে সেই একেখিনি কথাকে প্ৰায় পুৰোহিত, গোসাঁই বা অন্যান্য গুৰুৰ সমালোচনা প্ৰসংগতো লিখা যায়।

আমি ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰৰ কথা কওঁ, ধৰ্ম-নিৰপেক্ষ সমাজৰ কথা কওঁ। ধৰ্ম-নিৰপেক্ষতানো কি এই বিষয়ে বিতং আৰু বিশ্লেষণ-ধৰ্মী আলোচনা হোৱা উচিত। আমি বোধহয় নিজৰে সুবিধা অনুযায়ী ধৰ্ম-নিৰপেক্ষতাৰ এটি নিৰাপদ সংজ্ঞা তৈয়াৰ কৰি লৈছো। সৰ্বধৰ্ম-সহিষ্ণুতাৰ তত্ত্বক প্ৰকৃতাৰ্থত ধৰ্ম-নিৰপেক্ষতা বুলিব নোৱাৰি। ধৰ্ম-নিৰপেক্ষ সমাজ গঢ়াৰ প্ৰক্ৰিয়াটোক আমি ধৰ্ম-নিৰপেক্ষ মানুহ গঢ়াৰ প্ৰক্ৰিয়াৰ পৰা নিলগাই থৈছো। দুয়োটা প্ৰক্ৰিয়াৰ বাবে দৰকাৰ যুক্তিবাদী আৰু জীৱনমুখী চিন্তা-চৰ্চাৰ প্ৰসাৰ তথা প্ৰচাৰ। মছউদুল হকৰ আলোচনাটি নিঃসন্দেহে এই প্ৰকাৰ চিন্তা-চৰ্চাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙণি। আলোচনাটি পঢ়িলে বুদ্ধিমান পাঠক-পঠিকাই মৌলবাদী ভাবধাৰাৰ অন্তৰ্নিহিত দুৰ্বলতা তথা অন্তঃসাৰশূন্যতাৰ স্বৰূপ বঢ়িয়াকৈ উপলব্ধি কৰিব পাৰিব। মানুহৰ সামগ্ৰিক স্বাৰ্থতেই ধৰ্মীয় পুনৰুত্থানৰ পথ যে পৰিহাৰ্য– এই সত্যৰেই সংশয়াতীত অভিব্যক্তি হক ডাঙৰীয়াৰ এই নিৰ্ভীক নিৱন্ধটি।

প্ৰসেনজিৎ চৌধুৰী
ডিব্ৰুগড়

## প্ৰসঙ্গ ঃ অসম কৃষি বিশ্ববিদ্যালয়

(১)

জনপ্ৰিয় আলোচনী 'সূত্ৰধাৰ'ৰ জুলাই (১-১৫) '৯২ সংখ্যাৰ সাময়িক শিতানত স্বপ্না বেজবৰুৱাৰ 'অৱক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয়' শীৰ্ষক প্ৰতিবেদনখনি সময়োচিত হৈছে। দৰাচলতে সমালোচনা অবিহনে এখনি অনুষ্ঠান কেতিয়াও নিকা হ'ব নোৱাৰে। সেয়েহে এনেধৰণৰ সমালোচনাত অনুষ্ঠানৰ লগত জড়িত ছাত্ৰ-শিক্ষক আৰু সমূহ সচেতন ৰাইজে সহযোগিতা কৰা উচিত। কিন্তু আমি দুৰ্ভাগ্যেৰে লক্ষ্য কৰিছো যে কৰ্তৃপক্ষই উক্ত সমালোচনাটি সমালোচনা হিচাপে নৌলৈ এক প্ৰত্যাহ্বানৰ নিচিনা গণ্য কৰি যুদ্ধংদেহি অৱস্থান লৈছে। উক্ত প্ৰতিবেদনৰ প্ৰত্যুত্তৰত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক মহোদয়ে কিছুমান দুৰ্বল আৰু মুখা সদৃশ স্পষ্টীকৰণ দি নিজকে পুতৌৰ পাত্ৰ কৰিহে তুলিছে। এইখিনিতেই উল্লেখযোগ্য যে উক্ত জুলাই সংখ্যাৰ 'সূত্ৰধাৰ'খনি আহি পোৱাৰ পিছদিনাখনেই বিশ্ববিদ্যালয় পুথি ভঁৰালৰ পৰ অন্তৰ্ধান হয়। বিশ্ববিদ্যালয়ৰ পুথি ভঁৰালৰ পৰা উক্ত আলোচনীখনি অন্তৰ্ধান কৰি ছাত্ৰ-ছাত্ৰী তথা সচেতন বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীক উক্ত বিষয়টোৰ প্ৰতি অজ্ঞ কৰি ৰখাৰ ষড়যন্ত্ৰ নিঃসন্দেহে ল'ৰামতীয়া আৰু হাস্যকৰ।

পঞ্জীয়ক মহোদয়ৰ স্পষ্টীকৰণ সন্দৰ্ভত তলত কেইটিমান মতামত আগবঢ়োৱা হ'ল–

১। পঞ্জীয়ক মহোদয়ে উল্লেখ কৰিছে যে সম্প্ৰসাৰণ শিক্ষা, কৃষি অৰ্থনীতি, মাটি বিজ্ঞান ইত্যাদি বিষয়ৰ প্ৰাথমিক তথ্য সংগ্ৰহ আৰু মূল গৱেষণা গ্ৰাম্যাঞ্চলতে সমাধা কৰা হয়। কিন্তু আমি জনাত সম্প্ৰসাৰণ শিক্ষাৰ ব্যৱহাৰিক শিক্ষাৰ পাঠ্যক্ৰম গ্ৰাম্যাঞ্চলত কৰাৰ নিৰ্দেশ আছে যদিও সেয়া সম্পাদন কৰা হয় শ্ৰেণী কোঠাৰ ভিতৰতেই। কেতিয়াবা আপত্তি দৰ্শালে কৰ্তৃপক্ষই জনাই যে পৰিবহণ ব্যৱস্থাৰ অভাৱ। তাৰ উপৰি আটাইতকৈ ডাঙৰ দুৰ্বলতা হ'ল শিক্ষকসকলৰ বোকাপানী গচকি গ্ৰাম্যাঞ্চললৈ যোৱাৰ প্ৰতি অনীহা। তাৰ উপৰি শস্যবিজ্ঞান বিভাগত Practical Crop Productionৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে (১৬০ জন ছাত্ৰই) মাত্ৰ এহাল বা দুহাল গৰুৰেই নিচেই কম সময়ত ১৫-২০ বিঘা মাটিত শস্য ৰোপণ কাৰ্য কৰিবলগীয়া হয়। উক্ত পাঠ্যক্ৰমৰ শিক্ষকসকল ছাত্ৰ-ছাত্ৰীৰ স'তে একেলগে পথাৰত নামি নিৰ্দেশ দিয়াৰ পৰিবৰ্তে চুট-টাই, গাগলছ্ পিন্ধি স্কুটাৰ নতুবা মাৰুতীত মহা আয়মেৰে আৰোহণ কৰি মূল পথৰ ওপৰৰ পৰাই হাজিৰালৈ প্ৰস্থান কৰা কাৰ্য সকলোৰে বিদিত। বিশ্ববিদ্যালয়ৰ প্ৰচলিত ভাষাত 'চুপাৰ হাৱা'। ইয়াৰ বাহিৰেও ঢেৰ প্ৰমাণ এই পত্ৰলেখকৰ হাতত আছে।

২। এই পত্ৰলেখকে নিজ কাণেৰেই শুনিছে এগৰাকী মুৰব্বী অধ্যাপকৰ গালি – "তোমালোক এই য়ুনিভাৰ্চিটিত সোমাইছা যেতিয়া চিন্তাই নকৰিবা এটা ডিগ্ৰী চকু মুদি লৈ চাকৰিত সোমাবগৈ পাৰিবা। কিন্তু এটা বেমাৰ নতুবা এটা শস্যৰ অনিষ্টকাৰী পোকৰ চিনাক্তকৰণ নতুবা তাৰ নিৰাময়ৰ উপায় ইয়াত থাকি শিকিব নোৱাৰিবা।"

৩। পঞ্জীয়ক মহোদয়ে পৰীক্ষামূলক খেতিপথাৰৰ কথা কোৱাত এষাৰ প্ৰচলিত গাজা উনুকিওৱাৰ লোভ সামৰিব নোৱাৰিলো। আমাৰ ইয়ালৈ কোনো বন্ধু-বান্ধৱ আহিলে প্ৰায়েই পৰীক্ষামূলক পথাৰখন চোৱাৰ লোভ সামৰিব নোৱাৰে। কিন্তু পৰীক্ষামূলক পথাৰৰ খেতিৰ অৱস্থাহে পুতৌলগা। সেয়েহে যিবোৰ খেতি ভাল হৈছে (তেনেই নগণ্য) তাক বাদ দি গৰিষ্ঠ সংখ্যক পানীৰ অভাৱত নতুবা অইন কাৰণত মৰহি যোৱা খেতি খোলা দেখুৱাই দি কওঁ "ইয়াত শস্য কিয় আৰু কেনেকৈ মৰে তাৰ ওপৰত গৱেষণা কৰা হৈছে।" বেচেৰা বন্ধুৱে তাকেই মানি লয় নিৰ্বিবাদে।

৪। বিশ্ববিদ্যালয়ত শিক্ষক নিযুক্তিৰ দুৰ্নীতিৰ বাবেই যে শিক্ষাৰ পৰিবেশ বিনষ্ট হৈছে সেয়া সৰ্বজনবিদিত। ইয়াক না কৰিবলৈ গৈ পঞ্জীয়ক মহোদয়ে নিজকুল ৰক্ষাৰ্থে দুৰ্বল প্ৰচেষ্টা চলাইছে সেয়া পুতৌজনক। অসমৰ অন্যান্য শিক্ষানুষ্ঠানৰ তুলনাত অসম কৃষি বিশ্ববিদ্যালয় এনে এখন উচ্চ শিক্ষাৰ অনুষ্ঠান যত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কোনো শিক্ষাদানৰ অভিজ্ঞতাৰ প্ৰয়োজন নহয়। আচৰিত হলেও সত্য ইয়াত কৃষি স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছতেই উপাচাৰ্যৰ অনুগ্ৰহত পোনপটীয়াকৈ সহকাৰী অধ্যাপকৰ পদত মকৰল কৰা হয় আৰু পাঁচ বা দহ বছৰৰ অভিজ্ঞতাৰ অন্তত গৱেষণা কেন্দ্ৰ সমূহলৈ স্থানান্তৰ কৰা হয়। কিন্তু তাকে নকৰি সংলগ্ন গৱেষণা কেন্দ্ৰসমূহৰ পৰা অভিজ্ঞতা তথা শিক্ষাদানৰ দক্ষতাৰ ভিত্তিত কৃষি বিজ্ঞানৰ ছাত্ৰক পঢ়ুওৱাৰৰ বাবে নিয়োগ কৰিলে অধিক ফলপ্ৰসূ হ'লহেঁতেন। এই দিশৰ পৰা চাবলৈ গলে ই পৰম্পৰাগতভাৱে অভিজ্ঞতা লাভৰ ক্ষেত্ৰ হৈ পৰিছে আৰু ছাত্ৰসকল গিনিপিগলৈ ৰূপান্তৰিত হৈছে। এইখিনিতেই তেনেকুৱা এজন অধ্যাপকৰ (বৰ্তমান বিশ্ববিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত)। ইংৰাজী কথনভঙ্গীৰ যৎসামান্য আভাস দিয়াটো সময়োচিত হ'ব। এজনী ছাত্ৰীয়ে ঘৰলৈ যাবলৈ ছুটীৰ দৰখাস্ত দিবৰ পৰত এই পত্ৰলেখকো ওচৰতে আছিল। দৰখাস্তখন লৈ অধ্যাপক গৰাকীয়ে কলে– "Time is very short. So you submit your application and meet me behind the class."

৫। বিশ্ববিদ্যালয়ৰ মুৰব্বী গৰাকীৰ নাৰী কেলেংকাৰিৰ সত্য ঘটনাটো এতিয়াও সকলোৰে মুখে মুখে চলি আছে আৰু এসময়ত ই কিংবদন্তীৰ ৰূপ লবগৈ। অকল মুৰব্বী গৰাকীয়ে নহয় ইয়াত প্ৰায়ভাগ ডেকা অধ্যাপকৰেই ল'ৰাৰ স'তে সমানে ফেৰমাৰি প্ৰেমলীলাত হাবুডুবু খোৱাটো সাধাৰণ ঘটনা। তেনেকুৱা দুই একে অধিক আগবাঢ়িগৈ কেলেংকাৰিৰ মূৰকত বিয়া কৰাই একেখন শিক্ষানুষ্ঠানতেই গুৰু আৰু শিষ্যাৰ ভাওলৈ থকা সকলোৰে জ্ঞাত। পঞ্জীয়ক মহোদয়ে বোধকৰো পাহৰি গৈছে জুইক কেতিয়াও কাপোৰেৰে ঢাকিব নোৱাৰি।

গতিকে ইয়াৰ পিছতো পঞ্জীয়ক মহোদয়ে ডাঠি ক'ব পাৰিব জানো যে স্বপ্না বেজবৰুৱাই নিতান্তই ব্যক্তিগত আক্ৰোশত ভিত্তিহীনভাৱে প্ৰতিবেদনখনি যুগুতাইছে। কৰ্তৃপক্ষই এই যুদ্ধংদেহি মনোভাব পৰিত্যাগ কৰি আত্মসংশোধনৰ প্ৰচেষ্টা কৰাটোহে সকলোৰে কাম্য। অন্যথা ই সকলোবোৰ ঢোৱা সাপৰ ফোঁচফোঁচনিত পৰিণত হ'বগৈ। শেষত স্বপ্না বেজবৰুৱাৰ সাহসিকতা তথা স্পষ্টবাদিতাৰ প্ৰশংসা নকৰি নোৱাৰিলো। আশা ৰাখিছো মিচ্ বেজবৰুৱাই পৰবৰ্তী প্ৰতিবেদনত কৰ্তৃপক্ষৰ স্পষ্টীকৰণৰ যথোচিত প্ৰত্যুত্তৰ দিয়াৰ লগতে অন্যান্য বিষয়বোৰৰো ৰহস্যৰ জাল ফালিদি জোলোঙাৰ মেকুৰী ৰাইজে চিনি পোৱাত সহায় কৰিব।

অসম কৃষি বিশ্ববিদ্যালয়ৰ
এজন ছাত্ৰ

(২)

অসম কৃষি বিশ্ববিদ্যালয়খন অসমৰ তিনিখন বিশ্ববিদ্যালয়ৰ ভিতৰত অন্যতম আৰু একমাত্ৰ কাৰিকৰী শিক্ষাৰ বিশ্ববিদ্যালয়। ১৯৬৯ চনত স্থাপিত এই বিশ্ববিদ্যালয়খনৰ অধীনত মুঠ ছখন মহাবিদ্যালয় আছে। এই মহাবিদ্যালয় কেইখন হ'ল, কৃষি বিশ্ববিদ্যালয় (যোৰহাট), পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় (খানাপাৰা), মীন মহাবিদ্যালয় (ৰহা), গাৰ্হস্থ্য বিজ্ঞান মহাবিদ্যালয় (যোৰহাট) কৃষি মহাবিদ্যালয় (বিশ্বনাথ চাৰিআলি) আৰু লক্ষীমপুৰ আজাদ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়।

আন আন কৃষি বিশ্ববিদ্যালয়ৰ দৰে অসম কৃষি বিশ্ববিদ্যালয়ত প্ৰচলিত শিক্ষা পদ্ধতিৰ দৰে ইয়াত প্ৰচলিত শিক্ষা পদ্ধতিটোও হ'ল যান্মাষিক শিক্ষা পদ্ধতি। এই পদ্ধতিত এটা শিক্ষাবৰ্ষক দুটা ভাগত ভাগ কৰা হয়। ছমহীয়া এই ভাগ একোটাক 'যান্মাষিক' (semister) বোলা হয়। প্ৰতিটো যান্মাষিকত ছাত্ৰসকলক এক নিৰ্দিষ্ট 'ক্ৰেডিট-আৱাৰ'ৰ শিক্ষা দিয়া হয়। ('ক্ৰেডিট-আৱাৰ' হ'ল এটা সপ্তাহত লোৱা মুঠ 'পাঠ'ৰ পৰিমাণ। তথ্যভিত্তিক এটা 'পাঠ'ৰ সময় এঘন্টা আৰু ব্যৱহাৰিক পাঠৰ সময় দুঘন্টা)।

প্ৰতিটো যান্মাষিকত দুটা পৰীক্ষা অনুষ্ঠিত কৰা হয়। এটা মধ্যৱৰ্তী পৰীক্ষা (Mid term) আৰু এটা অন্তিম পৰীক্ষা (End term)। মধ্যৱৰ্তী পৰীক্ষা তিনি মাহৰ মূৰত আৰু অন্তিম পৰীক্ষা ছমাহৰ মূৰত পতা হয়। অৰ্থাৎ প্ৰতিটো বছৰত ছাত্ৰ সকলে মুঠ চাৰিটা পৰীক্ষাত অৱতীৰ্ণ হয়। এজন ছাত্ৰ বা ছাত্ৰীয়ে প্ৰতিটো পৰীক্ষাত পোৱা নম্বৰ 'ক্ৰেডিট-আৱাৰ' অনুসৰি যোগ হয়। (উদাহৰণ স্বৰূপে যদি এজন ছাত্ৰই এটা বিষয়ত ৬০ নম্বৰ পায় আৰু বিষয়টোৰ 'ক্ৰেডিট-আৱাৰ' যদি '৪' হয় – তেন্তে তেওঁৰ ৬০×৪=২৪০ নম্বৰ যোগ হ'ব) এই যোগ হোৱা মুঠ নম্বৰৰ পৰা 'গ্ৰেড পইন্ট' উলিয়াই ফলাফল ঘোষণা কৰা হয়। এনে পদ্ধতিত যদি এজন ছাত্ৰই ৮৪% নম্বৰ লাভ কৰে, তেন্তে তেওঁৰ গ্ৰেড পইন্ট হ'ব ৮.৪।

কাৰিকৰী শিক্ষানুষ্ঠানৰ বাবে সাধাৰণতে যান্মাষিক শিক্ষা ব্যৱস্থাই উত্তম বুলি গণ্য কৰা হয়। সঘনাই হোৱা পৰীক্ষাবোৰৰ বাবে এই ব্যৱস্থাত শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল সাধাৰণতে ব্যস্ত থাকিবলৈ বাধ্য হয়। আনহাতে কম সময়ৰ ভিতৰতে বেছি পৰিমাণৰ পাঠ্যক্ৰম শিকোৱাত এই ব্যৱস্থাটোত সুবিধা। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ব্যৱস্থাটোৱে এক প্ৰত্যক্ষ যোগাযোগ আনি দিয়ে। গতিকে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত ই এক সুষম আৰু সৌহাৰ্দ্যপূৰ্ণ পৰিবেশ সৃষ্টিত বৰঙণি যোগাব পাৰে। পৰীক্ষাত নিজা নিজা বিষয়ৰ শিক্ষক সকলেই প্ৰশ্নকাকত আদি কাটে, গতিকে পাঠ্যক্ৰম আৰু প্ৰশ্নকাকত জনিত বিভ্ৰান্তি বা অনিশ্চয়তাৰ সম্ভাৱনীয়তাও ইয়াত কম। ন্যূনতম ৭৫% উপস্থিতি নাথাকিলে কোনো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত বহাৰ সুবিধা নাপায়। পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ নম্বৰ ৫০%।

উপৰোক্ত নীতি নিয়ম সমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে যান্মাষিক শিক্ষা ব্যৱস্থাৰ অনুশাসন বেছ কটকটীয়া। কিন্তু তত্ত্বগত দিশেৰে এই ব্যৱস্থাটোৰ পৰা সুফল দেখা পোৱা গ'লেও ব্যৱহাৰিক ক্ষেত্ৰত ইয়াৰে ভালেমান আঁসোৱাহ দেখা যায়। অৱশ্যে সকলোবোৰ বিশ্ববিদ্যালয়ৰে যান্মাষিক শিক্ষা ব্যৱস্থা একে নহয়। পদ্ধতি অনুসৰি বিভিন্ন শিক্ষানুষ্ঠানত প্ৰৱৰ্তন কৰা যান্মাষিক শিক্ষা ব্যৱস্থাৰ সুফল বা আঁসোৱাহো বেলেগ বেলেগ হ'ব। আমি ইয়াত অসম কৃষি বিশ্ববিদ্যালয়ত প্ৰৱৰ্তিত শিক্ষা পদ্ধতিটোৰ কিছু আঁসোৱাহ আলোচনা কৰিম।

সকলোধৰণৰ শিক্ষা ব্যৱস্থাই সফল হোৱাৰ অন্তৰালত থাকে শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সৌহাৰ্দ্যপূৰ্ণ মনোভাব আৰু ঐকান্তিকতা। যান্মাষিক শিক্ষা ব্যৱস্থাও ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল এইয়ে – ব্যৱস্থাটোৱে ওপৰে ওপৰে ছাত্ৰ-শিক্ষকৰ মাজত সুসম্পৰ্ক ৰক্ষাত অৱিহণা যোগোৱা যেন লাগিলেও ভিতৰি ভিতৰি তোষামোদ বা বিদ্বেষৰ এক যান্ত্ৰিক পৰিবেশ গঠনতো বৰঙণি নোযোগাৱাকৈ নাথাকে। কাৰণ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ বহী চোৱাৰ পৰা ব্যৱহাৰিক পৰীক্ষাত নম্বৰ দিয়ালৈকে বিভাগীয় অধ্যাপক গৰাকীয়েই দায়বদ্ধ। কৰ্তব্যত ফাকি দিয়া এচাম ছাত্ৰই তোষামোদেৰে সেয়েহে অধ্যাপক গৰাকীক সন্তুষ্ট কৰি ৰখাৰ প্ৰচেষ্টা চলাই থাকে আৰু সেইটো সম্ভৱ হৈ নুঠিলেই আৰম্ভ হয় বিদ্বেষ। আনহাতে, অধ্যাপক গৰাকী যদি হয় স্বৈৰাচাৰী চৰিত্ৰৰ, তেতিয়া কেতবোৰ কৰ্তব্য পৰায়ণ ছাত্ৰই অযথা দুৰ্ভোগ ভুগিব লগাও হয়। অৱশ্যে এনে ঘটনাবোৰৰ প্ৰত্যক্ষ প্ৰকাশ বিশেষভাবে নঘটিলেও ভিতৰি ভিতৰি চুৰ-চুৰীয়াকৈ এক অস্বাস্থ্যকৰ পৰিবেশৰ সৃষ্টি নোহোৱাকৈ নাথাকে। ফলত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ মাজত আন্তৰিকতা আৰু বুজাবুজিৰ অভাৱ ঘটে যিয়ে ব্যৱস্থাটোত আনি দিয়ে এক জড়তা বা যান্ত্ৰিকতা।

আনহাতে, এই ব্যৱস্থাটোত পাঠ্যক্ৰম বঢ়াব পৰা আৰু টুটাব পৰা (প্ৰয়োজন অনুযায়ী) ক্ষমতা যিহেতু অধ্যাপক গৰাকীৰ থাকে আৰু তেওঁ যিহেতু পৰীক্ষাৰ প্ৰশ্নকাকত কটাৰ ক্ষেত্ৰতো দায়বদ্ধ, গতিকে প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে এটা যান্মাষিকত বেছি পাঠ্যক্ৰম আগবাঢ়িব নোৱাৰে তাতহে গুৰুত্ব দিয়ে। শিকাৰ মানসিকতাতকৈ পৰীক্ষাত নম্বৰ লোৱাৰ প্ৰৱণতাই যিহেতু ছাত্ৰ-ছাত্ৰীসকলৰ বেছি (ছাত্ৰ-ছাত্ৰীৰ মেধাৰ মানদণ্ডও যিহেতু পৰীক্ষাৰ নম্বৰৰ ওপৰতেই বিচাৰ কৰা হয়) সেয়েহে, তেওঁলোকে যিমান পাৰি কম পাঠ্যক্ৰমতেই এটা যান্মাষিক অন্ত পেলোৱাৰ বাবে আওপকীয়াকৈ হেঁচা প্ৰয়োগ কৰা দেখা যায়। এনেক্ষেত্ৰত অধ্যাপকৰ স্থিতি সবল নহলে পদ্ধতিটোৰ মূল লক্ষ্য বিঘ্নিত হোৱাৰেই সম্ভাৱনা বেছি। সেয়েহে অধ্যাপক সকলৰ ব্যক্তিত্বৰ ওপৰত এই পদ্ধতিৰ সফলতা বিফলতা বহু পৰিমাণে নিৰ্ভৰশীল। স্পষ্টবাদী আৰু 'খাতিৰ নকৰা' বিধৰ অধ্যাপক নাথাকিলে এই পদ্ধতিটো ব্যৰ্থ হবলৈ বাধ্য।

অসম কৃষি বিশ্ববিদ্যালয়ৰ যান্মাষিক শিক্ষা ব্যৱস্থাই ছাত্ৰ সকলক জ্ঞানাৰ্জনৰ বাবে উৎসাহিত কৰাতকৈ যিমান পাৰি কম শ্ৰমেৰে বেছি নম্বৰ গোটোৱাৰ বাবেহে উৎসাহিত কৰে বুলি বহুতো সমালোচকে কৰা অভিযোগ অমূলক নহয়। কাৰণ ইয়াত অতি কম সময়ৰ মূৰে মূৰে পৰীক্ষা হয় আৰু এটা যান্মাষিক শেষ হোৱাৰ পাছত, সেই যান্মাষিকৰ পাঠ্যক্ৰমখিনি পৰবৰ্তী যান্মাষিকৰ পৰীক্ষাত নালাগে। অৰ্থাৎ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সামগ্ৰিক পাঠ্যক্ৰমৰ পৰিমাণ বহল হ'লেও ছয়মহীয়া পাঠ্যক্ৰমখিনি আপেক্ষিক ভাবে কম। গতিকে মুখস্থ কৰিব পৰা ছাত্ৰসকলৰ বাবে ই বেছ সুবিধাজনক। অসম কৃষি বিশ্ববিদ্যালয়ৰ বেছিভাগ ছাত্ৰই যিহেতু উচ্চ মেধা সম্পন্ন, গতিকে তেওঁলোকৰ বাবে ই বিশেষ কঠিনো নহয়। পৰীক্ষাৰ আগদিনা গো-গ্ৰাসে পঢ়ি পিছদিনা পৰীক্ষাত

বহাৰ মানসিকতাই ছাত্ৰ সকলৰ বেছি। ইয়াৰ ফলত পৰীক্ষাটো দি অহাৰ দুদিনমান পাছতেই ছাত্ৰসকলে প্ৰায়বোৰ কথাই পাহৰি যায়। আনহাতেদি পৰবৰ্তী পৰীক্ষাত যিহেতু আগৰ কথাখিনিৰ প্ৰয়োজনীয়তা নাথাকে, সেয়েহে সেই কথাখিনি মনত ৰখাৰ প্ৰয়োজন অনুভৱো ছাত্ৰসকলে নকৰে। গতিকে এই ব্যৱস্থাই পৰীক্ষাৰ সংখ্যা বৃদ্ধি কৰি ছাত্ৰ-ছাত্ৰী সকলক পঢ়িবলৈ বাধ্য কৰালেও মনত ৰাখিবলৈ বাধ্য নকৰায়। অৰ্থাৎ 'গালো বালো খোলাকটিৰ তাল'! সেয়েহে বহুতে এই ব্যৱস্থাটো 'মাগিং, ভমিটিং এণ্ড ফৰগেটিং' পদ্ধতি বুলিও মন্তব্য কৰে।

অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ এই আঁসোৱাহে ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰিক কৰ্মক্ষেত্ৰত ব্যাপক প্ৰভাৱ পেলাইছে। কৃষি বিষয়া বা পশু চিকিৎসক সকলে ৰাইজৰ একেবাৰে কাষলৈ গৈ সেৱা আগবঢ়াব নোৱৰাৰ কাৰণো ইয়াত নিহিত হৈ আছে। কাৰণ ব্যৱস্থাটোৱে কাৰিকৰী শিক্ষাৰে শিক্ষিত ছাত্ৰ সকলৰ মনত আত্মবিশ্বাস স্থাপন কৰাত ব্যৰ্থ হৈছে। অসমৰ কৃষি বিভাগ কাৰিকৰী স্নাতক ডিগ্ৰীধাৰী লোকেৰে সংপৃক্ত হৈ পৰাৰ পিছতো অসমত কৃষি-অৰ্থনীতিৰ উন্নয়নৰ গতি লেহেমীয়া হোৱাৰ ই এক প্ৰাথমিক কাৰণ।

বহুতে হয়তো প্ৰশ্ন কৰিব পাৰে যে ছাত্ৰ-ছাত্ৰীসকলক দিয়া ব্যৱহাৰিক শিক্ষাখিনিও তেওঁলোকে পাহৰি পেলায় নেকি? ইয়াৰ উত্তৰো আংশিক ভাবে ঋণাত্মক। কাৰণ স্নাতক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক ইমান উচ্চমানদণ্ডৰ কেতবোৰ সা-সঁজুলি ব্যৱহাৰ কৰিবলৈ দিয়া হয় যে কৰ্মক্ষেত্ৰত তেওঁলোকে তেনে সজুলি ব্যৱহাৰ কৰাৰ সুবিধাই নাপায়। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰিক পাঠ্যক্ৰম আৰু কৰ্মক্ষেত্ৰৰ লগত এক সমতুল সম্পৰ্ক নাই। উন্নত দেশবোৰত কোনো সমস্যাৰ সৃষ্টি নকৰে, কিন্তু আমাৰ দৰে উন্নয়নশীল দেশত ই কাৰিকৰী কৃষি কৰ্মী আৰু সাধাৰণ কৃষকৰ মাজত ব্যাপক ব্যৱধানৰ সৃষ্টি কৰে।

এতিয়া প্ৰশ্ন হ'ল উপৰোক্ত আঁসোৱাহ সমূহ দূৰ কৰিবলৈ কেনেধৰণৰ পদ্ধতি অৱলম্বন কৰিব লাগিব? আমাৰ দৃষ্টিৰে কৃষি বিশ্ববিদ্যালয়ে এই লক্ষ্য স্থিৰ কৰি ল'ব লাগিব যে ই সঁচা অৰ্থত ব্যৱহাৰিক কৃষি কৰ্মীৰ সৃষ্টি কৰিব – কাগজ-কলমৰ মাজত আৱদ্ধ থকা কেতবোৰ বিষয়া নহয়। আৰু যদি কৃষি বিষয়া উৎপন্ন কৰাই অসম কৃষি বিশ্ববিদ্যালয়ৰ কাম – তেন্তে দেশৰ জনগণৰ মূৰত বিশ্ব বেংকৰ গধুৰ বোজা এটা জাপি দি মাত্ৰ কেইগৰাকীমান বিষয়াৰ সুখ আৰু প্ৰতিপত্তিৰ বাবে এনে বিশ্ববিদ্যালয় এখন চলাই যোৱাৰ কোনো অৰ্থ নাই।

অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটোৰ আমূল পৰিবৰ্তনৰ বাবে বিশ্ববিদ্যালয়খনৰ 'অধ্যয়ন পৰিষদে' বিশেষ উদ্যোগ হাতত ল'ব পাৰে। এইক্ষেত্ৰত আমি তলত দিয়া মতামত সমূহ আগবঢ়াব বিচাৰো–

১। ছাত্ৰ-ছাত্ৰী সকলক তেওঁলোকৰ কৰ্মক্ষেত্ৰৰ বাবে প্ৰয়োজনীয় ব্যৱহাৰিক পাঠ সমূহৰ দীঘলীয়া ব্যৱধান ৰাখি প্ৰদান কৰাৰ ব্যৱস্থা কৰা হওক আৰু কৃষক, পশুপালক, মীনপালক সকলৰ মাজত প্ৰত্যক্ষ যোগাযোগৰ ব্যৱস্থা কৰি দিয়ক।

২। স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰমত উচ্চ কাৰিকৰী কৌশলৰ পাঠসমূহ স্নাতকোত্তৰ পৰ্যায়লৈ নি তাৰ ঠাইত ক্ষেত্ৰভিত্তিক পাঠৰ সংখ্যা বৃদ্ধি কৰক। গৱেষণাৰ বাবে যিহেতু উচ্চ-কাৰিকৰী শিক্ষাৰ অতীৱ প্ৰয়োজন, সেয়েহে স্নাতকোত্তৰ মহলাত তেনেবোৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হওক। প্ৰয়োজন সাপেক্ষে স্নাতকোত্তৰ মহলা তিনিবছৰীয়া কৰক।

৩। দুবছৰৰ মূৰে মূৰে এটা চূড়ান্ত পৰীক্ষা পতাৰ ব্যৱস্থা কৰি পাহৰি যোৱা পাঠ্যক্ৰমখিনি ছাত্ৰসকলক পুনৰবাৰ মনত পেলাবলৈ বাধ্য কৰক।

৪। তত্বগত পাঠৰ বোজা কমাই দি, সম্পূৰ্ণ ভাবে ছাত্ৰ সকলক কৃষক, পশু-পালক অথবা মীন পালকৰ সৈতে হাতেকামে বাধ্যতামূলক ভাবে লগাওক। ইয়াৰ পৰা ৰাইজে লাভবান হ'ব আৰু ছাত্ৰ-ছাত্ৰীৰো উপকাৰ হ'ব।

প্ৰধান কথা হ'ল মেজৰ পৰা কৃষি বিষয়াই কৃষিৰ দিহা দিয়া মনোবৃত্তি পৰিহাৰ কৰিব লাগিব। সাধাৰণ ছাত্ৰ আৰু কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ পাৰ্থক্যটো স্পষ্টভাবে ব্যৱহাৰিক ক্ষেত্ৰত প্ৰস্ফুটিত কৰিব পাৰিব লাগিব।

অসম কৃষি বিশ্ববিদ্যালয়খন গঢ়ি তুলিবলৈ বিশ্ববেংকৰ পৰা ঋণ লৈ কোটি কোটি টকা খৰচ কৰা হৈছিল। কিন্তু আজি আমি কৃষি বিশ্ববিদ্যালয়ত কোটি টকীয়া অট্টালিকা দেখো – কোটি টকীয়া ফচল দিব পৰা পথাৰ, পুখুৰী বা গোহালি নেদেখো। আমেৰিকা আদি দেশ সমূহৰ কাৰিকৰী বিশ্ববিদ্যালয় সমূহ নিজৰ উৎপাদনৰ ওপৰত চলে। আমাৰ দেশত ওলোটাটো ঘটে কিয়? এটাই কাৰণ – সকলোবোৰ 'অফিচ-বাবু'! আগদুৱাৰত তলা লগাই পিছ দুৱাৰেদি আহ-যাহ!

ৰাইজৰ চকু গজিছে। গতিকে সাৱধান হ'বৰ হ'ল। আমি আশা কৰো, অসমৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱস্থাটোৰ সৈতে জড়িত শিক্ষাবিদ সকলে ইয়াৰ আঁসোৱাহ সমূহ আঁতৰ কৰাৰ বাবে প্ৰচেষ্টা চলাব।

**হৰিচৰণ দাস**
নগাওঁ

(৩)

অসম কৃষি বিশ্ববিদ্যালয় ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ কৃষি বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়ত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰী সকলেহে নাম ভৰ্তি কৰিবলৈ সুবিধা পায়। বিশ্ববিদ্যালয় ৰাইজৰ ৰাজহৰ ধনেৰে পৰিচালিত হোৱা এটা অনুষ্ঠান। এই অনুষ্ঠানৰ শিক্ষক সকলৰ নিজৰ গুৰুদায়িত্ব আছে কিন্তু এনেক্ষেত্ৰতো অসম কৃষি বিশ্ববিদ্যালয়ৰ এটা বিভাগৰ এজন সহযোগী অধ্যাপকে বিশ্ববিদ্যালয়ৰ চৌহদৰ ভিতৰতে এটা Xerox মেচিন কিনি আৰু Electronic typing যন্ত্ৰ কিনি বেহা-বেপাৰ কৰাৰ কথা সকলোৰে মাজত জনাজাত। যাৰে নামত তেখেতে মেচিনটো নিকিনক কিয়, কিন্তু তেখেত সৰহভাগ সময় এই বেপাৰ লৈ ব্যস্ত হৈ থকা ছাত্ৰ সমাজৰ চকুত ভালকৈ পৰিছে। তেখেতক বিচাৰিলে বিভাগত লগ পোৱা বৰ কঠিন। আনহাতে শ্ৰেণী লোৱাতো তেখেত নিয়মীয়া নহয়। তেখেতৰ মেচিনত Thesis type নকৰা ছাত্ৰ সকলক বেয়া ব্যৱহাৰ কৰা ইত্যাদি কথালৈ কেইজনমান ছাত্ৰই ইতিমধ্যেই কৰ্তৃপক্ষক জনাইছে। গৱেষণা আৰু শিক্ষাদানৰ কামত ব্যস্ত থকাৰ পৰিবৰ্তে মুকলি ভাবেই চৌহদৰ ভিতৰতে বেহা বেপাৰ কৰা কথাটোৱে ছাত্ৰ সমাজক বেয়াকৈ অসন্তুষ্ট কৰিছে।

**অভিজিৎ বৰদলৈ**
**মানস শৰ্মা**
ছাত্ৰ, অসম কৃষি বিশ্ববিদ্যালয়

## আহোম হওক! আহোম!

যোৱা ১৬ মে তাৰিখৰ ওপৰোক্ত শিৰোনামাৰ জনৈক ছদ্মবেশীৰ লিখাটোৰ ওপৰত চাও পুষ্প গগৈদেৱে ১১নং সংখ্যাৰ সূত্ৰধাৰত যি উগ্ৰজাত্যাভিমানী মন্তব্য আগবঢ়াইছে, তাৰ ওপৰত অকণমান নিলিখি থাকিব নোৱাৰিলো। গগৈদেৱে ছদ্মবেশীৰ লিখাটোৰ প্ৰতিবাদ কৰিবলৈ গৈ প্ৰকাৰান্তৰে তেখেতে উগ্ৰ উচ্চবৰ্ণ বিদ্বেষী মনোভাবহে ব্যক্ত কৰিছে। আমি নিজে অহমিকাত ভুগি তেখেতৰ বক্তব্যৰ প্ৰতিবাদ কৰা নাই, অথবা ছদ্মবেশীকো সমৰ্থন কৰা নাই, কিন্তু কোনোবাই সঁচাই-মিছাই সকলো উচ্চবৰ্ণৰ লোকক সাঙুৰি গালি পাৰি থকা সহ্য কৰি থকাটোও নিশ্চয় উচিত নহয়। আত্মপক্ষৰ সমৰ্থনত আনক গালি-শপনি পাৰি থকাটোও উচ্চ মনৰ অথবা ভাল লক্ষণ নহয় নিশ্চয়।

উদাহৰণ স্বৰূপে গগৈদেৱে ১নং বক্তব্যত উল্লেখ কৰিছে – 'ই অনস্বীকাৰ্য যে বিভিন্ন জনগোষ্ঠীৰ মিলন আৰু সংমিশ্ৰণৰ ফলত বৃহৎ অসমীয়া জাতি গঢ়ি উঠিছে। অসমীয়া জাতি আৰু ভাষা-সংস্কৃতিৰ বিকাশ ঘটাবলৈ হলে বিভিন্ন জনগোষ্ঠী সমূহৰ ভাষা-সংস্কৃতিৰো বিকাশ ঘটাব লাগিব। কিন্তু ইয়াকে কৰিবলৈ গৈ এচাম উচ্চ-বৰ্ণৰ মানুহে তেওঁলোকৰ অভ্যস্ত জীৱনযাত্ৰা, ৰীতি-নীতি, ধৰ্ম আৰু কলা-কৃষ্টিকে সকলো অসমীয়াৰ বাঞ্ছিত, কাংক্ষিত ৰূপ বুলি জাপি দিবলৈ বিচাৰিছে' – এই কথাষাৰৰ দ্বাৰা ডঃ হীৰেণ গোহাঁইদেৱে অথবা উদ্ধৃতকাৰী গগৈদেৱে প্ৰকৃততে কি বুজাব খুজিছে বোধগম্য নহ'ল। আমি জনাত অসমত বাস কৰা কোনো উচ্চ বৰ্ণৰ মানুহৰে পৃথক ৰীতি-নীতি, কলা-কৃষ্টি আদি নাই, যাক আনৰ ওপৰত জোৰকৈ জাপি দিয়া হৈছে। অৱশ্যে ব্ৰাহ্মণ্য ক্ৰিয়া-কৰ্মখিনি যেনে – উপনয়ন, চূড়াকৰণ, শ্ৰাদ্ধ বিধি আদি আনৰ পৰা পৃথক আৰু এইখিনি আনৰ ওপৰত জাপি দিয়া নাই বা তাৰ প্ৰশ্নই নুঠে। গতিকে এনে বিভাজনবাদী মন্তব্য নকৰাই শ্ৰেয়। লেখক গগৈ দেৱে আৰু পৰোক্ষভাবে গোহাঁইদেৱে নিশ্চয় অবিদিত নহয় যে অসমত বাস কৰা বৰ্ণহিন্দুৰ সংখ্যা শতকৰা মাত্ৰ ৩-৪ জনহে। ইমান কম সংখ্যক মানুহে সমাজৰ বৃহৎ অংশটোক প্ৰভাবান্বিত কৰিব পৰাটো কম ডাঙৰ কথা নহয়। যদিহে তেখেতসকলে ভবাৰ দৰে প্ৰভাবান্বিত হৈছেও ই বিচাৰ্যৰ বিষয়।

২নং বক্তব্যত গগৈদেৱে ছদ্মবেশী প্ৰতিবেদকক তাই সাহিত্য সভাৰ ওপৰত বিৰূপ মন্তব্য কৰা বুলি দোষাৰোপ কৰিছে। এই ক্ষেত্ৰত আমিও একমত। কোনোবাই কাৰোবাৰ ভাষা-সাহিত্যৰ ওপৰত বিৰূপ মন্তব্য কৰাটো কেৱল আপত্তিজনকেই নহয়, আইনগত অপৰাধো। তাই সাহিত্যৰ বিকাশ হলে প্ৰকাৰান্তৰে অসমীয়া ভাষা-সাহিত্যৰে বিকাশ ঘটিব। অৰ্থাৎ তাই ভাষাৰ বহুতো শব্দ ব্যাকৰণ আদি অসমীয়া ভাষাত সোমাই পৰিব, যেনেদৰে সংস্কৃত মূলজ অসমীয়া ভাষা-সাহিত্যত বহুতো সংস্কৃত শব্দ কেইবাশতিকা জুৰি সোমাই পৰি প্ৰকাৰান্তৰে অসমীয়া ভাষাটোকহে চহকী কৰিছে। এইখিনিতে উনুকিয়াই থওঁ যে ডঃ দিলীপ কুমাৰ দত্ত আৰু পদ্ম বৰকটকীৰ দৰে বিদ্বান লোকেও (প্ৰসঙ্গক্ৰমে উল্লিখিত) সংস্কৃত ভাষাৰ শব্দই অসমীয়া সাহিত্যত আধিক্য ঘটাবুলি আশ্চৰ্য প্ৰকাশ কৰিছে। কিন্তু সংস্কৃত মূলজ অসমীয়া ভাষা-সাহিত্য নালাগে ভাৰতৰ প্ৰত্যেক ভাষা-সাহিত্যতে সংস্কৃত মূলজ শব্দৰ আধিক্য ঘটাটো এটা স্বাভাৱিক প্ৰক্ৰিয়াহে। তৎসত্বেও অসমীয়া ভাষা-সাহিত্যত তাই ভাষাৰ লগতে অন্যান্য জনগোষ্ঠী সমূহৰ ভাষা-উপভাষাৰ শব্দৰ প্ৰয়োগো কোনো গুণেই কম নহয়। উদাহৰণ হিচাপে সম্বন্ধবাচক, নদীবাচক, জন্তু-পশু-পক্ষী বাচক, পোছাক-পৰিচ্ছদ বুজোৱা শব্দৰ সৰহ-সংখ্যকেই অসমৰ খিলঞ্জীয়া ভাষাৰ পৰাহে অহা। গতিকে এনে বিষয়ত অনাহক অৰ্থহীন মন্তব্য কৰাটো নিতান্তই অযুক্তিকৰ।

৩নং বক্তব্যত গগৈদেৱে গুৱাহাটী দূৰদৰ্শনৰ কোনোবা কৰ্মকৰ্তাক দূৰদৰ্শনত তাই নৃত্য-গীত প্ৰচাৰ সম্বন্ধত দোষাৰোপ কৰিছে। দূৰদৰ্শন (গুৱাহাটী-ডিব্ৰুগড়) যোগে তাই গীত-মাত প্ৰচাৰ কৰিলে বহুলোকেই উপকৃত হ'ব। কোনো কৰ্মকৰ্তাই যদি প্ৰকৃততেই অৱজ্ঞাসূচক মন্তব্য কৰিছে, সি সঁচাকৈয়ে দুঃখজনক।

৪ নং বক্তব্যত গগৈ দেৱৰ প্ৰত্যুত্তৰটোৰ কথাখিনিও সমানেই আপত্তিজনক। তেখেতে নিজেই স্বীকাৰ কৰিছে 'অসমীয়া' শব্দটো বৰ্তমান পৰিস্থিতিত বৰ বেছি সংকীৰ্ণ গণ্ডীত সোমাই পৰিছে। আজি আমি আহোম-কছাৰী-বামুণ-চুতীয়া হোৱাতকৈ অসমীয়া হোৱাটোহে বাঞ্ছনীয়, তেহে সৰ্বভাৰতীয় আগ্ৰাসী ৰাজনীতিত অসমীয়াৰ অস্তিত্ব বজাই ৰাখিব পৰা যাব। কিন্তু প্ৰকৃতাৰ্থত বিপৰীতটোহে হ'ব ধৰিছে। গগৈ দেৱে কোৱাৰ দৰে কেৱল আহোম সকলহে অসমীয়া জাতিৰ বেছি আপোন, অসমীয়া জাতি সুঠ সৱল কৰি তোলাত আহোমসকলৰ দায়িত্বহে আটাইতকৈ বেছি বুলি কোৱা মানে আহোম সকলক প্ৰকাৰান্তৰে শ্ৰেষ্ঠত্ব প্ৰদান কৰা হৈছে। ই তেখেতৰ উগ্ৰজাত্যাভিমানী আৰু উগ্ৰজাতীয়তাবাদী মনোভাবৰহে পৰিচায়ক। তেখেতে মন কৰিব – আহোম হৈ অসমীয়া হোৱা আৰু আহোমক শ্ৰেষ্ঠ হিচাপে দেখুওৱা দুটা বেলেগ বিষয়। কাৰোবাক হেয় প্ৰতিপন্ন কৰাটো যেনেকৈ নিন্দনীয়, তেনেকৈ নিজক শ্ৰেষ্ঠ বুলি দেখুওৱাটোও সমানেই নিন্দনীয়, তেওঁ লাগে বামুণেই হওক বা আহোমেই হওক।

৫ নং বক্তব্যৰ শ্ৰী, চাও, মানচাও, মহম্মদ আদি লিখাটো মানুহৰ ব্যক্তিগত ৰুচি অভিৰুচীৰ ওপৰত নিৰ্ভৰশীল। ই বিতৰ্কৰ বিষয় হোৱাটো প্ৰকৃততে আমাৰ সংকীৰ্ণতাৰহে পৰিচায়ক।

৬নং বক্তব্যৰ কথাখিনিও অতিশয় আপত্তিজনকেই কেৱল নহয়, দুৰ্ভাগ্যজনকো। গগৈ দেৱে কোৱাৰ দৰে অসম-সাহিত্য সভাৰ কৰ্মকৰ্তা সকল কেৱল উচ্চবৰ্ণৰ লোকেৰে গঠিত নহয়। ব্ৰাহ্মণ, আহোম, বড়ো, কছাৰী, মটক, মিচিং সকলো সম্প্ৰদায়ৰ লোকেৰেই অসম সাহিত্য সভা গঠিত। তেনে ক্ষেত্ৰত মন্ত্ৰী, এম এল এ হোৱাৰ বাসনা তাই সাহিত্য সভাৰ কৰ্মকৰ্তাৰ নাই, অসম সাহিত্য সভাৰ কৰ্মকৰ্তাৰ মাজতহে বিদ্যমান বুলি তেখেতে কি বুজাব খুজিছে বুজিব নোৱাৰিলো।

৭ নং বক্তব্যত কোৱা হৈছে যে, হিতেশ্বৰ শইকীয়া আহোম সম্প্ৰদায়ৰ হোৱাৰ বাবেই খিলঞ্জীয়া জনগোষ্ঠী সমূহে তেখেতৰ নেতৃত্বৰ প্ৰতি সহাঁৰি জনাইছে। প্ৰকৃততে উক্ত কাৰণতে সহাঁৰি জনাইছে নে তেখেত সৰ্বভাৰতীয় শাসকীয় দলৰ ৰাজ্যিক নেতা হোৱাৰ বাবেহে সঁহাৰি জনাইছে ইয়াক সময়ে নিৰূপণ কৰিব।

গগৈ দেৱৰ ৮ নং বক্তব্যটিও বিতৰ্কৰ উৰ্ধ্বত নহয়। কিয়নো দেশ স্বাধীন হোৱাৰে পৰা ধৰিলেও মুখ্য মন্ত্ৰীৰ সংখ্যাটোত আহোম সম্প্ৰদায়ৰ প্ৰতিনিধিত্বই সংখ্যাগৰিষ্ঠ। তেনেক্ষেত্ৰত উচ্চবৰ্ণৰ হাতত ক্ষমতা বৰ্তি থকা বুলি কোৱাটো বিভ্ৰান্তিকৰ।

তেনেদৰে, সাম্প্ৰতিক অসমৰ প্ৰচাৰ মাধ্যম সমূহ (চৰকাৰী প্ৰচাৰ মাধ্যমকে ধৰি) উচ্চবৰ্ণৰ দখলত নিশ্চয় নহয়। পুষ্প গগৈ বা নিবাৰণ বৰাই (প্ৰসঙ্গক্ৰমে উল্লিখিত) কোৱাৰ দৰে প্ৰচাৰ মাধ্যম, যাতায়াত, মাইক্ৰফোন, মটৰগাড়ী, ছপাশাল সকলো উচ্চবৰ্গৰ হাততে সীমাবদ্ধ নহয়। বৰঞ্চ ভালকৈ বিচাৰ কৰিলে সম্পূৰ্ণ বিপৰীত পৰিসংখ্যা এটাহে পোহৰলৈ আহিব। বৰ্তমানৰ সকলো দিশতে আৰক্ষণ ব্যৱস্থাই উচ্চবৰ্গৰ কাৰণে পৰিস্থিতি অধিক জটিলহে কৰি তুলিছে। সহজ কথাত কবলৈ গলে অধিক চিঞৰ-বাখৰ কৰি জনমানসত বিৰূপ মনোভাব এটা দি উচ্চবৰ্গৰ লোকক শোষণৰ (অৰ্থনৈতিক আৰু মানসিক) বাট প্ৰশস্ত কৰি তোলা হৈছে মাথোন।

মানি লওঁ, ছদ্মবেশী জনৈক ব্যক্তিৰ বক্তব্য কিছু ক্ষেত্ৰত আক্ৰমণাত্মক। কিন্তু তাকে প্ৰতিপন্ন কৰিবৰ বাবে আত্মপক্ষ সমৰ্থনত গগৈদেৱে সঁচাই-মিছাই উচ্চ বৰ্ণৰ লোকসকলক আক্ৰমণ কৰাটোও কোনো পধ্যেই যুক্তিসঙ্গত নহয়, নীচাত্মিকা মনোভাবত ভোগা লোকেহে সততে তেনে মন্তব্য কৰা দেখা যায়। সৰ্বশেষত ক'ব পাৰি – গঠনমূলক বিতৰ্ক সকলোৰে কাম্য, কিন্তু অৰ্থহীন দোষাৰোপ কাৰো সহ্য নোহোৱাটোৱেই স্বাভাৱিক তেওঁ লাগে পুষ্প গগৈয়ে হওক বা প্ৰদীপ গোস্বামীয়ে হওক বা আন কোনোবাই হওক। নিৰপেক্ষ গঠনমূলক সমালোচনাইহে আমাক আগুৱাই নিব, অন্যথা আমি সকলো দিনে দিনে ক্ষুদ্ৰ গণ্ডীৰ ফালেহে ধাৱমান হম, ই ধ্ৰুৱ।

**প্ৰদীপ গোস্বামী**
মৰাণহাট

## প্ৰসঙ্গ ঃ "সাজপানী, শুকটি আৰু আমৰলি পৰুৱা"

(১)

শ্ৰীভৰত সন্দিকৈদেৱে মোৰ "সাজপানী, শুকটি আৰু আমৰলি পৰুৱা" শীৰ্ষক লেখাটোত বহুতো তথ্যগত ভুল থকা বুলি বিষয়টো আলোচনা কৰাৰ বাবে তেখেতলৈ ধন্যবাদ জনাইছো কাৰণ সচৰাচৰ অৱহেলিত খাদ্য চৰ্চাৰ এনে এটা বিষয়েও পঢ়ুৱৈৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম

হৈছে। 'সূত্ৰধাৰ'ৰ সম্পাদকৰ সৈতে খাদ্যচৰ্চাৰ এই প্ৰসঙ্গটো আলোচনা কৰোতে তেখেতে এই লেখকক প্ৰায় ধমকিৰ সুৰতে কৈছিল 'এইবোৰ কথা মোক যে কৈছা, তুমি সোনকালে এই বিষয়ে নেলেখা কিয় ?' বিষয়টোৰে এতিয়া পাঠকৰ চোকা দৃষ্টি (?) আকৰ্ষণ কৰাত সম্পাদক ডাঙৰীয়াৰো বোধকৰো উদ্দেশ্য প্ৰায় সফলেই হৈছে।

সাঁজ নে সাঁজপানী ? এই বিষয়ে লেখিবলৈ গৈ মই প্ৰথমেই লেখিছিলো "আহোম সকলৰ মূল খাদ্য ভাত-জলপানৰ লগতে সমানে বছৰৰ কেউমাহে প্ৰচলিত কৃষিজীৱী ৰাইজৰ জীৱনদায়িনী শক্তি পানীয় বিধ হ'ল "সাঁজ"। যিহেতু ই এবিধ পানীয় সেয়ে ই "সাজপানী"। সাঁজক ভালেমান আহোম গাঁৱত 'জপান' বুলিও কয়। 'জপান' বোধকৰো 'জলপান' শব্দৰে অপভ্ৰংশ। চহা জিভাত পৰি 'জলপান' উচ্চাৰণৰ ঠাইত 'জপান' হৈছেগৈ। অৱশ্যে এইটো শব্দৰ প্ৰচলন কেতবোৰ নিৰ্দিষ্ট অঞ্চলতে সীমাবদ্ধ বুলিব পাৰি। মোৰ মূল লেখাত এই তথ্য বাদ পৰি যোৱাত এতিয়া এই সুযোগতে উল্লেখ কৰিলো। মূল শব্দ 'সাঁজ' হলেও 'সাজপানী' শব্দৰ প্ৰচলনো কোনো গুণে কম নহয়। শ্ৰীসন্দিকৈৰ মতে সেয়া 'প্ৰগতিবাদী' আহোমৰ মুখতেই হওক বা অন্যান্যসকলৰ মুখতেই হওক! ডেকা বুঢ়া সকলোৱে সাজপানী বুলি কয়নে নকয় সেই কথালৈ নগৈয়ো এই লেখকে বহু আহোম গাঁৱৰ নামৰ সন্ধান দিব পাৰে য'ত 'সাজ' আৰু 'সাজপানী' এই দুয়োটা শব্দৰ ব্যৱহাৰ সমানে চলে।

শ্ৰীসন্দিকৈ দেৱে আৰু কৈছে যে, সাঁজক 'দেৱৰ অমৃত' বুলি নকয় 'দেৱৰস' বুলিহে কয়। কোনো কোনো অঞ্চলত 'দেৱৰস' বুলিব পাৰে তাত দ্বিমত নাই। পিছে অমৃতো প্ৰচলিত সাধাৰণ অৰ্থত এবিধ ৰসেই। আহোম সকলৰ সকামে-নিকামে সাজপানী নৈবেদ্য হিচাপে অন্যান্য সামগ্ৰীৰ সৈতে 'ভগৱান' বা 'ইষ্ট দেৱতালৈ' আগবঢ়াই দিওঁতে, মৃতকৰ বছৰেকীয়া সকামত বা বুঢ়া ডাঙৰীয়াৰ পূজা বা আহাৰ-শাওন মাহত প্ৰথম 'ৰোৱাগছি' (ভূঁইৰোৱা) লোৱাৰ দিনা চাকি শলিতা লগাওঁতে ঘৰৰ গিৰিহঁতে কয় "কিনো আছে, কিনো দিম, এগছি মাটিৰ চাকি, দুখনিমান গুৱাপান........ অকণমান 'দেৱৰ অমৃত' আগবঢ়াইছো; তাতে দায় দোষ নধৰি, সৰ্বদোষ মৰিষণ কৰি, নিজ গুণে গ্ৰহণ কৰি অপায় অমঙ্গল দূৰ কৰি য'তে আছে তাৰে পৰাই তেৰাই আশীৰ্বাদ কৰিব লাগে ..........." ইত্যাদি ইত্যাদি। সকাম-নিকাম ভেদে কাকুতি-মিনতি, আশীৰ্বাদো অৱশ্যে সুকীয়া হয়। গতিকে 'দেৱৰ অমৃত' বোলোতে লেখকে নিজে মনেৰে সাজি কোৱা নাই।

শ্ৰীসন্দিকৈয়ে পিতলৰ বাতি ক'ত দেখিলো জনাবলৈ কৈছে। শ্ৰীসন্দিকৈয়ে নেদেখিলে বুলিয়ে আন কোনেও যে নেদেখিব এনে কথা হ'ব পাৰেনে ? অৱশ্যে হয় পিতলৰ বাতিৰ প্ৰচলন সচৰাচৰ কম। মোৰ লেখাটোত সেইটো 'জিভাই পিছল খোৱা'ৰ দৰে 'কলমৰ পিছল খোৱা ভুল'। যেনেকৈ 'ভাতপানী', 'তামোল-চালি' তেনেকৈয়ে 'কাঁহ-পিতল' অনুৰূপ শব্দৰ ব্যৱহাৰ প্ৰমাদবশতঃ হৈছে। কিন্তু এটা কথা, ডাঙৰ সকাম-নিকামত পিতলৰ টৌত কলহৰ পৰা সাজ ঢালি টৌৰে বিলোৱা বা সাজপানী ৰখাটো এই লেখকে প্ৰত্যক্ষতো কৰিছেই কিন্তু তেনে সাজ খাই 'ৰাসায়নিক বিক্ৰিয়া' ঘটি সাংঘাতিক একো অঘটন ঘটা দেখা নাই। পিতল, এলুমিনিয়াম বা কাঁহৰ চৰিয়াত সাঁজ থৈ পৰিৱেশন কৰাটো 'ভাতৰ লগত পানী' খোৱা কথা।

সাঁজ বনাবৰ বাবে যি পিঠা বা দৰৱ ব্যৱহাৰ কৰা হয় তাক 'পিঠাগুটি' বুলি কয় পিঠাগুৰি বুলি নকয়। লেখকে যি বাক্যাংশৰ পৰা উদ্ধৃতি দিছে সেই অংশত মূল লেখাটোত থকা 'পিঠাগুটি' শব্দটো ছপাৰ ভুলত 'পিঠাগুৰি' হৈছে। যিহেতু সাঁজৰ দৰৱ বা পিঠাগুটি একোটা চেপেটা গুটিৰ আকাৰত বনোৱা হয় সেয়ে তাক পিঠগুটিও বোলা হয়। তদুপৰি মোৰ লেখাটোত স্পষ্টভাৱে লেখা হৈছিল "প্ৰস্তুত কৰাৰ আগতে প্ৰয়োজনীয় 'দৰৱ' পিঠাগুটি বনোৱা হয় কেইবিধমান বনৌষধিৰ পৰা।" পুৰণা সাঁজৰ দৰৱ বা পিঠাগুটি ব্যৱহাৰ নকৰাকৈও নতুনকৈ বনোৱা পিঠাৰেও উৎকৃষ্ট মানৰ সাজপানী প্ৰস্তুত কৰিব পাৰি – নিজ অভিজ্ঞতাৰ পৰাই কৈছো। অৱশ্যে পুৰণা দৰৱ নতুন পিঠাৰ সৈতে ভাঙি মিহলালে সাঁজৰ গুণাগুণ উৎকৃষ্ট যে হয় তাতো সন্দেহ নাই। আমি যি অঞ্চলৰ লোক সেইবোৰত সাঁজৰ পিঠাগুটি ডলাত মেলি ৰ'দত শুকাবলৈতো দিয়া দেখিছোৱেই আনকি নুশুকুৱা পৰ্যন্ত সেইবোৰ সংৰক্ষণো কৰা নহয়। তদুপৰি পিঠাগুটিবোৰ চালনীত নে ডলাত শুকোৱা হয় সেইটো ডাঙৰ কথা নহয়, কথা হ'ল শুকাব লাগে। শ্ৰীসন্দিকৈৰ ভাষাৰেই "চালনীত তুলি, ধোঁৱা চাঙৰ ওপৰত শুকাবলৈ দিয়া হয়।" আকৌ "ধান চলা চালনীৰ ফুটাৰে অতি সহজে জুইৰ উত্তাপ আৰু ধোঁৱা সাঁজৰ দৰৱত সোমাব পাৰে, যিটো ডলাত সম্ভৱ নহয়।" ৰ'দত শুকোৱাৰ পিছৰ পৰ্যায়তহে ধোঁৱা চাঙত দিয়াৰ নিয়ম। অৱশ্যে ঠাইভেদে শুকোৱাৰ পদ্ধতি সুকীয়া হোৱাটো নুই নকৰো।

বৰা চাউলৰ বাদে আন চাউলৰ পৰা যে সাঁজ প্ৰস্তুত কৰা নহয় সেই কথানো কেতিয়া ক'লো ? পিছে সচৰাচৰ বৰা চাউলৰ পৰাই সাঁজ প্ৰস্তুত কৰা হয়। সাজপানীৰ বাবে কৃষিজীৱী ৰাইজে সাধ্যানুযায়ী বা প্ৰয়োজনমতে এপুৰা দুপুৰামান মাটিত আচুতীয়াকৈ বৰাধানৰ খেতি কৰে যেনেকৈ কৰা হয় "কোমল চাউল", "চিৰা" আদিৰ বাবে "মালভোগ" আদি ধানৰ খেতি।

"ভাতখিনি পচি ৰসেৰে কলপাতখন চপচপীয়া হৈ পৰে"। মাৰাত্মক ভুল কথা এটা কোৱা হ'লনে শ্ৰীসন্দিকৈয়ে কবৰ দৰে ? সাঁজৰ দৰৱে ভাতৰ অভ্যন্তৰত প্ৰৱেশ কৰি ৰাসায়নিক ক্ৰিয়া সৃষ্টি কৰাৰ পিছত স্বাভাৱিকতে ভাতটো আৰু ভাত হৈ নাথাকে। ভাতবোৰ কোমল "ভেতভেতীয়া" হৈ পৰে আৰু পিটিকিলে বা চেপিলে ৰস ওলোৱা অৱস্থালৈ ৰূপান্তৰিত হয়। ইয়াকে সহজ সৰল অৰ্থত 'পচা' বুলি কলেও বোধকৰো বৰ ভুল কোৱা নহয়।

সাজপানী ভৰোৱা কলহকেইটা অৱশ্যে মাটিৰ কলহেই। সেই তাহানিৰ ল'ৰালিৰ পৰা সাঁজথোৱা কলহ কেইটা ধোঁৱা চাঙত বা আখলৰ চুকতে দেখি দেখি মনত বাহলোৱা এক দৃঢ় ধাৰণাৰ ফলতে এই প্ৰমাদ। সাজপানীৰ কলহ বোলোতে পিতলৰ বা এলুমিনিয়ামৰ কলহৰ কথাও কোনোবাই ভাবিব পাৰে সেই কথালৈ লেখকৰ তং কৰাই নহ'ল। শ্ৰীসন্দিকৈদেৱক ধন্যবাদ জনালো। কিন্তু মাটিৰ কলহকেইটা বছৰেকমান ধোঁৱা চাঙত তুলি থোৱাটো নিতান্তই সাধাৰণ কথা। এবাৰ ব্যৱহাৰ কৰা কলহকেইটা ধুই পখালি ৰ'দত দি পুনৰ ধোঁৱা চাঙত তুলি থৈ দিয়াটোতো এটা নিয়মেই।

এতিয়া আহো শুকটিৰ প্ৰসঙ্গলৈ। মই লেখিছিলো "পুখুৰী, নৈ-বিলত উভৈনদী হৈ থকা বিবিধ মাছ ধৰি আনি ধুই-বাছি একোখন বৰচালনীত দি........" ইত্যাদি। "বিবিধ মাছ" বোলোতে তাত শ্ৰীসন্দিকৈয়ে কোৱা "কাঠ মাছো" নিশ্চয় নথকাকৈ নাই। আহিনীয়া কচুৰ দং দিব পাৰিলেতো ভালেই।

যাহওক, মোৰ খাদ্য চৰ্চাৰ এই লেখাটোত অজানিতে ৰৈ যোৱা ভুল ত্ৰুটী আঙুলিয়াই দি বিষয়টোৰ প্ৰতি পাঠক সমাজক আৰু অধিক দুই এটা তথ্য দিবলৈ সুযোগ দিয়াৰ বাবে শ্ৰীসন্দিকৈলৈ ধন্যবাদ জনালো। মোৰ লেখাটো প্ৰস্তুত কৰোতে নিজে দেখা আৰু মোৰ জন্মস্থানৰ কুৰি পঁচিশ মাইলমানলৈ ব্যাপ্ত থকা আহোম গাওঁবোৰত দেখা-শুনা তথ্যকে সমল কৰি লোৱা হৈছিল। পিছে শ্ৰীসন্দিকৈদেৱৰ লেখাৰ ভাষা প্ৰত্যাহ্বান জনোৱা বিধৰ আৰু শ্লেষপূৰ্ণ নোহোৱা হলেও আমি "তেখেতৰ মতে বিষয়টো সঠিক ৰূপত আগবঢ়াব নোৱৰা বুলি" তেখেতৰ উদ্বেগ-উৎকণ্ঠাৰ কথা অনুধাৱন কৰিবলৈ সক্ষম হলোহেঁতেন কিজানি!

সত্যেন গঁগৈ
নগাওঁ



(২)

যোৱা ৩১ জুলাই তাৰিখৰ সূত্ৰধাৰত খাদ্য চৰ্চা শিতানত প্ৰকাশিত সত্যেন গঁগৈৰ "সাজপানী শুকটি আৰু আমৰলি পৰুৱা" শীৰ্ষক লেখাটিৰ সন্দৰ্ভত নিম্নলিখিত কথাকেইটা সংযোজন কৰাৰ লোভ সামৰিব নোৱাৰিলো।

(১) উজনি অসমৰ তাই আহোমৰ পুৰোহিত শ্ৰেণী-মহন-দেউধাইৰ অধ্যুষিত শিৱসাগৰ জিলাৰ বকতা, পাটসাঁকো, খালৈ ঘোগোৰা, মৰাণজান, জজলী, ধোপাবৰ, আমগুৰি আদি অঞ্চলৰ গাওঁবোৰত গঁগৈ দেউৱে উল্লেখ কৰা "সাজপানীক" 'লাওপানী' নাইবা 'লোকলাও' বুলিহে কোৱা হয়। এই কথা প্ৰণিধানযোগ্য যে মহন, দেউধাই-বাইলুং সকলে তাই-আহোমৰ সাংস্কৃতিক পৰম্পৰাকে ধৰি অন্যান্য সামাজিক ৰীতি-নীতি সমূহ আজিকোপতি ৰক্ষা কৰি আহিছে। তেওঁলোকৰ নিচিনাকৈ 'লাওপানীক' মুকলিমুৰীয়াকৈ বহুলভাৱে বিভিন্ন উৎসৱ-পাৰ্বণত আৰু পূজা-পাতলত আহোমৰ অন্যান্য সকলে ব্যৱহাৰ নকৰে। তাই-ভাষাৰ উচ্চাৰণেৰে পুৰোহিত সকলে বিভিন্ন দেৱ-দেৱীক পূজোতে এই বিধ 'দেব ৰসক' 'লোক লাও' বুলিয়েই উচৰ্গা কৰে। অৱশ্যে এই কথা ঠিক যে হিন্দু ধৰ্মৰ এটি শাখা কাল-সংহতিৰ অনুগামী তাই আহোম সকলে 'ৰাতি-সেৱা', 'বৰ সেৱা' আদি বিভিন্ন ধৰ্মীয় কাৰ্যত 'লাওপানী' ব্যৱহাৰ কৰিবলৈ লোৱাৰে পৰা ইয়াক 'সাজপানী' বুলি কবলৈ আৰম্ভ কৰে বুলি অনুমান কৰিব পাৰি। এইবিলাক অনুষ্ঠানত 'লাওক', গঁগৈ দেউৱে উল্লেখ কৰাৰ দৰে, সজাই-পৰাই দিয়ে বাবেই সম্ভৱ কালক্ৰমত 'লাও' – 'সাজ' বুলি পৰিগণিত হ'লগৈ।

(২) সাজপানীয়েই হওক বা লাও পানীয়েই হওক গঁগৈ দেউৱে কবৰ দৰে ইয়াক কেৱল বৰা চাউলৰ পৰাই তৈয়াৰ কৰা নহয়। এইটো কৰাৰ সম্ভৱও নহয়। কাৰণ ওপৰত উল্লেখ কৰা অঞ্চল সমূহত এনে কিছুমান পৰিয়াল আছে – যাৰ ঘৰত বিহু-সংক্ৰান্তিৰ কথা বাদেই – প্ৰতিদিনে নিয়মীয়াকৈ লাওপানী ব্যৱহাৰ কৰা হয়। বিশেষকৈ এই অঞ্চলৰ প্ৰায়বোৰ বৃদ্ধলোকে পুৱা-গধুলি 'লাওপানী' নহলে এদিনো চলিব নোৱাৰে। উৎসৱ-পাৰ্বণকে ধৰি গোটেই বছৰটোত এইদৰে লাওপানী ব্যৱহাৰ কৰিবলৈ হ'লে কম বৰা ধানৰ আৱশ্যক নহ'ব। তদুপৰি বৰা চাউলৰ পৰা অন্যান্য জা-জলপানো বনোৱা হয়। সকলো মাটি বৰা ধানৰ খেতিৰ বাবে উপযোগীও নহয় আৰু লাহি-ধান হিচাপে বৰা ধানৰ খেতি আগতীয়াকৈ চপাব লাগে। গতিকে এইকথা সঁচা নহয় যে 'সাজ' বা 'লাও' কেৱল বৰা চাউলৰ পৰাহে তৈয়াৰ কৰিব পাৰি। অন্য চাউলৰ পৰাও ভাল 'লাওপানী' তৈয়াৰ কৰা হয়। উল্লিখিত অঞ্চলসমূহত 'বৰালাও' কাচিৎহে ব্যৱহাৰ কৰা হয়। বৰা চাউলৰ লাও মিঠা, সোৱাদ চেংচেঙীয়া চোক অলপতে নাইকিয়া হয়। আনহাতেদি অন্য চাউলৰ 'লাওৰ' ক্ৰিয়া গহীন, লাহে লাহে কাম কৰে। ভাতৰ লগত মিহলি কৰা 'লাও দৰবৰ' প্ৰতিক্ৰিয়া হ'লে সেই ভাতখিনিক 'জগলি' বুলি কোৱা হয়। বৰা চাউলৰ লাওৰ 'জগলি' খাইহে বেছি তৃপ্তি পোৱা যায়। ভাত খোৱা নিচিনাকৈ পেটও ভৰে আৰু ৰিমজিমকৈ নিচাও ধৰে। আজিও মনত পৰে খেতিৰ দিনত পথাৰত হাল মেলা অলপ আগতে আইয়ে পথাৰলৈ 'বৰা জগলি' দি পঠাইছিল যাতে এইখিনি খাই হাল মেলাৰ পাছত পথাৰত আলি দুপাপমান দি আহিব পাৰো।

(৩) গঁগৈ দেউৱে লিখাৰ দৰে চাউল কেৱল ভাপত সিজাই বা 'ছেৱা' দিয়েই সকলো 'লাও' বা 'সাজপানী' তৈয়াৰ কৰা নহয়। বৰা চাউল ছেৱা দি লাওৰ 'দৰৱ' সানি তলিত বিন্ধা থকা পিতলৰ নাইবা অন্য খৰাহিত থলে কিছুদিনৰ পাছত খৰাহিৰ তলৰ বিন্ধাইদি নিগৰি এটোপ দুটোপকৈ ৰস পৰিবলৈ আৰম্ভ কৰে। এনে 'লাও'ক 'তলসৰা' বুলি কোৱা হয়। এই পদ্ধতি কেতিয়াবাহে অৱলম্বন কৰা হয়। ই সাজপানী নাইবা লাওপানী তৈয়াৰ কৰাৰ গতানুগতিক প্ৰথা নহয়। ভাত ৰন্ধা নিচিনাকৈ চাউল সিজাই (অৱশ্যে 'লাও'ৰ ভাতখিনি অলপ চাউলীয়াকৈ ৰখা হয়) লাও তৈয়াৰ কৰা হয়।

(৪) 'লাও'ৰ নাইবা 'সাজৰ' "দৰৱ" বনোৱা ক্ষেত্ৰত এটি অতি গুৰুত্বপূৰ্ণ কথা গঁগৈ দেউৱে উল্লেখ নকৰিলে। তেখেতে কবৰ দৰে পিঠাৰ লগত কেৱল কেইবিধমান বনৌষধি মিহলাই এই "দৰৱ" তৈয়াৰ কৰা নহয়। নতুন "দৰৱ" প্ৰস্তুত কৰিবলৈ ইয়াৰ লগত অলপ পুৰণা "দৰৱ" মিহলোৱাটো নিতান্ত প্ৰয়োজন। কোনোবা এবিধ বনৌষধি নোহোৱাকৈও 'লাও'ৰ "দৰৱ" বনোৱা হয়। কিন্তু পুৰণা দৰৱৰ সঁছ নোহোৱাকৈ 'লাওৰ' "দৰৱ" বনোৱা নহয়। এইদৰে নতুন দৰৱ বনাবলৈ মিহলোৱা পুৰণা দৰৱক 'ঘাই' বুলি কোৱা হয়। ঠিক সেইদৰে লাওপানীৰ মানদণ্ড ভাল হোৱাতো লাও দৰৱৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে ভাল দৰৱৰ 'ঘাই' কেতিয়াবা গাঁৱৰ আইতাসকলে বহুদূৰৰ গাঁৱৰ পৰা বিচাৰি আনিও লাও নাইবা সাজৰ "দৰৱ" প্ৰস্তুত কৰে।

(৫) তদুপৰি, প্ৰতিবেদক গঁগৈ দেউৱে লিখাৰ দৰে দৰৱ মিশ্ৰিত ভাত ভৰাই থোৱা কলহত নিৰ্দিষ্ট পৰিমাণৰ পানী দি কাটি কৰি উলিয়াই "সাজ" যতন কৰাৰ একমাত্ৰ পদ্ধতি নহয়। উল্লিখিত অঞ্চলসমূহত এই ক্ষেত্ৰত অৱলম্বন কৰা পদ্ধতিটো হ'ল – কলহৰ পৰা ব্যৱহাৰৰ জোখৰে 'জগলি' উলিয়াই কিছুসময় নিৰ্দিষ্ট পৰিমাণৰ পানীত তিয়াই থৈ বিশেষভাৱে বনোৱা বাঁহৰ চাকনিৰ (লাও চেকা চাকনি) ওপৰত চেপি ইয়াৰ ৰস উলিয়াই খোৱা হয়। এইদৰে একলহ লাও অলপ অলপকৈ উলিয়াই চেপি বহুত দিন খাব পাৰি। কলহত পানী দিলে – সেইখিনি বেছি দিনলৈ থৈ দিব নোৱাৰি। উল্লেখযোগ্য যে লাও কেৱল কলহতে নথয়। সৰহীয়াকৈ থব লগা হ'লে 'মখা' নামৰ (কলহতকৈ ডাঙৰ – পেটেলা আৰু মুখখন মেলেঙা) অন্য এবিধ মাটিৰ পাত্ৰতহে লাও থোৱা হয়। সকাম-নিকাম নাইবা অন্য উৎসৱ-পাৰ্বণৰ বাবে এনে পাত্ৰতহে সাধাৰণতে লাও থোৱা হয়। "মখাৰ' পৰা কিন্তু "সাজ" কাটি কৰি উলিওৱাটো সহজসাধ্য নহয়। সাজৰ গুটি (জগলি) এবাৰ চেপাৰ পাছত পুনৰ পানীত তিয়াই থৈ সেইখিনি পুনৰ চেপি খাব পাৰি। ইয়াকে "জগলি চেপা" বুলি কোৱা হয়। এই ক্ষেত্ৰত আন এটি উল্লেখনীয় দিশ হ'ল কেতিয়াবা লাও বেয়া হলে নাইবা এবাৰ চেপাৰ পাছত সিটা খিনি (অলপ চোক থকা বুলি অনুমান হ'লে) কিছু সময় তিয়াই থৈ এটা কলহত ভৰাই উতলাই ভাপলৈ ৰূপান্তৰিত কৰি বিজ্ঞান পাঠৰ পাতন যন্ত্ৰৰ প্ৰক্ৰিয়াৰ নিচিনাকৈ এটি অভিনৱ পন্থা অৱলম্বন কৰি 'ফটিকা' পগোৱা হয়। গঁগৈ দেউৱে লিখাৰ দৰে "চেপাগুটি" খিনি গৰু-ম'হক দিয়াতকৈ গাহৰিকেহে দিয়া হয়। তুঁহৰ লগত জগলি হৈছে গাহৰিৰ সু-খাদ্য।

(৬) গঁগৈ দেউৱে উল্লেখ কৰাৰ দৰে ১৯৬০ চনতে নহয় আনকি আজিও ওপৰত উল্লিখিত বহুতো অঞ্চলত বিবাহ-সবাহ, মৃতকৰ সকাম আদিলৈ আৰু মিতিৰৰ ঘৰলৈ যাওঁতে 'লাওপানী'লৈ যোৱাটো পৰম্পৰাগত ভাৱে চলি আছে। চাইকেল গেৰেজত ৰাখোতে টিকেট লগোৱা নিচিনাকৈ কিছুমান সকাম-নিকামলৈ লাওপানী নিয়া পাত্ৰ যেনে– বটল, টেকেলী, কলহ আদিৰ টিকেট লগাবলৈ বিশেষ ব্যক্তি নিয়োগ কৰিব লগা হয় যাতে আলহিয়ে সকাম খাই ঘূৰি যাওঁতে নম্বৰ মতে 'লাও' অনা নিজৰ পাত্ৰটো ঘূৰাই লৈ যাব পাৰে। তেনে পাত্ৰৰ প্ৰতি গাঁৱৰ আইতা-দেউতা সকলৰ বৰ মোহ। কাৰণ একেবোৰ পাত্ৰ ব্যৱহাৰ কৰি বহুবোৰ সকাম-নিকাম খাব লগা হয়।

শ্ৰীযুত গঁগৈ দেউৱে লিখা "সাজপানী" সম্পৰ্কীয় কথাখিনি অসম্পূৰ্ণ হৈ ৰ'ল বুলি ভাবিয়েই উপৰোক্ত কথাকেইটি ইয়াৰ লগত সংযোগ কৰিলো।

গিৰিশ ফুকন
মৰাণ



OKDISC




**ভাৰতৰ জনগণে জাতি ধৰ্ম্ম নিৰ্বিশেষে আমাৰ স্বাধীনতা লাভ কৰিবৰ কাৰণে একেলগে যুজ কৰিছিল।**

তেওঁলোকৰ সংগ্ৰামৰ মূলতে আছিল তেওঁলোকৰ ত্যাগ, ঐক্য আৰু ধৰ্ম্ম নিৰপেক্ষ দৃষ্টিভঙ্গীৰ উদীপ্ত ভাব।

সেই উদীপ্ত ভাবে অকলেই আমাক একেলগ কৰি ৰাখিব পাৰে আৰু দেশখনকো আগুৱাই নিব পাৰে।

davp 92/202 ASM

**ধৰ্ম্ম নিৰপেক্ষতাবাদ–আমাৰ স্বাধীনতাৰ কাৰণে এক ৰক্ষা কবচ**






# মুছলিম মানসিকতা

"শ্ৰীলঙ্কাত 'এল টি টি ই'-ৰ দ্বাৰা ত্ৰিশজন মুছলমান হত্যা।" কিছুদিনৰ আগতে বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত এই সৰু বাতাৰটো চকুত পৰাৰ লগে লগে বহুত কথাই মোৰ মনলৈ আহিল। ল'ৰাকালত বহুত সময়ত আমাৰ মাজত এনেকুৱা তৰ্ক হৈছিল ঃ 'সৌযে মানুহটো দেখিছ সি বাৰু অসমীয়ানে ?' 'ওহোঁ, সি কেতিয়াও অসমীয়া হবই নোৱাৰে। দেখা নাইনে তাৰ কেনেকুৱা দাড়ি-গোঁফ ? মানুহটো নিশ্চয় মুছলমান।'

শিশু-সুলভ অজ্ঞতা আৰু মূঢ়তাৰ কাৰণে আমি যি ভুল কৰিছিলো তাৰ কাৰণে ডাঙৰ হৈ আমি অনুতাপো কৰিছো। কিন্তু এতিয়া দেখিছো যে এনেকুৱা ভুল বেছিভাগ মানুহৰেই চিৰস্থায়ী অভ্যাসত পৰিণত হৈছে। উদাহৰণ হিচাপে ওপৰত উল্লেখ কৰা বাতৰিটোৰ কথাই ধৰা যাওক। শ্ৰীলঙ্কাত নিশ্চয় বহুত মুছলমান আছে - যেনেকৈ আছে ভাৰতত, বাংলাদেশত, মালয়েছিয়াত আৰু পৃথিৱীৰ বহুতো দেশত। কিন্তু তেওঁলোকৰ মুছলমান পৰিচয়টোৱেই কি তেওঁলোকৰ কাৰণে প্ৰথম আৰু শেষ কথা ? শ্ৰীলঙ্কাৰ মুছলমানসকলৰ ভিতৰত নিশ্চয় এনেকুৱা বহুত মানুহ আছে যিসকলৰ ভাষা আৰু সংস্কৃতি সিংহলী; ঠিক সেইদৰে এনেকুৱা অনেক মুছলমানো হয়তো আছে যিসকলৰ ভাষা আৰু সংস্কৃতি তামিল। কিন্তু ওপৰত উল্লেখ কৰা খবৰটো পঢ়িলে এনেকুৱা এটা ধাৰণা হোৱাই স্বাভাৱিক যে শ্ৰীলঙ্কাত সিংহলী আছে, তামিল আছে, আৰু আছে মুছলমান। যেন এই মুছলমান সকলৰ কোনো দেশ নাই, ভাষা নাই, সুকীয়া জাতীয় পৰিচয় নাই; তেওঁলোক কেৱল মুছলমান। এই সূত্ৰ ধৰি আমিও তেন্তে ক'ব লগা হয় যে ভাৰতত অসমীয়া আছে বাঙালী আছে, মাৰাঠী আছে, আৰু আছে মুছলমান।

ক'ব লগা হয় নহয়, আমি আচলতে কওঁৱেই। কেইটামান উদাহৰণ দিয়া যাওক। দূৰ্গাপূজা সম্বন্ধে বাংলাভাষাত যেতিয়া কিবা প্ৰবন্ধ লেখা হয় তেতিয়া নিশ্চিতভাৱেই এই কথাটো লেখা হয় যে দূৰ্গাপূজা বাঙালীৰ প্ৰধান উৎসৱ। দূৰ্গাপুজা মুছলমানৰো জানো প্ৰধান উৎসৱ ? নিশ্চয় নহয়। বৰং দূৰ্গাপুজাৰ কেন্দ্ৰীয় দৰ্শনটোৱেই মুছলমানৰ ধৰ্মীয় ভাবনাৰ সম্পূৰ্ণ পৰিপন্থী। তথাপিও যেতিয়া কোৱা হয় যে দূৰ্গাপূজা বাঙালীৰ প্ৰধান উৎসৱ, তেতিয়া জানো প্ৰকাৰান্তৰে এই কথাই কোৱা নহয় যে মুছলমানসকল বাঙালী নহয় ? আমি অসমীয়াসকলে সকলো সময়তে এই কথা কৈ থাকো যে অসমীয়া সভ্যতা-সংস্কৃতিৰ প্ৰাণপুৰুষ হ'ল মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ। এই কথাও কোৱা হয় যে তেওঁৰ বিৰচিত 'কীৰ্তন-পুথি' অসমীয়াসকলৰ পৱিত্ৰতম গ্ৰন্থ। শ্ৰীশঙ্কৰদেৱ মূলতঃ এজন ধৰ্মপ্ৰচাৰক আৰু কীৰ্তন-পুথিও এখন ধৰ্মগ্ৰন্থ। এজন মহান সন্ত আৰু অসাধাৰণ প্ৰতিভাশালী মানুহ হিচাপে অসমীয়া মুছলমানসকলেও তেওঁক অৱশ্যেই শ্ৰদ্ধা কৰে। শ্ৰীশঙ্কৰদেৱৰ জীৱন-কাহিনীক ভিত্তি কৰি এখন এপিক উপন্যাস ৰচনা কৰিছে এজন মুছলমানেহে, অৰ্থাৎ চৈয়দ আবদুল মালিকে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে শ্ৰীশঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ লগতো অসমীয়া মুছলমানসকলে একাত্মতা বোধ কৰে, কিংবা কীৰ্তন-পুথিক তেওঁলোকে পৱিত্ৰতম গ্ৰন্থ বুলি ভাবে। সেই কাৰণে যেতিয়া কোৱা হয় যে শ্ৰীশঙ্কৰদেৱেই অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰাণ-প্ৰতিষ্ঠাতা আৰু তেওঁৰ কীৰ্তন-পুথি অসমীয়া সকলৰ পৱিত্ৰতম ধৰ্মগ্ৰন্থ, তেতিয়া জানো প্ৰকাৰান্তৰে এই কথাই কোৱা নহয় যে মুছলমানসকল অসমীয়া নহয় ? অন্ততঃ সেই অৰ্থত অসমীয়া নহয় - যি অৰ্থত হিন্দু তথা বৰ্ণহিন্দু অসমীয়াসকল অসমীয়া?

এই সৰু-সুৰা কথাবোৰো আমাৰ জাতীয় ঐক্যৰ পথত আৰু এটা আধুনিক জাতি গঢ়াৰ পথত ডাঙৰ অন্তৰায়। আচলতে ঔচিত্যবোধ কিংবা স্বাৰ্থবুদ্ধিৰ তাড়নাতহে আমি জাতীয় ঐক্যৰ কথা কওঁ; সি কেতিয়াও আমাৰ আন্তৰিক উপলব্ধিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ হৈ নুঠে। ফলত আমি ৰাজনৈতিক বক্তৃতাত হিন্দু-মুছলমানৰ ঐক্যৰ কথা কওঁ; হিন্দু-মুছলমানৰ যুক্ত সাধনাত গঢ়ি উঠা ভাৰতীয় সংস্কৃতিৰ কথা কওঁ; কিন্তু দূৰ্গোৎসৱক বাঙালীৰ প্ৰধান উৎসৱ কিংবা শ্ৰীশঙ্কৰদেৱক অসমীয়া সমাজ-সংস্কৃতিৰ প্ৰাণ-পুৰুষ বুলি অভিহিত কৰাৰ সময়ত আমাৰ চেতনাৰ পৰা আমি মুছলমানসকলক সম্পূৰ্ণভাৱে নিৰ্বাসিত কৰো। এই অৱস্থাত যদি মুছলমানসকলে ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ প্ৰতি সম্পূৰ্ণ একাত্মতা বোধ কৰিব নোৱাৰে আৰু তেওঁলোকে নিজৰ মুছলমান পৰিচয়টোকেই ডাঙৰ কৰি দেখে কিংবা দেখুৱায়, তেন্তে আমি তেওঁলোকক দোষ দিওঁ কেনেকৈ ? মানুহ যিহেতু অভ্যাসৰ দাস সেই কাৰণে আমাৰ সকলোৰে পক্ষেই উচিত যি অভ্যাসবোৰ হিতকৰ সেইবোৰক সচেতনভাৱে গঢ়াৰ চেষ্টা কৰা, আৰু যিবোৰ ক্ষতিকৰ সেইবোৰক ত্যাগ কৰাৰ চেষ্টা কৰা, উদাহৰণ হিচাপে, দূৰ্গোৎসৱ সম্বন্ধে লেখাৰ সময়ত আমি জানো লিখিব নোৱাৰো যে দূৰ্গোৎসৱ 'বাঙালী হিন্দুৰ' প্ৰধান উৎসৱ।

অৱশ্যে ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ প্ৰতি তথা ভাৰতীয় জাতীয়তাবাদৰ প্ৰতি মুছলমানসকলৰ সম্পূৰ্ণ একাত্মতাবোধ গঢ়ি নুঠাৰ কাৰণে একমাত্ৰ হিন্দু সকলকেই দোষ দিব নোৱাৰি। মুছলমানসকলেও বেছ কিছু সমস্যাৰ সৃষ্টি কৰিছে। মোৰ এজন মুছলমান বন্ধু আছিল। তেওঁৰ লগত মোৰ গভীৰ প্ৰীতি আৰু বিশ্বাসৰ সম্পৰ্ক আছিল। কেইবছৰমান আগতে তেওঁৰ মৃত্যু হৈছে। ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ সময়ত এদিন তেওঁ মোৰ ওচৰলৈ আহি ক'লে - 'যোৱা কিছুদিন ধৰি মই এটা ভীষণ অন্তৰ্দ্বন্দ্বত ভুগিছো। বিবেকৰ দংশন সহ্য কৰিব নোৱাৰি অৱশেষত মই তোমাৰ ওচৰলৈ আহিছো এটা স্বীকাৰোক্তি কৰিবলৈ। মোৰ হৃদয়ে সকলো সময়তে মোক কৈছে যে এই যুদ্ধত পাকিস্তান জয়ী হলে মই সুখী হ'ম। কিন্তু মোৰ বিবেকে কৈছে যে এনেকুৱা এটা ভাব মনলৈ অনাটোৱেই ভীষণ অন্যায়; ই মোৰ দেশৰ প্ৰতি চৰম বিশ্বাসঘাতকতাৰ বাহিৰে আন একো নহয়।' এই অকপট স্বীকাৰোক্তি কৰাৰ পাছত তেওঁ বহুত সময় ধৰি এই সমস্যাটোৰ বিষয়ে মোৰ লগত আলোচনা কৰিলে। এই বিষয়টোকে লৈ মই পিছত 'আছগৰ আলী' নামৰ এটা গল্পও লিখিছিলো। খুব সম্ভৱ ১৯৬৭ চনত গল্পটো ছমহীয়া নীলাচলত প্ৰকাশ হৈছিল। মোৰ বন্ধুৱে সেইদিনা তেওঁৰ অন্তৰ্দ্বন্দ্ব ব্যাখ্যা কৰি মোক কৈছিল যে পৃথিৱীৰ সকলো মুছলমানৰ চিন্তাধাৰা পৰিচালিত হয় হজৰত মহম্মদৰ আদৰ্শৰ দ্বাৰা। হজৰত মহম্মদে যিদিনা তেওঁৰ জন্মভূমি মক্কা ত্যাগ কৰি মদিনালৈ গুচি গ'ল, সেইদিনাই তেওঁ মুছলমান সকলৰ উদ্দেশ্যে চিৰকালৰ কাৰণে এই শিক্ষা ৰাখি থৈ গ'ল যে কোনো এক বিশেষ স্থান বা নগৰ বা দেশৰ প্ৰতি মুছলমানসকলৰ বিশেষ আনুগত্য থাকিব নোৱাৰে। কোনো এখন বিশেষ ঠাই যদি ইছলামৰ বিকাশৰ উপযোগী নহয় বুলি বিবেচিত হয় তেনেহলে তেওঁ সেই ঠাই এৰি থৈ এনে এখন ঠাইলৈ গুচি যাব লাগিব - য'ত ইছলাম অধিক নিৰাপদ। সেই কাৰণে কবি ইক্‌বালে তেওঁৰ এটা কবিতাত লিখি থৈ গৈছে - 'হিন্দুস্তান, তুৰ্কী কিম্বা চিৰিয়াৰ মাজত আমাৰ হৃদয় আৱদ্ধ নহয়। একমাত্ৰ ইছলামেই হ'ল পৃথিৱীৰ সমস্ত মুছলমানৰ জন্মভূমি।'

শতাব্দীৰ পিছত শতাব্দী ধৰি এনে ভাবধাৰাৰ মাজতেই লালিত হৈছে মুছলিম মানস। সেই কাৰণে কোনো এজন মুছলমানে যদি প্ৰতিবেশী হিন্দুতকৈ ভিন দেশৰ মুছলমানৰ প্ৰতি বেছি গভীৰ আত্মীয়তা অনুভৱ কৰে কিম্বা হকী খেলত পাকিস্তানৰ হাতত ভাৰত পৰাজিত হলে উল্লসিত হৈ উঠে, তেনেহলে মুছলমানৰ তেনে আচৰণৰ এটা মনস্তাত্বিক কাৰণ নিশ্চয় বুজিব পাৰি। এই কথা বুজিবৰ ক্ষমতা যিসকলৰ আছে, মুছলমানসকলৰ এনেকুৱা আচৰণ ক্ষমাৰ চকুৰে চোৱাৰ ক্ষমতাও তেওঁলোকৰ আছে। কিন্তু এইবোৰ কথা বুজাৰ ক্ষমতা কেইজন মানুহৰনো থাকে ? সেই কাৰণে যেতিয়ালৈকে মুছলমানসকলৰ মাজত এই ধৰণৰ মনোভাব থাকিব তেতিয়ালৈকে সাম্প্ৰদায়িক ঐক্য আৰু সংহতি পদে পদে বিনষ্ট হোৱাৰ আশঙ্কাও থাকিব। মুছলমানসকলে নিজৰ ধৰ্মবিশ্বাসত অবিচল হৈ থাকিও কিভাৱে ৰাষ্ট্ৰ আৰু জাতীয়তাবাদৰ আধুনিক ধাৰণাৰ লগত নিজকে খাপ খুৱাই ল'ব পাৰে সেই কথা তেওঁলোকে চিন্তা কৰি চোৱাৰ সময় আহিছে।

বিশেষ নিবন্ধ

# সাম্প্ৰদায়িক আৰু বৰ্ণবাদী অশান্তিৰ আঁৰত থকা কিছু কথা

মছউদুল হক

"পশ্চিমৰ ঐতিহ্য ভোগবাদ আৰু আক্ৰমণাত্মক দৃষ্টিভংগীৰ। আমাৰ (ভাৰতবৰ্ষৰ) ঐতিহ্য ত্যাগ, সহনশীলতা আৰু শত্ৰুক আপোন কৰা।" (স্বামী বিবেকানন্দ, ১৮৯০)।

বিবেকানন্দই গৌৰৱ কৰা মহান ভাৰতীয় ঐতিহ্যৰ দ্ৰুত অৱক্ষয় ঘটিছে। যোৱা কেইটামান বছৰত বৰ্ণবাদী আৰু সাম্প্ৰদায়িক সংঘৰ্ষ দ্ৰুতভাবে বাঢ়িছে। সকলো যুক্তিবাদী মানুহৰ বাবে ই চিন্তাৰ বিষয়। দেশ বিভাজনৰ আগে-পিছে ঘটা দুৰ্ভাগ্যজনক ঘটনাবোৰে হিন্দু মুছলমানৰ সম্পৰ্কত সৃষ্টি কৰা গভীৰ ক্ষত সময়ৰ লগে-লগে শুকাই আহিছিল। কিন্তু যোৱা দুটা দশকত ৰাজনৈতিক ক্ষেত্ৰত আহি পৰা দুৰ্বলতা সমাজৰ সকলো ক্ষেত্ৰলৈকে বিস্তৃত হোৱাৰ ফলত ধৰ্মক লৈ ৰাজনৈতিক হেতালি খেল আৰম্ভ হ'ল। ফল হ'ল নতুন ক্ষত। বৰ্ণবাদেৰে বিভাজিত আমাৰ ভাৰতীয় সমাজখনত শিক্ষা-দীক্ষাই প্ৰকৃততে মানৱীয় গুণ সমূহৰ বিকাশ ঘটাব পৰা নাই। নিম্নবৰ্ণৰ বাবে থকা সংৰক্ষণ ব্যৱস্থাই হয়তো নামমাত্ৰ এচামক আৰ্থিক, সামাজিক, ৰাজনৈতিক প্ৰতিষ্ঠা দিছে কিন্তু গৰিষ্ঠ সংখ্যকক বেছি শোষণ, বেছি অত্যাচাৰৰ মুখলৈ ঠেলি দিছে। ইফালে ঠাই বিশেষে, অৱস্থা ভেদে নিম্নবৰ্ণৰ মানুহে শোষণ-নিষ্পেষণৰ প্ৰতিবাদ কৰিবলৈ লৈছে সশস্ত্ৰ ভাবে। দেশ জুৰি চলিছে শক্তি প্ৰদৰ্শনৰ প্ৰতিযোগিতা। যুক্তিৰ নহয় বাহুবলৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ মানসিকতা গঢ়ি উঠিছে। আদিম সভ্যতাৰ বাটকটীয়া আমাৰ পঁচাশী কোটি মানুহৰ দেশখনে একবিংশ শতিকাৰ দুৱাৰ মুখত যুক্তিবাদী মানুহৰ হাতৰ পৰা ৰক্তপিপাসু অমানুহৰ হাতলৈ যোৱাৰ ভয়াবহ সম্ভাৱনাই দেখা দিছে।

বৰ্ণবাদী বা সাম্প্ৰদায়িক সংঘৰ্ষবোৰ যুক্তিৰে ফঁহিয়াই চালে বিভিন্ন নিহিত স্বাৰ্থৰ সংঘাতবোৰ পৰিষ্কাৰকৈ ধৰা পৰে। তৎকালীন কাৰণবোৰ আচলতে নিমিত্ত মাত্ৰ। তলত আলোচনা কৰা ঘটনাবোৰ ঘটাৰ দুই তিনি মাহ পাছত সেই ঠাইবোৰলৈ গৈ আমি বিভিন্নজনক লগ ধৰি নিহিত স্বাৰ্থৰ সংঘাতবোৰ বুজিবলৈ চেষ্টা কৰিছো। তাৰ আলোচনাই যুক্তিবাদী মানুহক কাৰ্য কাৰণবোৰ বুজাত সহায় কৰিব আৰু হয়তো সম্ভাব্য বহু বিপদৰ পৰা সমাজক ৰক্ষা কৰিবলৈ প্ৰয়োজনীয় চিন্তাৰ খোৰাক যোগাব বুলি আমাৰ ধাৰণা। সংঘৰ্ষৰ জুই জ্বলাই পাশবিক আনন্দ পোৱা মুষ্টিমেয় দুষ্কৃতিকাৰীক চিনাক্ত কৰাটো আজিৰ পৰিস্থিতিত অতি প্ৰয়োজনীয় হৈ পৰিছে।

(১) **কুমহেৰ : জাঠ বনাম জাটভ, জুন, ১৯৯২।** পোন্ধৰ-যোল্ল বছৰীয়া কুসুম আৰু সোণীৰ পিঠিত দীঘল আৰু দ কটা ঘা শুকাই যোৱা দাগ। দাগবোৰ ওপৰা-ওপৰি। হাতত তৰোৱাল লৈ জাঠ যুৱক দুজনে খেদি যাওঁতে সিহঁত দুজনী ঘূলি এটাত পৰি গৈছিল। পিঠিত তৰোৱালৰ আঘাতলৈ সিহঁত কেবা ঘণ্টাও অচেতন হৈ থকাৰ পাছত ককাকে মাজ নিশা উদ্ধাৰ কৰিলেহি। সিহঁত দুজনী সৌভাগ্য ক্ৰমে বাচি গ'ল। কিন্তু সিহঁতৰ গাঁৱৰ ২৩/২৪ বছৰীয়া ফুল সিং, নাহৰ আৰু গোলাবক কটাৰ পিছত জ্বলি থকা ঘৰৰ ভিতৰত পেলাই দিয়াৰ ফলত লাওখোলা আৰু দুই-এডাল আধাপোৰা হাড়ৰ বাহিৰে একো বাকী নৰ'ল। কুমহেৰ নগৰৰ গাতে লাগি থকা চেন্‌থৰি গাঁৱৰ বাসিন্দা ৬৫ ঘৰ। তাৰে ৩৫ ঘৰ নিম্নবৰ্ণৰ জাটভ বাকী ৩০ ঘৰ ব্ৰাহ্মণ। জাটভ সকলৰ এটা ঘৰো অগ্নিসংযোগ, কটা-মৰাৰ পৰা নেবাচিল। ৬/৭ জুনত ঘটা ঘটনাৰ বিষয়ে প্ৰশ্ন কৰাত বাকী সকলৰ উত্তৰ হ'ল "নেজানো", "কব নোৱাৰো", আমি জিৰণি লৈ আছিলো", "নাই কোনো হুলস্থূল শুনা নাছিলো।" বেংকৰ কৰ্মচাৰী নিবাস শৰ্মা নামৰ যুৱক জন গোটেই উচ্চ বৰ্ণৰ মানুহখিনিৰ বিবেক। তেওঁৰ মতে "উত্তেজনা ভালেমান দিনৰে পৰা আছিল। মাৰ্চ-এপ্ৰিলত খেতি চপোৱাৰ সময়ত মাটিৰ মালিকসকলৰ লগত হোৱা বিবাদৰ পৰাই উত্তেজনা তুঙ্গত আছিল।"

কুমহেৰ তেনেই সৰু নগৰ। ৰাজস্থানৰ ভৰতপুৰ জিলাৰ সদৰ ঠাই ধুনীয়া নগৰ ভৰতপুৰৰ পৰা মাত্ৰ ১৫ কিঃ মিঃ। ডিগ আৰু ভৰতপুৰ সংযোগ পথৰ মাজত ভৰতপুৰ জিলাত জাঠ আৰু জাটভ জনসংখ্যা প্ৰায় সমান (৩৫%)। কুমহেৰত জাটভ জনসংখ্যা প্ৰায় ৮ হাজাৰ আৰু ওচৰা-ওচৰি আঠটা চুবুৰিত তেওঁলোকৰ বাস। তাৰ ভিতৰত বাৰা মোহল্লাৰ জনসংখ্যা বেছি। জাঠ জনসংখ্যাৰ ৮ হাজাৰৰ সামান্য বেছি কিন্তু তেওঁলোকৰ আৰ্থিক অৱস্থা বহু বছৰ আগৰ পৰাই ভাল হোৱা বাবে বেচ-আহল বহল ২১০ টা চুবুৰি (আগৰ ২৪ খন গাঁও) জুৰি তেওঁলোকৰ বাস। অঞ্চলটোৰ সৰহ ভাগ খেতি মাটিৰ (প্ৰায় ৮০%) মালিক জাঠসকল।

জাটভসকল হৰিজন। তেওঁলোকে কৃষি শ্ৰমিক হিচাপে বা আধিয়াৰ হিচাপে খেতি কৰে। মণ্ডল আয়োগৰ প্ৰতিবেদন গ্ৰহণ কৰাৰ ফলত হোৱা হুলস্থূলৰ পৰাই উচ্চবৰ্ণৰ মানুহৰ ঘৃণা বেছি প্ৰকট হৈছে। অন্যফালে কিছু সংখ্যক জাটভে পঢ়া-শুনা কৰাৰ ফলত উচ্চবৰ্ণক আগৰ দৰে সমীহ কৰি নচলা হৈছে। যোৱা ১১/১২ বছৰত মেট্ৰিকৰ ডেওনা পাৰ হোৱা জাটভৰ সংখ্যা ১৬০ জন হৈছে। তাৰে ২০ জন মান কলেজলৈকো গৈছে। কুমহেৰৰ জাটভসকলৰ মাজত চাৰিশৰ ওচৰা ওচৰি ৰাজমিস্ত্ৰী, ট্ৰেক্টৰ আৰু চাইকেলৰ মেকানিক আছে। তেওঁলোকে কুমহেৰৰ মানদণ্ডত যথেষ্ট উপাৰ্জন কৰে। ৪২ জন জাটভ চৰকাৰী চাকৰিত আছে। তাৰে ৮ জন পুলিচ কনিষ্টবল। বাকীসকল পিয়ন, চাপ্ৰাচী, চকিদাৰ আৰু পানীভাৰী। ভালেমান জাটভে চাইকেল চলাই ঘৰৰ আগেদি যোৱাটো উচ্চবৰ্ণৰ সৰহভাগে সহজ ভাবে ল'ব পৰা নাই। তাতোকৈ ডাঙৰ কথা হ'ল ভৰতপুৰ জিলাৰ গাতে লাগি থকা আগ্ৰা আৰু মথুৰাৰ জাটভসকলে যোৱা ১১/১২ বছৰত শিক্ষা-দীক্ষা আৰু চাকৰিত যথেষ্ট আগবাঢ়িছে। চাৰিজন কেন্দ্ৰীয় প্ৰশাসনিক বিষয়াও হৈছে। ৮/৯ জনে প্ৰেম কৰি উচ্চবৰ্ণৰ ছোৱালী বিয়া কৰিছে। ভৰতপুৰ জিলাতো দুটা তেনে ঘটনা ঘটিছে। একেবাৰে অসহ্য কথাটো হ'ল যোৱা দুবছৰত জাটভ দৰাবোৰে জাঠ আৰু ৰাজপুত দৰাৰ দৰে ঘোঁৰাত উঠিবলৈ আৰম্ভ কৰিছে। তেওঁলোকৰ বাবে উপযুক্ত শাস্তি এটাই–"জীয়াই জীয়াই পুৰি মৰা" ঠাকুৰ মংগীলাল পোদ্দাৰে আমাক কলে।

**১ জুন, ১৯৯২ :** কুমহেৰৰ সঞ্জয় টকীজত 'অগ্নি' চাবলৈ গ'ল ৰাজেন্দ্ৰ, ভজন, লীলাধৰ আৰু হুকম নামৰ চাৰিজন জাটভ ডেকাই। সিহঁত আসনত বহাৰ পাছতে দ্বাৰৰক্ষী প্ৰেম সিঙে কলেহি সেই চাৰিখন আসন চাৰিজন জাঠ ডেকা বহিবলৈ লাগিব। গতিকে ৰাজেন্দ্ৰহঁত মাটিত বহক। কথা কটা-কটিৰ পৰা হোৱা মাৰ-পিটত ৰক্ষী প্ৰেম সিং আৰু চাৰিজন জাঠ ডেকাক মৰিয়াই ৰাজেন্দ্ৰহঁত পলাল।

**৩ জুন, ১৯৯২ :** ৰাজেন্দ্ৰ আৰু ভজন কামৰ পৰা ঘূৰি আহোতে কেবাজনো জাঠ যুৱকে পেংগোৰ চাৰিআলিত আগচি ধৰি বেয়া ধৰণে মাৰ-পিট কৰিলে। ভজনৰ ভৰিত গুলি লাগিছে। ৰাজেন্দ্ৰৰ হাত আৰু ভৰি ভাঙিছে। দুয়োজন ভৰতপুৰৰ চৰকাৰী হাস্পাতালত ৮ আগষ্ট পৰ্যন্ত আছে।

জাটভসকলৰ অভিযোগ "পুলিচে এজাহাৰখনো নললে।" কুমহেৰ থানাৰ ভাৰপ্ৰাপ্ত উপ-পৰিদৰ্শক চন্দ্ৰভান যাদৱৰ মতে "সিহঁত দুটাই চাইকেলৰ পৰা পৰি হাত-ভৰিত আঘাত পাইছে। পুলিচে কি কৰিব?" অথচ ভৰতপুৰ চৰকাৰী হাস্পাতালৰ চাৰ্জন ডঃ ৰমেশ সিং ঠাকুৰে ভজনৰ ভৰিত সোমোৱা গুলিটো উলিয়াই প্ৰমাণ পত্ৰও দিছে।

**৪ জুনত** ৩/৪ শ জাটভ যুৱকে 'কুমহেৰ বন্ধ' কৰিবলৈ গৈ বিফল হ'ল। কুমহেৰ চৰকাৰী ৰাছষ্টেণ্ডত জয়পুৰৰ পৰা জুৰেৰাগামী বাছখন আক্ৰমণ কৰি দুৱাৰ খিৰিকি ভঙাৰ উপৰিও যাত্ৰীসকলক মাৰ-ধৰ কৰাৰ অভিযোগ আছে। যোৱা বিধানসভা নিৰ্বাচনত পৰাজিত হোৱা কংগ্ৰেছ প্ৰাৰ্থী কেপ্তেইন মহাৰাজ সিঙক মাৰ-ধৰ কৰাৰ ফলত উত্তেজনা যথেষ্ট বাঢ়িল। মহাৰাজ সিং চৌবিশী জাঠ পঞ্চায়তৰ (২৪ খন জাঠ গাঁৱৰ পঞ্চায়তৰ) সভাপতি আৰু শান্ত-শিষ্ট ভদ্ৰলোক বুলিয়ে জনাজাত।

সেইদিনা সন্ধিয়া কুমহেৰত প্ৰচাৰ হোৱা উৰাবাতৰিটো হ'ল 'জাটভ বিলাকে এগৰাকী জাঠ মহিলাক বাছৰ পৰা নমাই বিবস্ত্ৰ কৰি স্তন দুটা কাটি পেলাই চোঁচৰাই লৈ ফুৰিলে। মহিলা গৰাকীৰ পৰিচয় কোনেও নেজানে। ঘটনাটো কোনেও দেখা বুলি কোৱা নাই, শুনিছেহে। স্থানীয় বিধায়ক বি, জে, পি, ৰ নথী সিং আৰু কেপ্তেইন মহাৰাজ সিং দুয়ো 'ভিত্তিহীন, উৰাবাতৰি' বুলি কৈছে।

**৫ জুনত** জাঠ নেতাসকলে ভৰতপুৰলৈ প্ৰতিনিধি দল পঠালে। জিলাধিপতি আৰু পুলিচ অধীক্ষকক সাক্ষাৎ কৰাৰ উপৰিও মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীক ফোনৰ দ্বাৰা যোগাযোগ কৰিলে। তেওঁলোকৰ প্ৰধান অভিযোগ হ'ল কুমহেৰৰ জাটভ বিলাকে নানান ধৰণৰ অস্ত্ৰ-শস্ত্ৰ গোটাই জাঠসকলক আক্ৰমণ কৰিবলৈ সাজু হৈছে।

**৬ জুন** পুৱা পাঁচ বজাৰ পৰা পুলিচ অধীক্ষক ঠাকুৰ মোহন সিঙৰ নেতৃত্বত জাটভ চুবুৰি কেইটাত তালাচী আৰম্ভ হ'ল। তালাচীৰ সময়ত বাৰা মোহল্লাৰ সুন্দৰ লালৰ ঘৰত এটা হাতবোমা ফুটি আহত হোৱা চিপাহী ৰাম অৱতাৰ শৰ্মা আৰু ছুটনলাল এতিয়াও হাস্পাতালত। নাহৰগঞ্জৰ মুকুন্দিৰ ঘৰত একেধৰণে এটা বোমা ফুটি পৰিয়ালৰে চাৰিজন সামান্য পৰিমাণে আহত হ'ল। মুঠ ১৪ টা হাতবোমা উদ্ধাৰ কৰি ১৫২ জন যুৱকক ধৰি-বান্ধি পুলিচ ভৰতপুৰলৈ উভতোতে দুপৰীয়া ১২ বাজি গৈছে। ঘটনাৰ পাছত কুমহেৰলৈ আহি বাহৰ গাতি থকা পুলিচ মহাপৰিদৰ্শক বিপুল সিং যাদৱৰ মতে "এইবোৰ ডকাইত অধ্যুষিত অঞ্চল। আত্মৰক্ষাৰ বাবে ঘৰত সজা বন্দুক আৰু বোমা প্ৰায় সকলোৱে ৰাখে, এইবোৰ সকলো সম্প্ৰদায়ৰ মানুহৰ ঘৰতে থাকে জাটভ বিলাকৰ ঘৰত মাত্ৰ ১৪টা হাতবোমা ওলোৱাটো আচলতে আচৰিত কথা।"

**৬ জুন** দুপৰীয়া ১১ বজাত পেংগোৰত অঞ্চলটোৰ ২৪খন গাঁৱৰ জাঠ পঞ্চায়ত বহিল। সভাপতি কেপ্তেইন মহাৰাজ সিং আৰু বিধায়ক নথী সিঙে পুলিচৰ ওপৰতে বিষয়টো এৰি দিবলৈ দিয়া পৰামৰ্শ যুৱকসকলে নাকচ কৰি তেওঁলোকক নপুংসক আখ্যা দিলে। উগ্ৰপন্থাৰ কথা কোৱা জাঠ যুৱকসকলে উৎসাহ পালে ডিগৰ নিৰ্দলীয় বিধায়ক অৰুণ কুমাৰ পৰা। প্ৰায় তিনিহাজাৰ জাঠযুৱকে দুশ আশীখনতকৈও বেছি ট্ৰেক্টৰ আৰু ট্ৰলীৰে গোটেই জাটভ অঞ্চল ঘেৰি ললে। পেংগোৰৰ চামুণ্ডা মন্দিৰত ডিগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চাপ্ৰাচী নাথু জাটভক বলিদি ফোট লোৱাৰ অভিযোগ উঠিছে। পুলিচ তথা বিদ্যালয় কৰ্তৃপক্ষই "একো নেজানো" বুলি কলেও নাথু এতিয়াও সন্ধানহীন।

বাৰা মোহল্লাত সোমোৱা বাটত থকা বাল্মিকী (মেতৰ) পটি আৰু ক'লি (তাঁতী) পটি প্ৰথমে জ্বলিল। এই দুঠাইত প্ৰায় মানুহেই মাৰ-ধৰ খাইছে কিন্তু কোনো মৰা নাই। বাৰা মোহল্লাৰ প্ৰায় সকলোবোৰ ঘৰতে ডিজেল ঢালি অগ্নিসংযোগ কৰাৰ পাছত ল'ৰা-বুঢ়া, মতা-মাইকী নিৰ্বিশেষে কটা-কটি চলিল। বৃদ্ধা হিৰু বাইৰ মতে "ঈশ্বৰেও আমাৰ শত্ৰুতা কৰিলে। বতাহ ইমান কোবাল আছিল যে বাকী থকা ঘৰবোৰো জুয়ে আগুৰি পেলালে।"

মাজ নিশাৰ পাছত পুলিচে ধৰি নিয়া আৰু ওচৰৰ পথাৰে-সমাৰে লুকাই থকা মানুহবোৰ আহি দেখে ৭৮০ টা ঘৰ পুৰি ছাই হৈছে। ঐকেশটা মৰাশৰ লাওখোলা আৰু দুই চাৰিডাল হাড়ৰ বাহিৰে একো নাই। জুইত পুৰি বা আধাপোৰা হৈ মৰা গৰু, ম'হ, ছাগলীৰ সংখ্যা এহেজাৰৰ অধিক। বেয়াকৈ আহত হোৱা ৬৪ জনক পিছ দিনাহে ভৰতপুৰ হাস্পাতাললৈ নিব পৰা হ'ল।

**৭ জুন** পুৱা দুজন পুলিচ মহাপৰিদৰ্শক বিপুল যাদৱ আৰু ৰমেশ মাধোক ঘটনাস্থলী পালেহি। সেনাই ফ্লেগ মাৰ্চ কৰিলে। কিন্তু তাৰ মাজতে আমি প্ৰথমে উল্লেখ কৰা চেনথৰী গাঁৱত আক্ৰমণ হ'ল। তিনিজনৰ মৃত্যু হ'ল, এঘাৰ জন আহত হ'ল। বেয়াকৈ আহত হোৱা ২০/২১ বছৰীয়া থান সিং আৰু নাথুৰাম এতিয়াও হাস্পাতালত। কমলা, লখিয়া আৰু চুৰচতি নামৰ তিনিগৰাকী যুৱতী এতিয়াও সন্ধানহীন।

মুঠ ৬৮১টা পৰিয়াল কুমহেৰ এৰি মথুৰা আৰু আগ্ৰালৈ পলাই গ'ল। পুলিচৰ মতে যোৱা দুমাহত ২০৫ টা পৰিয়াল উভতি আহিছে। ঘটনাৰ পাছত মুখ্যমন্ত্ৰী ভাইৰো সিং শেখাৱট, কেন্দ্ৰীয় মন্ত্ৰী বলৰাম জাখাৰ, সীতাৰাম কেশৰী, এম, এম, জেকব, বি, জে, পি, নেতা শিকন্দৰ বখত, বিজয় ৰাজে সিন্ধিয়া আদিয়ে ভ্ৰমণ কৰি আশ্বাস বাণী শুনালেও জাটভসকল এতিয়াও ভীত আৰু সন্ত্ৰস্ত। পুলিচ অধীক্ষক মোহন সিঙৰ ঠাইত কপিল গৰ্গ আহিছে। ডি, আই, জি, পি, এন, ৰছোৱাও বদলি হৈছে। ৰছোৱা নিজে নিম্নবৰ্ণৰ হৰিজন। নেতৃস্থানীয় জাটভ টেক চান্দ্ৰৰ মতে "ৰছোৱা আমাৰ মানুহ আছিল। তথাপি আমাৰ এই গতি হ'ল। এতিয়া পুলিচত আমাৰ মানুহ নায়েই।" পুলিচ-মিলিটাৰীক জাতি-বৰ্ণ-সম্প্ৰদায়েৰে চিনাক্ত কৰাটো মাৰাত্মক কথা। কিন্তু এতিয়া সেয়ে হৈছে। কুমহেৰৰ পণ্ডিত মহেশ প্ৰসাদৰ মতে "এতিয়া মানুহে মৰমতে কুকুৰ, মেকুৰি পোহে। মানুহৰ প্ৰতি মৰম আপুৰুগীয়া হৈ পৰিছে।"

**আহমদাবাদ : হিন্দু বনাম মুছলমান,** জুলাই, ১৯৯২। আহমদাবাদৰ প্ৰভু জগন্নাথৰ ৰথযাত্ৰাৰ আৰম্ভণি ১৮৮৪ চনৰ পৰা কেইবছৰমান আগলৈকে মানুহৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণেৰে এই ৰথযাত্ৰা আছিল সাৰ্বজনীন উৎসৱ। ১৯৮৫ চনৰ বৰ্ণবাদী সংঘৰ্ষ আৰু মুখ্যমন্ত্ৰী মাধৱ সিং চোলাংকীৰ পদত্যাগৰ দাবীত হোৱা আন্দোলনৰ পাছৰ পৰা জগন্নাথৰ ৰথযাত্ৰাৰ আগে-পিছে হিন্দু মুছলমানৰ সংঘৰ্ষ এটা নিয়মীয়া ঘটনাত পৰিণত হৈছে। বিশ্ব হিন্দু পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টি যিমানে শক্তিশালী হৈছে মুছলমান মৌলবাদৰ শক্তিও সিমানে বাঢ়িছে। সামান্য ঘটনা একোটাকো আহমদাবাদ আৰু বৰোদাৰ মানুহে সাম্প্ৰদায়িক দৃষ্টিৰেহে চায়।

**২ জুলাই, ১৯৯২ :** জগন্নাথৰ শোভাযাত্ৰাৰ ১৪ কিঃ মিঃ পথত সাংঘাতিক নিৰাপত্তামূলক ব্যৱস্থা লোৱা হৈছে। মুছলমান প্ৰধান প্ৰাচীন প্ৰাচীৰ ঘেৰা অংশত ব্যৱস্থা আৰু বেছি। দুদিনৰ আগতে গুপ্তচৰ বিভাগৰ মহা পৰিদৰ্শক আৰ, এন, ভট্টাচাৰ্যই গৃহমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ দিয়া টোকাত স্পষ্টকৈ উল্লেখ কৰিছিল যে দুয়োটা সম্প্ৰদায়ৰ অ-সামাজিক তত্ত্বৰোৰে শোভাযাত্ৰাৰ আঁৰলৈ ব্যাপক সংঘৰ্ষৰ প্ৰস্তুতি চলাইছিল। তেখেতে কৈছিল যে জৰ্ডন ৰ'ড আৰু আশ্ৰম ৰ'ডতে আটাইতকৈ বেছি সংঘৰ্ষৰ আশংকা আছে। গতিকে শোভাযাত্ৰাটো আন পথেদি ঘূৰাই নিয়া উচিত। পিছে চৰকাৰে ১৬ হাজাৰৰ বেছি পুলিচ নিযুক্ত কৰি ইমানেই আত্মতৃপ্ত হৈ আছিল যে ভট্টাচাৰ্যৰ সাৱধানবাণীত কোনেও কাণ নিদিলে। ৰাজ্য চৰকাৰে ১০ হাজাৰ পুলিচ, ২৫ কোম্পানী ৰাজ্যিক সশস্ত্ৰ পুলিচ, ১২ কোম্পানী কেন্দ্ৰীয় সংৰক্ষিত পুলিচ, দুহেজাৰ গৃহৰক্ষী আৰু এহেজাৰ অশ্বাৰোহী পুলিচৰ ব্যৱস্থা কৰিছিল। অসংখ্য নিৰীক্ষণ স্তম্ভ, দুখন হেলিকপ্তাৰেৰে আকাশ মাৰ্গৰ পৰা

নিৰীক্ষণ আদি নিছিদ্ৰ বুলি ভবা ব্যৱস্থাবোৰ কিন্তু ছেদেলি-ভেদেলি হৈ পৰিবলৈ এক মিনিটো নালাগিল।

শোভাযাত্ৰাত জগন্নাথৰ ৰথৰ লগত ১০৮ খন ট্ৰাকত ভক্ত, ২৫ টা আখাৰা দল, ২৫টা ভজন মণ্ডলী আৰু সমুখত আছিল সু-সজ্জিত ১৫টা হাতী। প্ৰতিখন ট্ৰাকত এজন উপ-পৰিদৰ্শক আৰু চাৰিজনকৈ সশস্ত্ৰ পুলিচ আছিল। দায়িত্বশীল বিষয়া আৰু নিৰপেক্ষ সাংবাদিক সকলৰ মতে শেষ মুহূৰ্তত হিচাপত নথকা ত্ৰিশখন ট্ৰাক বিশ্ব হিন্দু পৰিষদৰ দুজন বিশিষ্ট নেতাৰ অনুৰোধত শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিবলৈ দিয়া হ'ল। এই বোৰত পুলিচ নাছিল। সাংবাদিকৰ মতে সেই ট্ৰাককেইখনত বজৰংদলৰ কৰ্মীসকলে শিল, ইটাৰ টুকুৰা, লাঠি, ভগা খাপৰি (tiles) আৰু আন অস্ত্ৰ নিছিল।

যিকি নহওক শোভাযাত্ৰা জৰ্ডন ৰ'ডত সোমোৱাৰ আগৰ পৰা ভজন, কীৰ্তনৰ ঠাইত অতি লেতেৰা ভাষাৰে সাম্প্ৰদায়িক শ্লোগান আৰম্ভ হ'ল। মহা পৰিদৰ্শক ভট্টাচাৰ্যই টোকাত উল্লেখ কৰা দৰেই জৰ্ডন ৰ'ডত শোভাযাত্ৰা সোমোৱাৰ লগে-লগে কেইটামান ঘৰৰ ওপৰৰ পৰা শিল, ইটা বৰ্ষণ আৰম্ভ হ'ল। শোভাযাত্ৰাৰ ভিতৰৰ পৰাও উত্তৰত শিল-ইটা-খাপৰি উৰিবলৈ ধৰিলে। তাৰ মাজতে কাৰোবাৰ এটা গুলিত কেন্দ্ৰীয় সংৰক্ষিত পুলিচৰ এজন পৰিদৰ্শক বাগৰি পৰিল। তাৰ পাছত কোনে কাক গুলিয়ালে, কাটিলে, খুচিলে, দোকান জ্বলালে, লুট-পাত কৰিলে তাৰ হিচাপ নাই। ২ জুলাই আবেলি ৪-৩০ বজাত আৰম্ভ হোৱা উন্মাদনা শাম কাটোতে সম্পূৰ্ণ চাৰি দিন লাগিল। চৰকাৰী হিচাপ মতে ২৪ জন মৃত, ১৫৫ জন আহত, ৩০২ খন ডাঙৰ দোকান ভস্মীভূত। আন পাঁচখন নগৰলৈ সংঘৰ্ষ বিয়পাৰ ফলত মৃত্যু হৈছে ৬ জনৰ, আহত হৈছে ৪৮ জন।

গুণ্ডা-বদমাচৰ জাত বা বৰ্ণ বিচাৰ কৰা অন্যায়। সকলোৰে লক্ষ্য এটাই–জুই জ্বলাই, কটা-মৰা কৰি পাশৱিক আনন্দ লাভ আৰু তাৰ মাজতে লুট-পাত। জৰ্ডন ৰ'ডত মুছলমান গুণ্ডাই শিল আৰু আন অস্ত্ৰেৰে আক্ৰমণ কৰিবলৈ সাজু আছে আৰু তাৰ প্ৰত্যুত্তৰ দিবলৈ হিন্দু গুণ্ডাও বিপুল অস্ত্ৰ-সস্ত্ৰেৰে সাজু। বয়োবৃদ্ধ নেতা জিনাভাই দাৰ্জী আৰু ৰাদিলাল কামদাৰে বৰ দুখেৰে কৈছে ঃ "পুলিচ আৰু প্ৰশাসনে দুষ্কৃতিকাৰীক সহায় কৰা লজ্জাজনক ঘটনাও ঘটিছে। যি ৩০২ খন দোকান ভস্মীভূত হৈছে তাৰে ২৯৯ খনেই মুছলমানৰ। মৃতসকলৰ শতকৰা ৯০ জনেই মুছলমান। ৰাজনীতিৰ সাম্প্ৰদায়িকৰণ আৰু ৰাজনীতিৰ লগত অ-সামাজিক তত্বৰ সনা পিটিকাৰ ফলত পুলিচ আৰু প্ৰশাসনো সাম্প্ৰদায়িক চিন্তাৰে প্ৰভাৱিত হোৱাটো দুখ আৰু পৰিতাপৰ কথা।"

পিছদিনাৰ গুজৰাট বন্ধ সফল হোৱাটোৱে দেখুৱায় যে অ-সামাজিক তত্বই ধৰ্মৰ নামত জগাই তোলা উন্মাদনা দ্ৰুত ভাবে বিয়পিছে। গুজৰাটী বাতৰি কাকতবোৰে হিন্দু মৌলবাদীক অকুণ্ঠ সমৰ্থনদি তেওঁলোকৰ সমাজবিৰোধী ভূমিকাৰ যুক্তিযুক্ততা প্ৰমাণ কৰিবলৈ কৰা প্ৰচেষ্টা আন এক চিন্তাৰ বিষয়।

বিশ্ব হিন্দু পৰিষদে ১০ জুলাইত ৰথযাত্ৰা পুনৰ উলিওৱাৰ বাবে কৰা প্ৰচেষ্টা তাৎপৰ্যপূৰ্ণ। ১০ জুলাইত আছিল মোহৰ্‌ৰম। মোহৰ্‌ৰমৰ তাজিয়া শোভাযাত্ৰাৰ দিনাই ৰথযাত্ৰা উলিয়াবলৈ সক্ষম হোৱা হলে অৱস্থাটো দেশ বিভাজনৰ সময়তকৈও বেছি ৰক্তক্ষয়ী হ'লহেঁতেন। কিন্তু দুয়ো সম্প্ৰদায়ৰে উদাৰ, যুক্তিবাদী, বুদ্ধিজীৱী সকলৰ চেষ্টাৰ ফলত তাজিয়াৰ শোভাযাত্ৰা বাতিল কৰাৰ পৰামৰ্শ মুছলমান মৌলবাদীৰ বিৰোধিতা সত্বেও মানি লোৱা হ'ল। ইফালে প্ৰস্তাৱিত ৰথযাত্ৰা বন্ধ কৰাত আগভাগ ললে জগন্নাথ মন্দিৰৰ মহন্ত পৰমেশ দাসে। প্ৰাচীন ভাৰতীয় ঐতিহ্য ৰক্ষা কৰি তেখেতে একেবাৰতে উন্মত্ততাৰ জুইত চেঁচা পানী ঢালিলে। তেখেতৰ মতে, "ৰাজনীতিৰ লগত ভগবানৰ কোনো সম্পৰ্ক নাই। প্ৰভু জগন্নাথ খেলাৰ পুতলা নহয়।"

মদ-বেপাৰী হিন্দু আৰু মুছলমান দুটা শিবিৰত ভাগ হৈ যোৱা আঠ বছৰে বৰোদা আৰু আহমদাবাদত সাম্প্ৰদায়িক সংঘৰ্ষৰ বাৰ্ষিক উৎসৱ পাতিবলৈ সক্ষম হোৱা কথাটো সকলো যুক্তিবাদী মানুহৰ বাবেই চিন্তাৰ বিষয়। তাতোকৈ দুখ আৰু ক্ষোভৰ কথা হ'ল ধৰ্ম নিৰপেক্ষতাৰ সাংবিধানিক শপত লৈও ৰাজনৈতিক দলবোৰ এই অবৈধ মদবেপাৰী অ-সামাজিক তত্বৰ পিছত থিয় দিয়াটো।

**কেৰালা ঃ হিন্দু-মুছলমান। ১ এপ্ৰিল আৰু ১৮ জুলাই, ১৯৯২।**

শতকৰা এশ ভাগ শিক্ষিতৰ ৰাজ্য কেৰালা প্ৰগতিশীল চিন্তাৰ পীঠস্থান বুলি জনাজাত। অথচ আডৱানীৰ ৰাম ৰথযাত্ৰাৰ সময়ৰে পৰা তাত সাম্প্ৰদায়িক ধ্যান-ধাৰণাৰ জোৱাৰ আহিছে। এফালে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ আৰু তাৰ অন্য সংগঠন (বিশ্ব হিন্দু পৰিষদ, বিদ্যাৰ্থী পৰিষদ, কৃষি মাৰ্গ পৰিষদ ইত্যাদি) বোৰ যিমানে শক্তিশালী হৈছে সিমানে মজবুত হৈছে ইছলামী সেৱক সংঘ (I.SS.), জামাত-ই-ইচলামী আৰু ষ্টুডেণ্টচ্ ইছলামী মুভমেণ্ট (S.I.M.I.)। তিনি হাজাৰ বছৰৰ সুদীৰ্ঘ ধৰ্মীয় সহনশীলতা আৰু শান্তি পূৰ্ণ সহ-অৱস্থানৰ ঐতিহ্য থকা মালায়ালী সকল যেন উত্তেজনাৰ তুঙত আছে।

৩১ মাৰ্চ, ১৯৯২ত কোনোবা দুৰ্বৃত্তই ফাইজাবাদৰ ফচাদ খেৰা মছজিদত বোমা বিস্ফোৰণ ঘটালে। সোতৰ শ কিলোমিটাৰ আঁতৰত ইছলামী স্বয়ং সেৱকে মাইক যোগে প্ৰচাৰ চলালে অযোধ্যাৰ বিতৰ্কিত মছজিদটো ভঙা হ'ল বুলি। ফলত ৰাজধানী থিৰুঅনন্তপুৰম, কোল্লম আৰু এৰ্ণাকুলামত আৰম্ভ হ'ল পুলিচক আক্ৰমণ কৰাৰ পৰা অগ্নিসংযোগ, ছুৰিকাঘাত আৰু লুট-পাতৰ অসংখ্য ঘটনা। ১ এপ্ৰিলৰ সেই দুৰ্ভাগ্যজনক ঘটনাৱলীৰ বাবে হিন্দু গুণ্ডা বা মুছলমান গুণ্ডা ভালকৈ সাজু হ'বলৈ সুযোগ নোপোৱা বাবে ক্ষয় ক্ষতি খুব বেছি নহ'ল। কিন্তু পৰিবেশত তেজৰ গোন্ধ থাকি গ'ল।

৯ জুলাইৰ পৰা ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, বিশ্ব হিন্দু পৰিষদ, ভাৰতীয় জনতা পাৰ্টি আৰু বজৰং দলে যি যুদ্ধংদেহি কাৰবাৰেৰে অযোধ্যাত কৰসেৱা আৰম্ভ কৰিলে তাৰ প্ৰভাব বিহাৰ-উত্তৰ প্ৰদেশতকৈ বেছি অনুভূত হ'ল মহাৰাষ্ট্ৰ আৰু কেৰালাত। ১৮ জুলাইত বিশ্ব হিন্দু পৰিষদে উলিওৱা শোভাযাত্ৰা আৰু উগ্ৰ সাম্প্ৰদায়িক শ্লোগানে ইছলামী স্বয়ং সেৱক আৰু জামাতি-ইছলামীৰ ১৯ জুলাইৰ শোভাযাত্ৰাৰ সফলতা নিশ্চিত কৰিলে। ৰাষ্ট্ৰীয় স্বয়ং সেৱকৰ লাঠি ধাৰীলৈ কোনোবাই শিলগুটি দলিওৱাৰ ঘটনা এটাৰ পাছতে মাত্ৰ তিনি ঘটাৰ ভিতৰত ২৯২ টা ঘৰত অগ্নিসংযোগ কৰা হ'ল, ৭২ জনক ছুৰি-যাঠি আৰু আন অস্ত্ৰেৰে আক্ৰমণ কৰা হ'ল (তাৰে ১৪ জনৰ মৃত্যু হৈছে। অৱশ্যে পুলিচৰ মতে মৃতকৰ সংখ্যা ৬)। লগে-লগে সামৰিক বাহিনীৰ সাহায্য নোলোৱা হলে পৰিস্থিতি নিশ্চয় বহুত বেছি ভয়ংকৰ হ'লহেঁতেন।

ভাৰতৰ প্ৰথম ইহুদী বসতি, খৃষ্টান গীৰ্জা, মছজিদ এই কেৰালাতে প্ৰতিষ্ঠা হৈছিল। মাত্ৰ পাঁচ বছৰ আগতো ওচৰা-ওচৰিকৈ থকা গীৰ্জা-মন্দিৰ আৰু মছজিদে সংহতিৰ ঐতিহ্যৰ স্বাক্ষৰ বহণ কৰিছিল। আজি এইবোৰ আক্ৰমণ আৰু প্ৰতি আক্ৰমণ চলোৱাৰ কেন্দ্ৰ স্থল। মাত্ৰ দুটা বছৰৰ ভিতৰত ইছলামী স্বয়ং সেৱক সংঘৰ শাখা হৈছে দুহেজাৰৰ ওপৰ। পাঁচ বছৰত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ শাখা তিনি হাজাৰ পাৰ হৈছে বুলি পুলিচৰ নথীত আছে। খৃষ্টানসকল সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ভাবে ১৯৪৭ চনৰ আগৰে পৰা সু-সংগঠিত। এনে অৱস্থাত সামান্য অজুহাততে তেজৰ নৈ বোৱাই দিবলৈ অ-সামাজিক তত্ববোৰ সাজু হৈ আছে। যোৱা ৭ আগষ্টত ছট্টানকোটা মছজিদৰ পৰা ওলাই আহোতে বোমাৰ আঘাতত ইছলামী স্বয়ং সেৱক সংঘৰ সভাপতি আব্দুল নজৰ মেহদানিৰ সোঁভৰি নষ্ট হোৱাৰ পাছত পৰিস্থিতি আৰু সাংঘাতিক হৈছে।

সামান্য ফিৰিঙতিৰ পৰা হোৱা খাণ্ডৱ দাহত নিৰীহ মানুহৰ জীৱন বিপদাপন্ন হোৱাটো কিন্তু প্ৰধান ৰাজনৈতিক দলবোৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰা নাই যেনে লাগে।

পিলিভিটৰ ঘুংছাই আৰু শিবনগৰ গাঁৱৰ ২৯ জন কৃষি শ্ৰমিকৰ (তাৰে ৩ গৰাকী মহিলা, ২ টা শিশু) হত্যাকাণ্ডও কম দুখৰ কথা নহয়। মুঠতে দেশ জুৰি নৰহত্যা আৰু বোমা-বাৰুদৰ যি ধূম উঠিছে তাক নিৰাময় কৰিবলৈ উপায় কি আছে বাৰু ??

# মানুহৰ শিপা

দেৱব্ৰত শৰ্মা

মানুহ সকলোবোৰেই গছ। কোনোবা শান্ত, সমাহিত বিশাল বটবৃক্ষ, কোনোবা সুগন্ধি আতৰ সযত্নে লুকুৱাই ৰখা সাঁচিকাঠ, কোনোবা ভাসমান পানীমেটেকা, কোনোবা অবাঞ্ছিত ৰঘুমলা অথবা অপতৃণ, নহলে হয়তো দৃপ্ত শালগছ নাইবা বিনম্ৰ দূবৰি। সকলো মানুহৰে থাকে শিপা। কেতিয়াবা মাটিৰ গভীৰ গোপনলৈ বিস্তৃত তাৰ মূল, কেতিয়াবা বহলভাৱে ব্যাপ্ত তাৰ শাখা-প্ৰশাখা। কেতিয়াবা তাৰ শিপাৰ কাম মাথো আন উদ্ভিদৰ জীৱনী শক্তি শোষণ। নৰখাদক গছো থাকে। কিন্তু ছিন্নমূল গছ? মাটিৰ পৰা সমূলে উৎপাতিত সেউজ উদ্ভিদ?

সকলো মানুহেই একধৰণৰ উদ্ভিদ। চলমান, সবাক উদ্ভিদ। সামাজিক, সচেতন উদ্ভিদ। কাৰণ সকলো মানুহৰে থাকে শিপা। তাৰ দেশৰ বায়ু, মাটি, পানী, তাৰ সভ্যতা-সংস্কৃতিৰ প্ৰাণৰ ৰস প্ৰবাহিত তাৰ শিপাই শিপাই। কিন্তু যদি মানুহেই মানুহৰ শিপা উঘালি পেলায়? যদি তাক কৰে ছিন্নমূল, উদ্বাস্তু? ওপজা সোণৰ মাটিৰ পৰা যদি তাক আজুৰি ছিঙি লৈ দলিয়াই দিয়া হয় নিয়তিৰ নিৰ্মম বজ্ৰলেপত? সাম্ৰাজ্যবাদৰ তলি নথকা চন্দুক পূৰাবলৈ তাক যদি প্লাইউডৰ কলত পেলাই ছাল-বাকলি এৰুৱাই পেলোৱা হয়?

অথচ পুঁজিবাদৰ পৰা সাম্ৰাজ্যবাদলৈ বিকশিত নতুন পশ্চিমীয়া পৃথিৱীৰ অধিষ্ঠাতা দেৱতা মেমন-কুবেৰে এই অভিশম্পাতকে বৰ্ষণ কৰিছে আফ্ৰিকাৰ লক্ষ লক্ষ কৃষ্ণকায় নিগ্ৰো ক্ৰীতদাসৰ মূৰত। প্ৰকৃতিৰ আলফুল কোলাৰ পৰা, আদিম জনজাতীয় প্ৰাক্ শ্ৰেণী সমাজৰ উমৰ পৰা এই সকল নিষ্পাপ মুক্তমনা মানুহক কাঢ়ি নি নিক্ষেপ কৰা হৈছে কুটিল পুঁজিবাদী শোষণৰ ষ্টীমৰ'লাৰত! এইদৰেই চেষ্টা কৰা হৈছে এদল আপোন পৰিচয়হীন ছিন্নমূল মানুহ সৃষ্টি কৰিবলৈ। কিন্তু পুৰণি শিপাৰ পম খেদি, উৰহী গছৰ ওৰ বিচাৰি মানুহে এদিন বিচাৰি উলিয়ায় তাৰ ঐতিহ্য। ইতিহাসৰ কঠিন গ্ৰেনাইটৰ ওপৰত সি স্থাপন কৰে তাৰ বৰ্তমানৰ আধাৰশিলা। পুৰণা পৰিচয়ৰ নতুন আৱিষ্কাৰেৰে তেতিয়া দৃপ্ত, উদ্ভাসিত সি। সি জানে আত্মবিশ্বাসৰ এক ৰহস্যময় মন্ত্ৰ। ক'লা মানুহবোৰেই পৃথিৱীৰ আটাইতকৈ সুন্দৰ মানুহ। ক'লাটোৱেই সুন্দৰতম ৰং। ভয়ঙ্কৰ সুন্দৰ।

আজিৰ পৰা মাত্ৰ কেইমাহমান আগতে সত্তৰ বছৰ বয়সত মৃত্যু হ'ল এলেক্স হেলীৰ। নিগ্ৰো ৰক্তসম্পন্ন এজন আমেৰিকান। নিগ্ৰো তেজে কাহানিও হীনমন্যতাত ভোগোৱা নাছিল তেওঁক। বৰং সি তেওঁৰ ভিতৰত দৌৰাই দিছিল আফ্ৰিকা নে তেলেংগানা ক'ৰবাত হিলদ'ল ভাঙি দৌৰা ঘোঁৰাটো। চাওঁতাল মৰদৰ ধনুৰ কাঁড় যেন লক্ষ্যভেদী তেওঁৰ উৎস সন্ধান। দুশবছৰ পাছত তেওঁ বিচাৰি উলিয়ালে

> পুৰণি শিপাৰ পম খেদি, উৰহী গছৰ ওৰ বিচাৰি মানুহে এদিন বিচাৰি উলিয়ায় তাৰ ঐতিহ্য। ইতিহাসৰ কঠিন গ্ৰেনাইটৰ ওপৰত সি স্থাপন কৰে তাৰ বৰ্তমানৰ আধাৰশিলা। পুৰণা পৰিচয়ৰ নতুন আৱিষ্কাৰেৰে তেতিয়া দৃপ্ত, উদ্ভাসিত সি। সি জানে আত্মবিশ্বাসৰ এক ৰহস্যময় মন্ত্ৰ। ক'লা মানুহবোৰেই পৃথিৱীৰ আটাইতকৈ সুন্দৰ মানুহ। ক'লাটোৱেই সুন্দৰতম ৰং। ভয়ঙ্কৰ সুন্দৰ।

তেওঁৰ হেৰোৱা শিপা। আফ্ৰিকাৰ গাম্বিয়া নদীৰ পাৰৰ মান্দিনকা জনজাতিৰ এখন ঘোকোট গাঁৱত। এই মানুহৰ শিপা লৈয়ে এলেক্স হেলীয়ে লিখি উলিয়ালে তেওঁৰ কালজয়ী মহাকাব্যিক উপন্যাস 'ৰুটচ' (Roots)। আমি ইয়াত মাথো হেলীৰ সন্ধান সংগী হ'ব বিচাৰিছো।

১৯২১ চনত চাইমন আলেকজেণ্ডাৰ হেলী আৰু বাৰ্থা নামৰ উচ্চশিক্ষিত দম্পতীৰ সন্তান এলেক্সৰ জন্ম হয়। মাক-দেউতাক দুয়ো ফালৰ পৰাই সি পায় মিশ্ৰিত কৃষ্ণ ৰক্ত। এলেক্সৰ মাকৰ ফালৰ আইতাকে প্ৰায়ে ডায়াৰ্চবাগ, টেনিচ, ইংকষ্টাৰ, মিচিগান, চেইণ্ট লুই আৰু কান্‌চাচ মহানগৰত থকা তেওঁৰ ভনীয়েক প্লাচ, লিজ, টিল, ভিনি আৰু ভতিজী জৰ্জিয়া আদিক মাতি আনিছিল, ঘৰুৱা মেলত আইতাকহঁতে প্ৰায়েই শৈশৱৰ স্মৃতি ৰোমন্থন কৰিছিল।

শিশু এলেক্সে ৰূপকথাৰ দৰে অনুপম তেওঁলোকৰ সেই ৰোমন্থন মনোযোগেৰে শুনিছিল আৰু আলোড়িত হৈ উঠিছিল। আইতাহঁতে আমেৰিকাৰ প্ৰথম পাম খেতিৰ কথা, 'পুৰণি মালিক', 'পুৰণি মালিকনী'ৰ কথা পাতি আছিল। তেওঁলোকে এজন 'আফ্ৰিকান'ৰ কথা কৈছিল যাক জাহাজেৰে 'নাপ্‌লিচ' বোলা ঠাইলৈ অনা হৈছিল। 'জন ৱালাৰ' নামৰ মালিক এজনে বোলে জাহাজৰ পৰা 'ভাৰ্জিনিয়াৰ; স্পটচিল্‌ভেনিয়া'ত থকা তেওঁৰ পামত কাম কৰিবৰ বাবে আফ্ৰিকানজনক কিনিছিল। আফ্ৰিকানজনে পলাবলৈ চেষ্টা কৰি প্ৰত্যেকবাৰেই ধৰা পৰি অমানুষিকভাবে নিৰ্যাতিত হৈছিল আৰু চতুৰ্থবাৰত তেওঁক দুটা পেশাদাৰ দাস ব্যৱসায়ীয়ে ধৰি ভৰি এটা কাটি দিছিল। পংগু মানুহজনক বোলে ডঃ উইলিয়াম ৱালাৰ বোলা জন ৱালাৰৰ ককায়েকজনে বচাইছিল আৰু তাতেই মালীৰ কাম দিছিল।

মালিকে তেওঁক 'টবী' নাম দিলেও আফ্ৰিকানজনে তাক সদায় সজোৰে অস্বীকাৰ কৰি নিজৰ নাম 'কিন্টে' বুলি ঘোষণা কৰিছিল। ডঃ ৱালাৰৰ তাতেই বে'ল বোলা নিগ্ৰো ক্ৰীতদাসীজনীৰ লগত কিন্টেৰ বিয়া হয়। কিজি তেওঁলোকৰে ছোৱালী। কিজিৰ চাৰি-পাঁচ বছৰ বয়সৰ পৰা আফ্ৰিকান দেউতাকে তাইক হাতত ধৰি লৈ ফুৰাইছিল আৰু একোটা একোটা বস্তু দেখুৱাই নিজৰ



*এলেক্স হেলীৰ*

দেশী ভাষাত তাইক সেইবোৰৰ নাম শিকাইছিল। গীতাৰখনক তেওঁ 'কো' বুলি কৈছিল। ওচৰৰ মেত্তাপনি নদীলৈ আঙুলিয়াই কৈছিল 'কেম্বি বলংগ'। এইদৰেই কিজি ডাঙৰ হোৱাৰ লগে লগে তাইৰ আফ্রিকান দেউতাকেও ভঙা-ভঙা ইংৰাজী শিকি লৈ তাইক তেওঁৰ গৃহভূমি আৰু দেশবাসীৰ কথা, আৰু কেনেকৈ তেওঁক তাৰ পৰা আঁতৰাই অনা হৈছিল, সেই কাহিনী শুনাইছিল। ঘৰৰ পৰা অলপ আঁতৰতে ঢোল এটাৰ বাবে কাঠ কাটিবলৈ যাওঁতে তেওঁক কেনেকৈ চাৰিটা মানুহে বন্দী কৰি ক্রীতদাসত পৰিণত কৰিছিল, সেই কথাও কৈছিল।

কিজিৰ ষোল্ল বছৰ বয়সত মালিকে টম্ লী নামৰ এজন চাহাবলৈ তাইক বিক্রী কৰি দিছিল। চাহাবৰ উপভোগৰ সামগ্ৰী হোৱা কিজিৰ গৰ্ভত জন্ম হৈছিল জৰ্জৰ। যুঁজৰ কুকুৰা শিকোৱাত দক্ষ হোৱা জৰ্জে নাম পাইছিল চিকেন জৰ্জ। কিজিয়ে আৰু কোনোদিন মাক-দেউতাকৰ মুখ দেখা নাছিল। কালক্রমত চিকেন জৰ্জে মাতিলদা নামৰ এজনী ছোৱালীক বিয়া কৰাইছিল আৰু আঠটা সন্তানৰ পিতৃ হৈছিল। প্রতিটো সন্তানৰে জন্মৰ সময়ত সিহঁতৰ আইতাক কিজিয়ে তাইৰ দেউতাকৰ স্বাধীনতা আৰু দাসত্বৰ কাহিনী নতুনকৈ একোবাৰ সকলোকে শুনাইছিল। তেওঁৰ নাম যে 'কিন্টে' আছিল, তেওঁ গীতাৰক 'কো' আৰু নদীক 'কেম্বি বলংগ' বুলি কৈছিল, ঢোলৰ কাঠ কাটি থাকোতে যে তেওঁ অপহৃত হৈছিল সেই কথাও দোহাৰিছিল।

এই আঠোটা সন্তানেই ডাঙৰ হৈ বিয়া-বাৰু কৰালে, মাক-বাপেক হ'ল। চতুৰ্থ সন্তান টম কম্বৰ হ'ল। তেনেতে তাক পৰিয়ালৰ সৈতে মালিকে উত্তৰ কেৰ'লিনাৰ ধপাত খেতিৰ মালিক মূৰে বোলা এজনলৈ বিক্রী কৰিলে। তাতেই টমে হল্ট বোলা কাপোৰ কাৰখানাৰ মালিক এজনৰ ক্রীতদাসী আইৰিণ বোলা আধা ভাৰতীয় ছোৱালী এজনী লগ পালে। সিহঁতৰ আঠোটা সন্তান হ'ল। প্রত্যেককে টমে আৰ কিন্টে বোলা আজু-আজু ককাকজনৰ পৰা সম্ভূত বংশ পৰম্পৰাৰ কথা শিকাইছিল। এই আঠোটা সন্তানৰে দ্বিতীয় আছিল চিন্থিয়া বুলি ছোৱালী এজনী। আমেৰিকাৰ স্বাধীনতা আন্দোলনৰ সময়ত দুবছৰীয়া চিন্থিয়াই ককাক চিকেন জৰ্জ আৰু দেউতাক টমৰ সৈতে সদ্যমুক্ত এক নিগ্রো শোভাযাত্রাত মিলি টেনিচৰ হেনিঙলৈ গৈছিল। তাতেই বাইশ বছৰ বয়সত তাই উইল পামাৰক বিয়া কৰায়।

........এই কথাবিলাক আইতাকহঁতৰ মুখত তন্ময় হৈ শুনি থাকোতে এলেক্সৰ মনৰ মাজেদি যেন জীৱন্ত মানুহবোৰৰ এক সমদলহে পাৰ হৈ গৈছিল। সমদলৰ শেহত সঁচাকৈয়ে আইতাক চিন্থিয়া আৰু তেওঁৰ ভনীয়েকহঁত। তেওঁলোকো আছিল সদ্যমুক্ত দাসৰ শোভাযাত্রাৰ অংশীদাৰ। স্বাধীনতা অভিমুখে।

সোতৰ বছৰ বয়সত দ্বিতীয় বিশ্বযুদ্ধত আমেৰিকান উপকূল ৰক্ষী বাহিনীত যোগদান কৰে এলেক্সে। সেই সময়তে শৈশৱ আৰু কৈশোৰৰ ছায়া ছায়া মায়াময় সেই ৰহস্যঘন ৰূপকথা আৰু দেউতাক (কৃষিবিভাগৰ অধ্যাপক)ৰ প্রেৰণাত তেওঁ 'ৰুটচ্' লিখিবলৈ আৰম্ভ কৰে। ইয়াৰ আগতে তেওঁ 'ৰীডাৰ্চ ডাইজেষ্ট'ৰ বাবে নাটকীয় বা উত্তেজনাকৰ জীৱনৰ অভিজ্ঞতাসম্পন্ন মানুহৰ জীৱনী লিখিছিল। ১৯৬২ চনত লণ্ডনৰ বৃটিছ মিউজিয়ামত এলেক্সে বিখ্যাত 'ৰচেটা ষ্টন'টো (Rosetta Stone) দেখে। এই শিলটোৰ তিনি ফালে তিনিটা ভাষাৰ খোদাই আছিল। এটা গ্রীক, আনটো প্রাচীন হিয়েৰ গ্লিফিক আৰু তৃতীয়টো এক অজ্ঞাত লিপিত। জাঁ চেম্পলি নামৰ এজন ফৰাচী পণ্ডিতে এই হিয়েৰ' গ্লিফিক আৰু আনটো লিপিৰ পাঠোদ্ধাৰ কৰিছিল। এইদৰেই মানুহৰ এক প্রাচীন ইতিহাসৰ ৰহস্যভেদ হৈছিল। এই কথাই এলেক্সক নতুন পথৰ সন্ধান দিলে। আইতাহঁতৰ পৰা শুনা কথাবোৰকে মনত পাগুলি থাকিবলৈ লয় এলেক্সেঃ 'কিন্টে' আছিল তেওঁৰ নাম। গীতাৰক তেওঁ কৈছিল 'কো' বুলি। ভাৰ্জিনিয়াৰ এখন নদীক তেওঁ কৈছিল 'কেম্বি বলংগ' বুলি। তিনিওটা শব্দই তীক্ষ্ণ। 'ক' উচ্চাৰণ কেউটাতে আছে। পৰিয়ালৰ সেই কিম্বদন্তী পুৰুষজনৰ পৰা কেইবা প্রজন্ম মুখ বাগৰি আহোতে হয়তো শব্দ কেইটাৰ উচ্চাৰণ বিকৃত হৈছে। তথাপিও তাত নিশ্চয় মূল বৈশিষ্ট্য এতিয়াও আছে।

........উৰাজাহাজৰ ওপৰতে এলেক্সৰ মনটোৱে দ্রুত চিন্তা কৰিব ধৰিলে ঃ এইটো বাৰু আফ্রিকাৰ কি ভাষা? কথাটো কেনেকৈ জনা যাব?

'ৰুটচ্' লিখাৰ সময়ত পুৰণি কাহিনীটো জনা মাত্র এজন মানুহহে জীৱিত আছিল। তেওঁ হৈছে আইতাকৰ ভতিজী জৰ্জিয়া এণ্ডাৰচন। কান্‌চাচ মহানগৰত তেওঁ থাকে। জৰ্জিয়াৰ পৰা সকলো কথা পুনৰ শুনি এলেক্সে এইবাৰ গ'ল ৱাশ্বিংটন ডি চি-ৰ জাতীয় মহাফেজখানালৈ (National Archives)। তাতে তেওঁ গৃহযুদ্ধৰ পাছৰ উত্তৰ কেৰ'লিনাৰ আলমানাচ কাউন্টিৰ লোকপিয়লৰ ৰিপৰ্টবোৰ বিচাৰি উলিয়ালে। সেইবিলাক মাইক্রফিল্ম কৰি থোৱা হৈছিল। তাতেই যেতিয়া তেওঁ "টম মূৰে, ক'লা, কমাৰ – আইৰিণ মূৰে, ক'লা, পত্নী, এলিজাবেথ (৬)" আদিৰ নাম পালে, এলেক্স অভিভূত হৈ পৰিল। সেই পিয়লৰ সময়ত এলেক্সৰ আইতাক চিন্থিয়াৰ আনকি জন্মও হোৱা নাছিল। এলেক্সে যে আইতাকৰ কথাবোৰ অবিশ্বাস কৰিছিল এনে নহয়, কিন্তু আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰী দলিল-দস্তাবেজত তেওঁৰ উপৰি পুৰুষবোৰৰ ছপা নামবোৰে তেওঁক ৰোমাঞ্চিত কৰি পেলালে।

নিউয়ৰ্ক আৰু ৱাশ্বিংটনৰ জাতীয় মহাফেজখানা, কংগ্রেছ-পুঁথিভড়াল, মাৰ্কিন বিপ্লৱৰ কন্যাসকলৰ পুঁথিভড়াল চলাথ কৰি তেওঁ তেওঁৰ ইতিহাসৰ জুমুঠিটো মনতে সাজি পেলালে। যিকোনো পুঁথিভড়ালতে কোনো ক'লা কৰ্মচাৰীয়ে তেওঁৰ উদ্দেশ্যৰ কথা গম পালেই হ'ল। বিজুলী বেগেৰে তেওঁৰ হাতলৈ আহিছিল প্রয়োজনীয় সকলো নথিপত্র। তাৰ পাছত ৰাষ্ট্ৰসংঘলৈ গৈ দুসপ্তাহমানৰ ভিতৰত তেওঁ দুইডজন আফ্রিকানক লগ ধৰিলে। তেওঁলোকে এলেক্সৰ টেনিচ উচ্চাৰণত আফ্রিকান শব্দ কেইটা বুজি নাপালে। জৰ্জ চিমচ্ নামৰ গৱেষক বন্ধু এজনে এলেক্সক আফ্রিকান ভাষাতত্ত্বৰ দহজনমান বিশেষজ্ঞৰ নাম ঠিকনা দিলে। ডঃ জান ভান্‌চিনা নামৰ এজন বেলজিয়ান ভাষাতাত্ত্বিকক (যিজনে কথিত পৰম্পৰাৰ ওপৰত এখন কিতাপ লিখিছিল) এলেক্সে লগ কৰিলে। গোটেই ৰাতি চকুৰ টিপ নমৰাকৈ দুয়ো আলোচনা কৰাৰ পাছত ডঃ ফিলিপ কাৰ্টিন নামৰ এজন সহকৰ্মী আফ্রিকা-বিশেষজ্ঞৰ লগত কথা পাতি ডঃ জানে ক'লে যে শব্দ কেইটা 'মান্দিনগ' জাতিয়ে কোৱা 'মান্দিন্‌কা' ভাষাৰ। তেওঁ ক'লে যে 'কো' শব্দটো 'কোৱা' শব্দৰ পৰা ওলাইছে যাৰ অৰ্থ হৈছে ছাগলীৰ ছাল আৰু শুকান লাওৰে কৰা টোকাৰীৰ দৰে এক বাদ্য। সেইটোকে বোধহয় কিম্বদন্তী পুৰুষজনে গীতাৰৰ লগত ৰিজাইছিল।

এলেক্সৰ আশ্চৰ্যত মুখৰ মাত হেৰাল যেতিয়া তেওঁ জানিলে যে 'বলংগ' শব্দৰ অৰ্থ মান্দিন্‌কা ভাষাত নদী, 'কেম্বী বলংগ' মানে গাম্বিয়া নদী। এলেক্সৰ ভাব হ'ল উপৰিপুৰুষসকলে তেওঁলৈ যেন সতৃষ্ণ নয়নে চাই আছে।

ঘটনাক্রমে এলেক্সে গাম্বিয়াৰ এজন অসাধাৰণ মেধাবী ছাত্র এবউ মাংগাক নিউয়ৰ্কত লগ পালে। নহয়, তেওঁ মান্দিনগ' জাতিৰ নহয়, তেওঁ এজন ৱলফ্। পাছৰ সপ্তাহত দুয়ো গাম্বিয়ালৈ ৰাওনা কৰিলে। ৰাজধানী বন্‌জুল (তেতিয়াৰ বাথ্রাষ্ট)ত তেওঁ এবউ আৰু তেওঁৰ দেউতাক আল্‌হাজী মাংগাৰ সৌজন্যত কেইবাজনো ঐতিহাসিকক লগ পালে। তেওঁলোকৰ আগত বংশ পৰম্পৰাৰ প্রবাহিত কাহিনীটো বৰ্ণাই কলে। তেওঁলোকে ক'লে যে গাম্বিয়াৰ গাওঁবোৰক পূৰ্বপুৰুষ প্রতিষ্ঠাপকবোৰৰ নামেৰে জনা যায়। উদাহৰণ স্বৰূপে মানচিত্রত তেওঁলোকে কিন্টে-কুণ্ডা আৰু কিন্টে-কুণ্ডা-জানেয়া নামৰ দুখন গাওঁ দেখুৱালে।

তাৰ পাছত তেওঁলোকে এটা নাভূত-নাশ্রুত কথা কলে। জাম্বিয়াৰ ভিতৰুৱা গ্রামাঞ্চলত বোলে মৌখিক ইতিহাসৰ জীৱন্ত সংৰক্ষক 'গ্রিয়ট' বুলি কিছুমান বুঢ়া মানুহ পোৱা যায়। এজন জ্যেষ্ঠ গ্রিয়টৰ বয়স কমেও ষাঠি সত্তৰ বছৰ। কমবয়সীয়া গ্রিয়টো আছে, আছে শিক্ষানবিছ শিশুও। এই গ্রিয়টবিলাকে গাওঁ, বংশ, পৰিয়াল আৰু বীৰবিলাকৰ সম্পৰ্কত কেইবা শতিকাৰো বুৰঞ্জী গাই যাব পাৰে। কৃষ্ণ-আফ্রিকা জুৰি পিতৃ-পিতামহৰ পৰা পোৱা ইতিহাস-চৰ্চাৰ এই অনন্ত প্রবাহ চলি আহিছে। কিছুমান বোলে এনে প্রবাদ-পুৰুষ-গ্রিয়ট আছে যিসকলে আফ্রিকাৰ ইতিহাস একেৰাহে তিনিদিনৰ বাবে পুনৰাবৃত্তি নকৰাকৈ গাই যাব পাৰে।

এলেক্স আচৰিত হোৱা দেখি গাম্বিয়ানসকলে সোঁৱৰাই দিলে এটা সময় আছিল যেতিয়া মানৱ জাতিৰ কোনো ফৈদৰেই লিপি নাছিল। মানুহৰ স্মৃতিয়ে হেজাৰ বছৰৰ অভিজ্ঞতা প্রজন্মৰ পৰা প্রজন্মলৈ বহণ কৰি আনিছে। তেওঁলোকে বিখ্যাত কিন্টে ফৈদৰ বিষয়ে জনা গ্রিয়ট এজন বিচাৰি উলিয়াব বুলি এলেক্সক কথা দিলে। কিন্তু গ্রিয়টক লগ পোৱাটোযে ইমান সহজ কথা নহয় সেইটো এলেক্সে তেতিয়া জনাই নাছিল। লৰী, মটৰগাড়ী, নাও, ফেৰীৰে, লগত তিনিজন দোভাষী আৰু চাৰিজন গায়ক লৈ এলেক্সে যাত্রাৰম্ভ কৰিলে। সংগীতৰ পৰিৱেশ নহলে বোলে গ্রিয়টসকলে কথাই নকয়।

গাম্বিয়া নদী, যাক কিন্টেই 'কেম্বি বলংগ' বুলি কৈছিল, এলেক্সে পাৰ হৈ গ'ল। তাৰ মাজতে জেমচ্ দ্বীপ ঃ ইংলেণ্ড আৰু ফ্রান্সৰ মাজত প্রতিদ্বন্দ্বিতাৰ কেন্দ্রবিন্দু। সেই নদীৰ পাৰতেই দাস ব্যৱসায়ৰ জাহাজ বন্ধা শিকলিবোৰৰ কিবা চিনমোকাম পায় বুলি এলেক্সে খুব জুপিলে।

ফেৰীৰ পৰা নমাৰ পিছতো বহু দূৰ খোজ কাঢ়ি এজন বিশেষ গ্রিয়টক বিচাৰি তেওঁলোক জাফিয়ৰ বোলা গাওঁ এখনত ওলালগৈ। তেওঁলোকক দেখি সৰু ল'ৰা-ছোৱালীবোৰে হুলস্থূল লগোৱাৰ লগে লগে গাৱঁৰ মানুহবোৰ ওলাই আহিল আৰু এলেক্সক বেৰি ধৰিলে, কৌতূহলী চকুৰে যেন তেওঁলোকে তেওঁক গিলিহে পেলাব। জীৱনত বহু জনতাৰ ভিৰেই এলেক্সে দেখিছিল, কিন্তু তেনে এণ্ডাৰকলীয়া মানুহৰ জাক তেওঁ কাহানিও দেখা নাছিল। নিজৰ হাতখনত চকু পৰি এক অদ্ভুত অনুভূতিত এলেক্সৰ মন ভৰি পৰিল। কি লজ্জাজনক কথা, তেওঁ যে বৰ্ণসংকৰ। কিন্তু পাছত দোভাষীজনৰ কথাত এলেক্সে বুজি পালে যে মানুহবোৰে তেওঁক কেৱল ব্যক্তি হিচাপে চোৱা নাই, চাইছে মহাসাগৰৰ সিপাৰে থকা, কাহানিও নেদেখা ২৫ নিযুত ক'লা মানুহৰ প্রতিনিধি হিচাপেহে।

বুঢ়া গ্রিয়টজন এলেক্সৰ সমুখলৈ আহিল আৰু অন্তৰ্ভেদী দৃষ্টিৰে তেওঁলৈ চাই অনৰ্গল মান্দিন্‌কা ভাষাত কথা কৈ যাবলৈ ধৰিলে। দোভাষীয়ে সেই কথা ভাঙনি কৰি দিলে ঃ "আমাৰ উপৰিপুৰুষ সকলে আমাক কৈ গৈছে যে আমাৰ বহু মানুহেই আমেৰিকা আৰু আন ঠাইত বাস কৰে।"

তাৰ পাছত গ্রিয়টজনে শাস্ত্রপাঠৰ দৰে মাংগলিক অনুষ্ঠানৰ গম্ভীৰতাৰে গাই যাব ধৰিলে কিন্টে ফৈদৰ বহু শতিকাৰ ইতিহাস। কঁকালৰ ওপৰছোৱা সমুখলৈ হালি, দেহটো ফিটফিটিয়া কৰি, ডিঙিৰ শিৰবোৰ টনটনিয়া কৰি, মাজে মাজে কেৱল দোভাষীৰ অনুবাদৰ বাবে ৰৈ অনায়াস স্বচ্ছন্দতাৰে তেওঁ অনেক প্রজন্মৰ নিখুঁত আতি-গুৰি কৈ গ'ল ঃ কোনে কাক বিয়া কৰাইছিল, কাৰ কেইটা সন্তান, কাৰ সন্তানৰ কাৰ লগত বিয়া আকৌ তেওঁলোকৰ সন্তান........ সময় নিৰ্দিষ্ট কৰিবলৈ গ্রিয়টে কথাবোৰক কোনো ডাঙৰ ঘটনাৰ লগত জড়িত কৰে........ ডাঙৰ বানপানীৰ সময়ত, যুদ্ধৰ বছৰত ইত্যাদি।.......... মুঠতে এই মহাকাব্যিক গাথাৰে সাৰসংকলন হ'ল ঃ পুৰণি মালী নামৰ দেশত কিন্টে ফৈদৰ পত্তন হৈছিল। কিন্টে মানুহবোৰ তেতিয়া আছিল কমাৰ। কিন্টে নাৰীবোৰ আছিল কুমাৰ আৰু বোৱনী। এসময়ত এই ফৈদৰ এটা ঠালে মৰিটানিয়া নামৰ দেশলৈ প্রব্রজন কৰিছিল। মৰিটানিয়াৰ পৰা এই ঠালৰে সন্তান কৈৰাবা কুন্টা কিন্টে নামৰ মুছলীম সন্তজনে গাম্বিয়ালৈ আহিছিল। তাত তেওঁ পাকালি এন'ডিং বোলা গাঁৱত অলপদিন থাকি জাফিয়ৰলৈ যায়গৈ। তাত তেওঁ প্রথমতে চাইৰেং আৰু পাছত য়েইচা নামৰ দুজনী মান্দিন্‌কা ছোৱালীক বিয়া কৰায়। প্রথম পত্নীৰ পৰা জানে আৰু চেলম আৰু দ্বিতীয় পত্নীৰ পৰা অমৰ নামৰ পুত্রৰ জন্ম হয়। প্রথম দুই পুত্ৰই আঁতৰি গৈ কিন্টে-কুণ্ডা জানে-যা গাওঁখন প্রতিষ্ঠা কৰে আৰু তৃতীয় পুত্র অমৰ জাফিয়ৰ গাৱঁতে থাকি যায়। তেওঁৰ বয়স ত্রিশটা বৰ্ষাকাল – অৰ্থাৎ বছৰ –

হোৱাত অমৰ'ই মাম্দিন্কা গাভৰু বিন্টা কেবাক বিয়া কৰায়। মোটামুটিকৈ ১৭৫০ আৰু ১৭৬০ চনৰ ভিতৰত তেওঁলোকৰ কুন্টা, লামিন, চুৱাডু আৰু মাডি নামৰ চাৰিটা পুত্ৰ জন্ম হয়।……… ৰজাৰ সৈনিকবোৰ অহা সময়তে ডাঙৰ পুতেক কুন্টা কাঠ কাটিবলৈ যাওঁতে হেৰাই যায়। তাক আৰু কাহানিও দেখা নগ'ল ………. গ্ৰিয়টজনে অবিৰাম কৈ গ'ল। তেওঁতো আৰু নেজানে, কুন্টা কিন্টেৰ উল্লেখে কেনেকৈ এলেক্সৰ হৃদয় মথি পেলাইছে।

হয়, এই ঘোকোট গাঁৱত জন্ম হোৱা সেই আফ্ৰিকানজনেই এলেক্সৰ পূৰ্বপুৰুষ, যিজনে নিজৰ নামটো কিন্টে বুলি কৈছিল, গীতাৰক 'কো' বুলিছিল, ভাৰ্জিনিয়াৰ এখন নদীক কৈছিল 'কেজিব বলংগ' বুলি; যাক এই গাঁৱৰ ওচৰৰ পৰাই ঢোল এটা বনাবলৈ কাঠ কাটোতে অপহৰণ কৰা হৈছিল।

আবেগ-অধীৰ এলেক্সে কোনোমতে খেপিয়াই খেপিয়াই মোনাৰ পৰা তেওঁৰ টোকাবহীখন উলিয়ালে, য'ত লিখি থোৱা আছিল আইতাকৰ পৰা শুনা আজু – আজু ককাকৰ কাহিনীটো। সেইখন পঢ়ি, তাৰ লগত গ্ৰিয়টৰ অতীত-আবৃত্তি হুবহু মিলি যোৱা দেখি দোভাষীজন আৰু তাৰ পাছত গোটেই ৰাইজ উত্তেজিত হৈ উঠিল। হঠাৎ মানুহবোৰে নীৰৱে এক ঘূৰ্ণীয়মান বৃত্ত গঠন কৰিলে এলেক্সক কেন্দ্ৰ কৰি, তাৰ পাছত অনুচ্চ কণ্ঠে মন্ত্ৰৰ দৰে কিবা গাই গাই, মাটিৰ ধূলি উৰাই তেওঁক প্ৰদক্ষিণ কৰিবলৈ ধৰিলে। বৃত্ত ভাঙি এজনী তিৰোতা ওলাই আহিল আৰু এলেক্সৰ হাতত তেওঁৰ কেঁচুৱাটো গুজি দিলে, তাৰ পাছত, আৰু এজনী, তাৰ পাছত আৰু এজনী………. বোধহয় প্ৰায় একডজন কেঁচুৱাক এলেক্সে কোঁচত ল'লে। বহুদিনৰ পাছতহে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ জিৰম ব্ৰুনাৰে এলেক্সক কৈছিল, "আপুনি মানৱ জাতিৰ এক প্ৰাচীনতম অনুষ্ঠানত ভাগ লৈছিল। কেঁচুৱাবোৰ আপোনাৰ কোঁচত দি তেওঁলোকে বুজাব খুজিছিল ঃ 'আমাৰ এই তেজ মঙহৰ যোগেদি আমি তুমি হ'লো, তুমি আমি হ'লা'।"

পাছত এলেক্সক স্থানীয় বাঁহ-কাঠৰ মছজিদলৈ লৈ গৈ মানুহবোৰে আৰবী ভাষাতে দোৱা কৰিলে। এলেক্সে মাথো তাৰ এটা শব্দও বুজি নাপালে। ঘূৰি আহোতে তেওঁ স্থলপথেদি আহিল। আফ্ৰিকান গাওঁবোৰৰ মাজেদি পাৰ হৈ আহোতে এলেক্সৰ মনৰ মাজেদি এলানি ছবি পাৰ হৈ যাব ধৰিলে, তেওঁৰ অযুত-নিযুত পূৰ্বপুৰুষৰ দাসত্বকৰণৰ ছবি, নিজৰ পূৰ্বপুৰুষ কুন্টাৰ দৰে বহুতৰ ব্যক্তিগতভাৱে অপহৃত হোৱাৰ ছবি, মাজৰাতি জ্বলাই দিয়া গাওঁবোৰৰ পৰা পহুখেদা দি নিয়া নিগ্ৰো মানুহবোৰৰ ছবি। বন্দী মানুহবোৰক ডিঙিয়ে ডিঙিয়ে বান্ধি মাইলৰ পাছত মাইল জুৰি লানি লগাই লৈ যোৱা হৈছিল উপকূলৰ ফালে। উপকূলৰ ফালে গৈ থাকোতেই পংগপালৰ দৰে মৰা পৰিছিল তেওঁলোক। উপকূল গৈ পাওঁতাসকলক তেল সানি, চুলি খুৰাই, গাত গৰম লোহাৰে দাগ দিয়া হৈছিল। এলেক্সে তেওঁলোকক বৰনাওৰ ফালে চোঁচোৰাই লৈ যোৱা দেখিলে। তেওঁলোকৰ আৰ্ত চিৎকাৰ তেওঁৰ কাণত ভাহি আহিল। শেষবাৰৰ কাৰণে মুখেৰে উপকূলৰ বালি চেলেকি তেওঁলোকে মাটিত আকুহি ধৰিলে ঃ আফ্ৰিকাৰ মাটিৰ শেষ স্পৰ্শৰ বাবে। তেওঁলোকক কোবাই কোবাই জাহাজৰ দুৰ্গন্ধ খোৱাৰবোৰত ভৰাই দি শিকলিৰে বান্ধি দিয়া হ'ল। সেইবোৰ ইমানেই ঠেক যে লৰচৰ কৰাও নাযায়।………

এলেক্স আমেৰিকালৈ ঘূৰি আহিল আৰু আফ্ৰিকানজনে জাহাজৰ পৰা আমেৰিকাত যি ঠাইত নামিছিলহি, আইতাহঁতৰ ভাষাত সেই 'নাপ্লিচ'ৰ সন্ধান কৰিব ধৰিলে। আচলতে ঠাইখন আছিল মেৰীলেণ্ডৰ আন্নাপলিচ। সেয়েহে এলেক্সে গাম্বিয়া নদীৰ পৰা তালৈ ক্ৰীতদাস লৈ অনা জাহাজৰ নথিপত্ৰ চাব ধৰিলে। তেওঁৰ অৱশ্যে ঘটনাটোৰ সময়ৰ সম্পৰ্কে কোনো ধাৰণা নাছিল। গ্ৰিয়টজনে কৈছিল কুন্টা কিন্টেৰ অপহৰণটো 'ৰজাৰ সৈনিকবোৰ অহাৰ সময়'ৰ বুৰঞ্জী ঘাটাঘাটি কৰি এলেক্সে দেখিলে যে ১৭৬০ চনত জেমচ্ দাস দুৰ্গ ৰক্ষাৰ বাবে এটা বৃটিছ ফৌজ পঠিওৱা হৈছিল। ছয় সপ্তাহ জুৰি এলেক্সে সেই চনটোত আমেৰিকালৈ অহা দাসবাহী জাহাজবোৰৰ নথিপত্ৰ তন্নতন্নকৈ পৰীক্ষা কৰিলে, কি বিপুল আকাৰৰ আছিল এই মানুহৰ ব্যৱসায় – নথিপত্ৰৰ বহুলতাই তাকে নিৰ্মমভাৱে এলেক্সৰ সমুখত দাঙি ধৰিলে। সপ্তম সপ্তাহত ১০২৩ নং কাগজখিলাত ১৭৬৬-৬৭ চনত গাম্বিয়া নদীৰ পৰা অহা ত্ৰিশখন জাহাজৰ বিৱৰণ পোৱা গ'ল। ১৮ নং জাহাজখনৰ বিৱৰণত লিখা আছিল ঃ ১৭৬৭ চনৰ ৫ জুলাইত (অৰ্থাৎ 'ৰজাৰ সৈনিকবিলাক অহা' বছৰটোত) লৰ্ড লিগনিয়েৰ নামৰ জাহাজখনে থমাচ ই ডেভিচৰ অধিনায়কত্বত গাম্বিয়াৰ পৰা আন্নাপলিচলৈ ৰাওনা কৰিলে……… হয়, সেইখন জাহাজতে কিজানি আহিছিল আজু, আজু ককা!

আৰু ৱাশ্বিংটনৰ কংগ্ৰেছৰ পুঁথিভঁড়ালত ভঘন ডব্লিউ ব্ৰাউনৰ **Shipping in the port of Annapolis** কিতাপত তেওঁ সেই খবৰটোকে পালে, ২৯ চেপ্তেম্বৰৰ ১৯৬৭ত লৰ্ড লিগনিয়েৰ জাহাজখন আন্নাপলিচ পাইছিলহি। ১৯৬৭ চনৰ ২৯ চেপ্তেম্বৰৰ দিনা, সেই ঘটনাৰ সম্পূৰ্ণ দুশ বছৰৰ পাছত ঠিক একেই দিনা এলেক্স সাগৰৰ পাৰৰ সেই ঠাইকণতে থিয় হ'লগৈ। আবেগত তেওঁ উচুপিব ধৰিলে।

তথ্যপাতিৰ পৰা গম পোৱা গ'ল যে জাহাজখনত যাত্ৰাৰ সময়ত ৩,২৬৫টা হাতী দাঁত, ৩,৭০০ পাউণ্ড মম, ৮০০ পাউণ্ড কটন, ৩২ আউন্স সোণ আৰু ১৪০টা নিগ্ৰো দাস আছিল। আন্নাপলিচ আহি পাওঁতে ৯৮টা নিগ্ৰোহে জীয়াই আছিল। এক তৃতীয়াংশ মানুহৰ এই মৃত্যু আছিল স্বাভাৱিক ঘটনা।

ভাৰ্জিনিয়াৰ ৰিচমণ্ডত মাইক্ৰফিল্ম কৰি থোৱা আইনী চুক্তিবোৰ এলেক্সে পৰীক্ষা কৰিব ধৰিলে। তাতে তেওঁ ১৭৬৮ চনৰ চেপ্তেম্বৰত স্বাক্ষৰিত এটা বন্দৱস্তৰ দলিল পালে যাৰ যোগেৰে জন ৱালাৰ আৰু ঘৈণীয়েক এনে উইলিয়াম ৱালাৰ ২৪০ একৰ মাটি সম্পত্তি আৰু টবী নামৰ এটা গোলাম হস্তান্তৰ কৰিছিল। … এইদৰেই মহাসাগৰৰ ইপাৰে-সিপাৰে দুখন মহাদেশত বিয়পি থকা মানুহৰ এডাল শাখা-প্ৰশাখা ব্যাপ্ত শিপাক এলেক্সে চিনাক্ত কৰিলে। আফ্ৰিকাৰ পৰা আমেৰিকালৈ আনোতে আজু-আজু ককাকৰ কেনে অনুভূতি হৈছিল তাৰ বুজ ল'বলৈ তেওঁ 'আফ্ৰিকান ষ্টাৰ' বোলা জাহাজ এখনত উঠি, জাহাজৰ তলৰ এন্ধাৰ মালকোঠাত শুদাগাৰে পিঠি পেলাই দহনিশা কটাই এলেক্সে সহমৰ্মী হ'ব বিচাৰিলে দুশবছৰ আগৰ এক নিগ্ৰো-কিশোৰৰ স'তে।

★ ★ ★

লিখিত আৰু মৌখিক ইতিহাস আৰু তাৰ পৰা উদ্‌ঘাটিত ঘটনাৰ চৰিত্ৰসমূহৰ সতে ৰক্ত সম্পৰ্কজনিত এক দুৰ্বাৰ একাত্মতাৰে পৰম মমতাৰে এলেক্স হেলীয়ে গঢ়ি তুলিছে তেওঁৰ মহাকাব্যিক উপন্যাস ৰুটচ'ৰ প্ৰতিটো অনুচ্ছেদ। কালজয়ী মানৱ মুক্তিৰ এই অনুপম গাথা হৈ উঠিছে ভাস্কৰ, তাৰ স্ব-মহিমাৰে। তাৰ ধাৰাবাহিক ছবিৰূপ চাবলৈ সেয়ে আমেৰিকান দূৰদৰ্শনৰ সমুখত ভিৰ জমিছিল। ভাৰতত ৰামায়ণ, মহাভাৰতৰ প্ৰদৰ্শনৰ সময়ৰ দৰেই সেই সময়ত তাৰ পথঘাট হৈ পৰিছিল জনশূন্য।

অৰণ্যৰ সন্তান এক নিগ্ৰো তৰুণৰ স্বাধীনতাৰ সুতীব্ৰ আকাংক্ষাৰ মৃত্যুবিজয়ী ধাৰাবাহিকতাই আমেৰিকাৰ মাটিত জন্ম দিলে এই মহৎ মানৱীয় শিল্পকৰ্মৰ। জাহাজৰ ডেকত শাৰী শাৰীকৈ শিকলিৰে বান্ধি থোৱা অৱস্থাত, নিজৰ দেহৰ পৰা নিৰ্গত পুতিগন্ধময় আবৰ্জনা, ৰক্তাক্ত ক্ষতত পৰা জাক জাক ভেনামাখি আৰু নিগ্ৰো মনৰ সৰু দিগন্তক চিৰাচিৰ কৰি কুন্টা কিন্টেৰ 'সহযাত্ৰী' ১৩৯টা নিগ্ৰো তৰুণ-তৰুণীয়ে যেতিয়া পৰস্পৰ দুৰ্বোধ্য ভাষাত বুকুফটা গান গাইছিল তেতিয়াই বেদনাৰ আৰ্তিৰ মাজৰ পৰা হৃদয় মন্থন কৰি ওলাই আহিছিল সৌন্দৰ্যৰ এক কৰুণ ভাস্বৰতা। সামৰণিত এটাই মাথো প্ৰশ্ন ঃ আমাৰ স্বদেশৰ, আমাৰ প্ৰদেশৰ পঞ্চাশলাখ চাহ শ্ৰমিক ভাৰতীয় নিগ্ৰো; ঝাড়খণ্ডীৰ জীৱন যাতনাক লৈ কোনেও কেতিয়াও লিখি উলিয়াব নোৱাৰিবনে আৰু এখন মমতাময় মহাকাব্য? বিচাৰি উলিয়াব নোৱাৰিবনে এইবোৰ মানুহবো শিপা? ❑❑





# জীৱনবোধৰ ক, খ

দীপিকা বৰগোহাঁই

জন্ম আৰু মৃত্যু, এই দুয়ো সীমাৰ মাজৰ যি কণ স্থিতি তাৰেই নাম জীৱন। প্ৰাকৃতিক, পাৰিবাৰিক, সামাজিক পটভূমিত গঢ় লোৱা জীৱনে অনিবাৰ্যভাৱে কিছুমান সংস্কাৰ, কিছুমান পৰম্পৰা, কিছুমান ধ্যান-ধাৰণাক আঁকোৱালি ল'ব লগা হয়। কিন্তু জীৱন এইবোৰে প্ৰভাৱিত কৰা অংশতকৈ বহুতো বিস্তৃত, বৰ্ণাঢ্য। সেয়েহে কেতিয়াবা জীৱনৰ এতিয়ালৈকে অচিনাকি হৈ থকা ৰূপটোৱে যদি এক ভাল লগা অভিজ্ঞতা বা কেতিয়াবা এতিয়ালৈকে পোৱা তিক্ত অভিজ্ঞতাতকৈ তিক্ততৰ ৰূপত আমাৰ আগত ধৰা দিয়েহি তেতিয়া আমি অবাক হবৰে কথা, জীৱনৰ নতুন এক অৰ্থ বিচৰাৰে কথা।

সঞ্জীৱ আজি এটা তেইশ বছৰীয়া চফল ডেকা। বাইশটা বছৰ সি মাকৰ চাদৰৰ আঁচল ধৰি ফুৰা স্বভাৱৰ হোৱাত বহুতখিনি কথাই শিকিবলৈ বাকী। পিতৃৰ মৃত্যুৰ পিছতো অভাৱ অনাটনত নপৰা সঞ্জীৱে মাকৰ পৰাই পাইছিল পিতৃৰ কৰ্তৃত্ব আৰু শেষ সন্তানৰূপে বৰ্ষিত হোৱা মাক আৰু ককায়েক দুটাৰ অপাৰ মৰমবোৰ। শিশু বা কিশোৰ ৰূপে স্বাভাৱিকতে আৰু তাড়না নোপোৱা ডেকা বয়সতো কোনো সম্পৰ্ক বা পৰিস্থিতিক জুখিমাখি চাবলৈ নিশিকা সঞ্জীৱে বাইশ বছৰলৈকে ভাবিলে মাকৰ নিচিনা মহিমাময়ী আৰু মৰমিয়াল দ্বিতীয় এগৰাকী কিজানি তাৰ কাৰণে পৃথিৱীখনতে নাই। 'মা' নামৰ এই মিঠা শব্দটোৰ অৰ্থ সি এতিয়ালৈকে জনা বিশেষণবোৰে যেন সম্পূৰ্ণকৈ কঢ়িয়াব নোৱাৰে। কিন্তু হঠাতে এদিন মিঠা অভিজ্ঞতা এটাই তাৰ এই 'হাইপথেচিছ্'টোক ভিত্তিহীন বুলি প্ৰমাণ কৰিলে।

একে দিনাই তেজপুৰৰ পৰা ঘূৰি আহিব লগা সঞ্জীৱে তেজপুৰ আৰু লক্ষীমপুৰৰ মাজৰ ট্ৰাঙ্ক ৰোডটোৰ এছোৱা পানীয়ে ছিঙি নিয়াত আৰু পৰিবহণ অচল হৈ পৰাত এদিনৰ ঠাইত চাৰিদিন থাকিব লগা হ'ল অৰূপহঁতৰ ঘৰতে। এসাজ কাপোৰেৰে যোৱা সঞ্জীৱে দ্বিতীয় দিনা গা ধুলে যদিও কাপোৰ নসলোৱাকৈ থাকিব লগা হ'ল যিটো তাৰ জীৱন ধাৰাৰে ব্যতিক্ৰম বুলি ক'ব পাৰি। সেয়েহে আবেলি সি এটা গেঞ্জী আৰু এটা জাঙ্গিয়া কিনি আনিলে। তৃতীয় দিনা সি গা ধুওঁতেই পিন্ধা জাঙ্গিয়া আৰু গেঞ্জী ধুই চোতালৰ তাঁৰ ডালত মেলি দিলে। আবেলি মুখখন ধুবলৈ যাওঁতে দেখিলে গেঞ্জীটোত নীল পৰাত আৰু যেন চফা হ'ল, শুকাবলৈ অলপ বাকী। এই নীল দিয়া কামটো অৰূপৰ মাকেই সি শুই থাকোতে কৰি দিলে, যেনেকৈ ঘৰত তাৰ মাকে নীল দিলেনে নাই চাই, নিদিলে আধা শুকুওৱা গেঞ্জী পায়জামাটো নীল দি পুনৰ মেলি দিয়ে। গধূলি তাৰ পেটটোৱেও আমনি কৰাত ভাত নাখায়েই শুই থাকো বুলি কোৱাত বাৰ্লিৰ সৰু টিন এটা কিনি অনাই একাপ বাৰ্লি পানীত নেমুটেঙা চেপি তাক খুৱাইহে অৰূপৰ মাকে তাক শুবলৈ দিলে। পিছদিনা ঘৰৰ ধাপতে থকা ভেদাই লতা, নৰসিংহৰ পাতেৰে কাঁৱৈ মাছৰ জোল অকণ ৰান্ধি গৰম ভাত দুটামান ১০ মান বজাতে বাঢ়ি আনি তাক কলেহি, 'ৰাতিও ভাত নাখালি, গৰম ভাতকে দুটামান সোনকালে খা। ভোক লাগিছেনে বাৰু?' অৰূপৰ মাকৰ যত্ন কণতে তাৰ পেটৰ অসুখটোৱেও আৰু আমনি নকৰা হ'ল। পিছদিনা ঘৰলৈ বুলি ওলাই মাত লগাওঁতে অৰূপৰ মাকে কলে, 'য'তে ত'তে পানী নাখাবি। খাবলৈ যদি মন যায় ৰসগোল্লাকে খাবি, সিঙ্গাৰা নাখাবি। গৈ পাই ইয়ালৈ চিঠি এখন দিবি।'

'বুজিছ মা ঠিক তোৰ দৰেই চোন অৰূপৰ মাকে মোক কলে' – এয়া সঞ্জীৱে মোক কোৱা কথা।

গেঞ্জীত নীল দিয়া, পেটৰ অসুখ বুলি নৰসিংহ ৰান্ধি খুওৱা, কি খাব লাগিব, কি খাব নালাগিব তাক কোৱা সৰু সৰু কামবোৰ আৰু কথাবোৰত মাতৃৰ মৰম উথলি উঠিছে। এনে যত্ন সি আগতে মাকৰ বাহিৰে আন কাৰোৰে পৰা নোপোৱাৰ কাৰণেই সি ভাবি লৈছিল মাকৰ বাহিৰে দ্বিতীয়জনে যেন এনে কৰিব নোৱাৰে। কিন্তু আজি তাৰ এয়া এক নতুন উপলব্ধি। নিঃস্বাৰ্থ যত্নকণ, আদৰ কৰি মতা 'তই' মাতষাৰ, মাক নামৰ শব্দটোৰে যেন এটা বাস্তৱ ৰূপ, কেতিয়াবা ইয়াত, কেতিয়াবা তাত প্ৰকট হয়।

মাক হিচাপে মোৰো এক নতুন উপলব্ধি – মোৰ অবৰ্তমানত মোৰ ল'ৰাহঁতে জীৱনত মাজে সময়ে এনে একো গৰাকী মহীয়সী মাতৃৰ সংস্পৰ্শলৈ অহাৰ যেন সৌভাগ্যকণ ঘটে, যাৰ আদৰ যত্নই সিহঁতৰ মনলৈ মোকো টানি আনিব এনেদৰে – 'এৰা, মায়েও আমাক এনেদৰেই মৰম, যত্ন কৰিছিল, সন্তানৰ মনত জীয়াই থাকিব খোজা এয়া হয়তো মোৰ দুৰ্বলতা কিন্তু সিহঁতৰ জীৱনত এয়াই দিব জীপ, জীৱনটো কৰি তুলিব সৰস।

★ ★ ★

ধৰ্মৰ আচাৰ-অনুষ্ঠানবিলাক পালন কৰাত মোৰ আইতা (মাক আমি আইতা বুলি মাতো) দেউতাতকৈ অধিক নিষ্ঠাবান আৰু গোড়া। ঘৰৰ কাৰোবাৰ অসুখ বিসুখ হলে সবাহ, বুঢ়ী গোসানী দেৱালয়লৈ আগকৰা আইতাই ধৰ্মীয় কৰ্তব্য বুলিয়েই ভাবিছিল। ঈদৰ দিনা ওচৰৰ মুনুহঁতৰ ঘৰৰ পৰা মিঠাইৰ থালখন আহিলে আইতাৰ বাহিৰে আমি আটায়ে খাওঁ। ৰমজান মাহ পৰিলে দেউতাইও ডাঙৰ মমবাতিৰ পেকেট এটা জুইশলা এটাৰে সৈতে গড়আলিৰ মছজিদটোৰ বেৰৰ ফুটা এটাত থৈ আহেগৈ, কেতিয়াবা সময় নাপালে মোকে পঠায়। ঘৰখনৰ বেছি ভাগ সময় আইতাৰ লগত থাকো কাৰণেই নেকি আইতাৰ প্ৰভাৱটো আমাৰ ওপৰত দেউতাতকৈ বেছি।

এদিন আবেলি পৰ্টিকটো সাৰিবলৈ গৈ এচুকত আইতাই দেখিলে মোনা এটাত মগুমাহ, বুট, কল এআখি, নাৰিকল এটা ভৰোৱা আছে। কোনে থলেহি, কেনেকৈ আহিল তাৰ উহঁ বিচাৰি ঘৰৰ প্ৰত্যেককে সুধিলে, কোনেও ইতিবাচক উত্তৰ এটা দিব নোৱাৰিলে। সন্ধ্যা ভাইটি ক'ৰবাৰ পৰা আহিল, আইতাই তাকো সুধিলে। সি কওঁ নকওঁকৈ অলপ ভয়েৰেই কলে, 'আইতা, এয়া বুঢ়ী গোসানী দেৱালয়ত দিবলৈ মইয়েই আনিছো। চাইফুদ্দিনৰ বৰ অসুখ, সি মিচন হস্পিটেলত পৰি আছে। এতিয়া মই তাৰ ওচৰৰ পৰাই আহিছো। তাৰ কাৰণেই শৰাইখন কাইলৈ পুৱাই দিম। তই খং কৰ বুলিহে ইয়াতে লুকুৱাই থৈছো।'

'খং কৰিম কিয় অ'? পিছে চাকি এগছো লাগিব, ধূপৰ পেকেট এটাও লাগিব। ভাল ঘিউ অকণৰে চাকি গছি বাৰু মইয়েই ঠিক কৰি দিম, তই ধূপ আনিবি। আৰু কাইলৈ পুৱাই মই গা ধোৱা সময়তে তয়ো গা ধুব লাগিব। তোৰ লগতে ময়ো যাম। তই নিয়ম কাৰণবোৰ নাজানিবি নহয়। দেউতাৰকো কবি অফিচলৈ যাওঁতে আজিয়েই চাইফুদ্দিনৰ নামত মম এক পেকেট মছজিদত দি যাব।'

আইতাৰ নেদেখা ৰূপ এটা সিদিনা দেখিলো। ধৰ্মৰ নামত শিথিলতাক প্ৰশ্ৰয় নিদিয়া মানুহজনীৰ এয়াচোন 'মেডোনা' ৰূপ।

মই উপলব্ধি কৰিলো মোৰ আইতা ধৰ্মতকৈ বিশাল যি ধৰ্মক গ্ৰাস কৰিব পাৰে। সেইদিনা মোৰ মনটো কিয় জানো ভাল লাগি গৈছিল।

★ ★ ★

জীৱনৰ কঠোৰতম বাস্তৱৰ সমুখীন হোৱাৰ তিক্ত অভিজ্ঞতাৰে তিলতিলকৈ গঢ়ি পেলোৱা মনটোৱে আজিকালি সহজে নাকান্দে। গীতা ভাগৱতৰ অৰ্থ ভাঙনিয়ে মোক জীৱনৰ ব্যাখ্যা দি দি সন্তুষ্ট কৰিব পৰা নাই, যি অনিবাৰ্য তাত শোক কৰি লাভ নাই বুলি দিয়া প্ৰবোধ বাক্যতো মই সমানেই উদাসীন। মোৰ এয়াই মাথো উপলব্ধি মই যি পালো সেয়া মোৰ নিজৰ। মোৰ পোৱা নোপোৱাৰ খতিয়ান আনে যদি লবলৈ যায় সি পক্ষপাতিত্বমূলক হোৱাৰে সম্ভাৱনা বেছি। 'আই ঐ দেহি' কথাষাৰ মোৰ ক্ষেত্ৰত কোনোবাই লগালে মই একেবাৰে বৰদাস্ত কৰিব নোৱাৰো, কাৰণ মই পুতৌৰ পাত্ৰ হবলৈ নিবিচাৰো। এনে দৃষ্টিভঙ্গীৰে দৃঢ়মনা হৈ পৰা মই মানুহজনীয়ে আজি হুকহুকৈ কন্দা দেখি মোৰ দুই পুত্ৰ চমক খাই উঠিল। 'মাৰ কি হ'ল ?' মাকতো আমি আজি দহ বছৰে কন্দা দেখা নাই। এয়া সিহঁতৰ চকুত প্ৰশ্ন।

বাইদেউ (জা) ঢুকোৱাৰ পিছত গাঁৱৰ ঘৰখনলৈ গৈ যি শূন্যতাৰ সমুখীন হলো সেই শূন্যতাৰ সমুখীন হৈছিলো এদিন ২৫ বছৰৰ আগতে আইতা ঢুকোৱাত। দেউতাৰ অভাৱ পূৰাইছিল আইতাই। আইতাৰ অভাৱ পূৰাবলৈ দ্বিতীয় এজন নহ'ব বুলি আমি আটায়ে ম্ৰিয়মাণ হৈ পৰিছিলো তেতিয়া।

স্বামীৰ মৃত্যুৰ পিছত ঘৰুৱা লেনাদেনাৰ কাৰণে মই গাঁৱৰ ঘৰখনলৈ প্ৰায়েই গৈয়ে থাকিব লগা হৈছিল। ল'ৰা কেইটাই ভাগে ভাগে কাম কৰা আৰু পঢ়ি থকাত এইবোৰ কাম ময়েই কৰো। সঘনে অহা-যোৱা কৰাৰ ফলত বাইদেউৰ লগত মোৰ নিবিড় সম্পৰ্ক এটা গঢ়ি উঠিছিল। বয়সৰ কথা কব নোৱাৰো — সম্পৰ্কত সৰু হোৱাৰ কাৰণে মই বাইদেউৰ ওচৰত আবদাৰ বিচাৰিছিলো বেছি। বয়স হলেও এটি শিশুৱে আমাৰ মনবোৰত যেন শুই থাকে, সুযোগ সুবিধা পালেই সি সাৰ পাই শিশুসুলভ কাৰবাৰবোৰ কৰিবলৈ বিচাৰে। মোৰ ক্ষেত্ৰতো তাকেই হ'ল। ভাতৰ পাতত বহি নিজৰ বাটিৰ পৰা মাছ অকণ মোৰ পাতলৈ দিয়া, আহিবৰ সময়ত গাখীৰ এগিলাচ লৈ 'গাখীৰ কণ খাই যোৱা' কথাষাৰে বাৰে বাৰে আইতালৈ মনত পেলায়। গণ্যমান্য ব্যক্তি বুলি পৰিচিত হোৱা মই মানুহজনীয়ে আজিওচোন মোৰ ভিতৰৰ শিশুটোক নোহোৱা কৰিব পৰা নাই, সুবিধা পালে সাৰ জাবৰ দি লালন পালন হে কৰিছো। সেয়েহে দ্বিতীয় মাতৃৰ মৃত্যুত মোৰ শিশুমনটোৱে আজি বাধা মনা নাই, হুকহুকৈ কান্দিছে।

মোৰ পুত্ৰদ্বয়ে ভাবিছে দেউতাকৰ মৃত্যুৰ পিছত নানা ধুমুহাৰ মাজতো বটবৃক্ষৰ দৰে হালি নপৰা, সিহঁতক আৱৰি থকা মাককো আজি আশ্ৰয়ৰ দৰকাৰ হৈছে নে ? 'যদি হৈছে আমি জানো সেই আশ্ৰয় হ'ব নোৱাৰিম ?' শেষৰ বাক্য শুনাৰ লগে লগে মই একৰকম চিঞৰ মাৰিয়েই কৈ উঠিলো — 'নোৱাৰ, তহঁতৰ আশ্ৰয়ৰ ৰূপ বেলেগ। তহঁতৰ আশ্ৰয়ত থাকিব সমীহ আৰু কৃতজ্ঞতাৰ ভাব। আজি দেউতাৰ থকা হলেও মোৰ যি আশ্ৰয় হ'লহেঁতেন তাতো কৰ্তৃত্বৰ ভাব এটাই আৱৰণ দিলেহেঁতেন। কিন্তু মই বিচৰা আশ্ৰয় এয়া নহয়, মই বিচাৰিছো খোজ কাঢ়িবলৈ বিচৰা শিশু এটাই যেতিয়া ককায়েক বা বায়েকৰ হাতত ধৰি সম্পূৰ্ণভাবে নিজৰ শৰীৰৰ ভাৰটো হাতখনত এৰি দি হাঁহি হাঁহি আগবাঢ়ি যায় আৰু সি নিশ্চিন্ত হৈ পৰে, ঠিক সেই ভাব, সেই নিশ্চয়তা এটা দিব পৰা অকণ আশ্ৰয়। ইয়াতকৈ অধিক আৰু মই তহঁতক বুজাব নোৱাৰো।' ■


অসমৰ আলোচনী জগতত
অদ্বিতীয় বৈশিষ্ট্যৰ অধিকাৰী

শাৰদীয়

সূত্ৰধাৰ

অহা শৰতত বৰ্ণাঢ্য সম্ভাৰেৰে
প্ৰকাশৰ পথত

*এই বিশেষ সংখ্যাত আছেঃ*

তিনিখন সম্পূৰ্ণ উপন্যাস, এখন ডিটেক্‌টিভ উপন্যাস, একডজন গল্প আৰু মূল্যবান প্ৰবন্ধৰ লগতে মনোৰঞ্জনৰ শিতানসমূহ।

*এজেন্টসকলক আগতীয়াকৈ যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।*


পূৰবী প্ৰকাশন প্ৰাঃ লিঃ
মনজেৰা হাউছ,
পানবজাৰ, গুৱাহাটী — ১






# শিল্প প্ৰাণ চন্দ্ৰ ফুকন ঃ-মানুহজন

ডাঃ মুক্তি প্ৰসাদ গগৈ



মানুহ এবিধ প্ৰাণী, গছ গছনি নাইবা জীৱজন্তুৰ দৰেই। কিন্তু মানুহ জাতিটো বৰ জটিল। গছ গছনি আৰু অন্যান্য প্ৰাণীৰ কেৱল জীয়াই থকাটোৱেই সমস্যা, তাৰ বাবে কৰিব লগীয়া লাগতিয়াল কামতেই শেষ। হিংস্ৰজন্তু খিনিৰ বাহিৰে গছ গছনিৰ দৰে প্ৰাণীৰ জীৱনটো শান্তিপূৰ্ণ বুলিয়েই ভাবো, মৃত্যু সকলোৰে অনিবাৰ্য। সেই বিষয়লৈ ভাবিবৰ সামৰ্থ্য সেইবোৰ প্ৰাণীৰ নাই।

কিন্তু মানুহ জাতিটো এক বেলেগ ধৰণৰ। কেৱল খাই লৈ জীয়াই থাকি সন্তুষ্ট নহয়। মানুহৰ ভাবিবৰ শক্তি আছে আৰু লগতে নানা কাম কৰিবৰ। উৰ্বৰ মস্তিষ্কই মানুহক জীয়াই থাকিবলৈ সুবিধা কৰি দিয়াতকৈ অসুবিধাহে বেছি কৰি দিয়ে। নকৰিব লগীয়া কাম কৰা, পাব নোৱৰা বস্তু বিচৰা, নানা বস্তু কল্পনা কৰা, দিঠকত সপোন দেখা, ছবি অঁকা, লিখা, ভাও কৰা, খেলা ধূলা কৰা, নতুন বস্তু আৱিষ্কাৰ কৰাৰ চেষ্টা, সদায় আগবাঢ়ি যোৱাৰ ইচ্ছা, আগবাঢ়িবলৈ গৈ কেতিয়াবা পিছ হোঁহকা এইবোৰ মানুহৰ দৈনন্দিন জীৱনৰ ঘটনা আৰু জীৱনৰ সুখ আৰু দুঃখৰ কাৰণ–তথাপিও মানুহে জটিল বা টান কাম কৰাত পিছ নোহোঁহকে বৰঞ্চ আগ বাঢ়িহে যায়। সেই কাৰণেই মানুহে মাউণ্ট এভাৰেষ্টত উঠে, সহজ পথেৰে উঠি আকৌ টান বা বেছি অসুবিধা জনক পথেৰে উঠিব খোজে। ফলত বিফল হয় কেতিয়াবা মৃত্যুমুখতো পৰে। মানুহে সহজে পোৱা জীৱনৰ লাগতিয়াল বস্তুলৈ সন্তুষ্ট হৈ থাকিবলৈ টান পায় আৰু পাব নোৱৰা বা অতি কষ্টেৰে পোৱা বস্তুৰ পাছত ঘূৰি হাবাথুৰি খায়। ই মানৱ ধৰ্ম আৰু ই মানুহৰ উৰ্বৰ মস্তিষ্কৰ ফল।

স্বৰ্গীয় চন্দ্ৰ ফুকন ডাঙৰীয়াৰ সম্বন্ধে দুশাৰী লিখিবলৈ লৈ নানা কথাই মনলৈ আহিছে। তেখেতৰ নিচিনা মানুহৰ বিষয়ে লিখা মোৰ পক্ষে কষ্ট সাধ্য। বিফল হোৱাৰ সম্ভৱনাহে বেছি। আগতে কৈ অহাৰ দৰে নোৱৰা কাম কৰিবলৈ মানুহে হাতত লয়–আৰু মোৰ ক্ষেত্ৰত আজি সেয়েই হৈছে বুলি ভাবিছো।

ফুকন ডাঙৰীয়া আছিল এজন অতি গুণী আৰু খ্যাতিসম্পন্ন নাট শিল্পী, নাটক আৰু অভিনয় সম্পৰ্কে তেখেতৰ অগাধ পাণ্ডিত্যৰ কথা তেখেতৰ সান্নিধ্যলৈ অহা সকলোৱেই জানিছিল।

ফুকন ডাঙৰীয়াক শিল্পপ্ৰাণ বুলি অভিহিত কৰা হয় যি দৰে ৰাভা ডাঙৰীয়াক কলা গুৰু বোলা হয়। তেখেতৰ জীৱনটোৰ লগত শিল্প ওত-প্ৰোত ভাবে জড়িত আছিল নাইবা শিল্প আৰু তেখেতৰ জীৱনৰ আঁতৰাব নোৱৰা সম্বন্ধৰ বাবেই হয়তো তেখেতক শিল্পপ্ৰাণ বোলা হয়। শব্দটোৰ অতি সুন্দৰ প্ৰয়োগ হৈছে বুলি কব পাৰি। ফুকন ডাঙৰীয়াই প্ৰায় গোটেই জীৱনটো নাট শিল্প লৈয়েই কটালে। বহুত কৃতকাৰ্যতা আৰু খ্যাতিও অৰ্জন কৰিলে লগতে বহুত ক্ষেত্ৰত বিফলতাও তেখেতৰ জীৱনলৈ আহিল।

নাটশিল্প সম্বন্ধে তেখেতৰ জ্ঞান ভাও আৰু ভাৱৰীয়া সম্পৰ্কে তেখেতৰ জ্ঞান পাৰদৰ্শিতা সম্বন্ধে লিখা মোৰ দ্বাৰা সম্ভৱ নহয় আৰু সি এই প্ৰবন্ধৰ মূল উদ্দেশ্যও নহয়। দুই এটা কথাহে উনুকিওৱা হৈছে। ফুকন দেবৰ সম্পৰ্কে জনা মানুহ নগাঁৱত এতিয়াও ভালেমান আছে। বিশেষকৈ তেখেতৰ নাটক আৰু নগাঁও নাট্যমন্দিৰৰ প্ৰতি থকা মৰম খিনি আৰু তাৰ উন্নতি কৰাৰ ইচ্ছা তাৰ সফলতা নাইবা বিফলতা ইত্যাদিৰ কথা, এইবোৰ বিষয়লৈ ইটো সিটো কথা প্ৰসঙ্গত ভালেমানৰ লগত কথাও পাতিছো, তাৰে এজন আছিল খ্যাতনামা শিল্পী আৰু ফুকনদেৱৰ ডাঙৰ বন্ধু স্বৰ্গীয় যুগল দাস ডাঙৰীয়া। যুগল দাসৰ লগত মোৰ ব্যক্তিগত সম্পৰ্ক ঘনিষ্ঠ আৰু ভাল আছিল। বয়সৰ পাৰ্থক্য সত্বেও ডেকা বয়সৰ পৰা প্ৰায়ে তেখেতৰ লগত মোৰ দেখা সাক্ষাৎ হৈছিল, নানা কথা তেখেতৰ লগত আলোচনাও কৰিছিলো। কথা প্ৰসঙ্গত ফুকনদেৱৰ কথাও প্ৰায়ে ওলাইছিল। ফুকনদেৱৰ লগত তেখেতৰ বন্ধুত্ব আৰু নাটশিল্পত জড়িত দুয়োজনৰ একেলগে কটোৱা সময়ৰ কথা সঁচাকৈয়ে শুনিবলগীয়া।

অলপতে শীকৃষ্ণমূৰ্তি হাজৰিকা ডাঙৰীয়া



OKDISCD

মোৰ ওচৰলৈ আহিছিল। হাইঠা মাটিত পৰা দৰে তেখেত কেতিয়াবা কেতিয়াবা মোৰ ওচৰলৈ আহে। হাজৰিকাই ফুকনদেৱৰ সম্পৰ্কে বিশেষকৈ তেখেতৰ ভাৱৰীয়া জীৱনৰ কথা মৰম চেনেহ সানি প্ৰায়ে কয়। "পিয়লি ফুকন" "কাৰেঙৰ লিগিৰী" বিভিন্ন নাটকত কৰা ভাও, পৰিচালনা আনকি সঙ্গীতৰ খুটিনাটি কথা, ফুকন দেৱৰ সকলো বিষয়ৰে সবিশেষ জ্ঞান ইত্যাদিৰ কথা হাজৰিকাৰ মুখে শুনিছো। ফুকনদেৱৰ কথা হাজৰিকাই বৰ আবেগপূৰ্ণ ভাষা আৰু মনোভাবেৰে কয়। ফুকন দেৱক তেওঁ বৰ ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল, এতিয়াও কৰে। বৰ বেছিকৈ কৰে, বৰ বেছিকৈ ভাল পায়। কেতিয়াবা হাজৰিকাক লগ পালে চন্দ্ৰ ককাইদেউৰ কথা সুধিবচোন। কোনো আসক্তি নথকা মৰম চেনেহবোৰ অতি বিৰল আৰু আচৰিত বস্তু। আচৰিত শব্দটো ব্যৱহাৰ কৰিলো কাৰণ আজিকালি এইবোৰ বস্তু প্ৰায় নায়েই। দুদিনমানৰ পিছত আৰু নাথাকিব। হয়তো অন্য কিবা থাকিব যি সেইসময়ৰ অন্য ভাল লগা কথা হ'ব। এইখন এক জটিল পৃথিৱী এক জটিল সংসাৰ।

চন্দ্ৰ ফুকনে নগাঁও নাট্যমন্দিৰক বৰ ভাল পাইছিল। এইবিষয়ে তেখেতে বহুতক কৈছে। কেৱল নগাঁৱতেই নহয় আৰু বহুত ঠাইত যেনে তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলঙত; সংশ্লিষ্ট উচ্চ চৰকাৰী বিষয়া বা মন্ত্ৰী ডাঙৰীয়া সকলকো এই বিষয়ত সহায় বিচাৰি লগ ধৰিছিল আৰু কথা পাতিছিল। ফুকন ডাঙৰীয়াই এক জাতীয় নাট্যশালা পতাৰ কথা ভাবিছিল বুলি আৰু তাৰ কাৰণে কৰা চেষ্টাৰ কথা শুনিছো। কিন্তু জাতীয় নাট্যশালা সম্পৰ্কে তেখেতৰ মতামত সম্বন্ধে তেখেতে "নীলাচল" কাকতৰ তেতিয়াৰ সম্পাদক শ্ৰীহোমেন বৰগোহাঞি ডাঙৰীয়ালৈ লিখা এখন চিঠিৰ কেইশাৰীমান কথা উদ্ধৃত কৰিলো।

" ...... তাহানি দিনতে যিবোৰ সপোন দেখিছিলো তাৰ ভিতৰত এটা নাটঘৰ পতাৰ সপোনটোৱেই আছিল প্ৰধান।

প্ৰয়োজনীয় আধুনিক সকলো আহিলা পাতিৰে শিল্পী আৰু দৰ্শক দুয়ো শ্ৰেণীৰে সা-সুবিধা থকা এটা নাটঘৰ সজাৰ কথা তেতিয়া মনলৈ খুব ঘনাই আহিছিল।

অসম সঙ্গীত নাটক একাডেমী প্ৰতিষ্ঠিত হোৱাৰ পিছত ময়ো সেই অনুষ্ঠানৰ লগত জড়িত হৈছিলো আৰু মোৰ মনত থকা সেই নাটঘৰটো কেনেকৈ এই একাডেমীৰ জৰিয়তে পাতিব পাৰি তাৰ বাবে চিন্তা আৰু চেষ্টা কৰিছিলো। কিছুদূৰ যদিও আগবাঢ়িছিলো তথাপিও কিছুমান প্ৰতিকূল অৱস্থাৰ কাৰণে এই নাটঘৰ হৈ নুঠিল। এই চেষ্টাৰ আৰম্ভণি হয় ১৯৫৫ চনৰ পৰা। "জাতীয় নাট্যশালা" নামটো মই ভাল পোৱা নাছিলো। কাৰণ জাতীয় পতাকা এখন, জাতীয় সঙ্গীত এটা। ভাৰতীয় সংস্কৃতি যদি এটা শতদল হয়, আমাৰ অসমীয়া সংস্কৃতিও তাৰে এটা পাহি। নিজৰ এটা সুকীয়া অস্তিত্ব আৰু বৈশিষ্ট্যও আছে আৰু আমাৰ এটা সামূহিক জাতীয় জীৱনো আছে। কিন্তু আপুনি লিখাৰ দৰেই অসমীয়া নাট্যকলাৰ অতীত ঐতিহ্য এনে গৌৰৱমণ্ডিত যে তাৰ লগত ভাৰতৰ খুব কম প্ৰান্তীয় নাট্যকলাইহে ফেৰ মাৰিব পাৰে। "গতিকে আমাৰ নাট্যকলাক বৰ্তমানৰ পৰিস্থিতিত জাতীয়" বুলি কোৱাত কৈ "প্ৰান্তীয়" বুলি কোৱাহে উচিত হব যেন ভাবো। দ্বিতীয় কাৰণ "নাট্যশালা" শব্দটোও মোৰ বৰ প্ৰিয় নহয়। এই নাট্যশালা শব্দটোৰ লগত তলৰ শব্দবোৰ জড়িত আছে যেন লাগে। ...... শব্দবোৰ যেনে পোতাশাল বন্দীশাল, ঘোঁৰাশাল হাতীশাল, কুঁহিয়াৰ শাল, তাঁতশাল ইত্যাদি। তাৰ পিছতেই ইচাম শব্দ হ'ল পাঠশালা গোশালা অতিথিশালা ইত্যাদি। ........ সঙ্গীত নাটক একাডেমীয়ে জাতীয় নাট্যশালা বা জাতীয় নাটঘৰ প্ৰতিষ্ঠা কৰা সম্বন্ধে সিদ্ধান্ত কৰিলে তেতিয়া আমি "Assam National Theatre" নামটো সলাই "Assam Central Theatre" বা "অসম নাট্য কেন্দ্ৰ" নামটো দিলো। ........"

ফুকন ডাঙৰীয়াৰ অসম চেণ্ট্ৰাল থিয়েটাৰ হৈ নুঠিল। তাৰ বাবে কোন দায়ী কোৱা টান। হ'ব নোৱৰা বা পাব নোৱৰা বস্তু বিচৰাহে তাৰ বাবে হয়তো দায়ী। লগতে তেখেতৰ ভগ্নস্বাস্থ্য আৰু "বিক্ষিপ্ত" জীৱনেও তেখেতৰ এই কথাত বিধি পথালি দিলে।

নগাঁৱত প্ৰতিবছৰে আগষ্ট মাহৰ শেষত তেখেতৰ মৃত্যু বাৰ্ষিকী পালন কৰা হয়। কিন্তু এটা কথা, ফুকনদেৱে নিজে আৰু নগাঁৱৰ নাট্যসমাজেও ফুকনক গোটেই অসমৰ গাঁৱে ভূঞে জনাজাত কৰিব নোৱাৰিলে। যিদৰে মানুহে ৰাভা ডাঙৰীয়া নাইবা ফণী শৰ্মা ডাঙৰীয়াক জানে সেই দৰে চন্দ্ৰ ফুকনক নাজানে।

চন্দ্ৰ ফুকন ডাঙৰীয়া আৰু ডাঙৰ ঠাইত মানে কলিকতা, বোম্বে নাইবা দিল্লীত থকা হলে বহুত সফলতা লাভ কৰিব পাৰিলেহেঁতেন। নাটকৰ জ্ঞান আৰু ভাৱৰীয়া হিচাপে তেখেত কোনো পধ্যে ছবি বিশ্বাস, অহীন্দ্ৰ চৌধুৰী, পৃথ্বিৰাজ কাপুৰতকৈ কম নাছিল। কৰ্মস্থান আৰু সা-সুবিধা দুয়োটাই জীৱনত বৰ আৱশ্যকীয় বস্তু। স্বৰ্গীয় ফুকনদেৱৰ নামত ক'তো এটা পথ নাইবা এখন পাৰ্কো নাই।

নাট শিল্প বাদ দিলে ফুকনদেৱ আমাৰ দৰেই এজন সাধাৰণ মানুহ আছিল। ~~স্বৰ্গীয়~~-ফুকন ডাঙৰীয়াৰ লগত মোৰ প্ৰথম দেখা হয় তেখেতৰ বিয়াত। মই তেতিয়া আজিকালিৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ কলিকতাৰ ৰিপন কলেজত। তেখেতে মোৰ বাইদেউক বিয়া কৰাইছিল। এই সূত্ৰতে তেখেতৰ লগত পিছৰ জীৱনত লগ পাবলৈ আৰু মিলামিচা কৰিবলৈ বহুত সুযোগ হৈছিল। কলেজৰ বন্ধ পালে আৰু সুবিধা হলে প্ৰায়ে কেইদিনমানৰ বাবে কুঠৰীলৈ গৈছিলো। তাৰ কুঠৰী চাহ-বাগানৰ মেনেজাৰ আৰু চুপাৰিণটেণ্ডেণ্ট আছিল ককাইদেউ স্বৰ্গীয় জীৱকান্ত গগৈ। তেখেত দুয়ো বন্ধু আছিল।

কুঠৰীলৈ বহুতবাৰ গৈছো। প্ৰত্যেকবাৰে বেলেগ বেলেগ অভিজ্ঞতা। কেতিয়াবা চিকাৰৰ কেতিয়াবা জন্তু-জানোৱাৰ দেখাৰ, পহু মাংস খোৱাৰ। ওচৰৰে নৈ এখনত ডাঙৰ ডাঙৰ অসংখ্য চিতলমাছ দেখা, বনৰীয়া হাতীৰ আগত পৰা, ৰাতি ৰাস্তাত ডাঙৰ ঢেকীয়াপতীয়া বাঘৰ মুখত পৰা।

এদিন দুপৰীয়া মই তাত অকলে বহি আছো, হঠাতে এটা ফোঁচফোঁচ শব্দ শুনিলো, পিছলৈ চাই দেখো এটা বিৰাট অজগৰ সাপ। মই ভয়তে চিঞৰ মাৰি জঁপিয়াই উঠিলো। সাপ সাপ বুলি চিঞৰাত ৱেলচনকে আদি কৰি কেইবাটাও তেখেতৰ ঘৰত থকা ল'ৰা ওলাই আহিল। "মাৰ" বুলি ক'বহে পালো লাখুটিৰ কোবত সাপ ঠাইতে শেষ। ফুকন ভিনিহিদেউ অলপ দূৰৰ কোঠা এটাত আছিল। তেওঁ আহি পায় মানে মাৰৰ কোবত সাপ প্ৰায় মৰিলেই। "সাপটো কিয় মাৰিলা। দূৰৰ হাবিত নি এৰি দিব পাৰিলোহেঁতেন।" তেখেতে মনত বৰ দুঃখ পালে। আমি অৱশ্যে ভয়তে সাপটো মাৰিলো। অন্য কথা ভাবিবলৈকে নহ'ল। এইটো ১৯৪৯ চনৰ ঘটনা। বনৰীয়া জীৱ-জন্তুৰ প্ৰতি তেখেতৰ বেছ মৰম আছিল। অৱশ্যে তেখেতে পহুৰ মাংস খাইছিল আৰু এসময়ত চিকাৰো কৰিছিল।

তেখেতে মানুহৰ লগ বৰ ভাল পাইছিল। নিজৰ মনৰ লগত মিলা মানুহ পালেতো ভালেই কিন্তু সৰু-ডাঙৰ, স্ত্ৰী-পুৰুষ সকলোৰে লগত ভালদৰে মিলিব পাৰিছিল, ওচৰৰে পাহাৰ আৰু গাঁৱৰ কাৰ্বি মানুহৰ লগত তেখেতৰ বৰ ভাল সম্বন্ধ আছিল। সেই দৰেই ওচৰৰ মাছমৰীয়া বঙলা ভাষী মুছলমান মানুহ আৰু খুটিৰ নেপালী মানুহৰ লগত। এসময়ত কুঠৰীত অপাৰ খোৱা বস্তু পাইছিল। ডাঙৰ ডাঙৰ মাছ যেনে ৰৌ, চিতল, বৰালি, আৰি। অতি ডাঠ দৈ গাখীৰ, বনৰীয়া কুকুৰা দৰিক চৰাই, হাইঠা পৰ্ঘুমা ইত্যাদি। পহু বনৰীয়া গাহৰিৰ কথা বাদেই দিলো। ফুকনদেৱে খাবলৈ মানে ভাল বস্তু খাবলৈ বৰ ভাল পাইছিল। বৰ বেছি নাখাইছিল কিন্তু যিয়েই নাখাওক ভালকৈ ৰন্ধা বস্তু ভাল পাইছিল।

তেখেতৰ "ন খোৱা" এটা বৰ ডাঙৰ বস্তু আছিল। যাৰ নিজৰ খেতি আছে তেওঁলোকেহে "ন" খায়। ফুকন ডাঙৰীয়াৰ ঘৰত নখোৱা খাবলৈ বহুত দূৰৰ বন্ধু-বান্ধৱো আহিছিল। দুই এবাৰ ময়ো খাইছিলো। মাটি মাহৰ লগত ৰাঘ বৰালিৰ আঞ্জা মই তাতেই প্ৰথম খাইছো। নগাঁৱৰ পৰা মানুহ প্ৰায়েই গৈছিল। অপাৰ খোৱা বস্তুৰ যোগাৰ হয়। আজিকালি



সেইবোৰ কথা ভাবিবই নোৱাৰি। ফুকন ডাঙৰীয়া আচলতে বৰ খৰচি মানুহ আছিল। তেখেতে এদিন মোক কৈছিল – "পইছা ঘটা বৰ টান কাম নহয় বুজিছা। পইছা ৰখাটোহে টান কাম।" পিছৰটো তেখেতে নোৱাৰিছিল। নখোৱা সাধাৰণতে তেখেতৰ তাত সন্ধিয়াই হৈছিল। এবাৰ এনে নখোৱাত এগাল কাৰ্বি ল'ৰা "প্ৰচেচন" কৰি তেখেতৰ ঘৰৰ ফালে আহিছে। দিনৰ দুইমান বজাতে। এইজাক ল'ৰা কলৈ আহিছে বুলি সোধাত তেখেতে মিচিকি হাঁহি এটা মাৰি ক'লে "নখোৱালৈকে আহিছে।" কেনেবাকৈ পলম হয় বুলি ইহঁত কেইটা বেলা থাকোতেই ওলাইছেহি। তেখেতৰ খৰচৰ হিচাপ নাছিল।

তেখেতৰ আলপৈচান ধৰিবলৈ কেইবাটাও ল'ৰা সদায় আছিল। তেখেতৰ মৃত্যুৰ পিছত হিচাপ কৰি এনেধৰণৰ মানুহ আমি ২২টা পাইছিলো। এই নিযুক্তিবোৰ জাতি ধৰ্ম নিৰ্বিশেষে হৈছিল। তাৰে কেইটা মানৰ নাম মোৰ এতিয়াও মনত আছে। এটা হ'ল ইদ্ৰিশ। বয়স ১৩/১৪ বছৰ। সি আছিল ট্ৰেজাৰাৰ অৰ্থাৎ কোষাধ্যক্ষ। ফুকনদেৱে অতি সঘনাই তাক মাতি আনি তাৰ হিচাপ লয়। মই এদিন সুধিলো "তাক যে ট্ৰেজাৰাৰ পাতিছে সিনো কিমান টকাৰ লেনদেন কৰিব পাৰে?"

তেখেতে ক'লে – "তিনি টকা। কিন্তু তাতে সি দুই এপইছা চুৰি কৰি তামোল খাই দিয়ে নহয়। গতিকে তাক অলপ টানকৈ চলাব লগা হয়!" এই ধৰণৰ সৰু-সুৰা ধেমালি কৰি তেখেতে বৰ আনন্দ পাইছিল। ফুকন ডাঙৰীয়াই অলপ অচৰপ সুৰাপান কৰি ভাল পাইছিল বুলি সকলোৱেই জানে। তেখেতৰ এই বিষয়ত যি সহায়কাৰী – মানে ইংৰাজীত যাক বাট্‌লাৰ বুলিব পাৰি – তাৰ নাম আছিল ৰামলাল। ১৪/১৫ বছৰীয়া ওচৰৰে চাহ-বাগানৰ ওচৰৰ গাঁৱৰ ল'ৰা। ৰামলালে কামখিনি কৰিবলৈ শিকি লৈছিল। এদিন হঠাৎ ৰামলাল পলাল। তেখেতে তৎক্ষণাৎ তেখেতৰ ভতিজাক দীপক বন্দুকটো লৈ জীপখনত ৰামলালক ধৰি আনিবলৈ পঠালে। ক'ৰবাত দৌৰি পলায় বুলি দীপৰ লগত আৰু এটা সৰু ল'ৰা পঠালে তাক ধৰিবলৈ। ৰামলাল বেচেৰা নিজৰৰ ঘৰৰ চোতালত বহি আছিল। দীপে মিছাকৈ তাৰ গালৈ বন্দুকটো টোৱালে। "ঐ ৰামলাল। চাহাবে তোক নিবলৈ আমাক পঠাইছে। তই নাযাৱ যদি তোক মাৰি লৈ যাবলৈ কৈছে!" ৰামলালে আকৌ চাকৰিত যোগ দিলেগৈ! আৰু এটা আছিল বাবেক আলি। সি হাত ভৰি আঙুলি পিটিকি দিয়াত পকৈত। একো ক'বই নালাগে। হাতখন দাঙি দিলে বা ভৰিটো লৰাই দিলেই সি ততালিকে কামত লাগি যায়। ফুকন ডাঙৰীয়াৰ মৃত্যুৰ পিছত বাবেকে কিছুদিনলৈ নোকোৱাকৈ আমাৰে আঙুলি-পিটিকি দিছিল। সদায় কৰি কৰি অভ্যাস। এনেকুৱা কথা এটা চাৰ্লি চেপলীনৰ "মচিয়ে ভাৰ্দো" নামৰ ছবিখনত দেখিছিলো। এজন অভিনেতাই ফেক্টৰীত নট্ পকাই অভ্যাসৰ ফলত বাহিৰতো হাতখন ঘূৰাই ঘূৰাই যায়। সেই "নট্" পকোৱাৰ দৰে। জেৰেকাৰ কথা নিলিখিলে এই লিখাই অসম্পূৰ্ণ হৈ থাকিব। জেৰেকা ফুকন ডাঙৰীয়াই পুৰণা পাঁচনি আৰু লগ। জেৰেকা কেতিয়া কামত সোমালে নাজানো। তাৰ নিজৰো মনত নাই। কিন্তু প্ৰায় গোটেই জীৱনটো এইখন ঘৰতেই কটালে। ফুকন ডাঙৰীয়াৰ জেৰেকাৰ বিয়া পাতি দিছিল। জেৰেকা বৰ চোকা নাইবা টেঙৰ মানুহ নাছিল। মই জনাত দৰ্মহা আদি লোৱাতো তাৰ আপত্তি আছিল। নিজৰ যি দৰকাৰ পায়েই থাকে। জেৰেকাৰ দাম্পত্য জীৱন বহুত দিন নিটিকিল বুলি মই জানো। মোক জেৰেকাই মোমাইদেউ বুলি মাতিছিল আৰু গলেই নিজে প্ৰায়ে ৰান্ধি বাঢ়ি খুৱাইছিল। ফুকন ডাঙৰীয়াই অকল জেৰেকাকে নহয় আন ল'ৰাবোৰকো বৰ মৰম কৰিছিল। ইহঁতক সকলোৰে সম্বন্ধেও খুহতীয়া গল্প কৈছিল।

ফুকন ডাঙৰীয়াই এখন ডাঙৰ ধুনীয়া মাটি কঠালৰ বাগান কৰিছিল। তাৰ মাটি কঠালবোৰ ডাঙৰ আৰু সোৱাদ আছিল। মাটি কঠালৰ ৰস উলিয়াই আৰু কাটি টুকুৰাকৈ টিনত ভৰাবলৈ তেখেতে এটা ফেক্টৰী কৰিছিল। নাম আছিল গ্ৰীণ ভিউ প্ৰডাক্টচ্"। বহুত উৎসাহ উদ্দীপনা আৰু কষ্টেৰে কৰিছিল যদিও তেখেতৰ এই ব্যৱসায়টো নচলিল। ভালেমান লোকচানো হ'ল। কিন্তু বস্তুবোৰ বৰ ভাল আছিল। ইয়াৰ পৰা বিদেশলৈ বিশেষকৈ লণ্ডন, মস্কোলৈ কিছু চালানিও হৈছিল। কিন্তু ব্যৱসায় ফুকন ডাঙৰীয়াৰ কাৰণে নহয়, তেখেত শিল্পী মানুহ। বেপাৰ বেলেগ বস্তু।

ঠিক আনাৰসৰ বাগানৰ দৰে তেখেতে "ফিচাৰি"ও কৰিছিল আৰু নানা ধৰণৰ মাছ খেতি কৰিছিল। পাহাৰৰ মাজে মাজে ভেটা দি এই পুখুৰীবোৰ কৰা। হ্ৰদ যেনহে লাগিছিল দুই এটা। ডাঙৰ ডাঙৰ এই পুখুৰীবোৰৰ সৌন্দৰ্যও কম নাছিল। তাত নাও চলোৱাৰো বন্দৱস্ত আছিল। কিন্তু আনাৰসৰ বাগান ফেক্টৰীৰ দৰে এই মাছৰ ব্যৱসায়তো ফুকন ডাঙৰীয়াৰ লাভ নহ'ল। এতিয়া সেইবোৰৰ বিশেষ চিনচাব নাই।

ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ পাৰত মথাউৰি বনাওঁতে ফুকনদেৱে তাত অন্য এজনৰ লগ লাগি ঠিকা লৈছিল। বহুত টকাৰ কাৰবাৰ। দ্বিতীয় মহাযুদ্ধৰ সময়তো তেখেতে ঠিকাৰ কাম কৰি বহুত টকা অৰ্জন কৰিছিল। সেই টকাও তেখেতে ৰাখিব নোৱাৰিলে। বিলায়েই বহুত শেষ হ'ল। শুনিছো আন বহুতে তেখেতৰ পৰা উপকৃত হ'ল। কিন্তু নিজৰ অৱস্থা টনকিয়াল হৈ নাথাকিল।

তেখেত বৰ উদাৰ মনৰ মানুহ আছিল। তেখেতৰ বন্ধু-প্ৰীতিও লেখত লবলগীয়া। এবাৰ তেখেতৰে এখন নতুন গাড়ী এজন বন্ধুৱে চলাই আহোতে নংপোৰ ওচৰতে কিবা বিজুতি লাগি জ্বলি গ'ল। শুনিছো খবৰটো পাই তেখেতে গাড়ীখনৰ কথা একোকে নুসুধিলে। কেৱল বন্ধু জনৰহে "কি হ'ল", "কেনে আছে" এইবোৰ খবৰ লৈছিল। গাড়ী জ্বলি একেবাৰে শেষ হ'ল।

ফুকন ডাঙৰীয়াই খুহুতীয়া কথাকৈ আৰু ধেমালি কৰি বৰ ভাল পাইছিল। ডিব্ৰুগড়ত ঠিকা কৰোতে মৰাণত আমাৰ ঘৰত থাকিব লৈছিল। সদায় ৰাতিপুৱা গৈ গধূলি ঘূৰি আহে। মোৰ দেউতা তেতিয়া জীয়াই আছিল। ৰাতিপুৱা ডিবুৰুলৈ ওলাই মোৰ ভনী পুতুলক সদায় কয় "বজাৰ কৰা মোনাটো দিয়াচোন"। সদায় গধূলি ডিবুৰুৰ পৰা ঘূৰি আহোতে কেৱল আলু এসেৰহে আনে। কিন্তু সন্ধিয়া সদায় মুৰ্গী খাবলৈ লাগে। এইদৰে ভালেকেইদিন যোৱাৰ পাছত এদিন ৰাতিপুৱা বজাৰ কৰা মোনাটো খোজোতে পৰ্টিকত বহি থকা দেউতাই কলে– হেৰা তুমি আৰু মোনাটো নিব নালাগে। মোৰ গৰালৰ কুকুৰা তেনেই শেষ হ'ল!" মোৰ দেউতা বৰ ধেমেলীয়া মানুহ আছিল। ভিনিহিদেউ ফুকনে এই কথাটো বহুত দিনলৈকে বহুতক কৈছিল – বিশেষকৈ দেউতাৰ মৃত্যুৰ পাছত। তেওঁলোক দুয়ো ইজনে সিজনক বৰ ভাল পাইছিল। তেখেতৰ বন্ধুত্ব থকা আন এজন মানুহ হ'ল বায়ন। এবাৰ চিকাৰলৈ অন্যৰ লগতে বায়ন ডাঙৰীয়াও গৈছিল। হঠাতে বনৰীয়া ম'হ এজাক ওলাল। বায়নে ম'হজাক দেখি একেকোবে গছত উঠিলগৈ। ফুকনে মন্তব্য কৰিলে "বায়নৰ ইমান ভয়নে? ভাওনাত দেখোন সদায় ভীমৰ ভাও লৈ গদা ঘূৰাই থাকে!"

ফুকন ডাঙৰীয়াৰ বন্ধুত্ব ইয়াতেই আৱদ্ধ নাছিল। তেখেতৰ বন্ধু-বান্ধৱ সমাজৰ সকলো স্তৰতেই সিঁচৰতি আছিল।

তেখেতে সক্ৰিয় ৰাজনীতি কৰাৰ কথা নাজানো, কিন্তু তেখেত ছচিয়েলিষ্ট পাৰ্টিৰ লগত জড়িত আছিল। সেই কাৰণে ডঃ ৰামমনোহৰ লোহিয়া অৰুণা আশ্ৰফ আলীৰ লগতো তেখেতৰ চিনাকি আৰু বন্ধুত্ব আছিল।

জয়প্ৰকাশ নাৰায়ণৰ দৰে মানুহেও ফুকনক ভাল পাইছিল আৰু তেখেতৰ কুঠৰীৰ বাসভৱনলৈ আহিছিল। ফুকন ডাঙৰীয়াও তেখেত সকলক যথেষ্ট আদৰ আৰু সন্মান কৰিছিল। ভালেমান বছৰৰ আগতে অসমৰ গৱৰ্ণৰ শ্ৰী বি কে নেহেৰু ডাঙৰীয়াও ফুকন ডাঙৰীয়াৰ কুঠৰীৰ বাসভৱনলৈ ফুৰিবলৈ আহিছিল। তেখেতৰ আনাৰস বাগান, ফিচাৰী ফেক্টৰী আদি সকলো চাইছিল। তেখেতে ফুকনৰ মাছৰ খেতি কৰা "লেকত" নাৱতো

উঠিছিল। ফুকনৰ প্ৰতি কথা মৰম চেনেহ আৰু ভাল মনোভাব তেখেতে ফুকনলৈ দিয়া চিঠিত লিখিছিল।

১৯৪৫ চনত পণ্ডিত জৱহৰলাল নেহৰুৰ লগত চিনাকি হোৱাৰ সুবিধা ফুকনদেৱৰ হৈছিল। কম সময়ৰ ভিতৰতে পণ্ডিতজীয়ে তেখেতক ভাল পাইছিল। ফুকনদেৱে নিজৰ গাড়ীতে পণ্ডিতজীক জাগীৰোডৰ পৰা নগাঁৱলৈ লৈ গৈছিল। তাৰ পাছত উজনি অসমৰ পৰা ঘূৰি যাওঁতে ফুকনে আকৌ পণ্ডিতজীক বাগৰিৰ পৰা নগাঁৱলৈ নিজৰ গাড়ীত নিজে গাড়ী চলাই লৈ গৈছিল। কেইবছৰমানৰ পিছত পণ্ডিতজী প্ৰধান মন্ত্ৰী হিচাপে গাড়ীৰে উজনি অসমলৈ যাওঁতে ফুকন ডাঙৰীয়া লগত শ্ৰীচন্দ্ৰ মহন্ত, স্বৰ্গীয় মোহনলাল চুতদীয়া কুঠৰীৰ ৰাস্তাৰ দাঁতিত ৰৈ আছিল। ফুকনক দেখি পণ্ডিতজীয়ে হঠাতে গাড়ীখন ৰাখিলে আৰু নামি আহি ফুকন দেৱক মাত লগালেহি আৰু তেখেতৰ খা-খবৰ ল'লে। এইখিনি কথা মই শ্ৰীচন্দ্ৰ মহন্ত ডাঙৰীয়াৰ পৰা শুনা।

ফুকন ডাঙৰীয়াৰ এটা কথা মোৰ এতিয়াও ভালদৰে মনত আছে। কথাটো প্ৰায়ে মনলৈ আহে। ১৯৬২ চনত চীনৰ লগত যুদ্ধৰ সময়ত চীনা সৈন্য যেতিয়া আমাৰ দেশত সোমাই আহিল সেই কেইটা দিন অসমত আৰু অন্য উত্তৰ-পূব সীমান্তৰ ৰাজ্যকেইখনত বৰ উত্তেজনাপূৰ্ণ আছিল। এইখিনিৰ মানুহে দ্বিতীয় মহাসমৰত সৈন্য সামন্ত দেখিছে। কহিমা ইম্ফলৰ ৰাইজে যুদ্ধও দেখিছিল। মই তেতিয়া মোৰ ASK 2567 পুৰণা ফিয়াট গাড়ীখনত গুৱাহাটীৰ পৰা মৰাণৰ ঘৰলৈ গৈছো ঘৰত সকলোৰে খা-খবৰ লবলৈ। আৰু কি কৰিব লাগিব দেউতাৰ লগত কথা পাতিবলৈ। বাটত কুঠৰীত সোমালো। মই গোটেই ৰাস্তাত দেখি যোৱা শাৰীয়ে শাৰীয়ে নানা গাড়ী বাকচ বিছনা পত্ৰলৈ সকলো অসমৰ বাহিৰৰ মানুহ ইয়াত কাম বা ব্যৱসায় কৰিবলৈ অহা – এতিয়া ভয়ত অসম এৰি নিজৰ ঠাইলৈ দৌৰ। ফুকন ডাঙৰীয়াই নিজৰ ঘৰৰ পৰা দেখি আছে। মই কলো "উজনিলৈ যোৱা চোন, মোৰ পিছত আগত কোনো নাই। সকলো পশ্চিমলৈ গৈ আছে।"

"যাবলৈ দিয়া, সেইবোৰ কথা নাভাবিবা। যুদ্ধখন আমাৰ ঘৰলৈ আহিছে আমি তাক আদৰিব লাগে। অসমীয়া জাতিটো কিয় ইমান নিশকটীয়া হ'ল জানো? আজিলৈকে এটা দুৰ্ভিক্ষ দেখা নাই। এখন যুদ্ধ দেখা নাই। জীৱনত কষ্ট ভোগ কৰি পোৱা নাই। গতিকে চীনা আহিছে আহিবলৈ দিয়া। ভয় কৰিম কিয়? মাৰিলে মৰিম কিন্তু জাতিটোতো শেষ হৈ নাযায়। কোনোবা জীয়াই থাকিব। আমাৰ এটা ডাঙৰ অভিজ্ঞতা আৰু শিক্ষা হ'ব। যি পলাইছে পলাওক। সিহঁত সকলো ঠাইৰ পৰা সদায় পলাই আহিছে।"

সকলো স্তৰৰ মানুহৰ লগত সমানে মিলিব পৰা শক্তি বা ইচ্ছা সকলোৰে নাথাকে, কিন্তু ফুকনৰ এই গুণটো আছিল।

কুঠৰীৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে তেখেতৰ সদায় চেষ্টা আছিল। কুঠৰীৰ হাইস্কুল, বাছ ষ্টেচন, নামঘৰ, কুষ্ঠৰোগীৰ আশ্ৰম সকলোতে তেখেতৰ বৰঙণি আছে।

কোচবিহাৰৰ কলেজৰ পৰা বি এ পাছ কৰি আহি চৰকাৰী চাকৰি কৰিবলৈ অমান্তি হৈ তেখেত কুঠৰীলৈ আহিল মৌজাদাৰ হৈ। জীৱনত এটা কঠিন সিদ্ধান্ত অন্ততঃ সেই সময়ত কিয় কেনেকৈ ললে ক'ব নোৱাৰো। যদি কুঠৰীৰ নিচিনা ঠাইৰ উন্নতি কৰাই মূল উদ্দেশ্য আছিল কুঠৰীৰ আৰু উন্নতি হোৱা উচিত আছিল। নিজে এক অকলশৰীয়া জীৱন যাপন কৰাৰো ইচ্ছা আছিল নাজানো। হয়তো বহুতেই নাজানে যে শ্ৰীভূপেন হাজৰিকা ডাঙৰীয়াৰো কুঠৰীত এটা ঘৰ আছে ফুকন ডাঙৰীয়াৰ ঘৰৰ অলপ নিলগতে। ফুকনদেৱে হাজৰিকা ডাঙৰীয়াক ভাল পাইছিল। তেখেতে কোৱা কথা – এদিন নগাওঁ নাট্যমন্দিৰত কিবা এটা সাংস্কৃতিক অনুষ্ঠানৰ পাছত তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা চলিহাই ফুকনক নগাঁৱৰ পৰা কুঠৰীলৈ তেখেতৰ গাড়ীত আনিছিল। হঠাতে চলিহা ডাঙৰীয়াই বোলে সুধিছিল "ভূপেন হাজৰিকাই মোক কিয় বেয়া পায়?" ফুকনে উত্তৰ দিলে "ভূপেনে গান গাই বা গান ৰচনা কৰি আছে নে নাই আজিকালি?" "আছে" – চলিহাই উত্তৰ দিলে। ফুকনে ক'লে "তেন্তে ভূপেন হাজৰিকাৰ অন্যান্য কথালৈ একো কাণ নিদিব। আপোনাক ভাল পায় নাপায় সেইবোৰো মনলৈ নানিব।" চলিহা মনে মনে থাকিল।

ফুকন ডাঙৰীয়াই কুঠৰীৰ কাৰ্বি মানুহখিনিক বৰ ভাল পাইছিল। তেখেতে তেখেতৰ ঘৰতে কাৰ্বি ল'ৰা কিছুমান ৰাখি স্কুলত পঢ়াইছিল। তাতে ক্ষান্ত নহৈ তেখেতৰ ঘনিষ্ঠ বন্ধু আত্মীয়ৰ ঘৰতো এইদৰে কাৰ্বি ল'ৰাৰ বন্দৱস্ত কৰি দিছিল। আমাৰ মৰাণৰ ঘৰতে আজি ৩০/৩২ বছৰে এটা দুটাকৈ ভালেমান কাৰ্বি ল'ৰাই মৰাণৰ স্কুলত মেট্ৰিক নাইবা মেট্ৰিকৰ ওচৰাওচৰিলৈকে পঢ়িছিল। এতিয়া তেওঁলোকৰ ভালেকেইজনে ডাঙৰ হৈ বেলেগ বেলেগ ঠাইত চাকৰি কৰি আছে। এইবোৰৰ ভিতৰত ৰণজিৎ, ভীমসিং, ৱেলচন লংবি আদি উল্লেখযোগ্য। ইহঁতক তেনেই সৰুৰে পৰা জানো।

কুঠৰীৰ ঘৰৰ আগফালৰ বাৰান্দাৰ এটা চুকত টেবুল চকী লৈ বহি থকা দৃশ্যটো এতিয়াও ভাহি আছে। তেখেতে তাতে পঢ়াশুনা লিখা বেছি ভাগ কৰিছিল আৰু গধূলি হলে অলপ সুৰাপান।

ফুকন ডাঙৰীয়া এজন কবিও আছিল। তেখেতৰ কবিতা কিতাপ আকাৰে প্ৰকাশো পাইছে। তেখেত এক উচ্চস্তৰৰ কবি আছিল বুলিয়েই আমি জানো। প্ৰকাশ নোহোৱাকৈ তেখেতৰ কবিতা বা লিখা কিছু থাকি গ'ল।

ফুকন ডাঙৰীয়াই "পাৰঘাট" আৰু "বিপ্লৱী" দুখন ছবিত অভিনয় কৰিছিল মূল অভিনেতা হিচাপে। কিন্তু থিয়েটাৰৰ দৰে চিনেমাত তেখেতে কেমেৰাৰ আগত বৰ ভাল অভিনয় কৰা নাছিল বুলি মই ভাবো। পিয়লি ফুকন নাটকত মূল ভাৱত তেখেতৰ ভাও অতি অপূৰ্ব আছিল বুলি সকলোৱে ভাবিছিল। আৰু আচলতে হয়ো। অন্যান্য নাটকৰ ভাৱতো তেখেতৰ পাৰদৰ্শিতা একেই।

"বিপ্লৱী"ৰ চুটিং হৈছিল কলিকতা ৰাধা ফিল্মচ ষ্টুডিঅ'ত। এদিন চুটিং চাবলৈ ময়ো গৈছিলো। গোটেই দিনটো থাকি চেট সলাই মেলি সেইদিনা মাত্ৰ ১৩ মিনিট চুটিং হৈছিল। সেইখন বিখ্যাত পৰিচালক অসিত সেনৰ প্ৰথম ছবি। তেখেতো নগাঁৱৰে। এদিন কৈ মেলি ময়ো এটা দৃশ্যত ওলালো। পিছত আচল ছবিত দেখো মই এক'চকেণ্ডমানহে আছো। ভাগ্যক্ৰমে ফুকনদেৱে মোৰ কান্ধত হাত দি গ'ল কোঠাটোত সোমাওঁতে। সেই এটা পাৰ্টিৰ দৃশ্য আছিল। নহলে মই নিজেই নিজকে মনিব নোৱাৰিলোহেঁতেন। চিনেমাত মই দ্বিতীয়বাৰ ওলাবৰ সুবিধা কৰিব পৰা নাই।

গুৱাহাটীত ১৯৮৩ চনত বিপ্লৱী চিনেমাখন আকৌ হলত দেখুৱাইছিল। মোৰ লগত কাম কৰা কনিষ্ঠ ডাক্তৰ কেইজনমানকে কলো চিনেমাখন চোৱাৰ কথা। সিহঁতো অতি দুষ্ট। টিকট কিনি দিলে চাব পাৰিম বুলি ক'লে। টিকটতো কিনিলোৱেই হলৰ ভিতৰত চিনা বাদাম গন্ডস্পট্ চিনা বাদাম ভজা আদি দিব লগা হ'ল। অতি দুঃখৰ বিষয় হ'ল কোনেও মোক ছবিৰ পৰ্দাত নেদেখিলে। মই তেতিয়া বৰ ক্ষীণ আছিলো। পৃথিৱীত কোনো বোল ছবিৰ 'অভিনেতা (!)"ৰ এনে অৱস্থা হৈছে বুলি মই নেভাবো।

জীৱনৰ শেষৰ ফালে ফুকন ডাঙৰীয়াৰ আৰ্থিক অৱস্থা বিশেষ ভাল নাছিল। তেখেতৰ ফ'ৰ্ড গাড়ী এখন আছিল। সেইখন আৰু মেৰামতি কৰা নহ'ল। কিন্তু গাড়ীখন বেচি নিদি তেখেতে এখন চাং বনাই তাত গাড়ীখন তুলি থৈছিল।

ফুকন ডাঙৰীয়াই এখন আত্মজীৱনী লিখিব লাগিছিল। কিন্তু এই দিঠকত সপোন দেখা মানুহৰ সেইবোৰ কাম কৰিবলৈ সময় ক'ত? নিজেই নিজৰ জীৱনটো এঠাইত "বিক্ষিপ্ত ধাৰাৰ" বুলি কৈছে। তাৰ বাবে তেখেতে নিজেই ভালেখিনি দায়ী।

মই প্ৰায়েই তেখেতক স্বাস্থ্যৰ যত্ন লবলৈ কৈছিলো। তাৰ বাবে তেখেতে মোক বেয়াই পাইছিল। এদিন মোক কৈছিল – "মোৰ সমস্যা আৰু কিমান দিন জীয়াই থাকো সেইটো নহয়। মোৰ সমস্যা হ'ল মই আৰু যিকেইটাদিন জীয়াই থাকো কিমান ভালকৈ জীয়াই থাকো!" তেখেতৰ লগত তৰ্ক কৰি লাভ নাই।

এবাৰ তেখেত হৃদৰোগত আক্ৰান্ত হয়। নগাঁৱৰ বন্ধু-বান্ধৱ ডঃ মনিশ ভূঞাৰ সহায়ত গুৱাহাটী মেডিকেল কলেজলৈ অনা হ'ল। ভাল হৈ তাৰ পাছত আগৰ সেই অনিয়মিত জীৱন। এবাৰ তেখেতক চাবৰ বাবে বন্ধু স্বৰ্গীয়া ডাঃ ইৰে চেমাচ লিংদোক লৈ গৈছিলো কুঠৰীলৈ। লিংদোক তেখেতে বৰ ভাল পাইছিল। লগত মই আৰু সাহিত্যিক শ্ৰীহোমেন বৰগোহাঞি ডাঙৰীয়া। মই সোনকালে শুই থাকিলো। লিংদোই ডাক্তৰ হিচাপে যিয়েই উপদেশ নিদিয়ক লাগে তিনিও ৰাতি বহুত দেৰিলৈকে কথা পাতি থাকিল। ফুকন ডাঙৰীয়াৰ সাহিত্য, নাটক, চিনেমা আৰু প্ৰায় সকলো বিষয়তে ৰস সৃষ্টি কৰি কথা ক'ব পৰা ক্ষমতাক বৰগোহাঞি ডাঙৰীয়াই বৰ শলাগ লৈছিল আৰু এতিয়াও লয়।

ফুকন ডাঙৰীয়াৰ বিয়াখন হেনো অতি আড়ম্বৰেৰে পতা হৈছিল। নগাঁৱৰ ৰাইজৰ পৰা শুনা কথা। বিয়াত দৈনিক কি হৈছিল সেইবোৰ লিখি এখন কাগজো ছপা হৈ ওলাইছিল বোলে। টকা-পইছাৰো সেই হিচাপে খৰচ। খোৱা-বোৱাৰ বিৰাট আয়োজন, খোৱা মানুহৰো সীমা সংখ্যা নাই।

তেখেতৰ স্ত্ৰী মোৰ বাইদেউ। সেইকাৰণেই তেওঁৰ সম্বন্ধে লিখাৰ মোৰ ইচ্ছা নাই। ফুকন ভিনিহিদেউ যিমান কথকী আছিল আমাৰ সৰু বাইদেউ সিমানেই অল্পভাষী। তেওঁৰ ভাল নাম প্ৰেমদা। ভিনিহিদেৱে তেওঁক আইদেউ বুলি মাতিছিল। কিয় মই নাজানো। শুনিছো তেখেতৰ মাকৰ নামো "সৰু" আছিল। বাইদেউৰ নামো সৰু। সেইটোৱেই কাৰণ নেকি নাজানো। মই সোধাও নাই কেতিয়াও। এদিন হেনো ফুকন ডাঙৰীয়াই ঘৰৰ খুঁটা এটাৰ ওচৰতে বহি অকলে কিবাকিবি কথা কৈ আছিল। বাইদেৱে কাৰ লগত কথা পাতিছে বুলি সোধাত উত্তৰত তেখেতে ক'লে "কথা পাতিবৰ লগ নাই। গতিকে খুঁটাটোৰ লগতে কথা পাতি আছো! কি কৰিম?"

মই বিলাতত পঢ়িবলৈ ওলাওঁতে তেখেতৰ ঘৰলৈ গৈছিলো। নানা কথাৰ ভিতৰত মোক কৈছিল "পঢ়াশুনা কৰিবা। কিন্তু শেষ কৰি মেম এজনী বিয়া কৰাই আনিবা। ঘৰতে মেম এজনী থাকিলে ভাল লাগিব!"

কাপোৰ কানি পিন্ধাত তেখেতৰ বৰ আড়ম্বৰ নাছিল বুলিয়েই মই ভাবো। পাঞ্জাবী-ধুতি, পায়জামা, লংপেন্ট-চাৰ্ট কেতিয়াবা টাই। কুঠৰীত হাফপেন্ট পিন্ধাও দেখিছো আনাৰস বাগানলৈ যাওঁতে। ডিঙি বন্ধ প্ৰিন্স কোট তেওঁৰ প্ৰিয় আছিল। বাহিৰৰ ফাংচনত পিন্ধা দেখিছো।

ফুকন ডাঙৰীয়াৰ কিতাপ পঢ়াত বৰ নিচা আছিল। ইংৰাজী সাহিত্যও যথেষ্ট পঢ়িছিল। তেখেতৰ ইংৰাজী ভাষা জ্ঞানো যথেষ্ট আছিল। ৰিদাৰ্চ ডাইজেষ্টখন তেওঁ নিয়মিত ভাবে পঢ়িছিল। বঙালী সাহিত্যও নপঢ়া নহয় বিশেষকৈ ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতা। গতিকেই বহুত কথা জানিছিল।

চিঠি লিখা এটা "আৰ্ট"। কম লিখাতে বহুত কথা সাধাৰণ মানুহে ক'ব নোৱাৰে। তাতে শুৱলা ভাষাৰ প্ৰয়োগ ধুনীয়া আখৰ, সহজ সৰল মনৰ কথা। মই তেখেতৰ চিঠিবোৰ পঢ়ি ভাল পাইছিলো। কিন্তু তেখেতে খুব কম চিঠি লিখিছিল।

তেখেতৰ বিষয়ে লিখিবলৈ বহুত কথাই মনত পৰিছে। বহুত কথাই নিশ্চয় বাদ পৰি যাব। দিল্লীৰ ত্ৰিপুৰা ভৱনত বহি মই এই প্ৰবন্ধটো লিখি আছো। এটা কামত ইয়ালৈ আহিছিলো।

ফুকনদেৱৰ স্বাস্থ্য লাহে লাহে বেয়া হৈছিল। তেখেতৰ আগন্তুক মৃত্যুৰ কথা তেখেতে গম পাইছিল। বহুত মানুহেই গম পায়। তেখেতে কিন্তু মৃত্যুৰ কেইদিনমান আগতে কৈছিল "মই ৬২ বছৰৰ জন্ম দিনতে মৰিম।" ঠিক সেইটোৱেই হ'ল। আৰু শুনিছিলো তেখেতে নিজৰ অন্ত্যেষ্টি ক্ৰিয়াৰ পুখুৰীৰ পাৰৰ গছৰ তলৰ ঠাইখিনি বাছি থৈ গৈছিল। আচৰিত লাগে ভাবিলে। কুঠৰীৰ মানুহৰ ভিৰহে বৰ আচৰিত ধৰণৰ। অসমীয়া, বঙালী, বিহাৰী, মাৰোৱাৰী কাৰ্বি নেপালী কাবুলীৱালা হিন্দু মুছলমান, মতা-মাইকী বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, ল'ৰা-ছোৱালী সকলো সমাজৰ মূধচৰ পৰা তললৈকে মন্ত্ৰী চৰকাৰী বিষয়া ডাক্তৰ উকিল ব্যৱসায়ী শিক্ষক সকলো স্তৰৰে মানুহ। কোনো ধৰণৰ মানুহেই বাকী নাই।

শৱযাত্ৰাত মই নিজেই মৃতদেহৰ ওচৰ চাপিব নোৱাৰিলো। ৰাতি ভোৰলৈ ভিনিহিদেউৰ জীৱনটো মই বিফল বুলিয়েই ভাবি আহিছিলো। মানুহজন "প্ৰেক্টিকেল" নহয়। সেই কাৰণেই জীৱনত একো কৰিব নোৱাৰিলো। কিন্তু তেখেতৰ মৃত্যুৰ পিছতহে গম পালো মোৰ ভবা কথাখিনি কিমান ভুল হৈছিল।

মৃত্যুৰ পিছত কুঠৰীত লোকে লোকাৰণ্য। কুঠৰী নগাওঁ ৰাস্তাত মৃতদেহ চাবলৈ আৰু ফুল প্ৰদান কৰিবলৈ মানুহৰ অসম্ভৱ ভিৰ কুঠৰীৰ মানুহৰ ভিৰহে বৰ আচৰিত ধৰণৰ। শৱযাত্ৰাৰ আটাইতকৈ আগত দুজনমান স্থানীয় বঙলা ভাষী মুছলমান মানুহ, কাৰ্বি মানুহ গাঁৱৰ অন্যান্য মানুহ চৰকাৰী চাকৰিয়াল নগাওঁ নাট্য সমাজৰ মানুহ বন্ধু-বান্ধৱ হাজাৰে হাজাৰে শোকাকুল মানুহৰ ভিৰ।

শ্ৰাদ্ধৰ যা-যোগাৰৰ কথা ওলাল। মাতকেই বা নামাতক মানুহ ছহেজাৰমান হ'ব বুলি গম পালো। চাহ জলপান ভোজ খুৱাওঁতে কমেও ৫০/৬০ হাজাৰ টকাৰ খৰচ। আমি অলপ চিন্তিত হৈছিলো এইকথাবোৰ আলোচনা কৰোতে। স্বৰ্গীয় ডাঃ পোৱাল দুৱৰাই মোক একাষত মাতি নি কলে "ই চন্দ্ৰ ফুকনৰহে শ্ৰাদ্ধ। তোমাৰ মোৰ শ্ৰাদ্ধ নহয়। সকলো ঠিক ভাবেই চলি যাব। একো চিন্তাই নকৰিবা।" তেখেতৰ কথাই সঁচা হ'ল। ক'ৰ পৰা কি বস্তু আহিলে কোনে কি যোগান দিলে কোনে কি কাম কৰিলে বুজিবৰ উপায় নাই। কোনোবাই দৈ, কোনোবাই মাছ, মিঠাই, শাক-পাচলি, চাউল, জলপান মাছ মাংস, গাখীৰ কেতিয়া কেনেকৈ যোগাৰ হ'ল ধৰিবই নোৱাৰিলো। মাছ মিঞা সকলে দিলে। গাখীৰ আহিল নেপালী খুটিৰ পৰা। কুঠৰীৰ ৰাইজে সকলো ধৰণৰ সহায় কৰিলে কাৰণ ফুকন ডাঙৰীয়া তেওঁলোকৰে এজন আছিল।

শ্ৰাদ্ধত অসমীয়াই শ্ৰাদ্ধ কৰিলে নাম ধৰিলে, মুছলমান সকলে কোৰাণ পাঠ কৰিলে, বিহাৰী সকলে ঢোলক বজাই নাম ধৰিলে, বঙালী সকলে কাৰ্বি সকলে আনকি কাবুলীৱালা সকলেও নিজৰ নিজৰ নিয়মমতে ক্ৰিয়া (কাৰ্য) কৰিলে। গায়ন বায়ন বাজিল। সকলো শেষ হোৱাৰ পিছত ৰাতি এখন ভাওনা! মানুহ ছহেজাৰতকৈ বেছিহে হ'ব! শ্ৰাদ্ধ অতি সুকলমে হৈ গ'ল। এইবোৰ কথা মই কল্পনাই কৰিব পৰা নাছিলো। এজন বুঢ়া কাৰ্বি মানুহে এটা তেওঁৰ ফালৰ পৰা ৰঙালাউ আনিছিল। এই ভিৰৰ মাজত পদুলিতে তেওঁ বহি আছিল। তেওঁ কৈছিল "ৰজাটো মৰি থাকিল মই আৰু এই তিনি আলিলৈ নাহো।" ফুকন ডাঙৰীয়াৰ তেওঁ বিশেষ বন্ধু আছিল। কেইবছৰমান আগতে এওঁ ফুকন ডাঙৰীয়াৰ ওচৰলৈ আহিছিল, ময়ো আছিলো, ফুকনে সুধিছিল "তোমাৰ খাজানাটো নিদিবা নেকি?" "এই বছৰ তোমাৰেই দিবা মই অহা বছৰ দিম" মানে মৌজাদাৰে ৰায়তৰ খাজানা নিজে দিব !! মই সুধিলো "তেওঁৰ বছৰি খাজানানো কিমান, "চাৰি অনা" ফুকনে কলে! এইখন চন্দ্ৰ ফুকন ডাঙৰীয়াৰ ৰাজ্য য'ত তেওঁ "ৰজা !!"

মৃত্যুৰ সময়ত ফুকন ডাঙৰীয়া ডাঙৰ চৰকাৰী বিষয়া, ৰাজনীতিৰ মূধচৰ মানুহ বা অন্য কোনো ধৰণৰ ডাঙৰ বিষয়ববীয়া মানুহ নাছিল। যিবোৰ কাৰণত মানুহৰ মৃত্যুৰ পিছতো ভিৰ। তেওঁ আছিল এজন এটা সৰু নাট্যমন্দিৰ ভালদৰে গঢ়িব নোৱৰা মানুহ। বেহা-বেপাৰত লোকচান কৰা মানুহ আৰু এজন খেতিয়ক। নিজৰ ফালৰ পৰা জীৱনত নানা বস্তু বিচাৰি হাবাথুৰি খালে, ভালদৰে একো নাপালে, আনকো দিব নোৱাৰিলে আৰু মনত এক দুঃখৰ বোজালৈ ইহলীলা সম্বৰণ কৰিলে। কিন্তু যাৰ কাৰণে তেওঁ জীৱনত ইমান পৰিত্যাগ কৰিছিল যাক ইমান ভাল পাইছিল তেওঁলোকেও যে তেখেতক ইমান ভাল পাইছিল, এতিয়াও পাই আছে তেওঁ গম হয়তো নাপালে।

# তাই-আহোম সংস্কৃতিৰ প্ৰগতিশীল দিশ

গিৰিণ ফুকন

সাম্প্ৰতিক অসমত বিভিন্ন জনগোষ্ঠী সমূহে নিজস্ব ভাষা সংস্কৃতিৰ চৰ্চা আৰু ইবিলাকৰ বিকাশ সাধন কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই উদ্দেশ্যে তেওঁলোকে বিভিন্ন সংগঠন গঢ়ি তুলি ভাষা-সংস্কৃতিৰ চৰ্চা সম্পৰ্কীয় সংবিধান প্ৰদত্ত অধিকাৰ সমূহৰ সফল ৰূপায়ণ কল্পে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰিও আহিছে। নৃ-গোষ্ঠীয় সংগঠনসমূহৰ নেতৃত্বই এই কথাও সদৰি কৰি আহিছে যে, বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ সমন্বয়ত অসমীয়া ভাষা-সংস্কৃতি গঢ়ি উঠিছে। সেয়েহে অসমীয়া ভাষা সংস্কৃতিৰ বিকাশৰ স্বাৰ্থতেই এই জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতিৰ বিকাশ সাধন কৰাৰ অতীব প্ৰয়োজন। জনগোষ্ঠীসমূহৰ সাংস্কৃতিক সংগঠনবোৰৰ ঘোষিত লক্ষ্য আৰু উদ্দেশ্যৰ পৰা এই কথা অনুমান কৰিব পাৰি যে,– তেওঁলোকে বৃহৎ অসমীয়া জাতিৰ ভিতৰতে নিজস্ব ভাষা-সংস্কৃতিৰ ৰক্ষণা-বেক্ষণৰ যোগেদি গোষ্ঠীগত অস্তিত্বও বতাহি ৰাখিব বিচাৰে। অৰ্থাৎ "বৈচিত্ৰ্যৰ মাজত ঐক্য" [Unity in diversity]- এই নীতিৰ ওপৰতহে সুস্থ সবল অসমীয়া জাতি গঢ়ি উঠিব পাৰে বুলি তেওঁলোকে বিশ্বাস কৰে। এই ক্ষেত্ৰত তেওঁলোকৰ মুখ্য ক্ষোভ হ'ল– অসমীয়া ভাষা-সংস্কৃতিৰ ওপৰত খিলঞ্জীয়া ভাষা-সংস্কৃতিয়ে যথোচিত প্ৰতিপত্তি লাভ কৰাৰ বিপৰীতে আৰ্যমূলীয় ভাষা সংস্কৃতিয়েহে সেই স্থান অধিকাৰ কৰিছে। তদুপৰি, জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতিৰ প্ৰতি অৱহেলা তথা অৱজ্ঞাসূচক মনোভাব পোষণ কৰি অহা হৈছে বুলিও তেওঁলোকৰ দৃঢ় ধাৰণা। এই প্ৰসংগত ড° দিলীপ কুমাৰ দত্তই কৈছে– "সংস্কৃত ভাষাৰ লগত হিন্দু ধৰ্ম আৰু আৰ্য সংস্কৃতিৰ ঘনিষ্ঠ সম্বন্ধ যেতিয়া আমাৰ সমাজৰ ব্ৰাহ্মণ, কায়স্থ, কলিতা সকলৰ বহুতৰে এইটো ধাৰণা যে অসমীয়া ভাষাক সংস্কৃতৰ কবলত অনা আৰু ৰখা মানে আমাৰ সমাজত আৰু আমাৰ ভাষা সাহিত্যত তেওঁলোকৰ প্ৰভুত্ব বঢ়োৱা।............... অসমীয়া ভাষাটো জটিল হ'লে অসমৰ পিছপৰা আৰু জনজাতীয় লোকসকল [ঘাইকৈ মংগোলীয় গোষ্ঠী] বা চাহ বাগানৰ বনুৱাসকল সদায় পিছ পৰি থাকিব আৰু আৰ্য অসমীয়াৰ লগত তেওঁলোকে কেতিয়াও সমানে ফেৰ মাৰিব নোৱাৰিব। সেয়েহে, অসমীয়া ভাষাক সংস্কৃত ভাষাৰ কবলত অনা আৰু ৰখাৰ আঁৰ পটত ৰাজনৈতিক চতুৰালি নথকাও নহয়।১ এই কথাখিনিৰ সত্যাসত্যৰ বিচাৰ কৰিবলৈ ললেও এই কথা নিশ্চয় কব পাৰি যে এনে মন্তব্যই জনগোষ্ঠীসমূহৰ উল্লিখিত ক্ষোভ আৰু ধাৰণাক প্ৰতিপন্ন কৰাত সহায় কৰিছে। অন্যহাতেদি আন এক মহলে– জনগোষ্ঠীসমূহে তেওঁলোকৰ ভাষা আৰু সাংস্কৃতিক সত্তাৰ ৰক্ষা কৰিবলৈ চলোৱা প্ৰচেষ্টাক সংকীৰ্ণ, গোষ্ঠীবাদী, পুনঃউত্থানবাদী, বিভাজনবাদী তথা প্ৰতিক্ৰিয়াশীল বুলি কবলৈও প্ৰয়াস কৰিছে। কিছুমানে এনে প্ৰচেষ্টাক আনকি শিয়ালৰ "হোৱা" বুলিও উপহাস কৰা দেখা যায়।২ এই ক্ষেত্ৰত সাংবাদিক অনিল কুমাৰ বৰুৱাৰ এটি মন্তব্য প্ৰণিধানযোগ্য। তেখেতৰ মতে ঃ

"অসমত অতীজৰে পৰা আজি পৰ্যন্ত বসবাস কৰি অহা প্ৰতিটো জনগোষ্ঠীৰে অসমীয়া জাতি গঠনত গুৰুত্বপূৰ্ণ ভূমিকা আছে। তৎসত্বেও অসমীয়া মধ্য শ্ৰেণীৰ এচামে অসমীয়া জাতিৰ স্বয়ম্ভু অভিভাৱকত্ব দেখুৱাই আৰ্যবংশোদ্ভুত নোহোৱা জনগোষ্ঠীসমূহৰ প্ৰতি এক হেয় মনোভাব পোষণ কৰা দেখা যায়। এই অংশটোৱেই এফালে উগ্ৰ অসমীয়া জাতীয়তাবাদ আনফালে বৰ্ণহিন্দুবাদ বা ব্ৰাহ্মণ্যবাদৰ পোষকতা কৰি অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াটোকে ক্ষতিগ্ৰস্ত কৰি তুলিছে। তেওঁলোকে অসমৰ প্ৰতিটো জনগোষ্ঠীৰ সমমৰ্যাদাৰ সম অধিকাৰ মানি লবলৈ টান পায়। কোনো এটা জনগোষ্ঠীৰ পৰা মৰ্যাদাৰ অধিকাৰৰ দাবী উঠিলেই এওঁলোকে উচপ খাই উঠে আৰু জনগোষ্ঠীটোক অসমীয়া বিৰোধী বা অসম বিৰোধী চক্ৰ বুলি চাব মাৰি দিয়ে। ৩

সাম্প্ৰতিক অসমৰ এনে সামগ্ৰিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমি এনে সংস্কৃতিৰ পৃষ্ঠপোষকতা কৰাৰ প্ৰয়োজন যি সংস্কৃতিয়ে অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াটোক সুদৃঢ় কৰিব পাৰে। এনে সংস্কৃতিৰ মূল উপাদান হব লাগিব সাংস্কৃতিক সহিষ্ণুতা, উগ্ৰজাতীয়তাবাদৰ বিপৰীতে গণতান্ত্ৰিক তথা উদাৰ মনোভাব, ধৰ্মনিৰপেক্ষতা, প্ৰতিক্ৰিয়াশীলতা তথা ৰক্ষণশীলতাৰ বিপৰীতে প্ৰগতিশীলতা শ্ৰমবিমুখতাৰ বিপৰীতে স্বনিৰ্ভৰশীলতা, গোড়ামিৰ বিপৰীতে নমনীয়তা আদি। স্বাভাৱিকতে এতিয়া প্ৰশ্ন হয়– অসমৰ জনগোষ্ঠীসমূহে চৰ্চা আৰু ৰক্ষা কৰিব বিচৰা সাংস্কৃতিক পৰম্পৰাবোৰত এই বৈশিষ্ট্যসমূহ বিদ্যমান হয় নে নহয়? নিজস্ব ভাষা-সংস্কৃতি বিকাশ সাধনৰ যোগেদি জনগোষ্ঠীসমূহে আত্মঘাতী পথ লৈ পিছলৈ ঘূৰি যাব বিচাৰিছে নে ভৱিষ্যত গঢ়াৰ সপোনেৰে পিছলৈ ঘূৰি চাব বিচাৰিছে? এনেধৰণৰ প্ৰশ্নৰ ওপৰত বিচাৰ-বিবেচনা কৰাৰ সময় সমাগত। গতিকে এই সন্দৰ্ভত জনগোষ্ঠীসমূহৰ সাংস্কৃতিক পৰম্পৰাৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু ইয়াৰ প্ৰগতিশীল দিশৰ ওপৰত আলোকপাত কৰাৰ নিতান্ত প্ৰয়োজন। অৱশ্যে এই আলোচনাটিৰ পৰিসৰ তাই আহোম সংস্কৃতিৰ প্ৰগতিশীল দিশৰ ওপৰতে সীমিত ৰখা হৈছে।

সংস্কৃতিৰ পৰিসৰ অতি ব্যাপক। এখন সমাজৰ সামগ্ৰিক, জীৱন-ধাৰণৰ পদ্ধতিক বুজোৱাৰ উপৰিও সংস্কৃতিয়ে সাহিত্য, শিল্প, কলা, ধ্যান-ধাৰণা, আচাৰ-ব্যৱহাৰ, ধৰ্ম, সামাজিক ৰীতি-নীতি খাদ্যসম্ভাৰ আদিকো সামৰি লয়। গতিকে সংস্কৃতিৰ প্ৰগতিশীল দিশ বুলি কলে এখন সমাজ নাইবা জাতিৰ ধ্যান-ধাৰণা, আচাৰ-অনুষ্ঠান আৰু ধৰ্মকে ধৰি অন্যান্য সামাজিক ৰীতি-নীতিৰ যোগেদি প্ৰতিভাত হোৱা সেই উপাদান সমূহক বুজাব যিবিলাক সমাজখনৰ স্থবিৰতাৰ বিপৰীতে ইয়াৰ পৰিবৰ্তনত ইন্ধন যোগাব পাৰে। তদুপৰি প্ৰগতিশীল সংস্কৃতিৰ এখন সমাজক গোড়ামি, মতান্ধতা আৰু সংকীৰ্ণতাৰ বিপৰীতে বহল মনৰ উদাৰতা, বিশালতা অস্পৃশ্যহীনতা, গণতান্ত্ৰিকতা আদিৰ দৰে গুণৰ অধিকাৰী কৰি তোলে। তাই আহোম সংস্কৃতিত এনে গুণবিলাক কেনেদৰে প্ৰতিফলিত হৈছে– তাৰে এটি চমু আভাস দিবলৈ এই নিবন্ধটিত প্ৰয়াস কৰা হ'ল।

|| ২ ||

তাই- আহোম সকলৰ মূল সাংস্কৃতিক প্ৰমূল্য সমূহ হ'ল– উদাৰতা, গুণগ্ৰাহিতা, ধৰ্মনিৰপেক্ষতা আৰু সাংস্কৃতিক সহিষ্ণুতা। তাই সংস্কৃতিৰ এই



চাৰিত্ৰিক বৈশিষ্ট্য সমূহৰ বাবেই নিজা ভাষা সাহিত্য, ধৰ্ম আৰু অন্যান্য সাংস্কৃতিক পৰম্পৰা থকা সত্বেও "ম্যুং ডুন চুন্ খাম" লৈ আহি তাকেই খামোচ মাৰি ধৰি নাথাকি শাসক হৈয়ো তেওঁলোকে উদাৰ দৃষ্টি ভংগীৰে থলুৱা মানুহৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰি নিজৰ অৱদানেৰে এক মহান অসমীয়া সংস্কৃতি গঢ়ি তুলিছিল। তেওঁলোকৰ উদাৰতাৰ বাবেই থলুৱা মানুহৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰি বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় গঢ়ি তুলি এক বৃহৎ অসমীয়া জাতিৰ জন্ম দিবলৈ সক্ষম হৈছিল। উল্লেখযোগ্য যে, আহোম স্বৰ্গদেউসকলে খিলঞ্জীয়া জাতি-গোষ্ঠীৰ উপৰিও ঘৰচেৰেক বামুণ, কলিতা, কায়স্থ আদি লোককো বিভিন্ন বাব দি নিজ খেলত তুলি লৈছিল।৪ জাত-পাত নিৰ্বিশেষে সকলোৱে ৰজাঘৰীয়া বিষয়বাব ভোগ কৰিবলৈ সুবিধা পোৱাত আহোম ৰজাই দিয়া বৃত্তিগত তথা মৰ্যাদাগত উপাধিসমূহ ব্যৱহাৰ কৰি ফুকন, বৰুৱা, বৰা, শইকীয়া, হাজৰিকা, ৰাজখোৱা আদি হৈ নিজকে ৰাজকীয় গোটত বিলীন কৰি দিছিল আৰু এইদৰে জাতিগত সমন্বয় সাধিত হৈছিল। গতিকে দেখা যায় 'সমন্বয়' হৈছে তাই আহোম সংস্কৃতিৰ প্ৰতীক আৰু ইয়াৰ মৌলিক বৈশিষ্ট্য। এনে সমন্বয় সংস্কৃতি তথা সাংস্কৃতিক সহিষ্ণুতাক প্ৰগতিশীলতাৰে পৰিচায়ক বুলি নিশ্চয় কব পাৰি।

সংস্কৃতিৰ অন্য এক মুখ্য উপাদান হৈছে ধৰ্ম। তাই আহোম সকলৰ আদি ধৰ্ম আছিল তাও ধৰ্ম। হিন্দু ধৰ্মৰ দৰ্শনৰ দৰে তাও ধৰ্মই আত্মাৰ পুনৰাৱিৰ্ভাৱৰ নিচিনা বদ্ধমূল ধাৰণাক বিশ্বাস নকৰে। অৰ্থাৎ ইহকালৰ কৰ্মফলে পৰকালৰ অৱস্থা নিৰ্ণয় কৰে বুলি তাই আহোম ধৰ্মই নামানে। ধৰ্ম তত্বৰ দোহাইদি আমাৰ শ্ৰেণী বিভক্ত সমাজত শোষিত সকলক তেওঁলোকৰ দুখ-দৈন্যৰ কাৰণ পূৰ্বজন্মৰ কৰ্মফল বুলি পতিয়ন নিওৱা হয়; যাতে তেওঁলোকে শোষণৰ আচল কাৰণ জানি শোষকৰ বিৰুদ্ধে সংঘবদ্ধ হৈ সংগ্ৰাম কৰিব নোৱাৰে এইদৰে প্ৰত্যক্ষভাৱে শোষক শ্ৰেণীৰ পক্ষ লোৱাৰ বিধান তাই আহোমৰ ধৰ্মীয় সংস্কৃতিত নাই।

এই কথা কাৰোৰেই অবিদিত নহয় যে তাই আহোম সকলৰ নিজস্ব ধৰ্মীয় পৰম্পৰা থকা সত্বেও তেওঁলোকৰ কোনো ধৰণৰ ধৰ্মীয় গোড়ামি নাছিল। প্ৰজাৰ ওপৰত নিজৰ ধৰ্ম জাপি দিবলৈ চেষ্টা নকৰি প্ৰজাৰ ধৰ্মক গ্ৰহণ কৰি বদান্যতাৰ পৰিচয় দিছিল। হিন্দু, বৌদ্ধ, ইছলাম আদি ধৰ্মৰ প্ৰতি তেওঁলোক সহানুভূতিশীল আছিল।

দিখৌমুখৰ শুৱাগুৰি চাপৰিত ছকুৰি ভকতে বহি আল্লাৰ নাম লোৱা জিকিৰ গাবলৈ মঠ নিৰ্মাণ কৰা; হিন্দুৰ দৰে মুছলমান সকলকো 'বৰা', হাজৰিকা, শইকীয়া আদিৰ নিচিনা ৰজাঘৰীয়া বাব দিয়া; দেশৰ মঙ্গল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ "শ্যাহ নেৱাজ" নামেৰে এজন "পীৰ" নিয়োগ কৰা; আৰবী, পাৰ্চী, কোৰাণ আদি শিক্ষা দিবৰ বাবে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত পঢ়াশালি গঢ়ি তোলা আদি কাৰ্য হৈছে– তাই আহোমৰ সংস্কৃতিৰ ধৰ্মনিৰপেক্ষতা তথা প্ৰগতিশীলতাৰ উৎকৃষ্ট নিদৰ্শন। তদুপৰি, এই কথা অনস্বীকাৰ্য যে তাই আহোম সকলৰ পৃষ্ঠপোষকতাতেই শংকৰদেৱে অসমত নৱ-বৈষ্ণৱ আন্দোলন গঢ়ি তুলিছিল আৰু তেওঁৰ শিষ্য প্ৰশিষ্য সকলে পিছত চাৰি সংহতিত বিভক্ত হৈ বহু সত্ৰ প্ৰতিষ্ঠা কৰি আহোম ৰাজ্য ছানি পেলাইছিল।৫ উদাৰ দৃষ্টিভংগীৰে তেওঁলোকে মহন্ত সকলৰ সত্ৰ সমূহকো স্বীকৃতি দিছিল আৰু হিন্দুৰ পঞ্চদেৱতা- শিৱ বিষ্ণু, দুৰ্গা, শ্ৰীসূৰ্য আৰু শ্ৰীগণেশৰ মন্দিৰো নিৰ্মাণ কৰাইছিল।৬ গদাধৰ সিংহই যদিও হিন্দুৰ আদৰ্শ মনা নাছিল তথাপি ৰাজধানীত দূৰ্গাপূজা পাতিবলৈ অনুমতি দিছিল।৭ এওঁ যে অন্য ধৰ্মৰ বিৰুদ্ধাচৰণ কৰা নাছিল তাৰ জ্বলন্ত উদাহৰণ হ'ল– তেওঁ নিৰ্মাণ কৰি থৈ যোৱা গুৱাহাটীৰ উমানন্দ দেৱালয়। অৱশ্যে ফুলেশ্বৰী কুঁৱৰীৰ ক্ষেত্ৰতহে ইয়াৰ কিছু ব্যতিক্ৰম হোৱা দেখা যায় যি কি নহওক, সকলো মানৱীয় প্ৰমূল্যকে সুষমভাৱে বিকাশ হবলৈ দি মানৱতাৰ গুণ-গান কৰাটোৱেই তাই আহোম ধৰ্ম সংস্কৃতিৰ উদ্দেশ্য আছিল।

তাই-আহোম সকলৰ এনে ধৰ্মীয় সংস্কৃতিৰ উপৰিও তেওঁলোকে পৰম্পৰাগতভাৱে পালন কৰি অহা "মে ডাম মে ফি", "ৰিক্ খ্যন্ ম্যুং খান্" আদি ধৰ্মীয়, অনুষ্ঠান আৰু বিবাহ কাৰ্য সম্পাদন কৰা "চকলং" পদ্ধতিৰ যোগেদিও বিশালতা তথা সাৰ্বজনীনতা ৰূপ পৰিলক্ষিত হোৱা দেখা যায়। মে ডাম মে ফি' পালনৰ যোগেদি উপৰিপুৰুষৰ প্ৰতি স্মৃতি তৰ্পণ কৰি তেওঁলোকৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ সমগ্ৰদেশ তথা জাতিক সেৱা কৰিবৰ বাবে মনোবল তথা প্ৰেৰণা আহৰণ কৰা হয়। প্ৰকৃতপক্ষে, 'মে ডাম মে ফি' হৈছে নিস্বাৰ্থভাৱে জাতিৰ সকলোৱে উপৰিপুৰুষৰ নামত প্ৰীতি, সম্প্ৰীতি, সংহতি, একপ্ৰাণ এক চিত্তে কৰা পূজা। তাই ভাষাত উচ্চাৰিত মন্ত্ৰেৰে তাই আহোম আৰ্হিত তৰ্পণ প্ৰদান কৰা হয় যদিও ই কেৱল তাই আহোমৰ উপৰিপুৰুষৰেই তৰ্পণ পূজা পাৰ্বণ নহয়। ঠিক সেইদৰে সমগ্ৰ দেশৰ মঙ্গলাৰ্থে তথা দেশবাসীৰ দীৰ্ঘায়ু আৰু সু-স্বাস্থ্য কামনা কৰিহে ৰিক্ খ্যন্ ম্যুং খ্যন্" সম্পাদন কৰা হয়। এনে বিলাক অনুষ্ঠান সংকীৰ্ণ স্বাৰ্থ আগত ৰাখি পালন কৰাটো তাই আহোম ধৰ্মীয় সংস্কৃতিৰ পৰিপন্থী। বিবাহ-কাৰ্য সম্পাদন কৰা মাঙ্গলিক অনুষ্ঠান "চকলং"ৰ লগতো এটি গণতান্ত্ৰিক পৰম্পৰা অনুভূত হৈ আছে। উল্লেখযোগ্য যে এক বিশেষ শ্ৰেণীৰ লোকে অন্য ধৰ্মৰ মাঙ্গলিক অনুষ্ঠান সমূহ সম্পাদন কৰে। কিন্তু ইয়াৰ বিপৰীতে 'চকলঙৰ' উপৰিও তাই আহোমৰ অন্যান্য মাঙ্গলিক কাৰ্য সমূহ যিকোনো বিজ্ঞ লোকেই সম্পাদন কৰিব পাৰে। এনে কাৰ্য কেৱল তাই আহোমৰ পুৰোহিত শ্ৰেণীৰ মহন, দেওধাই, বাইলুঙসকলেই যে সম্পাদন কৰিব লাগিব তেনে কোনো বাধ্যবাধকতা নাই। এই পৰম্পৰা কিন্তু কম গণতান্ত্ৰিক নহয়।

সংস্কৃতিৰ আন এটি উপাদান হৈছে খাদ্য সম্ভাৰ। তাই আহোম সাংস্কৃতিক তেওঁলোকৰ খাদ্যসম্ভাৰেও সাৰ্বজনীন ৰূপত প্ৰতিষ্ঠা কৰিছে। অন্যান্য তাই তথা মঙ্গোলীয় লোকৰ দৰেই আহোমসকল সৰ্বভক্ষক বুলিব পাৰি। কুকুৰা, হাঁহ, গাহৰি, ছাগলী, বিভিন্ন বনৰীয়া পহু, মাছ-কাছ, কেকোৰা-কুচিয়া, বৰ ভেকুলী, বাদুলি আদিৰ উপৰিও অনেক কীট-পতঙ্গ যেনে মুগালেটা, কোদোটোপ, মৌ-মাখি, আমৰলি টোপ আদি তাই আহোম সকলৰ প্ৰিয় খাদ্য। আনকি গৰু, ম'হ, কুকুৰ আদিৰ মাংসও ভক্ষণ কৰাৰ ক্ষেত্ৰত কোনো ধৰ্মীয় বাধা আৰোপ হোৱা নাই। কাৰণ এইবিলাক জন্তু উচৰ্গা কৰি বিভিন্ন দ্বে-দেৱতাক পূজা কৰা হয় আৰু ইয়াৰ মাংসও ভক্ষণ কৰা হয়। দৈনন্দিন আহাৰৰ লগত কচু কচুলতি, মাটিমাহ, ঢেকীয়া, মেটেকা, মেজেংগা, নেফাফু, চেংমৰা, তেজমৈ, টিকনিবৰুৱা, ন'লটেঙা, টংলতি মাটিকাদুৰি, ভেদাইলতা, মানিমুণি, মচন্দৰি, মধুৰী, তিতাকচি, সোকোতা, ঔ টেঙা আদি বিভিন্ন ধৰণৰ বনৰীয়া গছ-বন – লতাপাত আঞ্জা হিচাপে ব্যৱহাৰ কৰা হৈছিল। তদুপৰি খৰিছা, শুকটি, শুকানমাছ, পানীটেঙা, কলডিল, পচলা, বাঁহৰ গাজ, আদি তাই আহোম সকলৰ প্ৰিয় খাদ্য। তেলত দিয়া ভজা বস্তুতকৈ পোৰা, পাতত দিয়া, খৰিকাত দিয়া, টেঙা দিয়া, খাৰ, তিতা, আদিৰ ব্যৱহাৰ অধিক জনপ্ৰিয় আছিল। চাউলৰ পৰা বহু ধৰণৰ জলপান তৈয়াৰ কৰা হৈছিল। 'হুকম' নামৰ জলপান অন্যলোকে কৰিব নাজানিছিল। সান্দহ, বৰাসান্দহ, ভাপতদিয়া পিঠা, ছেৱা দিয়া ভাত, টোপোলা ভাত, চুঙা চাউল, আদি আহোম সকলৰ প্ৰিয় খাদ্য আছিল। এইবিলাক খাদ্যৰ ওপৰিও পিঠাৰ লগত বিভিনন বনৰীয়া গছ-লতা, বন আৰু জালুক মিহলি কৰি তৈয়াৰ কৰা বিশেষ দৰৱ ভাতৰ লগত মিহলাই "লাও পানী" তৈয়াৰ কৰাৰ পদ্ধতি অতি চমৎকাৰ। "লাওপানী" আহোমৰ সু-খাদ্য আছিল আৰু সকাম নিকাম, উৎসৱ পাৰ্বণত অপৰিহাৰ্য আছিল। আলহি-অতিথিক "লাও পানীৰে" সৎকাৰ কৰাতো ৰীতিত পৰিণত হৈছিল। পানেয় হিচাপে লাওপানী দৈনন্দিন ব্যৱহাৰ্য বস্তু আছিল বাবেই সম্ভৱ আহোম ৰাজত্বৰ ছশ বছৰীয়া বুৰঞ্জীত ক'তো মদাহী আৰু মাতলামিৰ কথা উল্লেখ নাই।৮ তাই আহোম সকলৰ উল্লিখিত খাদ্য সম্ভাৰৰ পৰা এই কথা প্ৰতীয়মান হ'ল যে আন কিছুমান ধৰ্মীয় সংস্কৃতিৰ নিচিনাকৈ খাদ্য-অখাদ্য, শুচি, অশুচি আদি অনেক অবিজ্ঞান

সম্মত নীতি তাই-সংস্কৃতিত নাই। ঠিক সেইদৰে অন্ধবিশ্বাসৰ বশবৰ্তী হৈ- হাঁহ, কুকুৰা, গাহৰি আদি জীৱ-জন্তু পোহাৰ কোনো সামাজিক বাধা তাই আহোম সকলৰ মাজত নথকাটোও তাৎপৰ্যপূৰ্ণ। তদুপৰি অসমৰ অন্যান্য জনগোষ্ঠীৰ লগত বিশেষকৈ মঙ্গোলীয় জনগোষ্ঠী সমূহৰ লগত তেওঁলোকৰ খাদ্য অবিকল মিল আছে। তাই আহোম সকলে বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতু বান্ধিবলৈ সক্ষম হোৱাৰ ইয়ো এক কাৰণ হব পাৰে। কেৱল সেয়ে নহয়, তাই আহোম সকলৰ খাদ্য-সম্ভাৰে প্ৰাচ্যৰ সীমা চেৰাই গৈ পাশ্চাত্যৰ সীমাও চুইছেগৈ। কাৰণ তেওঁলোকৰ খাদ্যৰ লগত দক্ষিণপূব এছিয়াৰ দেশসমূহৰ লোকৰ খাদ্যৰ লগতো ইয়াৰ বহুলাংশে সাদৃশ্য থকা দেখা যায়। বিশেষকৈ গৰু গাহৰিৰ মাংস আৰু মদ আন্তৰ্জাতিক খাদ্য হিচাপে পৰিগণিত হোৱা কথা সৰ্বজন বিদিত। সেয়েহে তাই আহোমসকলৰ খাদ্যৰীতিয়ে তাই সংস্কৃতিক সাৰ্বজনীন তথা আন্তৰ্জাতিক ৰূপ প্ৰদান কৰিছে বুলি কলেও নিশ্চয় বঢ়াই কোৱা নহব।

তাই আহোম সংস্কৃতিৰ অন্য এটি উল্লেখযোগ্য দিশ হ'ল অস্পৃশ্যহীনতা। তাই-সংস্কৃতিৰ জাত-পাত, উচ্চ-নীচৰ বিচাৰৰ কোনো স্থান নাই। কোনো জাতিকেই তাই আহোমসকলে অস্পৃশ্য বুলি গণ্য নকৰে। সকলো সম্প্ৰদায়ৰ লোকৰ লগতেই মুকলিকৈ খোৱা-বোৱা আহ-যাহ কৰাত কোনো সামাজিক বাধা নাই। শাস্তিয়নীৰ [illegible]ত গৰু গোবৰৰ পানী খাই প্ৰায়শ্চিত্ত হোৱা বিধানো নাই। আন কিছুমান ধৰ্মৰ ৰীতিৰ দৰে তথাকথিত নীচ কুলৰ লোকৰ লগত খাব নাপায়; শূদিৰৰ হাতে খালে জাত যায়- এনে কথা তাই সংস্কৃতিৰ পৰিপন্থী। বৈবাহিক সম্পৰ্কৰ ক্ষেত্ৰতো তাই আহোম সকলে উদাৰ মনোভাব গ্ৰহণ কৰাটো তাই সংস্কৃতিৰ অন্যতম পৰম্পৰা। উপযুক্ত হলে অন্য জাতিৰ পাত্ৰক কন্যাদান কৰা আৰু আন জাতিৰ পৰা কন্যা গ্ৰহণ কৰাটো তাই আহোম সকলৰ নীতিৰ বহিৰ্ভূত নাছিল। সেয়েহে, তেওঁলোকে নিজৰ কুঁৱৰী মোগল সম্ৰাট আৰু ব্ৰহ্মদেশৰ ৰজালৈ দিছিল আৰু তেওঁলোকেও নগা, জয়ন্তীয়া, কছাৰী, বৰাহী, কোচ, মণিপুৰ আদি ৰাজ্যৰ পৰা কুঁৱৰী গ্ৰহণ কৰিছিল। তাই-আহোম সংস্কৃতিৰ এনে আদৰ্শক নিশ্চয় প্ৰগতিশীল বুলিয়েই কব লাগিব।

পুৰুষৰ সৈতে নাৰীক সমাজত সম-মৰ্যাদা প্ৰদান কৰাটো তাই-সংস্কৃতিৰ এটি তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্য। আহোম যুগত নাৰীয়ে ৰাজকাৰ্যত অংশ গ্ৰহণ কৰা কাৰ্যই এই কথাকে প্ৰতীয়মান কৰে। "লাউ সদায়ে পাতৰ তল"- নাৰীৰ সামাজিক স্থান নিৰ্ণয় কৰিবলৈ সততে ব্যৱহাৰ কৰা এনে ধৰণৰ "প্ৰবাদ" তাই সংস্কৃতিৰ পৰিপন্থী। বিবাহৰ পাছত শিৰত সেন্দুৰৰ ফোঁট আৰু মূৰত ওৰণি লোৱা প্ৰথাও তাই-আহোম সংস্কৃতিৰ পৰম্পৰা নহয়। সেন্দুৰৰ ফোঁট আৰু ওৰণিক তাই সকলে দাসত্বৰ প্ৰতীক বুলিয়েই বোধহয় গণ্য কৰিছিল। নাৰীক ভোগৰ আহিলা হিচাপে গণ্য কৰি অহাৰ বাবে বিবাহিতা নাৰীক অন্য পুৰুষৰ আকৰ্ষণৰ পৰা মুক্ত কৰি ৰাখিবৰ কাৰণেই বিবাহৰ পাছত ফোঁট- ওৰণি দি নাৰীক চাব মাৰি ৰখাটো কালক্ৰমতঃ ধৰ্মীয় ৰীতিত পৰিণত হ'ল বুলি ভবাৰ স্থল আছে। বিবাহিত পুৰুষৰ ক্ষেত্ৰত তেনে কোনো বিধান নথকাটোৱে কি সূচায়? তাই সকলে নাৰীৰ প্ৰতি যথোচিত সন্মান প্ৰদৰ্শন কৰা বাবেই সম্ভৱ এনে ধৰণৰ ব্যৱস্থাৰ প্ৰয়োজন হোৱা নাছিল। উল্লেখযোগ্য যে, সাম্প্ৰতিক কালত হিন্দুধৰ্মৰ প্ৰভাৱ পৰা তাই-আহোম সকলৰ বিবাহিতা নাৰীয়ে ফোঁট ওৰণি লয় যদিও অন্যান্য তাই গোষ্ঠীয়ে তথা- মঙ্গোলীয় নাৰীয়ে ফোঁট-ওৰণি লোৱা দেখা নাযায়। তদুপৰি ছোৱালীয়ে কন্যাকাল পালে ঢাকঢোল বজাই 'শান্তি বিয়া' পতা; বিয়াৰ সময়ত কন্যাৰ ঘৰৰ পৰা যৌতুক দাবী কৰাৰ নিচিনা সামন্তীয় প্ৰথা সমূহ তাই সংস্কৃতিৰ নীতি বিৰোধী কাম। অন্য কিছুমান ধৰ্মত নিৰ্দিষ্ট ধৰ্মীয় স্থানত নাৰীৰ প্ৰবেশ নিষেধ কৰা হৈছে যদিও নাৰীৰ প্ৰতি এনে অপমানসূচক দৃষ্টিভংগী তাই আহোম ধৰ্মীয় সংস্কৃতিৰ নাই। গতিকে তাই সংস্কৃতিৰ এনেবোৰ পৰম্পৰাক গণতান্ত্ৰিক তথা প্ৰগতিশীল বুলিব পাৰি।

তাই সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য হৈছে- কৃষি সংস্কৃতি। কাৰণ তাই আহোম সকল আছিল মূলতঃ কৃষিজীৱী। তেওঁলোক ইয়ালৈ আহোঁতে শস্যৰ বিভিন্ন জাতৰ সঁচ লগত লৈ আনিছিল। সেয়ে- "আহোম শালি" আহোম বগৰী নিচিনা শস্য আৰু ফলৰ নাম আজিও বিদ্যমান। তাই আহোম সকলে নিজকে কৃষি কাৰ্যত নিয়োজিত কৰাৰ উপৰিও সকলো যাৱতীয় কাম কাজ নিজে কৰি লোৱা কাৰ্যই ইয়াকে প্ৰতিপন্ন কৰিছে যে তেওলোক শ্ৰমবিমুখ নাছিল, আত্মনিৰ্ভৰশীলহে আছিল। গতিকে তাই-সংস্কৃতি হৈছে শ্ৰমজীৱীৰ সংস্কৃতি। তাই-আহোম সকলে শ্ৰমৰ মৰ্যাদা বুজিছিল- সেয়ে জাত-পাতৰ ভিত্তিত শ্ৰম কৰা নকৰাৰ বিধান তাই আহোম সংস্কৃতিত নাই। মগনীয়া "গুৰুৱে" মাগি পোৱা সামগ্ৰীবোৰ নিজে নলৈ সেইবোৰ কঢ়িয়াই লৈ ফুৰিবৰ বাবে 'ভাৰি' এজন লোৱাৰ নিচিনা জাত্যাভিমানৰ ভণ্ডামিও নাই। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত সত্ৰবোৰত বহুতো সঁচা-মিছা বৈষ্ণৱ-মহন্ত আৰু শিষ্যৰে ভৰি পৰাত প্ৰজাহিতকৰ কাম কৰিবৰ বাবে শ্ৰমিকৰ নাটনি হৈছিল। ৰাজ্যত এনে শ্ৰমবিমুখী ভকতৰ সংখ্যা বৃদ্ধি পোৱাত বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি স্বৰ্গদেৱে সত্ৰবিলাকৰ পৰা মহন্ত ভকতক ধৰি আনি কান্ধত কোৰ, মূৰত পাচি, দি আলি বন্ধা পুখুৰী খন্দা আদি কামত লগোৱালে। এলেহুৱা ভকতক ধৰি আনি বন্ধোৱা "ধোদৰ আলিয়েই" ইয়াৰ সাক্ষ্য বহণ কৰিছে।৯ শৈলেন বৰকটকীয়ে কবৰ দৰে অসমীয়া জাতিক কৰ্মঠ কৰিবলৈ আৰু ভণ্ডামিৰ পৰা মুক্ত কৰিবলৈকে যে স্বৰ্গদেৱে দুৰ্নীতি পৰায়ণ ভণ্ড আৰু শ্ৰমবিমুখী বৈষ্ণৱ - গোসাঁই মহন্তৰ ওপৰত এনে ব্যৱস্থা হাতত লব লগা হৈছিল- এই কথা অৱধাৰিত"।১০ এই সন্দৰ্ভত খ্যাতনামা সাহিত্যিক তীৰ্থনাথ শৰ্মাৰ এষাৰি মন্তব্যও প্ৰণিধানযোগ্য। তেখেতে কৈছে: "পূৰ্বাপৰ প্ৰথা অনুসাৰে সত্ৰস্থ ভকত বৈষ্ণৱ সকলে ৰাজ্যৰ কামৰ কাৰণে বাহিৰ ওলাব লগা নহৈছিল। ৰজাৰ হৈ কোৰ কুঠাৰো নলৈছিল। হিলৈ, বৰটোপ, ধনু-কাঁড় লৈ ৰণ যাত্ৰা কৰিব লগা নহৈছিল। তেনেহলে কিমান বনুৱা মানুহ অবনুৱা হৈছিল সহজে অনুমান কৰিব পাৰি। শ্ৰমনিৰ্ভৰশীল অৰ্থনীতিৰ আধাৰত শাসিত ৰাষ্ট্ৰত দূৰদৰ্শী ৰজা শংকিত হোৱাটো অমূলক নহয়।"১১ তাই-আহোম সকলৰ সুস্থ বিচাৰ-বুদ্ধি, বিচক্ষণতা, দূৰদৰ্শিতা আদিৰ জ্ঞানৰ উপৰিও এনে কৰ্ম সংস্কৃতিৰ বাবেই ছশবছৰীয়া ৰাজত্বৰ গৌৰৱোজ্জ্বল ইতিহাস সৃষ্টি হৈছিল। এইদৰে দেখা যায় যে শ্ৰমবিমুখতাৰ বিপৰীতে শ্ৰমজীৱী সংস্কৃতি গঢ়ি তোলাটো তাই-আহোম সংস্কৃতিৰ এটি প্ৰগতিশীল দিশ।

তদুপৰি, তাই-আহোম সকলৰ কৰ্ম পদ্ধতিও বৈশিষ্ট্যপূৰ্ণ। কাৰোবাৰ ব্যক্তিগত নাইবা ঘৰুৱা কামো সামূহিক ভাৱে সমাধা কৰা হৈছিল। খেতি পথাৰ, ঘৰসজা, আদিৰ নিচিনা- কামবোৰ গৃহস্থৰ আমন্ত্ৰণক্ৰমে ৰাইজে লগ লাগি সম্পন্ন কৰি দিয়ে যিটোক "সাউৰি" মাতি কৰা বুলি কোৱা হয়। ঠিক সেইদৰে বিলত একেলগে মাছ ধৰি নাইবা পুখুৰী সিঁচি সংগৃহীত মাছ-পুঠি সমানে সকলোৱে ভাগ কৰি লোৱা কাৰ্যই আদিম সাম্যবাদী সমাজলৈ মনত পেলাই দিয়ে। এতিয়াও বহু তাই-আহোম গাঁৱত এনেবোৰ ৰীতি প্ৰচলিত হৈয়ে আছে। এনে ধৰণৰ কৰ্মৰীতিক সূক্ষ্মভাবে বিচাৰ কৰিলে গণতান্ত্ৰিক পৰম্পৰা বুলিয়েই কব লাগিব।

|| ৩ ||

এইদৰে তাই আহোমৰ ধৰ্মীয় সংস্কৃতিকে ধৰি অন্যান্য ৰীতি-নীতি সমূহক সামগ্ৰিকভাবে বিচাৰ কৰিলে দেখা যায় যে তেওঁলোকৰ সংস্কৃতি শোষণৰ নাইবা প্ৰতিক্ৰিয়াশীল সংস্কৃতি নহয়, প্ৰগতিশীল সংস্কৃতিহে। আৰ্য সংস্কৃতিৰ প্ৰভাৱ পৰাৰ আগলৈকে জাতিগত-উচ্চ-নীচ-ভেদাভেদৰ মনোভাব তেওঁলোকৰ একেবাৰে নাছিল। নিজৰ গোষ্ঠীগত স্বাৰ্থ বিসৰ্জন দিও সামূহিক স্বাৰ্থক সদায় প্ৰাধান্য দি এক মহান অসমীয়া সংস্কৃতি গঢ়ি তুলিছিল। খ্যাতনামা লেখক পদ্ম বৰকটকীয়ে কবৰ দৰে:

"ছশ বছৰীয়া ৰাজত্ব কালত অসমীয়া



সংস্কৃতিৰ যি পৰিচয় খুচৰিলে ওলায়, তাতকৈ উন্নত সাংস্কৃতিক অৱস্থা অসমত কেতিয়াও নাছিল- নাই। আহোমৰ ৰাজত্বত কোনো গোষ্ঠীয়েই গোষ্ঠীহিচাপে প্ৰাধান্য নাপালে নিজৰ ৰজা থকা আহোম সকলে ৰাজগোষ্ঠী বুলি বিশেষ সুবিধা নাপালে। ফলত কোনোবা জন-জাতিৰ ব্যক্তিও ৰাজবিষয়া ডাঙৰীয়া হ'ল। সকলো ধৰ্মই সমানে ৰাজ অনুগ্ৰহ পালে। ৰজাই দিয়া মাটিতে, মন্দিৰ মছজিদ্ আদি সাজিলে। ------ এটা জাতি গঢ়াৰ এই মহান আৰু সফল প্ৰচেষ্টাৰ কথা বুৰঞ্জীৰ বুকুৰ পৰা উলিয়াই আনি কোনোবাই সেই আদৰ্শেৰে কাম কৰিবলৈ চেষ্টা কৰিছে নে? অসীম ক্ষমতাৰ অধিকাৰী তেতিয়া ৰজাই নিজৰ গোষ্ঠী বুলি আহোম সকলক বিশেষ সুবিধা দি আন বিলাকক আঁহ ফালি দেখুওৱা নাছিল! আহোম ৰজা সকল আছিল কৃষক ৰজা। ৰজাও প্ৰজাৰদৰে খেতিয়ক আছিল। কেৱল সভাত সভাপতিৰ কাৰণে ওখ আৰু বেলেগে আসন থকাৰ দৰে ৰজাৰ আসনো আনতকৈ ওখ আছিল।"১২

এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে আহোম ৰজাসকলক মন্ত্ৰী পৰিষদে ভঙা-পতা কৰিব পাৰিছিল। মন্ত্ৰীসকলৰ দিহা-পৰামৰ্শৰ মতেহে ৰজাই ৰাজ্য শাসন কৰিছিল। সেই সময়ৰ এনে গণতান্ত্ৰিক পৰম্পৰা ইতিহাসতে বিৰল বুলিয়েই কব পাৰি। তদুপৰি আন ৰজা-মহাৰজা সকলৰ দৰে তেওঁলোকে নিজৰ পৰিয়ালৰ বাবে একো সা-সম্পত্তি ৰখা নাছিল। সেয়েহে বৃটিছৰ অধীনলৈ ৰাজ্য যোৱাৰ পাছতে ৰাজ-পৰিয়ালৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল আৰু পিছলৈ পিছপৰা সম্প্ৰদায়ত পৰিণত হৈছিল। ত্যাগৰ এনে মহৎ নিদৰ্শন তাই-আহোম সংস্কৃতিৰেই প্ৰতিফলন।

ওপৰত উল্লেখ কৰি অহা তাই-আহোম সংস্কৃতিৰ উপাদান বিশেষকৈ ধৰ্মনিৰপেক্ষতা, উদাৰতা, নাৰীৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা আদিৰ প্ৰভাৱ কম বেছি পৰিমাণে অসমীয়া সমাজ সংস্কৃতিৰ ওপৰত পৰা বাবেই দেশৰ অন্য অংশৰ তুলনাত অসমত সাম্প্ৰদায়িক সম্প্ৰীতি অধিক গাঢ়আৰু সেয়ে সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰা অসম মুক্ত বুলিব পাৰি। তদুপৰি, দেশৰ আন ঠাইৰ নিচিনাকৈ অসমত যৌতুক প্ৰথাৰ নিচিনা জঘন্য প্ৰথাও নাই। এই ক্ষেত্ৰত অৱশ্যে তাই-আহোম সংস্কৃতিৰ উপৰিও অসমত বাস কৰা অন্যান্য মংগোলীয় গোষ্ঠী সংস্কৃতিৰ অবদানো কম নহয়। কাৰণ তাই সংস্কৃতি হৈছে- বৃহৎ মংগোলীয়া সংস্কৃতিৰে অংশ বিশেষ। যেই কি নহওক, সামৰণিত এই কথা কোৱাৰ প্ৰয়োজন যে চাওলুঙ চুকাফাই অসমৰ জন-জীৱনলৈ যি এক বৰ্ণহীন, সমতাৰ আদৰ্শেৰে অনুপ্ৰাণিত মানৱীয় আদৰ্শৰ বাণী কঢ়িয়াই আনিছিল সেয়া আৰু আজি নাই। তাই সংস্কৃতিৰ এনে উদাৰ আদৰ্শক বৰ্ণবাদী ধ্যান-ধাৰণাই প্ৰায় ধৰাশায়ী কৰি পেলালে। ই অসমীয়া জাতিৰ বাবে কম দুৰ্ভাগ্যৰ কথা নহয়। স্মৰণযোগ্য যে, নিজস্ব ধৰ্ম সংস্কৃতি থকা সত্বেও তাই-আহোম চাওফাসকলে আৰ্যহিন্দু ধৰ্মীয় সংস্কৃতিৰ পোষকতা কৰাত ইয়াৰ বৰ্ণ ব্যৱস্থাৰ প্ৰভাৱে পৰৱৰ্তী কালত আনকি একমাত, একভাত, একজাত তাই-আহোমক একাধিক ভাগত বিভক্ত কৰি পেলালে। ধৰ্মীয় দ্বন্দ্ব আৰু বিভ্ৰান্তিৰে পূৰ্বৰ চুকাফাৰ নীতিক কুঠাৰাঘাত হানিলে আৰু একালৰ প্ৰতাপী শাসক আহোম জাতিক নিম্ন স্তৰলৈ ঠেলি দি তথাকথিত "শূদিৰ", "ম্লেছ", "ইতৰ" শ্ৰেণীলৈ পৰ্যবেসিত কৰালে। ড° লীলা গগৈয়ে কবৰ দৰে:

"আহোম সকলে ধৰ্মীয় শাখা-প্ৰশাখাৰ মাজত নিজকে সুমুৱাই জাতীয় ঐক্য বিনষ্ট কৰিলে। জাতিভেদ নমনা, সকলো ধৰ্মকে নিজৰ নিজৰ আদৰ্শৰে বিকশিত হবলৈ অনুমতি দিয়া জাতিটো কব নোৱৰাকৈয়ে ছিন্নভিন্ন হৈ পৰিল। একে বংশৰ মানুহ বিভিন্ন উপ-শাখাৰ মতবাদৰ বিশ্বাসী হৈ নিজৰ ভিতৰতে অস্পৃশ্য হৈ পৰিল। ধৰ্ম সংহতিয়ে জাতীয় সংহতি বিনষ্ট কৰিলে।"১৩

তদুপৰি মুক্ত চলন-খাৱন, মিলামিছা, আদান প্ৰদান সংমিশ্ৰণৰ দ্বাৰা জাতি গঠনত নেতৃত্ব লোৱা তাই আহোমৰ সমমনোভাবাপন্ন থলুৱা মংগোলীয় জনগোষ্ঠী সমূহৰ প্ৰতি থকা পূৰ্বৰ মনোভাবও সলনি হ'ল। এনে পৰিস্থিতিত সিবিলাকৰ লগত পূৰ্বৰ নিয়মেৰে আপ্লুত কৰা ভ্ৰাতৃত্ববোধেৰে একে পৰিবেশত মদ-গাহৰি মাৰি খোৱাটো দূৰৰে কথা আনকি নিজৰ ভিতৰতে খাদ্যাখাদ্য, শুচি-অশুচি আদি অবিজ্ঞান সম্মত নীতিবোৰ গা-কৰি উঠি সমাজ জীৱনক আউল লগাই পেলালে। ধৰ্মৰ এনে বিপৰীতমুখী প্ৰভাবে সমগ্ৰ অসমীয়া জাতিটোক শ্ৰমবিমুখী, পৰমুখাপেক্ষী মনোবৃত্তিৰ জন্ম দিলে যাৰ প্ৰভাব সুদূৰ প্ৰসাৰী হ'ল। তৎসত্বেও এই কথা নিশ্চয় কব লাগিব যে বাৰেৰহনীয়া জাতি গোষ্ঠীৰ বৈচিত্ৰ্যময় সাংস্কৃতিক ধাৰাক সংমিশ্ৰণৰ যোগেদি জনগোষ্ঠী সমূহৰ মূল উপাদান সমূহক সুষমভাবে বিকাশ সাধন কৰিবলৈ দি অসমীয়া জাতি গঠনত আহোম সকলে এক অতুলনীয় অৱদান আগবঢ়ালে। এই অৱদানৰ দীৰ্ঘম্যাদী প্ৰভাৱ আজিও নিঃশেষ হৈ যোৱা নাই। তেৰশ শতিকাৰ আগভাগতে পুলিন পুথাউ সকলে সমন্বয়ৰ বাবে শপত লোৱা সেই আদৰ্শ কুৰি শতিকাৰ শেষভাগতো আজি তাই আহোমৰ মানসিকতাত সবলভাবেই প্ৰবাহমান। এনে আদৰ্শৰে পৰিপুষ্ট তাই-আহোম সংস্কৃতিৰ প্ৰভাৱ অসমীয়া জাতীয় জীৱনত অধিক হোৱাতো অসমীয়া জাতিক সুদৃঢ় কৰাৰ স্বাৰ্থতেই প্ৰয়োজন। সেয়েহে তাই আহোমকে ধৰি অন্যান্য জনগোষ্ঠী সমূহৰ সংস্কৃতিৰ চৰ্চা আৰু প্ৰগতিশীল দিশ সমূহ উন্মোচন কৰি মহান অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰাৰ দায়িত্ব গ্ৰহণ কৰাটোৱেই হ'ব বৰ্তমান পৰিস্থিতিত অসমীয়া জাতিলৈ আগবঢ়োৱা সৰ্বোত্তম বৰঙণি। তাকে নকৰি তাই-আহোম আৰু বিভিন্ন জনগোষ্ঠী সমূহৰ সাংস্কৃতিক বৈশিষ্ট্যৰ ৰক্ষণাবেক্ষণ বা ঐতিহ্যৰ কথা কোৱা সকলক "গোষ্ঠীবাদী" প্ৰতিক্ৰিয়াশীল, "পুনঃ উত্থানবাদী", "বিভাজনবাদী", "অসমবিৰোধী" আদি বুলি আখ্যা দিবলৈ গ'লে হিতে বিপৰীত হোৱাহে সম্ভাৱনা বেছি।

• এই নিবন্ধটি যুগুত কৰোতে শিবসাগৰ জিলাৰ বকতা, পাটসাকো আৰু মাহমৰা অঞ্চলৰ কেইবাগৰাকীমান তাই-আহোম পণ্ডিতৰ লগত আলোচনা কৰি ইয়াত সন্নিবিষ্ট কৰা কেইবাটিও তথ্য সংগ্ৰহ কৰা হয়।

টীকা:-

১। ড° দিলীপ কুমাৰ দত্ত; "অসমীয়াৰ মাধমাৰ" **অগ্ৰদূত**, ৮ জুলাই, ১৯৮৭ চন।
২। ডাঃ বিকাশ বৰুৱা; "হোৱা", **দৈনিক জনমভূমি**, ২৬ মাৰ্চ, ১৯৮৯
৩। অনিল কুমাৰ বৰুৱা: "সম্প্ৰীতিৰ শিলৰ সাঁকো সংগ্ৰামেই গঢ়িব", **সাদিন**, ১৮ জানুৱাৰী, ১৯৯১ চন
৪। লীলা গগৈ; **টাই সংস্কৃতিৰ ৰূপৰেখা**, ১৯৮৫, পৃঃ ৫০
৫। লীলা গগৈ; ঐ, পৃঃ ৫৬।
৬। ই.এ.গেইট; **এ হিষ্টৰী অৱ আসাম** (১৯৬৩) পৃঃ ২৮৯।
৭। লীলা গগৈ; ঐ, পৃঃ ৫৭।
৮। লীলা গগৈ; ঐ পৃঃ ৮৭
৯। গুণাভিৰাম বৰুৱা, **আসাম বুৰঞ্জী**, ১৯৭২, পৃঃ ১০
১০। শৈলেন বৰকটকী, "স্বৰ্গদেউ গদাধৰ সিংহ আৰু বৈষ্ণৱ নিৰ্যাতন" **প্ৰকাশ**, ডিচেম্বৰ, ১৯৮৯ চন।
১১। তীৰ্থনাথ শৰ্মা, **আউনিআটী সত্ৰৰ বুৰঞ্জী**, ১৯৭৫ পৃঃ ১৫১-৫২
১২। পদ্ম বৰকটকী; "এই বটলবোৰ; সংস্কৃতি-অস্তিত্ব আদিৰ বটলবোৰ" **সাদিন** ২৬ মে, ১৯৮৯
১৩। লীলা গগৈ; **বেলিমাৰ গ'ল**, ১৯৮৩ পৃঃ ৮১

সূ

### বিশেষ দ্ৰষ্টব্য

সূত্ৰধাৰত প্ৰকাশৰ কাৰণে পঠোৱা সকলো লেখা সহজে পঢ়িব পৰা গোট গোট আখৰত কাগজৰ এপিঠিত হোৱা বাঞ্চনীয়। প্ৰয়োজনীয় শুধৰণিৰ কাৰণে বাক্যবোৰৰ মাজত কমেও এক চেণ্টিমিটাৰ ঠাই ৰখা দৰকাৰ। পঢ়িব নোৱৰা বা বেয়া আখৰেৰে লেখা কোনো প্ৰবন্ধ প্ৰকাশৰ কাৰণে বিবেচনা কৰা নহয়।

# অৱক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয়

স্বপ্না বেজবৰুৱা

১-১৫ জুলাই সংখ্যাৰ সূত্ৰধাৰত আমি অসম কৃষি বিশ্ববিদ্যালয়ৰ শৈক্ষিক দিশটোৰ কিছু কথা আলোচনা কৰিছিলো। বিশ্ববিদ্যালয়খনৰ অন্য দুটা মূল বিভাগ গৱেষণা আৰু সম্প্ৰসাৰণৰ বিষয়ে উল্লেখ নকৰিলে আলোচনা আধৰুৱা হৈ ৰ'ব। গৱেষণা আৰু সম্প্ৰসাৰণ এই দুয়োটা অসমৰ কৃষি আৰু কৃষকৰ লগত প্ৰত্যক্ষ ভাবে জড়িত।

অসমৰ বিভিন্ন অঞ্চলৰ কৃষি আৰু কৃষকৰ সমস্যা সম্পৰ্কে গৱেষণা কৰিবৰ বাবে আৰু সেই অঞ্চলৰ উপযোগী শস্যৰ উন্নয়নৰ প্ৰয়োজনীয় গৱেষণাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে অঞ্চল বিশেষে কেইবাটাও গৱেষণা কেন্দ্ৰ স্থাপন কৰিছে। এনে পদক্ষেপ অসমৰ দৰে কৃষি প্ৰধান ৰাজ্য এখনৰ বাবে সঁচাকৈ গৌৰৱৰ বিষয়। এইবোৰৰ ভিতৰত তিতাবৰ গৱেষণা কেন্দ্ৰত প্ৰধানকৈ ধান; তিনিচুকীয়া, গেলাপুখুৰীৰ টেঙাজাতীয় শস্য; উত্তৰ লক্ষীমপুৰত দ ঠাই বা পানীবোৱা ঠাইৰ উপযোগী ধান, নগাঁৱত ঘেহু, তেলজাতীয় শস্য, মৰাপাট আদিৰ; কৰিমগঞ্জত ধান, বাঁহ, মৰাপাট আদিৰ; ডিফুত পাহাৰীয়া কৃষি; কাঁহিকুছিত নাৰিকল, কল, মাটিকঠাল আদিৰ; মিছামৰাত কুহিয়াৰ আদিৰ বিষয়ে গৱেষণা কৰা হয়। অঞ্চল বিশেষে গৱেষণাৰ বিষয় সমূহ লক্ষ্য কৰিলে দেখা যায় যি অঞ্চলত যি শস্যৰ বাবে উপযোগী সেই ঠাইত সেই বিষয়ৰ ওপৰত গুৰুত্ব দি গৱেষণা কেন্দ্ৰবোৰ গঢ়ি তোলা হৈছে। যাতে সেই অঞ্চলৰ কৃষি আৰু কৃষক অধিক লাভবান হয়। গৱেষণাৰ নামত কোটি কোটি টকা খৰচ কৰি থকা এই গৱেষণা কেন্দ্ৰবোৰৰ পৰা অসমৰ কৃষক প্ৰকৃততে লাভবান হৈছেনে ? অসমৰ কৃষকৰ মাজত যদি বিচাৰি যোৱা হয় তেন্তে অসম কৃষি বিশ্ববিদ্যালয়ে উদ্ভাৱন কৰা এটা শস্যৰো জনপ্ৰিয় সঁচ বোধকৰো বিচাৰি পোৱা নাযাব। সেই বুলি আমি এইটো কবলৈ যোৱা নাই যে অসম কৃষি বিশ্ববিদ্যালয়ে নতুন নতুন সঁচ উদ্ভাৱন কৰা নাই। সময়ে সময়ে তেওঁলোকে তেওঁলোকৰ কাম কৰিছে। এটা সময়ত ধানৰ সঁচৰ ভিতৰত কৃষি বিশ্ববিদ্যালয়ৰ নিজৰ সঁচ মনোহৰ শালি অতি জনপ্ৰিয় হৈ পৰিছিল। কিন্তু তাৰ পাছত তেনে কোনো জনপ্ৰিয় সঁচ উলিয়াব পৰা নাই। যিবোৰ উলিয়াইছে তাৰ সৰহ সংখ্যকেই গৱেষণাগাৰৰ পৰা কৃষকৰ মাজলৈ গৈ বিশেষভাবে জনপ্ৰিয়তা লাভ কৰিব পৰা নাই। অন্যান্য শস্যৰ ক্ষেত্ৰতো একেই অৱস্থা। কেৱল গৱেষণাৰ বাবেহে গতানুগতিক গৱেষণা চলি আছে।

সেইদৰে নতুন পদ্ধতি, নতুন কৌশলৰ ফালে যদি চোৱা হয় তাতো অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱদান চকুত নপৰে। তাহানিতে অসমৰ কৃষকে যেনেদৰে খেতি কৰিছিল এতিয়াও একেদৰেই কৰি আছে। আনহাতে অসম কৃষি বিশ্ববিদ্যালয়ে নতুন পদ্ধতি, কৌশল উদ্ভাৱন কৰি আছে। কিন্তু এইবোৰ কৃষকে গ্ৰহণ কৰা নাই। আৰু কৃষিৰ ক্ষেত্ৰত কোনো নতুনত্ব আনিব পৰা নাই। এই যে কৃষকে গ্ৰহণ কৰা নাই, কিয় গ্ৰহণ কৰা নাই তাৰ সঠিক পৰ্যালোচনাও কোনো দিনে হোৱা নাই। এতিয়াও কিমান বেছি সাৰ ব্যৱহাৰ কৰি, কিমান কীট নাশক দ্ৰব্য প্ৰয়োগ কৰি অধিক উৎপাদন পাব পাৰি তাৰ ওপৰতহে অধিক গুৰুত্ব দি গৱেষণা কৰি অহা হৈছে।

> অসম কৃষি বিশ্ববিদ্যালয়ত আজি কেইবছৰমানৰ আগলৈকে এজোপা সামান্য গছেও শৃংখলাবদ্ধতাৰ পৰিচয় দিছিল। কিন্তু এতিয়া বিশ্ববিদ্যালয়ৰ দুৱাৰ মুখত থিয় দিয়েই মন্তব্য কৰিব পাৰি – বিশ্ববিদ্যালয়ত আগৰ পৰিবেশ নাই। অলপ ভিতৰ সোমাই গৈ যদি অলপ ভূ লয় তেন্তে চকু গৈ কপালত উঠৈগৈ। আজি কেইদিনমানৰ আগৰ কথা। অসম কৃষি বিশ্ববিদ্যালয়ে প্ৰায় ১৬ লাখ টকাৰ চিনটেক্স কোম্পানীৰ টেংকি কিনিলে।

সাধাৰণ কৃষকৰ বাবে এনে গৱেষণা লব্ধ ফল অবান্তৰ। কিমান কম খৰচত কিমান সৰহ উৎপাদন পাব পাৰি তাৰ গৱেষণা অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণাগাৰত হোৱা নাই। যিহেতুকে অসমৰ সাধাৰণ কৃষকৰ আৰ্থিক অৱস্থা অতি নিম্ন স্তৰৰ গতিকে এনে কৃষকৰ বাবে কৃষি পদ্ধতি বা কৌশল এনে হ'ব লাগিব যিটো তেওঁলোকৰ গ্ৰহণযোগ্য হয়। লগতে কৃষকে যুগ যুগ ধৰি অৱলম্বন কৰি অহা পদ্ধতি বা বিভিন্ন কৌশলবোৰৰ ভিত্তি আছেনে নাই বা এইবোৰৰ কিবা উন্নয়ন সাধন কৰিব পাৰি নেকি এই বিষয়েও গৱেষণাৰ দৰকাৰ।

বিশ্বত বৰ্তমান পৰিবেশ প্ৰদূষণৰ এক আন্দোলন গঢ়ি উঠিছে। আমিও প্ৰদূষণ সম্পৰ্কে চিন্তা কৰাৰ সময় আহি পৰিছে। অধিক সাৰ প্ৰয়োগ বা কীট নাশক ঔষধ প্ৰয়োগে পৰিবেশ আৰু জীৱ জগতত কি ভয়াবহতাৰ সৃষ্টি কৰিব পাৰে সেই চিন্তা অসম কৃষি বিশ্ববিদ্যালয়ে এবাৰলৈও কৰা নাই। পথাৰত আমি নিজ চকুৰে দেখিছো যে কিছুমান ঔষধৰ প্ৰয়োগে পথাৰত মাছ পুঠিতো মাৰি শেষ কৰেই কেচু কুমটিও মাৰি পেলায়। ফলত মাটিৰ উৰ্বৰতা কমি আহে। আনহাতে দুখীয়া কৃষকে বহু কষ্টৰ মূৰকতো এটা মাছ পুঠি দেখিবলৈ নোপোৱা হয়। কাৰণ তেওঁলোকৰ বজাৰৰ পৰা কিনি খোৱাৰ সামৰ্থ্যও নাই। এডৰা পথাৰত তেনে বিষাক্ত ঔষধ প্ৰয়োগ কৰা মানে সমগ্ৰ অঞ্চলটোলৈ এই বিষ ক্ৰমে বিয়পি পৰে। সমগ্ৰ দিশ চালি জাৰি চাই অসম কৃষি বিশ্ববিদ্যালয়ে কেৱল গৱেষণাগাৰৰ বাবে গৱেষণা নকৰি বাস্তৱসন্মত দিশসমূহৰ ওপৰত গৱেষণা কৰক।

কৃষি বিশ্ববিদ্যালয়ৰ অন্য এটা অতি গুৰুত্বপূৰ্ণ দিশ হ'ল সম্প্ৰসাৰণ শিক্ষা। এই বিভাগৰ দায়িত্ব হ'ল কৃষকক গৱেষণালব্ধ তথ্যৰে নতুন পদ্ধতি, নতুন কৌশল সম্পৰ্কে অৱগত কৰি শিক্ষিত কৰি তোলা আৰু ইয়াৰ প্ৰতি আকৃষ্ট কৰা। বিশ্ববিদ্যালয়ে বিভিন্ন প্ৰশিক্ষণ ব্যৱস্থাৰ দ্বাৰা সম্প্ৰসাৰণ শিক্ষাৰ কাম সমাধা কৰে। এই প্ৰশিক্ষণ ব্যৱস্থা পৰোক্ষ আৰু প্ৰত্যক্ষ দুয়ো ধৰণেৰে কৰা হয়। পৰোক্ষ ব্যৱস্থাত অসম চৰকাৰৰ কৰ্মচাৰীক প্ৰশিক্ষণ দিয়া হয় যাতে তেওঁলোকে কৃষকৰ মাজলৈ নতুন কৌশল আৰু পদ্ধতিৰ বিষয় কঢ়িয়াই নিব পাৰে। এই প্ৰশিক্ষণৰ উপৰিও বিশ্ববিদ্যালয়ত বিজ্ঞানী আৰু ৰাজ্য চৰকাৰৰ বিষয়াৰ বছৰেকত দুটা কৰ্মশালা অনুষ্ঠিত হয়। কিন্তু ৰাজ্য চৰকাৰৰ দীঘলীয়া পদ্ধতি আৰু কৰ্মচাৰীৰ হেমাহিৰ বাবে ইয়াৰ ফল কৃষকৰ মাজলৈ যাওঁতে বহুত পলম হয়।

প্ৰত্যক্ষ সম্প্ৰসাৰণ শিক্ষাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ৰ কেইবাখনো নিজা আঁচনি আছে। কিন্তু এই ক্ষেত্ৰত অসম কৃষি বিশ্ববিদ্যালয় সফল হৈছে বুলি ক'ব নোৱাৰি। সম্প্ৰসাৰণ আঁচনি সমূহ লৈ কৃষকৰ মাজলৈ যোৱা কৃষি বিষয়া সকলৰ মাজত এনেকুৱা মানসিকতাৰ বিষয়াও আছে যি নিজকে কৃষকৰ বন্ধু বুলি নাভাবি, বিশিষ্ট অতিথি হিচাপেহে গণ্য কৰে। গাঁৱৰ হোজা কৃষকে গায়ন বায়নেৰে তেওঁক আদৰি নি ফুলকুমলীয়া কিশোৰীৰ হতুৱাই ভৰি ধুৱাই আদৰণি জনায় আৰু সম্প্ৰসাৰণ বিষয়াই নিৰ্বিবাদ তাকে গ্ৰহণ কৰি গৌৰৱ বোধ কৰে। এইদৰে কৃষি সম্প্ৰসাৰণ সম্ভৱ নে ?

কৃষকৰ লগত প্ৰত্যক্ষ যোগাযোগৰ আটাইতকৈ ফলপ্ৰসূ আঁচনিখন আছিল 'কৃষক প্ৰশিক্ষণ' আঁচনি। ইয়াত কৃষি বিশ্ববিদ্যালয়ে প্ৰত্যক্ষভাবে কৃষকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছিল। কিন্তু ৰহস্যজনক কাৰণত বহু বছৰ ধৰি এই আঁচনিখন বন্ধ ৰখা হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে সজা কৃষক আবাস (farmers hostel) বিলাক অব্যৱহৃত হৈ আছে। এই আঁচনিৰ লগত জড়িত মুখ্য প্ৰশিক্ষণ বিষয়া, প্ৰশিক্ষণ বিষয়া আদি পদবোৰ বাজেটত ধৰি যোৱা সত্ত্বেও পূৰণ কৰা হোৱা নাই। অথচ বিভিন্ন বিভাগৰ বাজেটত অনুমোদন নজনোৱা বহুতো পদ সৃষ্টি কৰি কৰ্তৃপক্ষই ওলোমাই থৈছে বুলি অভিযোগ উঠিছে। সম্প্ৰসাৰণ বিভাগৰ কেৱল প্ৰথম শ্ৰেণী বিষয়াৰ প্ৰায় আধা সংখ্যক পদেই খালী হৈ আছে! সম্প্ৰসাৰণৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটাত ইমানবোৰ পদ কিয় খালী কৰি ৰখা হৈছে সেয়া কেৱল কৰ্তৃপক্ষৰ বাহিৰে কাৰো বোধগম্য নহয়। গৱেষণা আৰু সম্প্ৰসাৰণ শিক্ষাৰ সম্পৰ্ক দৃঢ় কৰিবৰ বাবে মাওলিক প্ৰশিক্ষণ সমন্বয়ৰক্ষী বিষয়াৰ কেইটামান উচ্চ পৰ্যায়ৰ পদ সৃষ্টি কৰা হৈছিল। এইবোৰত নিয়োগও কৰা হ'ল। লগতে কাৰ্যালয় সহায়ক টাইপিষ্ট, পিয়ন-ড্ৰাইভাৰ আদিও দিয়া হ'ল। কিন্তু সম্প্ৰসাৰণ সঞ্চালকালয়ে কোনো কোনো মাওলিক কাৰ্যালয়ত ১৯৮৮ চনৰ পৰা আজি পৰ্যন্ত প্ৰয়োজনীয় চকী এখনো দিয়া নাই। টাইপিষ্ট আছে কিন্তু টাইপ মেচিন নাই। প্ৰয়োজনীয় নথিপত্ৰ ৰাখিবৰ বাবে আলমাৰী এটাও দিয়া হোৱা নাই।

অসম কৃষি বিশ্ববিদ্যালয়ত আজি কেইবছৰমানৰ আগলৈকে এজোপা সামান্য গছেও শৃংখলাবদ্ধতাৰ পৰিচয় দিছিল। কিন্তু এতিয়া বিশ্ববিদ্যালয়ৰ দুৱাৰ মুখত থিয় দিয়েই মন্তব্য কৰিব পাৰি – বিশ্ববিদ্যালয়ত আগৰ পৰিবেশ নাই। অলপ ভিতৰ সোমাই গৈ যদি অলপ ভূ লয় তেন্তে চকু গৈ কপালত উঠৈগৈ। আজি কেইদিনমানৰ আগৰ কথা। অসম কৃষি বিশ্ববিদ্যালয়ে প্ৰায় ১৬ লাখ টকাৰ চিনটেক্স কোম্পানীৰ টেংকি কিনিলে। নিয়ম অনুসৰি ১০ হাজাৰতকৈ অধিক টকা খৰচ কৰিবলৈ হলে ক্ৰয়-বিক্ৰয় কমিটীৰ অনুমোদন ল'ব লাগে। কিন্তু চিনটেক্স কিনিবৰ বাবে কোনো অনুমতি লোৱা হোৱা নাছিল। আনহাতে চিনটেক্স কোম্পানীৰ পৰা নিকিনি কোনো ব্যৱসায়ীৰ পৰাহে ক্ৰয় কৰিলে। এইটোও নীতি বৰ্হিভূত। যেতিয়া এই বিষয়লৈ হুলস্থূল লাগিল তেতিয়া লাহেকৈ তদন্তৰ বাবে কৰ্তৃপক্ষই নিৰ্দেশ দিলে। যিজন বিষয়াৰ ওপৰত তদন্ত হ'ব লাগে তেওঁতকৈ তলৰ বিষয়া এজনক তদন্ত কৰিবলৈ দিয়াত উৰ্ধ্বতম বিষয়াজনে আদালতৰ আশ্ৰয় ল'লে। আদালতৰ নিৰ্দেশত তদন্ত সিমানতে স্থগিত ৰখা হ'ল। কিন্তু বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ এইকণো জ্ঞান নহ'লনে যে – এজন উচ্চ পদস্থ বিষয়াৰ তদন্ত নিম্ন বিষয়াই কৰিব নোৱাৰে। কেৱল এয়াই নহয়। চিনটেক্স টেংকিবোৰ অনা হৈছিল গুৱাহাটীৰ পৰা যোৰহাটলৈ। তাৰ পাছত খানাপাৰা চৌহদলৈ পুনৰ যোৰহাটৰ পৰা ট্ৰাকেৰে নিয়া হ'ল। ইয়াকে কয় টকাৰ শ্ৰাদ্ধ। অথচ কৰ্তৃপক্ষই বহুতো উন্নয়নমূলক কাম আৰ্থিক সংকটৰ বাবে নকৰাকৈ আছে।

অসম কৃষি বিশ্ববিদ্যালয়ত চলন্ত আৰু অচল গাড়ী সমূহ লৈ বৃহৎ আৰ্থিক কেলেংকাৰিৰ সৃষ্টি হৈছে বুলি অভিযোগ উঠিছে। এনেকুৱা ঘটনাও ঘটিছে যে – বিশ্ববিদ্যালয়ৰ গাড়ী কোনো বিষয়াৰ পুত্ৰই লৈ যাওঁতে ইঞ্জিন জ্বলিল। তাৰ কেইদিনমানৰ পাছতে নতুন ইঞ্জিন লগাই অনা হ'ল। কিন্তু বেআইনীভাবে নি এইদৰে বিশ্ববিদ্যালয়ৰ সম্পত্তি ধ্বংস কৰাৰ তদন্ত কিন্তু আজি পৰ্যন্ত নহ'ল। যোৰহাট চহৰত আজিকালি যেনিয়েই চোৱা যায় তেনিয়েই অসম কৃষি বিশ্ববিদ্যালয়ৰ গাড়ীবোৰ পিয়াপি দি ফুৰা দেখা যায়। এইবোৰ যদি মন কৰা যায় দেখা যাব গাড়ীখন হয় কোনোবা বিষয়াৰ ল'ৰা-ছোৱালী স্কুলত থ'বলৈ বা আনিবলৈ গৈছে, নহয় কাৰোবাৰ পত্নী বজাৰ কৰিবলৈ গৈছে। কিন্তু কোনো উন্নয়নমূলক কাম বা সম্প্ৰসাৰণৰ কামত ব্যৱহাৰ কৰা গাড়ীবোৰ মাহৰ পাছত মাহ ধৰি গেৰেজত পৰি থাকে। এনে কাৰ্যত সচেতন মহলে আশ্চৰ্য প্ৰকাশ কৰিছে।

অসমৰ বাহিৰৰ কৃষি বিশ্ববিদ্যালয়বোৰলৈ মন কৰিলে দেখা যায় প্ৰায়বোৰেই নিজস্ব উৎপাদনৰ জৰিয়তে অৰ্থ সংগ্ৰহ কৰিব পাৰে। কিন্তু অসম কৃষি বিশ্ববিদ্যালয়ৰ নিজৰ কোনো উৎপাদন বজাৰলৈ দিব পৰা নাই। খানাপাৰাৰ কেটল ফাৰ্মখনে আগতে ৬০০ লিটাৰ গাখীৰ উৎপাদন কৰিছিল কিন্তু এতিয়া তাত ৩০ লিটাৰ গাখীৰও উৎপাদন নহয়। ইয়াৰ কাৰণ কৰ্তৃপক্ষই নিৰ্ণয় কৰি তাৰ ব্যৱস্থা কৰিছেনে ? বিশ্ববিদ্যালয়ৰ উৎপাদন অৱস্থাই যদি তেনে হয় তেন্তে তেওঁলোকে জনসাধাৰণক কি আদৰ্শ দেখুৱাব পাৰিব। ইমান অৱক্ষয়ৰ পাছতো কৰ্তৃপক্ষৰ গা লৰা নাই। এতিয়াও সভাই সমিতিয়ে গুণগান কৰিবলৈ এৰা নাই। ইয়াকে কয় বোলে – গাত নাই চাল বাকলি, মদ খায় তিনি টেকেলি।

অসম কৃষি বিশ্ববিদ্যালয়ৰ বিশৃংখলতা আৰু অৱক্ষয়ৰ মূল কাৰণ হ'ল প্ৰশাসনীয় দুৰ্বলতা। যোৱা পাঁচ বছৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰশাসন ইমানেই কেন্দ্ৰীভূত হৈ পৰিল যে চতুৰ্থ শ্ৰেণীৰ এজন অস্থায়ী কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰতো উপাচাৰ্যই হস্তক্ষেপ কৰিছিল। এই অৱস্থাত আনকি স্বয়ং পঞ্জীয়ক মহোদয়েও নিজকে ৰাবাৰ ষ্টাম্প বুলিহে অভিহিত কৰিছিল বুলি শুনিবলৈ পোৱা গৈছে। এইখিনিতে মন কৰিবলগীয়া বিষয় হ'ল অসম কৃষি বিশ্ববিদ্যালয় বিধি মতে পঞ্জীয়ক আৰু হিচাপ পৰিদৰ্শকজন সাক্ষাৎকাৰৰ ভিত্তিত নিয়োগ কৰিব লাগে। কিন্তু অসম কৃষি বিশ্ববিদ্যালয়ৰ এই দুয়োটা পদৰ এটাৰো বাবে সাক্ষাৎকাৰ অনুষ্ঠিত হোৱা নাছিল। আনহাতে হিচাপ পৰিদৰ্শক (Comptroller) পদত নিয়োগ কৰা ব্যক্তিজন ৰাজ্য চৰকাৰৰ কৰ্মচাৰী হ'ব লাগে, যাতে তেওঁৰ আৰ্থিক লেন দেনৰ বিস্তৃত জ্ঞান থাকে। কিন্তু বৰ্তমান সেই পদত নিযুক্ত হৈ থকা ব্যক্তিজনৰ সেই অৰ্হতা নাই। জানিব পৰা মতে ন্যায়ালয়ৰ ৰায় অনুসৰি তেওঁ জ্যেষ্ঠতাৰ ভিত্তিত সেই পদত নিয়োজিত হৈছে। যদি সেয়ে হয় তেন্তে প্ৰশাসনীয় অন্যান্য বিষয়াৰ ক্ষেত্ৰতো সেই নীতি প্ৰযোজ্য হ'ব লাগিছিল। কিন্তু অন্য বিষয়া সকলে সেইদৰে প্ৰমোচন পোৱা নাই। চাকৰি জীৱনত প্ৰমোচনটোৱেই সকলোৰে আকাংক্ষা তেনেস্থলত যদি তেওঁক সেই প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হয় তেতিয়া স্বাভাৱিকতেই বিক্ষুব্ধ হৈ পৰিব। বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় বিভাগত ২ জন উপ পঞ্জীয়ক, ১জন হিচাপ উপপৰিদৰ্শক, ১জন যুটীয়া হিচাপ পৰিদৰ্শক আদি পদ খালী হৈ আছে। কিন্তু কৰ্তৃপক্ষই বছৰ বছৰ ধৰি এইবোৰ পূৰণ কৰা নাই। ইয়াৰ ৰহস্য কি ? সেইদৰে চিকিৎসা বিভাগত ২টা জ্যেষ্ঠ চিকিৎসা বিষয়াৰ পদ খালী হৈ আছে। কিন্তু ২২ বছৰ ধৰি সেৱা আগবঢ়াই অহা চিকিৎসক জনক বিভিন্ন অজুহাতত পদোন্নতি দিয়া হোৱা নাই। সেইদৰে কাৰিকৰী বিভাগতো (D.P.P.) বিশ্ববিদ্যালয়ৰে যোগ্য ব্যক্তি থকা সত্ত্বেও ৰাজ্য চৰকাৰৰ অৱসৰ প্ৰাপ্ত বিষয়াকহে নিয়োগ কৰা হৈছে। বিশ্ববিদ্যালয়ত বছৰ বছৰ ধৰি সেৱা আগবঢ়াই অহা ব্যক্তি সকলে প্ৰাপ্যৰ পৰা বঞ্চিত হৈ অহাত বিক্ষুব্ধ হৈ আন্দোলনমুখী হবলৈ বাধ্য হৈছে। এটা পদোন্নতিৰ বাবে কৃষি বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীয়ে আমৰণ অনশনৰ

সিদ্ধান্ত ল'ব লগা হোৱাৰো উদাহৰণ আছে। এইবোৰ বৰ বেছি দিনৰ উদাহৰণ নহয়। মাত্ৰ যোৱা পাঁচটা বছৰৰ। অসম কৃষি বিশ্ববিদ্যালয়ৰ নিয়োগ প্ৰমোচন আদিত উৰ্ধ্বতম কৰ্তৃপক্ষই স্বজন প্ৰীতি কৰা আৰু তোষামোদকাৰীক প্ৰশ্ৰয় দিয়াৰ অভিযোগ উঠি আহিছে।

অসম কৃষি বিশ্ববিদ্যালয়ত প্ৰশাসনীয় বিশৃংখলতাৰ সৃষ্টি হোৱা এটা প্ৰধান কাৰণ : কোনো দৃঢ় প্ৰশাসনীয় নীতি নথকাটো। কৰ্তৃপক্ষৰ ইচ্ছানুযায়ী যাকে য'তে পাৰে নিয়োগ কৰিব পাৰে, প্ৰমোচন দিব পাৰে আৰু বদলি কৰিব পাৰে। যদিও এই ক্ষেত্ৰত সদায় উপ সমিতিৰ সিদ্ধান্ত বুলি দোহায় দিয়া হয় তথাপিও ইয়াত বিশ্ববিদ্যালয়ৰ উৰ্ধ্বতম কৰ্তৃপক্ষই প্ৰাধান্য বিস্তাৰ কৰাৰ অধিক সুবিধা আছে। বহুক্ষেত্ৰত কৰ্তৃপক্ষই একাডেমীক কাউন্সিল, বৰ্ড অব মেনেজমেন্টৰ সিদ্ধান্ত বুলি কবলৈ বিচাৰে। কিন্তু এই বৰ্ড অব মেনেজমেন্টখনে উপযুক্তভাবে প্ৰতিনিধিত্ব কৰা নাই বুলি অভিযোগ উঠিছে। ইয়াত বিষয়া সকলৰ কোনো প্ৰতিনিধি নাই। ফলত প্ৰায় ৩ হেজাৰ কৰ্মচাৰীৰ সুবিধা অসুবিধা আদিৰ বিষয়ে বৰ্ড অব মেনেজমেন্টত উত্থাপন কৰিবলৈ কোনো নাই বুলি বিষয়া সংস্থাই অভিযোগ তুলিছে আৰু তেওঁলোকে প্ৰতিনিধি দিবৰ বাবে দাবী জনাই আহিছে।

আনহাতে অসম কৃষি বিশ্ববিদ্যালয়খন স্থাপনৰ সময়ত যিসকল ব্যক্তিয়ে ৰাজ্য চৰকাৰৰ চাকৰিৰ পৰা বিশ্ববিদ্যালয় লৈ আহিছিল তেওঁলোকক বিশ্ববিদ্যালয় আইনত কোৱা হৈছিল যে - ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়ে যিখিনি সুবিধা পায় বিশ্ববিদ্যালয়লৈ আহিলেও তেওঁলোকক সেই সকলো সুবিধা দিয়া হ'ব। কিন্তু সেই কৰ্মচাৰী সকলে এতিয়া বিশ্ববিদ্যালয়ত তেনে কোনো সুবিধা নোপোৱাত অসন্তুষ্ট হৈ পৰিছে আৰু তেওঁলোকৰ প্ৰতি অন্যায় কৰা হৈছে বুলি অভিযোগ কৰিছে।

অসম কৃষি বিশ্ববিদ্যালয়ে আৰ্থিক সংকটৰ কথা প্ৰায়ে কৈ অহা শুনা যায়। বিভিন্ন উন্নয়নমূলক কামৰ কথা কৰ্তৃপক্ষক সুধিলেও আৰ্থিক সংকটৰ কথাকে ব্যক্ত কৰে। কিন্তু এইখন বিশ্ববিদ্যালয়তে প্ৰাক্তন উপাচাৰ্য দেৱজিৎ চলিহাৰ দিনত কেইবাকোটি টকা ৰাহি কৰি গৈছিল। অথচ যোৱা ৫টা বছৰত বিশ্ববিদ্যালয়ৰ তলি উদং হৈ পৰিল। ইয়াৰ কাৰণ বিশ্লেষণ কৰাৰ প্ৰয়োজন নিশ্চয় আছে।

অসম কৃষি বিশ্ববিদ্যালয়খনক অৱক্ষয়ৰ গৰাহৰ পৰা উদ্ধাৰ কৰিবৰ বাবে শুদ্ধ প্ৰশাসনীয় নীতি, দক্ষ আৰু নিৰপেক্ষ প্ৰশাসকৰ প্ৰয়োজন। লগতে এই অৱক্ষয়ৰ কাৰণ বিশ্লেষণ কৰি সেইবোৰ নিৰাময়ৰ উপায় উদ্ভাৱন কৰিবলৈ এখন বিশেষজ্ঞ কমিটীৰ প্ৰয়োজনো নুই কৰিব নোৱাৰি।

# বৃক্ষৰ মিনতি

মনোৰমা বৰুৱা

"অন্ধ ভূমিগৰ্ভ হতে শুনেছিলে আহ্বান প্ৰাণে প্ৰথম জাগৰণে, তুমি বৃক্ষ আদি প্ৰাণ ঊৰ্দ্ধশীৰ্ষে উচ্চাৰিলে আলোকেৰ প্ৰথম বন্দনা ছন্দোহীন পাষাণেৰ বক্ষ পৰে আনিলে বেদনা, নিঃসাৰ নিষ্ঠুৰ মৰুতলে।"

ৰবীন্দ্ৰনাথ ঠাকুৰ

অৰণ্যই হ'ল মানুহৰ প্ৰথম আশ্ৰয়। বাইবেল, কোৰাণৰ মতে ঈশ্বৰে মানুহ সৃষ্টিৰ আগতেই অৰণ্যৰ সৃষ্টি কৰিছিল। মানুহৰ আদি পিতৃ-মাতৃ আদম আৰু ইভে ঈশ্বৰৰ নিষেধ সত্বেও জ্ঞান বৃক্ষৰ ফল খাই ঈশ্বৰৰ অভিশাপত পৃথিৱীলৈ নিৰ্বাসিত হৈছিল। আৰু পৃথিৱীলৈ আহি অৰণ্যত আশ্ৰয় লৈছিল। বৃক্ষৰ পাতেৰে শৰীৰ আবৃত কৰিছিল। ফল-মূলেৰে ক্ষুধাৰ নিবৃত্তি কৰিছিল। সেই কথাই প্ৰমাণ কৰে মানুহতকৈ অৰণ্য প্ৰাচীন।

বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত সকলোতে আছে বিশদভাবে, অৰণ্যৰ ঐশ্বৰ্যৰ সংবাদ। সকলোতে আছে বৃক্ষ বন্দনা। আৰ্য-ঋষি-মুনি সকলৰ সাধনাৰ পীঠস্থান আছিল আদিম অৰণ্য। অৰণ্যৰ নিৰ্জনতাই, অৰণ্যৰ বিশাল গভীৰতাই, তেওঁলোকক দিছিল মুক্তিৰ পথ, ভক্তিৰ মাৰ্গ, ঈশ্বৰ উপলব্ধিৰ চেতনা।

নগৰ এৰি, ৰাজপ্ৰাসাদৰ ঐশ্বৰ্য বৈভৱ এৰি বুদ্ধগয়াৰ অৰণ্যৰ বোধিদ্ৰুমৰ তলত ৰাজকুমাৰ গৌতম বুদ্ধত্ব প্ৰাপ্তি হৈছিল। বৈষ্ণৱ গুৰুৱে সেয়েহে কৈছিল, শতপুত্ৰসম বৃক্ষ।

আৰু আজি সু-সভ্য মানৱ জাতিয়ে অৰণ্যৰ বিৰুদ্ধে বৃক্ষৰ বিৰুদ্ধে, সংহাৰ মূৰ্তি ধাৰণ কৰিছে। নিজৰ সুখ স্বাচ্ছন্দ্যৰ বাবে ঈশ্বৰ প্ৰদত্ত এই মহিমাময় ঐশ্বৰ্য নিধন কৰিছে অৱলীলাক্ৰমে। যান্ত্ৰিক সভ্যতাৰ ক্ৰমবিকাশে মানুহক হৃদয়হীন, চেতনাহীন কৰি তুলিছে ক্ৰমান্বয়ে। মানুহ যন্ত্ৰৰ দৰে হবলৈ ধৰিছে। অথচ পৰম ক্ষমাশীল পিতৃৰ দৰে অৰণ্যই, গছ-গছনিয়ে আমাৰ সকলো নীচতা, ক্ষুদ্ৰতা ক্ষমা কৰি আমাক আশ্ৰয় দি আছে। অৰণ্য নহলে, বন বিৰিখ নহলে আমাৰ প্ৰতিটো মুহূৰ্ত অচল। যতেই হাত দিওঁ, যেনিয়েই চাওঁ সকলো ফালে অৰণ্যৰ দান। অৰণ্যই আমাক ঋণী কৰি থৈছে। ঘৰ, দুৱাৰ, চকী, মেজ, যানবাহন (নাও, জাহাজ, বাছ, লৰী, ৰেলৰ আলিৰ শ্লীপাৰ) কাগজ, কাপোৰ (ক্ষেত্ৰবিশেষে) আয়ুৰ্বেদৰ ঔষধ, প্ৰসাধন দ্ৰব্য, সুগন্ধি সম্ভাৰ, তেল, চাবোন, ৰবৰ, আঠা অগৰু চন্দন ইত্যাদি ইত্যাদি। মুঠতে গছে বনে, ঘাঁহে, লতাই আমাক কি দিয়ে, কেনেকৈ দিয়ে, কিমান দিয়ে তাৰ খতিয়ান দিয়াটো অসম্ভৱ।

বেদৰ মন্ত্ৰ, ঔপনিষদৰ শ্লোক আজিৰ সভ্যতাৰ বাবে বুকুত সাবটি থৈছিল গছৰ পাতেই। সাঁচি গছৰ পাতেৰে তৈয়াৰী সাঁচিপুথিতেই আছে আমাৰ গৌৰৱমণ্ডিত সভ্যতা, সংস্কৃতিৰ কালজয়ী ইতিহাস।

ভাৰতবৰ্ষৰ জনসংখ্যাৰ শতকৰা আশীভাগ মানুহ বাস কৰে গাঁৱত। চহৰতকৈও গাঁৱৰ মানুহ অৰণ্যৰ ওপৰত অধিক নিৰ্ভৰশীল। ঘৰৰ বাঁহৰ খুঁটাটোৰ পৰা নাঙলৰ মুঠিলৈ, চালৰ খেৰৰ পৰা জুই জ্বলোৱা জেংখৰিলৈ অথচ বিনা দ্বিধাই নিৰ্বিচাৰে মানুহে অৰণ্য ধ্বংস কৰে।

পৰিবেশ বা পাৰিপাৰ্শ্বিক বাতাবৰণৰ ওপৰত অৰণ্যৰ অসীম প্ৰভাৱ। পৰিবেশ সুষ্ঠ, সুন্দৰ ৰাখিবলৈ, সংৰক্ষণ কৰিবলৈ এতিয়া দেশে দেশে আয়োজন, তাৰ বাবে দেশীয়, অৰ্ন্তদেশীয় কতনা আলাপ-আলোচনা, পৰ্যালোচনা, পৰিকল্পনা। আমি সভ্য মানুহ সকলোৱেতো জানোৱেই পৰিবেশ সংৰক্ষণ কৰাত অৰণ্যৰ ভূমিকাৰ কথা। কাগজৰ বিজ্ঞাপন, চেমিনাৰ, সভা-সমিতি অথবা বছৰত এদিন মহাপয়োভৰে 'বৃক্ষৰোপণ দিৱস' পালন কৰি বিষয়টো সযতনে সামৰি নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা হ'ল বুলি স্বস্তিৰ নিশ্বাস লওঁ। কিন্তু গছৰ পুলি এটা এনেয়ে চোতালত বা বাৰীৰ এচুকত ৰুই থৈছো বুলি মনত পেলাব নোৱাৰো। অথচ প্ৰদূষণ নিয়ন্ত্ৰণত বৃক্ষৰ ভূমিকাৰ ওপৰত গৱেষণাও কৰো কাগজে কলমে।

সভ্যতাৰ বিভিন্ন অভিশাপে আমাৰ চৌপাশৰ বায়ুমণ্ডল দূষিত কৰিছে প্ৰতি পলে পলে। কল-কাৰখানাৰ পৰা অহৰ্নিশে ওলোৱা ধোঁৱা আৰু বাষ্পই বিষাক্ত কৰিছে বতাহ। কাৰ্বন-ডাই-অক্সাইড, নাইট্ৰোজেন, মিথেল বা যিকোনো তৰল গেচীয় পদাৰ্থ যদি বায়ুমণ্ডলত প্ৰয়োজনতকৈ সামান্যতমো অধিক থাকে তেনেহলে প্ৰভূত ক্ষতি হয় প্ৰাণী জগতৰ। একমাত্ৰ অক্সিজেন গেচে মানুহক দিয়ে জীৱনদায়িনী শক্তি। বতাহত অক্সিজেনৰ পৰিমাণ কমি গলে মানুহৰ পৃথিৱীত হাহাকাৰৰ সৃষ্টি হ'ব। গছে নিজৰ দেহলৈ টানি নিয়ে মানুহৰ বাবে বিপদজনক কাৰ্বন-ডাই অক্সাইড (এঙ্গাৰ গেচ) আৰু নিজৰ দেহৰ পৰা এৰি দিয়ে অম্লজান বায়ু। যিটো হাৰত মানুহে অৰণ্য ধ্বংস কৰিবলৈ ধৰিছে তেনেকৈ চলি থাকিলে, অচিৰেই এই শ্যামল, সুন্দৰ পৃথিৱী ৰূপান্তৰিত হ'ব, ধুসৰ-উষৰ মৰুভূমিলৈ। অৰণ্যই আনে বৰষুণ। বৰষুণে সেউজীয়া, উৰ্বৰা, শস্য-শ্যামলা কৰে বসুন্ধৰা। কিন্তু বন সংহাৰৰ ফলত সৃষ্টি হয়, ভূমিস্খলন অতি খৰাং অতি প্ৰবল বন্যা। এয়া মানুহে প্ৰকৃতিৰ ওপৰত কৰা অত্যাচাৰৰে কুফল।

এক আন্তৰ্জাতিক সমীক্ষা অনুযায়ী প্ৰতিবছৰে এক হেক্টৰ পাইন বনে বতাহৰ পৰা প্ৰতিবছৰে ৩৬ টন ধূলি-বালি নিৰ্গমণত সহায় কৰে। অৰণ্যৰ পৰিশোধিত নিৰ্মল বতাহে ধ্বংস কৰে বীজানুবহণকাৰী বেক্টেৰীয়া।

দেশত ঔদ্যোগিক বিকাশ যিমানেই হ'ব, পৰিবেশো সিমানেই দূষিত হ'ব। সভ্যতাৰ বিকাশৰ বাবে কল-কাৰখানা বৃদ্ধি হোৱাটো যেনেকৈ অপৰিহাৰ্য, তেনেকৈ পৰিবেশৰ শুচিতা ৰক্ষা হোৱাটোও সমানে অপৰিহাৰ্য। এই দুয়োটা বিপৰীতমুখী কাৰ্য সুষ্ঠভাবে সমাধা কৰিবলৈ আমি বিজ্ঞানসন্মত ভাবে চিন্তা কৰা উচিত। পৰিকল্পনা কৰা উচিত। এটাক গুৰুত্ব দি, আনটোক ধ্বংসৰ মুখলৈ ঠেলি দিলে সমস্যাৰ সমাধান নহ'ব। ইয়াৰ বাবে সৃষ্টি হ'ব লাগিব সুষ্ঠ জনজাগৰণৰ। আমি সকলোৱে ইয়াত অংশগ্ৰহণ কৰিব লাগিব। কাৰণ এটা কথা আমি মনত ৰখা উচিত যে, আজি এইদৰে সহ্য কৰি আছে যদিও প্ৰকৃতিয়ে মানুহৰ এই সৰ্বগ্ৰাসী অত্যাচাৰৰ প্ৰতিশোধ এদিন নহয় এদিন লবই। আৰু সেই প্ৰতিশোধৰ অগনিত নিশ্চিহ্ন হ'ব আমাৰ উত্তৰ পুৰুষ। আমাৰ ভৱিষ্যতৰ সন্তান। তেওঁলোকে বুকুভৰি লবলৈ নেপাব অকণমান নিৰ্মল বতাহ। থিয় হবলৈ নেপাব অকণমান মাটি। পৃথিৱীৰ ভাৰসাম্য বিনষ্ট হবলৈ ধৰিছেই। বায়ুমণ্ডলত ওপঙি থাকিব তীব্ৰ, বিষাক্ত গেচ, যাৰ এটা কণাই ধ্বংস কৰিব আমাৰেই সন্তানৰ জীৱন। ভাবিলে শৰীৰ মন শিয়ঁৰি নুঠেনে? অনাগত দিনৰ অশনি সঙ্কেতে মনক বিপৰ্যস্ত কৰি নোতোলে নে?

সমগ্ৰ বিশ্বজুৰিয়েই প্ৰকৃতিৰ এই বিনাশ যজ্ঞ সংঘটিত হবলৈ ধৰিছে। ভাৰতৰ ৩০৪০ লক্ষ হেক্টৰ ভূমিৰ ভিতৰত ১৭৫০ লক্ষ হেক্টৰ ভূমিয়েই ভিনভিন প্ৰকাৰৰ পৰিবেশজনিত সমস্যাত আক্ৰান্ত। তথ্য প্ৰকাশ পাইছে যে - প্ৰতি বছৰে গ্ৰীষ্ম মণ্ডলীয় বনৰ এক কোটি সত্তৰ লক্ষ হেক্টৰ বন ধ্বংস হবলৈ ধৰিছে। প্ৰতি মিনিটত ৩২ হেক্টৰ বন পৃথিৱীৰ বুকুৰ পৰা হেৰায় যাবলৈ ধৰিছে। প্ৰকৃতি নিঃশেষ হৈছে। আনহাতে জনসংখ্যাৰ বিস্ফোৰণ ঘটিছে। মানুহৰ চাহিদা বৃদ্ধি পাইছে। অভাৱ অনাটন

অৰণ্য নেথাকিব। ফুল নুফুলিব, চৰায়ে গান নেগাব। বতাহ নবলিব বৰ্ষাৰ বাৰি ধাৰাই পৃথিৱী স্নানসিক্ত নকৰিব এই কথা বাৰু কল্পনা কৰিবও পাৰিবনে? অভাৱ, অনাটন, ক্ষমতাৰ অহৰ্নিশৰ প্ৰতিযোগিতা, অৰ্থ উপাৰ্জন, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশচুম্বী মূল্য সন্তানৰ শিক্ষা-দীক্ষা, ভৱিষ্যতৰ চিন্তা ইত্যাদি এশ এবুৰি সফলত বিফলতাৰ চিন্তা ভাবনাই মন আৰু মগজু আবৰি ধৰে, স্নায়ু শিথিল হয়। মনৰ শান্তি বিঘ্নিত হয়, তেতিয়া নৈসৰ্গিক সৌন্দৰ্যৰ স্পৰ্শই আমাক কিছু পৰিমাণে হ'লেও সকাহ দিয়ে। স্নায়ুতন্ত্ৰক সজীৱ কৰি তোলে, সেয়েহে বোধকৰো অসুস্থ মানুহক জলবায়ু পৰিৱৰ্তনৰ উপদেশ দিয়ে।

বৃদ্ধি পাইছে আৰু এই চাহিদা পূৰণ কৰিবলৈ গৈ মানুহে নিষ্ঠুৰভাবে প্ৰকৃতিক ব্যৱহাৰ কৰিছে, শোষণ কৰিছে।

আপোনালোক কাৰোবাৰ কেতিয়াবা বৃক্ষৰ এই কৰুণ মিনতি চকুত পৰিছে নে?

"মই তোমালোকক শীতত তাপ দিওঁ। গ্ৰীষ্মৰ খৰ দাহত তোমালোকৰ মূৰৰ ওপৰত ছাটি মেলি ধৰো। মোৰ ফলেৰে তোমালোকৰ ক্ষুধা, তৃষ্ণাৰ নিবাৰণ কৰো। মূৰৰ ওপৰত আশ্বাদন মেলি ধৰো। ময়েই তোমাৰ নাঙল। শিশুৰ দোলনা। মৃতজনৰ কঠিন কফিন, জন্মদিনৰ শুভক্ষণত মোৰ পুষ্পই জনায় শুভকামনা। মৃত্যুদিনত মই তোমাৰ স'তে চকুলো টোকো। মই তোমালোকৰ পৰম সুহৃদ। মোৰ ওচৰলৈ আহা। কিন্তু আহি যেন মোৰ অনিষ্ট নকৰা। তোমালোকৰ বাবেই মোক জীয়াই থাকিবলৈ দিয়া।"

কিন্তু কোনে শুনে বৃক্ষৰ মিনতি? অৰণ্যৰোদন?

অৰণ্য নেথাকিব। ফুল' নুফুলিব, চৰায়ে গান নেগাব। বতাহ নবলিব বৰ্ষাৰ বাৰি ধাৰাই পৃথিৱী স্নানসিক্ত নকৰিব এই কথা বাৰু কল্পনা কৰিবও পাৰিনে? অভাৱ, অনাটন, ক্ষমতাৰ অহৰ্নিশৰ প্ৰতিযোগিতা, অৰ্থ উপাৰ্জন, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশচুম্বী মূল্য সন্তানৰ শিক্ষা-দীক্ষা, ভৱিষ্যতৰ চিন্তা ইত্যাদি এশ এবুৰি সফলতা বিফলতাৰ চিন্তা-ভাবনাই মন আৰু মগজু আৱৰি ধৰে, স্নায়ু শিথিল হয়। মনৰ শান্তি বিঘ্নিত হয়, তেতিয়া নৈসৰ্গিক সৌন্দৰ্যৰ স্পৰ্শই আমাক কিছু পৰিমাণে হলেও সকাহ দিয়ে। স্নায়ুতন্ত্ৰক সজীৱ কৰি তোলে, সেয়েহে বোধকৰো অসুস্থ মানুহক জলবায়ু পৰিৱৰ্তনৰ উপদেশ দিয়ে। পাহাৰীয়া স্থানলৈ যাবলৈ কয়। প্ৰকৃতিৰ উদাৰ কোমল স্পৰ্শই মনক প্ৰশান্তি দিয়ে। সেই প্ৰশান্তিয়ে শৰীৰক শক্তি দিয়ে। সেয়ে মানুহে আধুনিক জীৱনযাত্ৰা যন্ত্ৰৰ কোলাহলৰ পৰা মুক্তি বিচাৰে। বিচাৰে নিৰ্জনতা, গভীৰতা আৰু সেই নিৰ্জনতা দিয়ে প্ৰকৃতিয়ে। হঠাতে চকুত পৰা অতি সাধাৰণ বনৰীয়া ফুলপাহিয়েও হঠাতে মনক কৰি তোলে উন্মনা। ডাল ভৰি পৰা সোণাৰুৰ কোমল পাহিয়ে দিয়ে অপূৰ্ব অনাচ্ছাদিত আনন্দ। সেয়েহে, অকল চৰকাৰৰ বন বিভাগ, "সামাজিক বনানীকৰণ বিভাগ'ৰ ওপৰতে সকলো দায়িত্ব ন্যস্ত নকৰি আমি সকলোৱে ভবা উচিত, কেনেকৈ প্ৰকৃতি, পৰিবেশ কাৰো অনিষ্ট নকৰাকৈ প্ৰকৃতিৰ সৈতে সহবাস কৰিব পাৰি। চৰকাৰী বনবিষয়ক আইনখনকে দোঁহাৰি নেথাকি আমি সকলোৱে ভাবিব লাগে, কেনেকৈ প্ৰকৃতিৰ অভিশাপৰ পৰা আমাৰ সন্তানক ৰক্ষা কৰিব পাৰি? মানুহৰ সদিচ্ছা, শুভ বুদ্ধিৰ উদয় হলে সম্পূৰ্ণভাবে নোৱাৰিলেও প্ৰকৃতি, পৰিবেশক কিছু পৰিমাণে হলেও ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিব পৰা যায়। অকল আইন আৰু অনুশাসনৰ গাত ভেঁজা দি বৈ থাকিলেই নহ'ব। হ'ব আমাৰ আন্তৰিকতাৰে।

"তোৱা কেউ পাৱবি নে গো
পাৱবি না ফুল ফোটাতে।
যতই বলিস, যতই কৰিস,
যতই তাৱে তুলে ধৰিস
ব্যগ্ৰ হয়ে ৰজনী দিন
আঘাত কৰিস বোঁটাতে
তোৱা কেউ পাৱবি নে গো
পাৱবি না ফুল ফোটাতে।"

জীৱন দিও যদি গছত এপাহ ফুল ফুলাব নোৱাৰো তেন্তে ধ্বংসৰ অধিকাৰ ক'ত।

# শইকীয়া চৰকাৰৰ সাফল্য আৰু ব্যৰ্থতাৰ খতিয়ান

হিতেন মহন্ত

ৰাজ্যখনত যোৱা বছৰ ক্ষমতালৈ অহা নতুন চৰকাৰখনে দুটা স্বাধীনতা দিৱস উদ্‌যাপন কৰিলে। দুটা বছৰ সম্পূৰ্ণ নৌহওঁতেই এখন চৰকাৰৰ সাফল্য বা কৃতকাৰ্যতাৰ খতিয়ান দাঙি ধৰাটো সম্ভৱপৰ নহয়। অৱশ্যে মুখ্যমন্ত্ৰী শইকীয়াই যোৱা ১৫ আগষ্টত স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত বিগত এটা বছৰত চৰকাৰখনে লাভ কৰা সাফল্যৰ খতিয়ান পুংখানুপুংখভাৱে দাঙি ধৰে। ইয়াৰ ভিতৰত শইকীয়াই ৰাজ্যখনৰ দীৰ্ঘদিনীয়া কাৰ্বি সমস্যা সমাধান কৰিবলৈ সক্ষম হোৱাৰ কথা উল্লেখ কৰে। ইয়াৰ উপৰিও ৰাইজৰ সহযোগত আল্‌ফা আৰু বড়ো সমস্যা অতি সোনকালে সমাধান কৰিব পৰা যাব বুলিও মুখ্যমন্ত্ৰী শইকীয়াই আশা প্ৰকাশ কৰে। সাফল্যৰ খতিয়ানত ৰাজ্যখনৰ ৫৬ হেজাৰ নিবনুৱা যুৱক-যুৱতীক চাকৰি দিয়াৰ কথাও উল্লেখ কৰে। কোৱা বাহুল্য যে এই সকলৰ সৰহসংখ্যককেই শিক্ষক পদত নিযুক্তি দিয়া হৈছে।

এই পৰ্যন্ত দীৰ্ঘদিনীয়া কাৰ্বি সমস্যা সমাধান কৰাৰ কৃতিত্ব শইকীয়াৰ চৰকাৰে নিশ্চয় দাবী কৰিব পাৰে। কিয়নো চৰকাৰ আৰু এ, এছ, ডি, চিৰ নেতৃত্বৰ মাজত চুক্তি স্বাক্ষৰিত নহ'লেও কাৰ্বি সমস্যা সমাধানৰ বাবে চৰকাৰে যি প্ৰস্তাৱ আগবঢ়াইছে, সেই সম্পৰ্কত কাৰ্বি নেতৃত্বই বিশেষ আপত্তি প্ৰদৰ্শন কৰা নাই। সেইদৰে শেহতীয়াকৈ বড়ো সমস্যা সমাধানৰ দিশতো চৰকাৰে সামান্যভাৱে অগ্ৰগতি লাভ কৰিছে। অন্ততঃ বড়ো নেতৃত্বই যে তেওঁলোকৰ স্থিতি পূৰ্বতকৈ কিছু শিথিল কৰিছে, সেই কথা বড়ো নেতৃত্বই আলোচনাৰ বাবে প্ৰকাশ কৰা আগ্ৰহৰ পৰা অনুমান কৰিব পাৰি।

কিন্তু আল্‌ফা সমস্যাও অতি সোনকালে সমাধান কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী শইকীয়াই যি আত্মবিশ্বাসেৰে ঘোষণা কৰিছে, সেইটো সন্দেহৰ উৰ্দ্ধত নহয়। কিয়নো ৯০ শতাংশ আল্‌ফাৰ সদস্য আলোচনাৰ বাবে আগবাঢ়ি অহাৰ কথা চৰকাৰে বাৰে বাৰে ঘোষণা কৰাৰ পিছতো এই পৰ্যন্ত আলোচনাপন্থী আল্‌ফা নেতৃত্ব বা গোটৰ সৈতে প্ৰকৃতাৰ্থত আনুষ্ঠানিক আলোচনা হোৱা নাই। কেৱল মাজে সময়ে আলোচনাৰ নামত আলোচনা এই উদ্দেশ্যেৰে কেইজনমান আলোচনা পন্থী আলফা নেতাৰ সৈতে আলোচনা কৰা হৈছে। বাতৰি কাকতত আলোচনাপন্থী আল্‌ফা নেতাৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ বা মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা এই বাতৰি সঘনাই প্ৰকাশিত হৈছে। কিন্তু কি বিষয় লৈ আলোচনা হৈছে বা আলোচনাৰ অগ্ৰগতি কিমান সেই বিষয়ে দুয়ো পক্ষই কোনো কথা প্ৰাকাশ নকৰে। কেৱল মাজে সময়ে প্ৰকাশ কৰা হৈছে যে আল্‌ফাৰ সাধাৰণ পৰিষদৰ বৈঠক বহিব আৰু এই বৈঠকতে আলোচনাৰ বিষয়বস্তু সম্পৰ্কে সিদ্ধান্ত লোৱা হ'ব--এনেধৰণৰ বাতৰি প্ৰকাশ কৰা হৈছে। কিন্তু বাস্তৱত সেইটো এই পৰ্যন্ত কাৰ্যকৰী হোৱা নাই। সেয়ে আলোচনা সম্পৰ্কে স্বাভাৱিকতে ৰাইজৰ মনত সন্দেহৰ উদ্ৰেক হৈছে। মুখ্যমন্ত্ৰীয়ে এইটোও ঘোষণা কৰিছে যে আল্‌ফাৰ মাত্ৰ কেইজনমান শীৰ্ষস্থানীয় নেতাই আলোচনাৰ বিৰোধিতা কৰিছে আৰু নেতাকেইজন বাংলা দেশত আশ্ৰয় লৈ আছে। বাকী আটাইবোৰে আলোচনাৰ বাবে আগবাঢ়ি আহিছে। মুখ্যমন্ত্ৰীয়ে এইটোও কৈছে যে মাত্ৰ কেইজনমান নেতাই বিৰোধিতা কৰিলেই আলোচনাত ব্যাঘাত নজন্মে। মুখ্যমন্ত্ৰীয়ে এই বুলিও উক্তি কৰিছে যে সৈন্যই যদি নাথাকে, তেনেহ'লে সেনাপতিৰ কাম কি? কিন্তু সেইটোৱেই যদি হয়, তেনেহ'লে ইমানদিনে আল্‌ফাৰ সৈতে প্ৰকৃতাৰ্থত আনুষ্ঠানিক আলোচনা নহ'ল কিয়? স্মৰ্তব্য যে আল্‌ফাৰ সৈতে আনুষ্ঠানিক আলোচনাৰ বাবেই আলোচনাপন্থী আল্‌ফাৰ বিভিন্ন জিলা সমিতিক লৈ এখন সমন্বয়ৰাখী সমিতি যোৱা এপ্ৰিল মাহতেই গঠন কৰা হৈছিল। কিন্তু এই সমন্বয়ৰক্ষী সমিতিয়ে এতিয়া কি কাম কৰি আছে কোনেও নাজানে। বৰং সমন্বয়ৰক্ষী সমিতিৰ পৰিৱৰ্তে আলোচনাৰ বিষয়ত চক্ৰ গোহাঁই নামৰ আল্‌ফাৰ নেতাজনেহে হঠাতে প্ৰাধান্য লাভ কৰে। উল্লেখযোগ্য যে সমন্বয়ৰক্ষী সমিতি গঠন কৰাৰ সময়ত চক্ৰ গোহাঁই নাছিল ফলস্বৰূপে আলোচনাৰ ক্ষেত্ৰত সমন্বয়ৰক্ষী সমিতিৰ প্ৰাসঙ্গিকতাও লাহে লাহে বিলুপ্ত হোৱাৰ উপক্ৰম হৈছে। আল্‌ফাৰ শীৰ্ষস্থানীয় নেতাকেইজনৰ উপস্থিতিৰ অবিহনে যে আলোচনা ফলদায়ক নহয়, সেইকথাই পুনৰ প্ৰতীয়মান হৈছে। অন্ততঃ শেহতীয়াকৈ আলোচনা পন্থী আৰু আলোচনা বিৰোধী আল্‌ফাৰ মাজত হোৱা সংঘৰ্ষই তাৰেই ইংগিত বহণ কৰে।

সেয়ে হ'লেও সামগ্ৰিকভাৱে ৰাজ্যখনৰ আইন-শৃংখলাৰ পৰিস্থিতিৰ কিছু উন্নতি হৈছে। বিক্ষিপ্ত হিংসাত্মক ঘটনাৰ বাহিৰে যোৱা এটা বছৰত ৰাজ্যখনত ব্যাপক হিংসাত্মক ঘটনা ঘটা নাই। ইয়াৰ কৃতিত্ব শইকীয়াৰ চৰকাৰে নিশ্চয় দাবী কৰিব পাৰে। ৰাজ্যখনৰ আৰক্ষী বিভাগে পূৰ্বতকৈ কিছু সক্ৰিয় হোৱা দেখা গৈছে।

এই সকলোবোৰ বাদ দি যোৱা এটা বছৰত শইকীয়া চৰকাৰৰ আটাইতকৈ ডাঙৰ সাফল্য বা কৃতিত্বটো হ'ল ৰাজ্যখনৰ বিৰোধী ৰাজনৈতিক দলবোৰক নিষ্ক্ৰিয় কৰি ৰখাটো। যোৱা এটা বছৰত শইকীয়াৰ চৰকাৰে ৰাজ্যখনৰ বিৰোধী ৰাজনৈতিক দলবোৰৰ পৰা কোনোধৰণৰ প্ৰত্যাহ্বানৰ সমুখীন হোৱা নাই। বিৰোধী ৰাজনৈতিক দলবোৰৰ মাজত অনৈক্য হৈছে ইয়াৰ মূল কাৰণ। কেৱল বিগত ৰাজ্যসভা নিৰ্বাচনৰ সময়ত বিৰোধী ৰাজনৈতিক দলবোৰে ঐক্যবদ্ধভাৱে থিয় হোৱাৰ বাহিৰে অন্য কোনো এটা বিষয়তে বিৰোধীদলবোৰে শাসক দলৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় হ'ব পৰা নাই। মাজে সময়ে কেৱল বিৰোধী ৰাজনৈতিক দলবোৰে গাইগুটীয়া ভাৱে শাসকদলৰ বিৰুদ্ধে শূন্যতে তৰোৱাল ঘূৰাই আছে। যোৱা এটা বছৰত বিৰোধী ৰাজনৈতিক দলবোৰে শাসনাধিষ্ঠ কংগ্ৰেছ (ই) চৰকাৰখনৰ বিৰুদ্ধে কোনো এটা বিষয়তে ঐক্যবদ্ধ সংগ্ৰামৰ কাৰ্য সূচী গ্ৰহণ কৰিব পৰা নাই। ইয়াৰ অন্তৰালত নিশ্চয় বিৰোধী ৰাজনৈতিক দলবোৰৰ দুৰ্বলতাই নিহিত হৈ আছে। এই দুৰ্বলতাৰ সম্পূৰ্ণ সুযোগ লৈছে চতুৰ ৰাজনীতিক হিতেশ্বৰ শইকীয়াই। বিৰোধী ৰাজনৈতিক দলবোৰৰ মাজত থকা মতানৈক্য আৰু অৰিয়া অৰি সম্পৰ্কে শইকীয়া খুব ভালদৰে অৱগত। ইয়াৰ বলতেই তেওঁ বিৰোধী ৰাজনৈতিক দলবোৰক ভাগ ভাগ কৰি ৰাখিব পাৰিছে। এটা কথা সৰ্বজন বিদিত যে আবছু আৰু বিপিএচিৰ নেতৃত্বই কংগ্ৰেছ (ই) দলৰ তুলনাত অগপক বেছি শত্ৰুজ্ঞান কৰে। পাঁচবছৰ কাল শাসনত থাকি বড়ো সমস্যাৰ সন্দৰ্ভত অগপই গ্ৰহণ কৰা ভুল নীতিয়েই ইয়াৰ মূল কাৰণ। সেইদৰে এ, এছ, ডি, চিৰ নেতৃত্বইও অগপক এতিয়া সমূলি বিশ্বাস নকৰে। ১৯৮৫ চনত চৰকাৰ গঠনৰ সময়ত অগপ দলৰ সহযোগী হিচাপে থকা সত্বেও শেহলৈ এ, এছ, ডি, চিক বিশ্বাসত ৰাখিব নোৱৰাটো দলীয় নেতৃত্বৰ ব্যৰ্থতাই বুলি কব লাগিব।

সেইদৰে অগপ আৰু ন অগপৰ মাজত চলি থকা কন্দলৰ পৰা এনে অনুমান হয় যে দুয়োটা ৰাজনৈতিক দলে কংগ্ৰেছ (ই) দলৰ তুলনাত ইটোৱে সিটোক বেছি শত্ৰু জ্ঞান কৰে। অগপই ন অগপক আৰু ন অগপই অগপক কংগ্ৰেছ (ই) দলৰ এজেন্ট হিচাপে ৰাইজৰ মাজত প্ৰচাৰ চলাইছে। দুয়োটা ৰাজনৈতিক দলৰ এই প্ৰচাৰে কংগ্ৰেছ (ই) দলকে সহায় কৰিছে, সেইকথা কোৱা বাহুল্য মাথোন।





# নতুন কৌশলেৰে অহাবাৰলৈ ভাৰতীয় অলিম্পিক দল

ৰসানন্দ অভাজন

বাৰ্চিলোনা অলিম্পিকত ভাৰতৰ দুৰ্দশা দেখি গোটেই দেশখনে কটুবাক্য প্ৰয়োগেৰে তীব্ৰভাৱে সমালোচনা কৰিছে। ইজনে সিজনক দোষাৰোপ কৰি মনৰ ক্ষোভ প্ৰকাশ কৰিছে। লোকসভাতো প্ৰতিজন সদস্যই চিঞৰ বাখৰ কৰি তালফাল লগাই দিছে। কোনোবাই ক্ৰীড়া মন্ত্ৰীক পদত্যাগ কৰিবলৈ দাবী জনাইছে। কোনোবাই ভাৰতৰ মৃত্যু-দশা দেখি এক মিনিট সময় মৌনতা অৱলম্বন কৰিবলৈও প্ৰস্তাৱ দিছে। মন্ত্ৰী তথা ৰাজনৈতিক নেতাৰ হেতা-ওপৰা আৰু হস্তক্ষেপৰ কাৰণেই পৃথিৱীৰ দ্বিতীয় সৰ্ববৃহৎ দেশ ভাৰতৰ এনে শোচনীয় পৰিণতি ঘটিল বুলি কৈছে। এনেদৰে সমালোচনা, দোষাৰোপ, গালি-গালাজ আদি অলিম্পিক শেষ হোৱাৰ দহ পোন্ধৰ দিনমানলৈকে গতানুগতিকভাৱে চলিল আৰু সেয়া লাহে লাহে ভাৰত মহাসাগৰৰ ঢৌবোৰৰ লগত মিহলি হৈ নাইকিয়া হৈ গ'ল। কেইমাহমানৰ পিছত দীপঙ্কৰৰ সেই মাৰুতি গাড়ীখনো গুৱাহাটী মহানগৰীৰ পথত চলা হেজাৰ হেজাৰ মাৰুতিৰ লগত মিলি যাব আৰু বাৰ্চিলোনা পোৱা চৰম বিপৰ্যয়ৰ কথা আমি সকলোৱে পাহৰি যামহঁক।

কিন্তু এটা কথা আমি বুজা নাই, মন্ত্ৰী, নেতা, পালিনেতাৰ পৰা আৰম্ভ কৰি ক্ৰীড়াৰ লগত জড়িত মুখাফুটা কৰ্ম-কৰ্তাসকলে ভাৰতৰ বিপৰ্য্যয়ৰ কাৰণ বিচাৰিবলৈ গৈ চালে-বেৰেহে কোবাই আছে, আচল কথালৈ সোমাবলৈ অকণো প্ৰয়াস কৰা নাই। বিৰাট বটগছজোপাৰ পাতবোৰতহে বেমাৰৰ কাৰণ বিচাৰিবলৈ চেষ্টা কৰিছে, পাঁচ হেজাৰ বছৰীয়া প্ৰাচীন এই বিশাল মহীৰুহ জোপাৰ মাটিৰ তলৰ ধৰ্ম-সংস্কৃতিৰান শিপাডালৰ কথা কোনেও ভাৱা নাই অথবা পাহৰি গৈছে।

আমাৰ ধৰ্মীয় আবেগ আৰু অনুভূতিয়েই হৈছে শিপাডাল। আমাৰ মহান ভাৰতীয়সকল যিমান বেছি দেশপ্ৰেমিক তাতকৈ হেজাৰ গুণে বেছি ধৰ্মীয় আবেগিক আৰু স্পৰ্শকাতৰ, ইয়াৰ প্ৰমাণ আমি যুগ যুগ ধৰি পাই আহিছো। মহাত্মাগান্ধী, জৱাহৰলাল নেহৰু আদি বৰেণ্যসকলক অনুকৰণ কৰি নিজকে তেনে একোজনকৈ গঢ়ি তোলাতকৈ ৰাম, ৰাৱণ, পৱণপুত্ৰ হনুমান, ভীম, অৰ্জুন আদি ৰামায়ণ-মহাভাৰতৰ সেই বীৰপুৰুষসকলৰ ভাব আৰু কৰ্ম-কাণ্ডৰে আমাৰ ভাবমূৰ্তি তৈয়াৰ কৰিহে বেছি ভাল পাওঁ। ইয়াৰ প্ৰমাণ আমাৰ নগৰ-চহৰ, গাওঁ-ভূঁইৰ ৰাস্তাই-ঘাটে, বজাৰে-সমাৰে আমি পায়েই থাকো। দ্বিতীয়তে, প্ৰতিযোগিতামূলক কঠোৰ মনোভাব আমাৰ ভাৰতীয়ৰ মনত প্ৰায় নাই বুলিয়ে ক'ব পাৰি। অলিম্পিকলৈ নগ'লে বেয়া দেখি কাৰণে যায়; দৌৰ, মল্লযুদ্ধ, হকী ইত্যাদিত যোগ দিয়েগৈ। কিন্তু তাতেই শেষ। সেইবোৰত জিকি মেডেল পোৱা-নোপোৱা বিষয়টো 'ফলদাতা বিভূৰ' হাতত এৰি দিয়ে। খেলত হৰা-জিকা থাকেই, সকলো প্ৰতিযোগীয়েতো প্ৰথম, দ্বিতীয় বা তৃতীয় হব নোৱাৰে, এনে গীতা-দৰ্শনত গভীৰ ভাবে বিশ্বাসী আমাৰ ভাৰতীয় ক্ৰীড়াবিদ। লগত যোৱা কৰ্ম-কৰ্তাসকলে চুট-টাই মাৰি বুকুত ডাঙৰ বেজ্ মাৰি তাত ইংৰাজীত ফক্‌ফকাবলৈ যিমানেই চেষ্টা নকৰক, তেওঁলোকৰ শৰীৰৰ ভিতৰত গীতাৰ অনাসক্তি আদৰ্শ যে অনিৰ্বাণ দীপ শিখাৰ দৰে জ্বলি থাকে সেই কথা ফৰেণৰ মানুহবোৰে কেনেকৈ বুজিব!

গতিকে ধৰ্মৰ আবেগেই আমাৰ চালিকা-শক্তি, ধৰ্মই আমাৰ সকলো শক্তিৰ উৎস বুলি প্ৰতিয়মান হোৱাৰ পিছত এইটোকে প্ৰধান কেন্দ্ৰ আৰু মূলধন হিচাপে লৈ আমি যদি এতিয়াৰ পৰাই চাৰি বছৰৰ পিছত হবলগীয়া আট্‌লান্টা অলিম্পিকত যোগ দিবলৈ প্ৰস্তুতি চলাওঁ তাৰ ফল কেনে হব সেই বিষয়ে আমাৰ হৰ্তা-কৰ্তাসকলে দকৈ এবাৰ চিন্তা কৰা ভাল হব।

এতিয়াই গোটেই দেশৰ চুকে-কোণে ভ্ৰমণ কৰি বিভিন্ন ক্ৰীড়া কাৰ্যসূচীত পাৰদৰ্শিতা দেখুওৱা সম্ভাৱনাপূৰ্ণ কিছুমান হৃষ্ট-পুষ্ট ডেকা ল'ৰা বুটলি আনি দেশৰ কোনো এখন আহল-বাহল আৰু গছ-গছনিৰে ভৰপূৰ ঠাইত গোট খুৱাব লাগে। তাত প্ৰাকৃতিক পৰিবেশ, পাহাৰ, নৈ, জান, জুৰি, গছ-গছনিৰ মাজত প্ৰশিক্ষাৰ্থীইঁতক ৰাখিবলৈ ঘৰ থাকিব। কিন্তু সেইবোৰ ৰামায়ণ-মহাভাৰতৰ দিনৰ ঘৰৰ নিচিনা হব। তাৰ উপৰি তাত কঠোৰ অনুশাসন থাকিব, সেই শিবিৰত এবাৰ ভৰ্তি কৰাৰ পছিত চাৰি বছৰলৈ ওচৰৰ নগৰ-চহৰলৈ ওলাব নোৱাৰিব। সেইফালৰ পৰা সেই আশ্ৰম সদৃশ গাওঁখনক ট্ৰেইনিং কেম্প বুলি নকৈ কনচেনট্ৰেশ্চন কেম্প বুলি কোৱাহে উচিত হব।

সেই চাৰিবছৰীয়া কালছোৱাত একো একোজন সম্ভাৱনাপূৰ্ণ প্ৰতিযোগীৰ ভিতৰত সম্পূৰ্ণৰূপে আবেগ, ঐশ্বৰিক ভাবাপন্ন শক্তি সুমাৱাই দি সেইমতে ভাবমূৰ্তি গঢ়ি তোলা হব। উদাহৰণ স্বৰূপে লিম্বাৰাম। তেওঁ এজন ভাল ধনুৰ্বিদ্যাবিদ। এই কেম্পত ভৰ্তি কৰাৰ দিনৰে পৰা ব্ৰেইন ৱাচিঙৰ দ্বাৰা তেওঁৰ মগজু আৰু মনত এইটো ভাব সুমুৱাই দিব লাগিব যে তেওঁ তৃতীয় পাণ্ডৱ অৰ্থাৎ অৰ্জুন। তেওঁৰ দৰে ধনুৰ্বিদ বীৰ এই পৃথিৱীত এতিয়ালৈকে জন্ম হোৱা নাই। তেওঁৰ ধনুৰ টঙ্কাৰত তিনিভূবন থৰ্‌থৰকৈ কঁপিবলৈ ধৰে। অব্যৰ্থ তেওঁৰ লক্ষ্য। দ্ৰোণাচাৰ্য সদৃশ তেওঁৰ প্ৰশিক্ষণ অৰ্থাৎ গুৰুসকলে সদায়ে যদি অনবৰত এই ভাব তেওঁৰ মনত সুমুৱাই থাকে, লিম্বাৰাম অৰ্জুনত পৰিণত হবলৈ বেছি দিন নেলাগিব। ওখ বাঁহ এডালত মাছ এটা বান্ধি মাটিত এক চৰিয়া পানীৰে শৰবিদ্ধ কৰাৰ অনুশীলন কৰাই থাকি চাৰি বছৰ কালৰ ভিতৰত যিদিনা তেওঁ কৃতকাৰ্য হব, সেই দিনাই লিম্বাৰামে নিজেই চিঞৰি উঠিব, মই মহাপৰাক্ৰমী অৰ্জুন। অৱশ্যে সেই সময়ছোৱাত অৰ্জুনত পৰিণত হোৱা লিম্বাৰামে উত্তৰা ফুত্তৰাৰ ধান্দা সম্পূৰ্ণ ত্যাগ কৰিব লাগিব। এনে চাৰি বছৰীয়া কঠোৰ অনুশীলনৰ পিছত অৰ্জুনত পৰিণত হৈ যোৱা লিম্বাৰামক ৰাজকীয় সাজ পোছাক পিন্ধাই কুৰুক্ষেত্ৰ ৰণাঙ্গণৰূপী আট্‌লান্টালৈ লৈ যোৱাৰ পিছত যিটো ৰিজাল্ট পোৱা যাব, সেইটো যে অকম্পনীয় আৰু ফেন্টাষ্টিক হব তাত কোনো সন্দেহ নাই। এইটো সম্পূৰ্ণৰূপে 'ৰিজাল্ট-অৰিয়েন্টেড্ ষ্ট্ৰেটেজী'।

ঠিক এনেদৰে সাৱধানেৰে বাছি বাছি কিছুমান স্বাস্থ্যৱান ডেকা ল'ৰা উলিয়াব লাগে, যাৰ ভিতৰত সহজতে ভীম, হনুমান, কৰ্ণ আদিৰ আৰ্জিত বিক্ৰম, সাহস, শক্তি, ধুমুহাৰ দৰে বেগৱান গুণবোৰ সুমুৱাই দি সিহঁতক সেইমতে কঠোৰ ট্ৰেইনিং দিব পাৰি। ধৰ্মৰ আবেগৰ পৰা জন্ম হোৱা ভাবমূৰ্তিয়ে সিহঁতক বিশ্ব-জয়ী অসীম শক্তিধৰত পৰিণত কৰি দিব। এই ট্ৰেইনিং কেম্পৰ পৰা চাৰি বছৰৰ মূৰত যিজনে হনুমানৰ ভাবমূৰ্তি আৰু আদৰ্শেৰে ওলাই আহি পোনেই অলিম্পিকলৈ যাব, তেওঁ সহজতেই ৩০০/৪০০ কেজি ওজনৰ চকা লগোৱা ভাৰ উত্তোলন কৰিব পাৰিব। গন্ধমাদন পৰ্বতৰ আগত সেইবোৰ কোন কুটা। তেনেদৰে শ্বটফুট, পোল্ট ভোল্ট, লং জাম্প্ ইত্যাদিত হনুমানৰূপী আমাৰ প্ৰতিযোগীক হৰুৱাবলৈ কৰো সাহস নহব। ৪০০/৮০০ মিটাৰ, হাৰ্ডল দৌৰ প্ৰতিযোগিতাতো হনুমান, ভীম, অৰ্জুন, কৰ্ণ থাকোতে চিন্তা কৰিবলগীয়া একো নাই। ৰীলে-ৰেচো এওঁলোকৰ দ্বাৰাই হব। ইপিনে মাৰাথন ৰেচত হনুমানতো আছেই। আনকি ৱাকিং-ৰেচৰ বাবেও আমাৰ মানুহ বছৰি প্ৰশিক্ষণ লৈ মজুত হৈ আছে। অৱশ্যে কান্ধত ভাৰ এখনত দুফালে দুটা ঘট বান্ধি 'ভোলে বম্' বুলি চিঞৰি গৈ থাকিবলৈ অলিম্পিক কমিটিয়ে এলাউ কৰিব লাগিব। এটা ৰাতিৰ ভিতৰতে ২০/২৫ কিলোমিটাৰ গৈ ঘটত পানী ভৰাই আকৌ একেটা স্পীডত ঘূৰি অহা শক্তি আন কোনো জাতিৰে নাই। এনেবোৰ ৱাকিং ৰেচৰ মানুহ আজিকালি আমাৰ অসমতো প্ৰচুৰ আছে। কিন্তু ভীম, অৰ্জুন, হনুমান, ৰাম, লক্ষ্মণৰ ভাবাবেগিক আদৰ্শৰ ক্ৰীড়াবিদক বিচাৰিবৰ কাৰণে উত্তৰ প্ৰদেশেই প্ৰশস্ত হব।

নতুন ৰূপত গঢ়িব খোজা এই ভাৰতীয় কন্টিনজেন্টৰ জেনেৰেল মেনেজাৰ বোধকৰো চুট-টাই বৰ্জিত শ্ৰীকৃষ্ণৰূপী এজনক নিব পাৰিলে ভাল হব আৰু প্ৰতিযোগিতাত ন্যায়-অন্যায় বাছ-বিচাৰ কৰিবলৈ ৰাম আৰু যুধিষ্ঠিৰ ভাবাদৰ্শেৰে আপ্লুত দুজন সুপুৰুষক পঠিয়াব লাগিব। মুঠতে মহাভাৰত আৰু ৰামায়ণ একাকাৰ নকৰিলে পৰাজয়ৰ গ্লানিৰ পৰা ভাৰতৰ নিস্তাৰ নাই।

# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



অংকন : চম্পক বৰুৱা

এইবাৰ শইকীয়াৰ দোকানৰ সুনাম বাঢ়িল। কালী পূজাৰ পিছতে শইকীয়াই আকৌ কলিকতালৈ যাবলৈ মন স্থিৰ কৰিলে। এইবাৰ নাৰায়ণবাবু নহ'লেও হ'ব বুলি বুজিলে। তথাপিও তেখেতৰ যোৱাৰ সকাম আছে নেকি সুধি থ'লে। সেই একে ৰেলগাড়ী – একে ঠাইতে সাল-সলনি কৰি শিয়ালদহ ষ্টেচনৰ পৰা ওলাই গৈ মিডলেও হোটেল পাওঁতে এইবাৰ একো আহুকাল নহ'ল।

যোৰহাট এৰাৰ আগতে এজন ডেকা উকিলৰ লগত মধু শইকীয়াৰ চিনাকি হৈছিল। সেইদিনা দেওবাৰে ঘৰতে থাকি বাপক ওমোলাই সেউতীক আজৰি কৰি দিছিল। ঘৰ-গৃহস্থালি একোখন চলাবলৈ হলে বহুতো কাম থাকে। অকণমান কাহুদি খাৰলি, নানা-তৰহৰ আচাৰ, দুই-এপদ খাব পৰা জলপান, দেওবাৰৰ দিনা গিৰীয়েকে উলিয়াই দিয়া সময়কণৰ ভিতৰতে সেউতীয়ে বনাই লৈ টেমাবোৰত ভৰাই থয়। সেইদিনা ৰাতিপুৱা ঘৰৰ আগ চোতালত বাপক কোঁচত তুলি উমলিবলৈ দি থাকোতেই এজন শুৱনি-সুঠাম মানুহে গেট খুলি ভিতৰ সোমাই আহিল। শইকীয়াক দেখিয়েই সুধিলে, 'আপুনি মধু শইকীয়া নহয় নে ?'

শইকীয়াই সঁহাৰি জনালে, আৰু কৌতূহলেৰে তেখেতলৈ চালে। সুৰক মাতি বাপক তাইৰ হাতত তুলি দি চ'ৰা ঘৰলৈ মানুহজনক আগবঢ়াই নি দুয়ো বহিল, 'আপোনাক মই চিনি নাপালো দেখোন ?'

'আপোনাৰ দৰে আমিও এই চুবুৰিতে নতুনকৈ ঘৰ পাতি বহিছো। চা-চিনাকি হোৱাৰ প্ৰয়োজন আছিল যদিও আপোনাৰ ওচৰলৈ আজি পিছে এটা সকামতহে আহিছো।'

কথা কেইটা শুনি শইকীয়াৰ ভাল লাগিল। তেখেতৰ কথাবোৰ পোনপটীয়া। অলপ মন কৰি দেখিলে, তেখেতৰ চকুৱে-মুখে ফুটি উঠিছিল এটা দীপ্তি। গাৰ বৰণটো পকা থেকেৰাৰ লেখীয়া।

'আপোনাৰ নামটো কিন্তু মোক নকলে।'

'মোৰ নাম পুৰন্দৰ ফুকন। পূৰ্বতে আমাৰ ঘৰ আমগুৰিত আছিল। পিতাই সৰুতে হানি হ'ল। খুৰাদেউ-খুৰীটিৰ লগতহে মই ডাঙৰ হৈছো। চিনামৰা বাগানত খুৰাদেৱে চাকৰি কৰিছিল। ইয়াতে আগতে লৈ থোৱা মাটিত মই ঘৰটো সাজিছিলো। এতিয়া অৱসৰ লোৱাৰ পিছত কেইমাহমান হ'ল খুৰাদেউ আৰু খুৰীটিয়ে তাতে আহি সোমাইছে। কেতিয়াবা আহিলে আপুনি তেখেতসকলক লগ পালে ভাল পাব।'

'সজ কথা। আমি কেতিয়াবা ওলামগৈ। আপোনাৰ ঘৰলৈ কোনপিনে বা যাব লাগিব ?'

ফুকনে বাটৰ নিৰ্দেশটো আঙুলিৰে টোঁৱাই দেখুৱালে, 'আহিব হ'লে দেই। আপোনালোক কাৰবাৰী মানুহ টোতে খৰটো মাৰি মানুহৰ লগত সম্পৰ্ক ৰাখিব লাগিব নহয়।'

শইকীয়াই হাঁহে। মানুহজনে কাৰবাৰী মানুহৰ কথাবোৰৰ বুজ পাইছে যে সেইটো দেখি শইকীয়াৰ ভাল লাগিল।

'বৰ। আপোনাৰ ওচৰলৈ মই যিটো কথাৰ কাৰণে আহিছিলো, সেই কথা এতিয়াও আপোনাক কোৱাই হোৱা নাই। মই নতুনকৈ ওকালতি আৰম্ভ কৰিছো। ভালকৈ ওকালতি কৰিব লাগিলে, ভালেমান কিতাপৰ দৰকাৰ। কিছু কিতাপ অনাব খুজিছো। আপোনাৰ দোকানলৈ গৈ গম পালো, আপুনি অলপতে কলিকতালৈ যাব বুলি। এইখন কিতাপৰ লিষ্ট আপোনাক দিলো। আপুনি আহোতে লৈ আহিলে বৰ সন্তোষ পাম।'

লিষ্টখনৰ লগতে এশ টকাৰ নোট এখনো আছিল। সেইখনলৈ আঙুলিয়াই ফুকনে ক'লে, 'কিতাপৰ দাম কিমান হ'ব নাজানো। যদি আৰু টকা লাগে, আপুনি আপোনাৰ হাতৰ পৰা খৰচ কৰিলে, মই পিছত ইয়াত দিব পাৰিম।'

লিষ্টখন আৰু এশ টকীয়া নোটখন জেপত সুমুৱাই লৈ শইকীয়াই ক'লে, 'মোৰ যাবলৈ কিন্তু তিনি সপ্তাহমান বাকী আছে।'

ফুকনে হাঁহি এটা মাৰি জনালে, 'তিনি সপ্তাহ কিয় ? তিনি মাহ হলেও মোৰ আপত্তি নাই। কিন্তু লাইন এটা লগাই ল'ব খুজিছো। আইনৰ কিতাপ আমাৰ এইবোৰ ঠাইত নাপায়। কলিকতাৰ কলেজ ষ্ট্ৰীটত কিতাপৰ দোকান ভালেমান আছে। তাতে বিচাৰিলে আপুনি পাব।'

হঠাৎ শইকীয়াই মন কৰে ফুকনৰ গাৰ কাপোৰবোৰ খদ্দৰৰ।

'আপুনি খদ্দৰ পিন্ধিছে ?'

"হয়। বিশ চনত বি. এ. পাছ কৰি ল পঢ়িবলৈ কলিকতালৈ গৈছিলো। তাতে গান্ধী মহাৰাজৰ প্ৰভাৱ পৰিল চিন্তাধাৰাত। আমি আহোম মানুহ। লাচিত বৰফুকনে কৈছিল – 'দেশতকৈ মোমাই ডাঙৰ নহয় বুলি।' মই মনে মনে আওৰালো দেশতকৈ ব্যক্তিগত স্বাৰ্থ ডাঙৰ নহয় – পঢ়া-শুনাও ডাঙৰ নহয়। কলিকতাত দেশবন্ধু চিত্তৰঞ্জনৰ বক্তৃতা শুনিলো। মহাত্মা গান্ধীয়ে ভাষণ দিছিল। সেইবোৰ শুনি মন সিফালে ঢাল খালে। আন্দোলনত জঁপিয়াই পৰিবৰ বাবে অসম পালোহি। ইয়াতে বগা ভাত খাই মুকলি হোৱাৰ পিছত গাঁৱে-গাঁৱে গান্ধী মহাৰাজৰ নিৰ্দেশ মতে সমাজ সেৱা কৰি ফুৰিছিলো। তাৰ ভিতৰতে এদিন তামুলীছিগাৰ মোমাইৰ ঘৰত নিশাটো কটাবলগীয়া হৈছিল। মোমাইদেৱে বহুত কথা বুজালে। সৰুতে আইতা পিতাদেউ দুয়ো হানি হৈছিল। ঘৰুৱা লেঠাৰ কাৰণে খুৰাদেউৰ বিয়া বহুত পলমকৈহে হৈছিল। ল'ৰা তিনিওটাই সৰু। পঢ়ি আছে। ইপিনে তেখেতে অৱসৰ ল'লে। মোমাইদেৱে কলে, 'ল পঢ়ি ওকালতি কৰ। আগেয়ে চাউল কঠা তাৰ পিছত হৰি কথা। দদায়েৰৰ প্ৰতি তোৰ দায়িত্বখিনি পালন নকৰিলে এই ল'ৰা তিনিটাক পঢ়াই-শুনাই ডাঙৰ কৰিব নোৱাৰিলে তোক পাপে চুব।' মোমাইদেউৰ কথা শুনি পিছদিনাই দদাই দেউৰ ঘৰ পালোহি। তাৰ পৰা বিদায় লৈ গুৱাহাটী ওললোগৈ। প্ৰাইভেট টিউচন কৰি উপাৰ্জনৰ বাট উলিয়াই খুৰাদেউক আমনি নকৰাকৈ ল পঢ়া শেষ কৰিলো। এতিয়া দুটা ভায়ে স্কুলত পঢ়ে। ডাঙৰটোৱে গুৱাহাটীৰ কটন কলেজত নাম লগাইছে। তাৰ খৰচৰ ভাৰ মোৰ ওপৰত। সেই কাৰণে আইনৰ ব্যৱসায়টো অলপ দায়িত্বৰে সৈতে পালন কৰিবলৈ চেষ্টা কৰিছো।'

কথাবোৰ শুনি শইকীয়াৰ ভাল লাগিল। মানুহজনৰ ভিতৰ বাহিৰ এটা। ক'তো পাক নাই। পৰবৰ্তী কালত কথা-বতৰা পাতি জানিছিল ফুকনে বিয়া-বাৰু কৰোৱা নাই বুলি আৰু পৰাধীন ভাৰতত বিয়া নকৰাই বুলিয়ে থিৰাং কৰিছে। খুৰাকৰ ল'ৰা কেইটা ডাঙৰ হলে তেখেতৰ সংসাৰী দায়িত্ব সম্পন্ন হ'ব। তেতিয়া মুকলি মূৰীয়া হৈ গান্ধী মহাৰাজৰ কাম কৰিব পাৰিব।

কলিকতাত সেইবাৰে মধু শইকীয়াই পোনপহিলাতে ফুকনৰ কিতাপখিনি বিচাৰি উলিয়ালে। কিতাপৰ দোকানবিলাকত চাওঁতে চাওঁতে অন্যান্য ভালেমান ভাল কিতাপো চকুত পৰিল। দেশৰ জাতীয় জীৱনৰ কথা, সাহিত্যৰ কথা, মহাত্মা গান্ধীৰ কথা, তেনেকুৱা ভালেমান কিতাপো শইকীয়াই অৰ্ডাৰ দিলে। আগধন দি পাৰ্চেল কৰি পঠিয়াবলৈ অনুৰোধ কৰিলে। অন্যান্য বস্তু-বাহানি লৈ এসপ্তাহৰ পিছত শইকীয়া ঘৰমুৱা হ'ল।

মধু শইকীয়াই শ্ৰীমন্তৰ লগত কথা পাতি গুদামটো চক বজাৰৰ পৰা এইবাৰ অলপ নিলগলৈ আঁতৰালে। দেউতাকৰ কথামতে নাৰায়ণ বাবুৰ যোগেৰে শ্ৰীমন্তই ধান-কলটো চালেগৈ। তেখেতৰ নিৰ্দেশমতে ধান-কলৰ বেপাৰীৰ লগত চিঠিৰ আদান-প্ৰদান হ'ল। আগধন পঠিওৱা হ'ল। অহা বছৰলৈ পকামূৰাৰ ঘৰৰ কাষত ধান-কল বহিব। গাড়ীয়ে গাড়ীয়ে চাউল আহিলে, এইখিনিতে থবলৈ ঠায়ে নাটিব। আগৰ দৰে এইবাৰো গুদাম ঘৰটো নিজেহে সাজি ল'ব লগা হ'ল। মাটিখিনি গৰাকীৰ পৰা লিজত ল'লে। পুৰন্দৰ উকিলে ৯৯ বছৰৰ বাবে লিজ লবলৈ ক'লে। সেয়ে কৰিলে মাটিৰ স্বত্ব নিগাজী হ'ব বুলি ক'লে। তেখেতে কোৱাৰ দৰে বন্দৱস্তি হ'ল। ঘৰও সাজিলে। মূল দোকানৰ পিছপিনে থকা ঘৰটো দোকানৰ লগত এতিয়া সাঙুৰি ল'লে। ইয়াৰ ভিতৰতে ঠাকুৰীয়াৰ বিয়াৰ বতৰা আহিল। তেখেতৰ দেউতাকৰ মৃত্যুৰ বাবে বিয়াখন বছৰেক পিছুৱাইছিল। শৰাধৰ সময়ত টকা দুহেজাৰৰ সৈতে পকামূৰাৰ বাৰীৰ তামোল-পাণ, লাও-কোমোৰা আদি লগত লৈ শ্ৰীমন্তৰ ভায়েক হেমন্ত আৰু মনবৰ ঠাকুৰীয়াৰ গাঁৱৰ ঘৰলৈ গৈছিল। আগতীয়াকৈ বতৰা পঠিওৱা বাবে হেমন্তহঁতক নলবাৰী ষ্টেচনৰ পৰা ঠাকুৰীয়াই মানুহ পঠিয়াই নিয়ালে। দীঘল চিঠি এখন লিখি মধু শইকীয়াই ইয়াৰ নানা বতৰা এটা এটাকৈ জনালে। কাৰবাৰ দিনক দিনে ওপৰলৈ উঠাৰ কথাকৈ আকৌ এবাৰ ঠাকুৰীয়াক তেওঁলোকৰ লগতে একেলগে কাৰবাৰত সাঙোৰ খাবলৈ সানুনয়ে অনুৰোধ কৰিলে। টকা দুহেজাৰৰ কথা লিখিলে, "স্বৰ্গীয় পিতৃদেৱৰ শ্ৰাদ্ধত এই টকাখিনি লগাব। এই টকা আপোনাৰ ঋণ পৰিশোধৰ বিনিময়ত নহয়। সেইবোৰ মই পিছত আপোনাৰ লগত জেওা ছিঙিমগৈ। এইফালৰ পৰা অলপমান আহৰি হৈ দুমাহমানৰ মূৰকত কলিকতালৈ যাওঁতে বাটতে পামাম।" টকা দুহেজাৰ হাতত লৈ মধু শইকীয়াৰ চিঠিখন প[illegible]তে ঠাকুৰীয়াৰ চকুৰ লোতক দুয়ো গালেৰে বাগৰিবলৈ ধৰিলে। মাকক চিঠিখনৰ কথা কওঁতে তেখেতেও চকু পানী টুকিলে। পুতেকক ক'লে, "বাপা, তাক লেইখৰি পিতি তোক চাওঁ চাওঁ বুলাতে গেল। সিও মোৰ এটা ছলি। মই তাক নেদ্‌খা কৰি ভাৰন্ত এৰৱা নৰু।"

হেমন্তক সাবট মাৰি লৈ বুঢ়ীয়ে তাৰ মূৰত চুমা এটা খালে। এইজনী অশিক্ষিত মানুহ। টকা-পইছাও গণিব নাজানে। কিন্তু মানুহক গণিব জানে। টকাৰ জোখেৰে নহয়, মৰমৰ জোখেৰে। মনবৰ আৰু

হেমন্তৰ গাঁৱৰ মানুহবোৰৰ কথাবোৰ আচহুৱা যেন লাগিল। তেওঁলোকেও হেমন্তহঁতৰ কথাবোৰ খৰকৈ ক'লে বুজিবলৈ টান পাইছিল। কিন্তু মুখেৰে কোৱা ভাষাতকৈ ডাঙৰ ভাষাৰ সম্ভেদ হেমন্তই পাইছিল। সেই ভাষা মৰমৰ, চেনেহৰ আৰু আত্মীয়তাৰ।

ঠাকুৰীয়াহঁতৰ ঘৰখনত অপাৰ আপ্যায়ন পালে দুয়োটাই। বৰ ডাঙৰকৈ সকাম হ'ল মাহেকৰ মূৰত। তেতিয়াৰ দিনত নৈষ্ঠিক অব্ৰাহ্মণ সকলৰ সকাম এনেহতহে হৈছিল। ঠাকুৰীয়াই পিতাকৰ কাম বৰ ডাঙৰকৈ পাতিলে। ডাঙৰ ডাঙৰ পণ্ডিত আহিল। গোটেই কামৰূপৰ ভিতৰতে খ্যাতি থকা সেইসকল পণ্ডিতে গীতাপাঠ, ভাগৱত পাঠ কৰিলে। নাম-প্ৰসঙ্গও হ'ল গোটেই দিন জুৰি। তেওঁলোকৰ গুৰু ঘৰৰ গোঁসায়ে নিজে আহি প্ৰসংগত যোগ দিলে। তেওঁলোকৰ গোঁসাই বৰ ডাঙৰ পণ্ডিত আৰু নৈষ্ঠিক মানুহ আছিল। শিষ্যৰ ঘৰত নেথাকে। ঘৰৰ ওচৰতে গোঁসাইৰ বাবে খেৰৰ ঘৰ সাজি বাহৰ পাতি দিছিল ঠাকুৰীয়াই। গাঁৱৰ ৰাইজক গোটেইদিন ধৰি খুৱালে। ৰন্ধা ভাত খোৱাৰ ব্যৱস্থাটো দেখি হেমন্ত আচৰিত হ'ল। এটা ডাঙৰ কোঠালিৰ মজিয়াত মাজভাগত কলপাত পাতি ভাত থৈছিল। কেইবাখনো নাওত ডাইল, আঞ্জা আৰু তৰকাৰী থৈছিল। মাছ চুৰনিৰ ভোজৰ দিনা মাছে উভৈনদী হৈছিল। কাপলা বিলৰ পৰা প্ৰায় ছয় কুৰিমান প্ৰকাণ্ড ডাঙৰ ৰৌমাছ আনিছিল। তিনিকুৰিমান খাহী কটা দেখিছিল। কিন্তু তাতোকৈ হেমন্তহঁতে সম্মোহিত হৈছিল ঠাকুৰীয়া পৰিয়ালৰ শ্ৰদ্ধা, নিষ্ঠা আৰু ভক্তিৰ নিদৰ্শন দেখি। সৰু ল'ৰা হলেও হেমন্তৰ অনুমান হৈছিল ঠাকুৰীয়াৰ পিতৃ দেৱতাই যেন সৰগৰ পৰা নামি আহি গোটেই পৰিয়ালটোকে আশীৰ্বাদ দি আছিল। আজি যাওঁ কালি যাওঁ কৰি থাকোতে হেমন্তহঁতৰ যোৱাৰ দিনটো পিছুৱাই গৈ থাকিল। পিছে এদিনগৈ যোৱাৰ দিনটো খাটাং হ'ল। মনবৰ আৰু হেমন্তই ঠাকুৰীয়াৰ মাকৰ চৰণ চুই সেৱা কৰিলে। কান্দি কান্দি বুঢ়ীয়ে দুয়োকে আশীৰ্বাদ দিলে। কথা-বতৰাত পকামুৰাত থকা মাকজনীতকৈও বেলেগ এই মানুহজনীকো নিজৰ মাক যেন লাগিল হেমন্তহঁতৰ। বুঢ়ীক সাৱট মাৰি ধৰি হেমন্তই ক'লে – "আমাৰ ককাইদেউৰ বিয়াত আপুনি যাবলৈ লাগিব। মই নিজে আহি আপোনাক লৈ যামহি।" হেমন্তৰ কথা কেইটা বুজিব নোৱাৰি বুঢ়ীয়ে ৰ লাগি চাই থকা দেখি ঠাকুৰীয়াই বুজাই ক'লে – "এহ্লাই ডাঙৰ ভাকক ককাইদেউ বুলে। বাপাৰ ডাঙৰ ভাকৰ বিয়াত তই যাবা লাইগবো। তোক নিবা আইহ্বো এওঁ।" কথা কেইটা শুনি বুঢ়ীৰ মুখত হাঁহি ওলাল, "আই ঐ বাপা, মোৰ চুলিৰ সমান আয়ু হক তোৰ।"

ঘৰত আহি সকলোবোৰ বিবৰণ হেমন্তই দিলেহি। লগতে ক'লে, শ্ৰীমন্তৰ বিয়ালৈ বুঢ়ীক নিমন্ত্ৰণ দি অহাৰ কথা। সুৰই হেমন্তক জোকাবলৈ বুলি ক'লে, "মাজু ককাইদেউ, তোৰ বিয়ালৈহে মাতিব লাগিছিল। ককাইদেউৰ বিয়ালৈ ককাইদেৱেই মাতিব।"

হেমন্তই চুঙা চাই সোপা দি ক'লে– "আচলতে পিছে তোৰ বিয়ালৈহে মাতিব লাগিছিল। হাঁহিৰাম ককায়ে দেখোন কৈয়ে থাকে কোন কাহানিবাতে তোৰ কাৰণে সেঙুন-নকা গেথেলা দৰা এটা ঠিক কৰি থোৱা বুলি। এইবাৰ দিনবাৰ স্থিৰ হ'লেই বিয়াখন হৈ যাব পাৰিব।"

"মাজু ককাইদেউ, ভাল নহ'ব হ'লে দেই।" হেমন্তৰ পিঠিত চিকুট এটা মাৰি উচাট মাৰি যাব খোজোতে দুয়োটাৰে কাজিয়াৰ মাজত সেউতী আহি সোমালহি। খৰিয়ালৰ সিদিনা সিমানতে ওৰ পৰিল।

ঠাকুৰীয়াৰ পৰা মধু শইকীয়াই চিঠি পাইছিল। টকাখিনি পঠিওৱাৰ বাবে মাকে হিয়া উবুৰিয়াই আশীৰ্বাদ দিয়া বুলি ক'লে। লগতে মাকৰ ক্ষুব্ধ অভিমানটোৰ কথাটোও ক'লে। দেউতাকে হাউচ কৰি থকা সত্ত্বেও মধু শইকীয়াক দেখা নাপালে। মাকে বোলে শইকীয়াক নেদেখাকৈ মৰিব নোৱাৰে। গতিকে যেনে-তেনে এপাক মাৰি যাবলৈ ক'লে। দুমাহমানৰ পিছত কলিকতাৰ পৰা বস্তু আনিবলৈ যোৱাৰ সময়ত নলবাৰীত নামি ঠাকুৰীয়াহঁতৰ ঘৰত মাত এষাৰ দিবগৈ বুলি স্থিৰ কৰিলে। ঠাকুৰীয়াৰ ঘৰত মধু শইকীয়াই নিজৰ ঘৰ এখন বিচাৰি পোৱাৰ দৰে পালে।

নলবাৰীৰ মহাজনৰ নামত ৰতনবাবুৰ গাদীৰ পৰা অনা দহ হেজাৰ টকাৰ হুণ্ডিখন ঠাকুৰীয়াৰ হাতত দি ক'লে – "কাইলৈ মই কলিকতালৈ বুলি ৰাওনা হ'ম। আপুনি নলবাৰীলৈ মোৰ লগতে আহক। তাত মহাজনৰ গাদীত হুণ্ডিখন ভঙাই আপোনাৰ নামত হিচাপ এটা লিখাই ল'ব। কিবা কাৰবাৰ কৰিব খুজিলেও কৰিব পাৰিব। আপোনাৰ বিয়াৰ বাবেও কিছু খৰচ-পাতি ইয়াৰ পৰাই হ'ব। বাৰীৰ শস্য বিক্ৰী কৰাৰ পইছাও সৰহ হ'লে ইয়াতে জমা থোৱাৰ ব্যৱস্থা হ'ব।"

শইকীয়াই কোৱাৰ দৰেই সকলো ব্যৱস্থা হ'ল। কলিকতামুৱা নামনিৰ গাড়ীত নিশা চাৰে দহ বজাত শইকীয়া ভাটিমুৱা হ'ল। ঠাকুৰীয়াই সেই নিশা নলবাৰীৰ কুটুম এঘৰত নিশাটো কটাই পিছদিনা নিচেই পুৱাতে ঘৰলৈ বুলি বাট ল'লে। সেই আঠ মাইল বাট খোজ কাঢ়ি আহোতে বেলা দুপৰ হ'লগৈ। ওৰে বাটটো যোৰহাটৰ কথাই মনত পৰিল। মধু শইকীয়াৰ কথা ভাবোতেই মনটো বেদনাৰে সেমেকি গ'ল। বৈষয়িক বিচক্ষণতা থকা সত্ত্বেও মানুহজনৰ অন্তৰ হেঁপাহ পলাব নোৱৰা মৰমেৰে উপচি আছিল। বান্ধ সঁচাকৈয়ে বান্ধ। পিতাই লগ পোৱা হ'লে মনত সাহ পালেহেঁতেন। ঠাকুৰীয়াৰ পিছৰ ভাই-ভনী চাৰিটা সৰুতে তেজ হাগনি হৈ মৰাৰ কথা ৰিণিকি ৰিণিকিকৈ তেওঁৰ মনত পৰে। ভালেমান দিনলৈকে মাকে ইনাই বিনাই কান্দি বলিয়াৰ দৰে হৈছিল। বাপেকে ধৈৰ্যেৰে সৈতে সংসাৰখন ধৰি ৰাখি ঠাকুৰীয়াক পঢ়াই ডাঙৰ কৰিছিল। মেট্ৰিক পৰীক্ষা পাছ কৰাৰ আগতেই ঘৰৰ অভাৱ অনাটনবোৰ দেখি ঠাকুৰীয়াই মাক-পিতাকৰ পৰা বিদায় লৈ যোৰহাট ওলাইছিলগৈ। তাতে ভাগ্যদেৱী সুপ্ৰসন্না হ'ল। কিতাপৰ দোকানখনৰ পৰাই ভালেমান আয় হবলৈ ধৰিলে। কালক্ৰমত সেই উপাৰ্জনৰ পৰাই ঘৰলৈ পঠিয়াই থকা পইছাৰে দেউতাকে পৰিয়ালটোৰ অৱস্থা টনকিয়াল কৰিলে। ভালেমান ৰূপিত মাটিও কিনিলে। মাক ভাল শিপিনী আছিলে। এৰী আৰু পাটপলু পুহি সূতা কাটি কাপোৰ বৈ ঘৰত ব্যৱহাৰ কৰাৰ বাহিৰেও বাহিৰত বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছিল। বিক্ৰীত লাভ হোৱাৰ বাবে আৰু কেইজনীমান শিপিনী লগত লৈ বোৱা কটা ব্যৱসায় এটাও মাকে তুলিলে। মাজে সময়ে ঠাকুৰীয়াই ঘৰলৈ যাওঁতে কাপোৰৰ ডাঙৰ বোজা এটা কঢ়িয়াই আনি যোৰহাটৰ কাপোৰৰ বেপাৰীৰ বাবে দিবলৈ ল'লে। বিক্ৰী হ'লে সেই ধন মাকলৈ বুলি বেলেগে যতনাই থৈ ঘৰলৈ যাওঁতে মাকৰ হাতত দিয়েগৈ। মাহে ডেৰ দুকুৰি টকা তেনেকৈয়ে আহে। দেউতাকৰ নিচিনা কৰ্মী খেতিয়ক সেই অঞ্চলটোত নাছিল বুলি বহুতে কয়। আঠযোৰকৈ হাল জুৰিব পৰা মাটি হৈছিল ঠাকুৰীয়াৰ ঘৰত। মাহ, সৰিয়হ, ধান উভৈ নদী হ'বলৈ আৰম্ভ কৰিছিল। ঠিক তেনেকুৱা এখন নদন-বদন সংসাৰ পাতি থৈ আৰু ডাঙৰ হোৱাৰ বাটত হঠাতে ঠাকুৰীয়াৰ পিতাক হানি হ'ল। ঠাকুৰীয়াৰ দেউতাকে সংসাৰখনক জাকত-জিলিকা কৰি তোলাটো নিজৰ ভাগী-গোষ্ঠীয়ে বৰ ভাল নাপাইছিল। অথচ তেওঁলোকৰ আপদে-বিপদে, অভাৱ-অভিযোগৰ সময়ত গোটেই অঞ্চলটোতে লাই খুঁটা আছিল ঠাকুৰীয়াৰ দেউতাক। অথচ প্ৰয়োজন হ'লে কাকো দিবলৈ থবলৈ, কাকো খুৱাব পিন্ধাবলৈ ঠাকুৰীয়া পিছ-নপৰিছিল। ঘৰলৈ উভতি আহি ঠাকুৰীয়াই সকলো বুজ লৈ দেখিলে তেওঁ আৰু যোৰহাটলৈ উভতি যোৱাৰ বাসনা এৰিব লাগিব। ভগৱন্ত পুৰুষৰ কিবা কৃপাতহে তেওঁ বান্ধক পালে। বান্ধৰ হাতত কিতাপৰ দোকানখন গতাই দি মনটোত শান্তি পাইছিল। বান্ধ আহোতে এইবাৰ কিতাপৰ দোকানখনৰ কলেবৰ বৃদ্ধি, উপাৰ্জন বৃদ্ধি আদি সকলো বিবৰি ক'লে। এবাৰ শইকীয়াই ঠাকুৰীয়াক খাটিলে – খেতি চপোৱাৰ পিছত সেই সময়ছোৱাত কিতাপৰ বিক্ৰী বাঢ়ে। ঠাকুৰীয়াই গৈ তেওঁৰ দোকানখন চাৰি ছমাহৰ কাৰণে তেনেকৈয়ে চলালে ব্যৱসায়টোৰ অংশীদাৰ বুলি ধৰিবলৈ পালে শইকীয়াই ভাল পাব। হিচাপ-পত্ৰবোৰ চাব পাৰিব। আগন্তুকলৈ দুয়োখন ঘৰৰ মাজত সন্দেহ বা অনুশোচনাৰ অৱকাশ নাথাকিব। শইকীয়াই লগতে এইটোও ক'লে – দোকানখনৰ ক্ৰমবৰ্দ্ধমান আকাৰটোলৈ চাই মাজে মাজে তেওঁৰ মনটোত এটা অপৰাধী চেতনাই উক্ দিয়ে। এনেকুৱা ধাৰণা হয়, তেওঁ যেন বান্ধৰ মুখৰ ভাত গৰাহহে



কাঢ়ি খালে। ঠাকুৰীয়াই শইকীয়াক বুজায় – সংসাৰত টকা-পইছাৰে ধনী সকলো নহয়। তেওঁৰ জীৱনত মধু শইকীয়াৰ নিচিনা বান্ধ এজন সম্পত্তি হিচাপে ঘটিব পৰাৰ কাৰণে নিজকে বৰ ভাগ্যবান বুলি গণ্য কৰিছিল। ঠাকুৰীয়াৰ সংসাৰত আজি অভাৱ নাই। শইকীয়াক বুজাই ক'লে, – "এইখন সংসাৰ দেখিলে ঈশ্বৰে পাতি দিয়া সংসাৰ বুলিহে ভাবিবলৈ মন যাব। আপুনি মনত ৰাখিব। মোৰ অভাৱ একো নাই। কেতিয়াবা কিবা বিপদ হ'লে আপুনিয়ে মোৰ সম্পদ হ'ব। আপোনাৰ কিবা দৰকাৰ হলে মোক ক'ব – মই আছো। আমি দুয়ো বান্ধ। মই খালে তাৰ সোৱাদটো আপুনিও পাব। আপুনি খালে তাৰ সোৱাদটো মই পাম। ঘৰ এৰি টকা ঘটিবলৈ গ'লে মোৰ ভাই-ভনী কেইটা দৰখ ছিগা গৰুৰ নিচিনা হ'ব। সিহঁতক মানুহ কৰিব পাৰিলে পিতাৰ আশীৰ্বাদ মই পাম। এই অঞ্চলটোৰ ৰাজহুৱা কাম কৰিবলৈ বহুত আছে। ভাবিছো পিতাৰ নামত স্কুল এখন পাতিম বুলি। দূৰত বাঁহাত ৰাখি মোক পঢ়াব নোৱৰাৰ বাবে পিতাৰ মনত বৰ দুখ আছিল। ওচৰতে হাইস্কুল এখন হ'লে পিতাৰ নিচিনা বহুতো বাপেকৰ মনৰ হাউচ মিটিব।

ঠাকুৰীয়াৰ মনৰ চিন্তাধাৰাই শইকীয়াৰ ভাবনাৰ মাজলৈ নতুন দিশ এটা আনিলে। ৰেলত গৈ থাকোতে ভালকৈ শুবলৈ পোৱা নাছিল। বহুত পৰলৈকে ঠাকুৰীয়াৰ থকাকে ভাবিলে। নিজৰ লগত তুলনা কৰি দেখিলে তেওঁ যেন শিপা মাটিত নলগা পুনিৰ দৰে – সময়ৰ সোঁতত উটি গৈ আছে। ঘৰৰ লগত সম্পৰ্ক ছেদ কৰি অহাৰ পিছত নতুন ঠাই এখনত সম্পূৰ্ণ মায়া বহুৱাব পৰা নাই। সকলো থাকিও আজি যেন কিবা এটা নাই। মনটো বিষণ্ণ হৈ উঠিল। ৰেলগাড়ী গৈ থাকে সৰ্পিল গতিত।

কোনোবা এটা ষ্টেচনত শেষ নিশাৰ পিনে অকণমান জাগা মুকলি হোৱাত বিছনাখন পাৰি শুবলৈ ল'লে। তাতে এটা সময়ত সপোন দেখিছিল। এজনী শুৱনি মানুহে তেওঁৰ যেন মূৰটোত হাত ফুৰাই কৈছিল, "মোৰ বোপাই, মই তোৰ লগে-লগে আছো। তই মনত ভাবনা নাৰিখিবি।" মানুহ গৰাকীৰ চেহেৰাটো ঠাকুৰীয়াৰ মাকৰ দৰে লাগিল। আজি ভাব হ'ল সেইজনীয়ে যেন তেওঁৰ মাক। মাকৰ কথা মনত নাই। নিচেই সৰুতে তেওঁক এৰি থৈ গৈছিল। আকণ্ঠ পিয়াহ আছিল মাকৰ মৰমৰ বাবে। সেই মৰমৰ সম্ভেদ বিচাৰি পাইছিল বান্ধৰ মাকৰ বুকুত সেয়ে আজি তেওঁৰ মাকৰ বিদেহী আত্মাই বান্ধৰ মাকৰ মাজেৰে প্ৰস্ফুটিত হৈ উঠিছিল। গোটেই পৃথিৱীৰ মাকবোৰেই যেন তেওঁৰ মাক। তেনেকুৱা এটা অনুভূতি তেওঁৰ মনলৈ আহিল। এটা তৃপ্তিয়ে তেওঁৰ মনটো ওপচাই দিলে; ৰেলগাড়ী আহি এটা সময়ত পাৰ্বতীপুৰ ষ্টেচন পালেহি। গাড়ী সলাই কলিকতা অভিমুখে গৈ থাকিল। কলিকতাত থকা দিনকেইটাতো হেজাৰ কামৰ মাজত ঠাকুৰীয়াৰ মাকৰ চেহেৰাটো তেওঁৰ মনলৈ বাৰে বাৰে আহিলে। সধবাৰ বেশত সেইজনী মানুহক দেখাৰ সৌভাগ্য তেওঁৰ নহ'ল। বগা কাপোৰ যোৰৰ সৈতে তেওঁক দেখি চকুৱে মুখে এটা সাত্বিকতাৰ অভিব্যক্তি বিৰিঙি থকা যেন লাগিল। বজাৰত ঘূৰোতে ঘূৰোতে ধুনীয়া শিতলৰ বংশীবাদনৰ মূৰ্ত্তি এটা তেওঁ কিনি ললে – ঠাকুৰীয়াৰ মাকলৈ বুলি। উকা গৰদৰ শাৰী এখনো কিনিলে। কলিকতাত তেনেকুৱা শাৰী পিন্ধা আঢ্যৱন্ত ঘৰৰ বুঢ়ী মানুহ এগৰাকী বাগিত উঠি যোৱা দেখি ভাল লাগিছিল। সেইবাবে সেইখন বান্ধৰ মাকৰ বাবে কিনিছিল। ঘৰলৈ উভতি আহি বান্ধৰ বিয়ালৈ বুলি থোৱা পাটৰ আৰু মুগাৰ ৰিহা-মেখেলা এযোৰকৈ পেৰাত সাঁচি থোৱা টোপোলাটোৰ পৰা উলিয়ালে। গোটেই বস্তুখিনি ভালকৈ বান্ধি মনবৰৰ হাতত দিলে। সি ঠাকুৰীয়াৰ ঘৰ চিনি পায়। চহৰত থাকি আজিকালি অলপ বুজন আৰু চালাক-চতুৰ হৈছে। মৰিয়নিলৈ গৈ তাক ৰেলত তুলি দিলে। নলবাৰী ষ্টেচনত নামি ৰাতিটো ষ্টেচনতে খপি পিছদিনা পুৱাহে ঠাকুৰীয়াৰ ঘৰমুৱা হ'বলৈ ল'লে। লগতে হাঁহিৰামকো পঠিয়াইছিল – দুজন থাকিলে মনত সাহস পাব বুলি। চিঠিত লিখিলে বান্ধৰ বিয়াৰ সময় যাতে আগতীয়াকে গম পায়। পষেকৰ মূৰত হাঁহিৰাম আৰু মনবৰ উভতি আহিল। এটা ডাঙৰ এৰী মুগা-পাটৰ কাপোৰৰ বোজা লগত লৈ। বান্ধই লিখিছে – গগনবাবুৰ দোকানত সেই বস্তুবোৰ বেচাৰ দাম-দৰ এটা ঠিক কৰি জমা দিবলৈ। বিক্ৰী হ'লে সেই পইছা ৰতনবাবুৰ গাদীৰ যোগেৰে তেওঁলোকৰ নলবাৰীত থকা গাদীলৈ ঠাকুৰীয়াৰ হিচাপত জমা কৰিবলৈ পাটলে। আগতো কিছু পইছা পাবলগীয়া আছিল গগনবাবুৰ পৰা। সেই পইছাও শইকীয়াক দিবলৈ গগনবাবুলৈ ঠাকুৰীয়াই বেলেগে এখন চিঠি লিখিলে। এই ব্যৱস্থাটো টকা উপাৰ্জনতকৈও মাকক ব্যস্ত ৰখাৰ এটা উপায় বুলিও জনালে। দেউতাক ঢুকোৱাৰ পিছৰ পৰা মাকে তাঁত শালৰ ব্যৱসায়টো সামৰি থৈছিল। এতিয়া সেইটো হাতত লোৱাৰ সংবাদটো শইকীয়াক জনালে। বিয়াৰ দিনবাৰ ঠিক হ'লে শইকীয়াক আগতীয়াকৈ জনাব বুলি আশ্বস্ত কৰিলে।

গাঁৱৰ ঘৰত ধানকলটো বহুওৱাৰ পিছৰ পৰা শ্ৰীমন্তৰ ব্যস্ততাৰ অন্ত নোহোৱা হ'ল। গুদামটো দোকানৰ পৰা আঁতৰাই নিয়াৰ পিছত তাতে চাউল ৰাখিবৰ বাবে এজন নিজৰ মানুহৰ দৰকাৰ হ'ল। বৰদেউতাকৰ তিন নম্বৰ পুতেক ৰঘুনাথ শ্ৰীমন্ততকৈ পাঁচ বছৰমান সৰু। গাঁৱৰ স্কুলত পাঠশালা স্কুল পাছ কৰাৰ পিছত চহৰলৈ ইমান দূৰ বাট খোজ কাঢ়ি পঢ়িবলৈ আহিবৰ তাৰ মন নগ'ল। ঘৰতে লাচনি-পাচনি কাম কৰি সময় কটাবলৈ ধৰিছিল। ভগীয়া বুঢ়াৰ ঘৰত কানিখোলা এখন বহিছিল। সেই পিনে বাট-পথ নিজান। ঘৰখনো আছুতীয়া। সেই বাটেৰে কোনোবা ডেকা ল'ৰা যোৱা দেখিলে বতৰা পাই বাপেক-মাকৰ বুকু কঁপে। ৰঘুনাথক সেই বাটেৰে অহা-যোৱা কৰা কোনোবাই কেইবাৰমান দেখিলে। বৰদেউতাকে কথাটো শুনি ৰঘুনাথক লগত লৈ শইকীয়াৰ দোকান পালেহি। কথাটোৰ সঁচা-মিছা বিচাৰ কৰা নিষ্প্ৰয়োজন বুলি ভাবিলে। বৰদেউতাকে শ্ৰীমন্ত আৰু শইকীয়াক সমস্যাটো বিবৰি ক'লে। এইবোৰ কথাত সন্দেহেই যথেষ্ট বুলি বুজালে। ল'ৰাটোক তেওঁলোকৰ হাতত গতাই দি এনিশা সেউতীৰ ঘৰত কটাই ঘৰমুৱা হ'ল। যোৱাৰ আগতে সেউতীক ক'লে, "ৰঘু তোতকৈ পষেকৰহে সৰু হলেও তোক বাই বুলি মাতে যেতিয়া তাক চাবি। শ্ৰীমন্তই তাক যি কামত লগাই লগাব কিন্তু সদ্যহতে তোৰ ঘৰতে থাকি কামলৈ অহা-যোৱা কৰিব। পোহ মন যেন পালে জোঁৱায়ে তাক য'তে ৰাখে ৰাখিব। এতিয়া দোকানত থাকিবলৈ দিলে সি উদণ্ডীয়া হ'ব। কেঁচা পইছা যাতে সি চুবলৈ নাপায় সইটো চাবি।"

ৰঘুনাথ অহাৰ পিছত শ্ৰীমন্তই আকাশ ঢুকি পোৱা যেন পালে। গুদামৰ ভাৰটো ৰঘুনাথক দি হিচাপ পত্ৰ লিখিবলৈ শিকালে। সৰুৰে পৰা তাৰ আখৰবোৰ ডালিম গুটীয়া। কামত মন নবহিব বুলি শ্ৰীমন্তই ৰঘুক ক'লে, "প্ৰতি দহবস্তা চাউল গুদামত সোমোৱাৰ বাবে তই দু-পইছা কমিচন পাবি আৰু প্ৰতি দহবস্তা চাউল গুদামৰ পৰা বিক্ৰীৰ বাবে ওলাই যোৱাৰ হেতুকেও চাৰি পইছা কমিচন তোৰ নামত ধৰা হ'ব।"

পাইকাৰী বিচাৰি শ্ৰীমন্তই আকৌ লামডিঙ, ডিফু ওলালগৈ। এবাৰ ৰতনবাবুৰ গাদীত কোনোবা এখন ডাঙৰ চাহ বাগানৰ বৰ কেৰাণীক লগ পাই গম পাইছিল বাগানবোৰত ভালেমান চাউলৰ দৰকাৰ। বাগানৰ বাহিৰলৈ গিৰমিটিয়া কুলিবোৰ চাহাব মেনেজাৰে যাবলৈ নিদিয়ে। সেইবাবে বাগানৰ চৌহদৰ ভিতৰতে কেঁঞা, দেচোৱালী, বঙালী আদি মানুহৰ একোখনকৈ দোকান পাতি দিছিল। দোকানৰ পৰা সেই মজুৰবিলাকে চাউলেই সৰহভাগ কিনিছিল। চাউলৰ লাওপানী ঘৰতে কৰে আৰু নিমখ ভাত খায়। বাগানে বাগানে ঘূৰিবৰ দৰকাৰ নহ'ল শ্ৰীমন্তৰ। ৰতনবাবুৰ গাদীলৈ টকা-পইছা নিবলৈ অহা কেৰাণীবোৰত চাউল বিক্ৰীৰ ব্যৱস্থা চলালে। সৰহভাগ ক্ষেত্ৰতে বাগানৰ কেৰাণীসকল বঙালী আছিল। কথা-বতৰা পাতি নাৰায়ণবাবুৰ দোকানলৈ গৈ একো যোৰকৈ জোতা শ্ৰীমন্তই উপহাৰ দিছিল তেওঁলোকক। সেইবোৰ মৰমৰ উপহাৰ আছিল যদিও তাতেই তেতিয়া নিমজ্জিত হৈ আছিল দুৰ্নীতিৰ কেৰোণ এটা। সেইটো ভেটি বুলি শ্ৰীমন্তই ভবা নাছিল। বৰ কেৰাণীসকলেও তেনেকৈ নেভাবিছিল। কাৰণ দোকানীবোৰ প্ৰত্যক্ষভাবে তেওঁলোকৰ অধীন নাছিল। কিন্তু পৰোক্ষভাবে বৰ কেৰাণীৰ ওচৰত দোকানীবোৰ আঠুৱাৰ তলৰ মহ। কথাটো গমি-পিতি নেচাই শ্ৰীমন্তই আওকাণ কৰি গ'ল।

*ক্ৰমশঃ*

# মানিকবাবু সত্যজিৎ ৰায়

আবু নাছাৰ চাঈদ আহমদ

*যোৱা সংখ্যাৰ পাছৰ পৰা*

(৩)

## ভবানীপুৰৰ পৰা শান্তিনিকেতন

ৰবীন্দ্রনাথ ঠাকুৰৰ এখন বহীত সুকুমাৰ ৰায়ৰ সৈতে হোৱা কথোপকথন উল্লেখ কৰা আছিল। কেঁচুৱা মানিকক লগত লৈ সুকুমাৰ আৰু সুপ্রভা গৈছিল শান্তিনিকেতনলৈ। এবাৰ সুকুমাৰে গুৰুদেৱক সুধিলে ঃ "মোৰ ল'ৰাক আপোনাৰ আশ্রমত ঠাই দিবনে ?" ৰবীন্দ্রনাথে কলে ঃ "তোমাৰ পত্নী যদি সম্মত হয়।" সুকুমাৰে ক'লে, "তেওঁক আপুনি কৈ চাওক না।" ৰবীন্দ্রনাথ ঠাকুৰে কলে, "তাক পালে মইতো ভালেই পাম।" সুপ্রভাই এইখিনি কথা জানিছিল আৰু সেইবাবে সত্যজিতে স্নাতক পৰীক্ষা পাছ কৰাৰ পিছত শান্তিনিকেতনলৈ গৈ প্রসিদ্ধ ক'লা ভৱনত ভৰ্তি হ'ব লগা হ'ল।

সুপ্রভাই পুতেকক শান্তিনিকেতনত গৈ শিক্ষা লাভ কৰিবলৈ কওঁতে সত্যজিতে বৰ ভাল পোৱা নাছিল। তাৰ কাৰণ আছিল কেইবাটাও। প্রথমতে তেওঁ নিজে "কমাৰ্চিয়েল আৰ্টিষ্ট" হিচাপে কিবা কৰাৰ মন; আৰু শান্তিনিকেতনলৈ যোৱা মানেই এই মনোবাঞ্ছা অপূৰ্ণ হৈ ৰ'ব। দ্বিতীয়তে কলিকতা নগৰখন এৰি যাবৰ তেওঁ অকণো মন নাছিল। যদিও কলিকতা চহৰত সত্যজিতৰ দৃষ্টিত বেয়া লগা বহুত কথাই আছে তথাপি শান্তিনিকেতনৰ আওহতীয়া আৰু গাঁৱলীয়া পৰিবেশ তেওঁৰ যেন ভাল নালাগিব। তৃতীয়তে শান্তিনিকেতনৰ পৰা পঢ়ি অহা যিবোৰ ছাত্র-ছাত্রীক তেওঁ লগ পাইছিল প্রায়বোৰৰ চাল-চলন আৰু কথা-বতৰাত কৃত্রিমতা দেখা পাইছিল। কান্ধলৈকে চুলি ৰাখি, কঁকালটো এঁকা-বেঁকা কৰি ছোৱালীৰ দৰে কথা পতা শান্তিনিকেতনৰ ছাত্রক তেওঁৰ ভাল নালাগিছিল। সত্যজিৎ নিজে স্পষ্টবাদী; আৰু কৃত্রিমতা নথকাকৈ বাংলা আৰু ইংৰাজী ভাষা ক'ব পাৰিছিল। সেয়েহে শান্তিনিকেতনৰ পৰা পাছ কৰি অহা ছাত্রৰ কৃত্রিম উচ্চাৰণ শুনি তেওঁ ভাল নাপাইছিল। তেওঁৰ ধাৰণা – শান্তিনিকেতনলৈ গ'লে তাত মাগৈ এনেধৰণৰ 'বজৰুৱা' সংস্কৃতিয়ে তেওঁৰো ওপৰত প্রভাৱ পেলাব। কিন্তু মাকৰ কথা পেলাব নোৱাৰি আৰু গুৰুদেৱৰ এই আশ্রমত কলা সম্পৰ্কীয় কিবা এটা ভালদৰে শিকাৰ প্রচুৰ সম্ভাৱনাই তেওঁক অৱশেষত ১৯৪০ চনৰ মাজ ভাগত শান্তিনিকেতনৰ কলা ভৱনত নাম লগাবলৈ উদগনি দিলে। তাৰ উপৰি, মানিকে ভাবিলে "কমাৰ্চিয়েল আৰ্টিষ্ট" হোৱাৰ আগতে তেওঁ ভাৰতীয় কলাৰ সম্পৰ্কে কিছু জ্ঞান আহৰণ কৰা ভাল হ'ব আৰু এনে জ্ঞান আহৰণৰ বাবে নিশ্চয় শান্তিনিকেতন সৰ্বোত্তম ঠাই। তেওঁৰ ককাক উপেন্দ্রকিশোৰ আৰু দেউতাক সুকুমাৰে যিজন মহান ব্যক্তিৰ সান্নিধ্যলৈ আহি বিস্তৰভাৱে উপকৃত হৈছিল, সেইজন কবিগুৰু ৰবীন্দ্রনাথৰ ঘনিষ্ঠ সম্পৰ্কলৈ অহাৰ অন্যতম সুবৰ্ণ সুযোগ হ'ল কলাভৱনত পদক্ষেপ। সৰু কালৰ পৰা মাকৰ মুখত প্রায় সদায়ে ৰবীন্দ্র সংগীত শুনিছিল। কেতিয়াবা তেওঁৰ কবিতা, গল্প আদি পঢ়িছিল। বংগৰ প্রতি ঘৰতে যিজনৰ অসীম প্রভাৱ সেইজন ব্যক্তিয়ে গঢ়ি তোলা কলাভৱনত শিক্ষা লাভ কৰাটো এক কথাত মূল্যবান অভিজ্ঞতা হ'ব। এইজনা মহান পুৰুষে সত্যজিতক শান্তিনিকেতনলৈ পঠিয়াই দিবলৈ সুপ্রভাক কেইবাবাৰো অনুৰোধ কৰিছিল।

১৯৪০ চনৰ মাজভাগত কোনোবা এটা দিনত সন্ধানী সত্যজিৎ শান্তিনিকেতনৰ মজিয়াত উপস্থিত হ'লগৈ। আগতে মনত থকা ভুল ধাৰণা পোনতেহ ভাগি গ'ল। হয়াত থকা বিখ্যাত শিল্পীসকলৰ আচৰণ আৰু কথা-বতৰাত কোনো কৃত্রিমতা নাই। আটাইবোৰ দেখোন পোনপটীয়া, সৰল আৰু জ্ঞানৰ পূজাৰী বিশাল ব্যক্তি। শান্তিনিকেতনত ভৰি দিয়াৰ আগলৈকে ৰবীন্দ্রনাথৰ গীত মাত শুনা আৰু তেওঁৰ দুই এটা কবিতা বা গল্প পঢ়াৰ যোগেদি এই মহান কবি গৰাকীৰ বিষয়ে সম্যক ধাৰণা ল'ব নোৱাৰি। সত্যজিতে তেতিয়ালৈকে ইংৰাজী সাহিত্যহে পঢ়িছিল। বাংলা সাহিত্য ভালদৰে পঢ়া নাছিল। তেওঁৰ সেই সময়ত ৰাপ আছিল পশ্চিমীয়া সংগীতত; কবিগুৰুৰ কবিতা গুৰুত্ব সহকাৰে পঢ়া নাছিল। কিন্তু এবাৰ শান্তিনিকেতনৰ নিৰ্মল পৰিবেশত ভৰি দি আগতে ভাল নলগা গাঁৱলীয়া পৰিবেশ হঠাৎ সত্যজিতৰ ভাল লাগি গ'ল। সেইদৰে ভাল লাগিল ভাৰতীয় চাৰু-কলা। সবাতৈকে ভাল লাগিল শান্তিনিকেতনৰ প্রাণকেন্দ্র কলাভৱন আৰু তাৰ আত্মা ৰবীন্দ্রনাথ ঠাকুৰ। এই ভাল লগাৰ যুগমীয়া প্রমাণ সত্যজিতে দি থৈ গৈছে। কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰৰ উপন্যাস 'নষ্ট নীড়'ক মানিক বাবুৱে 'চাৰুলতা' বোলছবিৰ যোগেদি অমৰ কৰি থৈ গৈছে। তেওঁৰ নিজৰ ভাষাতেই 'চাৰুলতা' তেওঁৰ নিখুঁত আৰু সবাতকৈ ভাল লগা কথাছবি। তাৰ উপৰি ৰবীন্দ্রনাথৰ উপন্যাস আৰু গল্পৰ ওপৰত প্রতিষ্ঠিত তেওঁৰ আন দুখন কথাছবি 'ঘৰে বাইৰে' আৰু 'তিন কন্যা' অন্যতম সুন্দৰ সৃষ্টি আৰু কবিগুৰুৰ প্রতি মানিববাবুৰ সশ্রদ্ধ নিবেদন। আমাৰ বোধেৰে সত্যজিতৰ কবিগুৰুৰ প্রতি সৰ্বোত্তম শ্রদ্ধাঞ্জলি হৈছে ৰবীন্দ্রনাথ ঠাকুৰৰ ওপৰত তৈয়াৰ কৰা তথ্য চিত্রখনি। অলপতে দূৰদৰ্শনে দেখুওৱা এই তথ্যচিত্রখনে বৈচিত্র্যময়ী কবিজনাৰ সঠিক প্রতিচ্ছবি বিশ্বৰ আগত দাঙি ধৰিলে।




*সত্যজিতে আঁকা আলোচনীৰ বেটুপাত*

শান্তিনিকেতনলৈ আহি সত্যজিতে ৰবীন্দ্রনাথৰ সান্নিধ্য পালে; মহান সাহিত্যিক জনাৰ ভিন্নমুখী প্রতিভাৰ কথা বিশদভাৱে জানিবলৈ আৰু বুজিবলৈ সুবিধা পালে। তাৰ ওপৰত ভিত্তি কৰি তেওঁ ৰবীন্দ্রনাথক বিশ্বৰ আগত পৰিচয় কৰি দিওঁতে অলপো খোকোজা নলগাকৈ লিখিব পাৰিছিল ঃ "এজন কবি, নাট্যকাৰ, ঔপন্যাসিক, চুটি-গল্পলেখক, প্রবন্ধকাৰ, চিত্রকাৰ, গীতিকাৰ, দাৰ্শনিক আৰু শিক্ষাবিদ হিচাপে ৰবীন্দ্রনাথ ঠাকুৰ নিশ্চয় শ্বেক্সপিয়েৰতকৈ অধিক প্রতিভাবান........ মই জনাত তেওঁ গীতিকাৰ হিচাপে পশ্চিমত তেওঁৰ সমতুল্য ব্যক্তি নাই........ কবি হিচাপে তেওঁ অতুলনীয় সৰলতা, ব্যাপকতা আৰু উত্তৰণ দেখুৱাইছে, তেওঁৰ প্রবন্ধত পোৱা যায় তৱধ মানিব লগা চিন্তাৰ স্বচ্ছতা আৰু বহল দৃষ্টিভংগী; তেওঁৰ কিছুমান উপন্যাসত মূল কাহিনী অতি দক্ষতাৰে উপস্থাপন কৰিছে আৰু কিছুমান অবিস্মৰণীয় চৰিত্রৰ সৃষ্টি কৰিছে; তেওঁৰ কিছুমান চুটি গল্প আজিও অতুলনীয়; তেওঁ প্রায় সত্তৰ বছৰ বয়সতহে ছবি আঁকিবলৈ আৰম্ভ কৰিছিল যদিও তেওঁ নতুনত্ব আৰু অভিনবত্ব আনি দিয়া ভাৰতৰ খ্যাতনামা চিত্রকৰৰ মাজত অন্যতম।"

পোনতে সত্যজিতৰ মনত, বিশেষকৈ শান্তিনিকেতনলৈ অহাৰ আগতে, ভাব হৈছিল কলাভৱনত প্রবেশ কৰাৰ অন্যতম অৰ্থ হ'ল ৰবীন্দ্রনাথক ওচৰৰ পৰা জনাৰ দুৰ্লভ সুযোগ। কিন্তু কলাভৱনত যেতিয়া সঁচাকৈ প্রৱেশ কৰিলে সত্যজিতৰ মনত সংকোচ আৰু দ্বিধাভাব হ'ল – ইমান বিশাল ব্যক্তিজনাৰ কাষ চাপিব কিদৰে ! তেওঁ শান্তিনিকেতনত ভৰ্তি হোৱাৰ পৰা ১৯৪১ চনৰ আগষ্ট মাহত কবিগুৰু জনাৰ মৃত্যুলৈকে মাথোন তিনিবাৰমানহে এই বিশাল ব্যক্তি গৰাকীৰ কাষ চাপিব পাৰিছিল। মানিক বাবুৰ নিজৰ ভাষাত কবলৈ গলে ৰবীন্দ্রনাথৰ ওচৰতগৈ কথা পতাটো সহজ কাম নাছিল। ওখ-পাখ, বয়স তেতিয়া প্রায় আশীৰ ওচৰ পোৱা দেখিলে অলপ যীশু খৃষ্টৰ নিচিনা স্বৰ্গীয় ভাব থকা পৱিত্র দৈহিক গঠনৰ বিশ্বকবি গৰাকীৰ কাষত ৰ'লে সকলো স্তব্ধ হৈ পৰে। ৰবীন্দ্রনাথে কথা কওঁতে অতি জুখি মাখি কয়; এটাও অলাগতীয়াল শব্দ উচ্চাৰণ নকৰে। তেওঁ কথাকৈ থাকিলে মনত ভাব হয় তেওঁ যেন আগেয়ে লেখি যোৱা বক্তব্যহে পঢ়ি গৈছে। ইমান সাবলীল ভাষা আৰু শব্দৰ গাঁথনি প্রতিটো বাক্যৰ ! তেওঁৰ কথাহে শুনিবলৈ মানুহ আহে বিভিন্ন ঠাইৰ পৰা। কোনোৱে যেন তেওঁৰ আগত নিজৰ কথা ক'বলৈ নাহে। সত্যজিতেও তেওঁৰ কথাহে শুনিবলৈ পাইছিল; নিজে কিবা ক'বলগীয়া নহৈছিল।

এই মহান ব্যক্তিক সত্যজিতে বেছি দিন নাপালে। তেওঁ শান্তিনিকেতনলৈ আহি থিতাপি লোৱাৰ পিছতে ১৯৪০ চনৰ আগষ্ট মাহত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা প্রতিনিধি আহি গুৰুদেৱক সম্মানিত ডক্টৰেট ডিগ্রী প্রদান কৰিছিল। সেই সময়ত স্বাস্থ্যজনিত কাৰণত তেওঁ ভ্রমণ কৰিব নোৱৰা কাৰণে এই ব্যৱস্থা লোৱা হৈছিল। তেতিয়া তেওঁৰ স্বাস্থ্যৰ অৱস্থা দেখি সত্যজিতৰ ভাব হৈছিল – এই শতিকাৰ অতি মহান ভাৰতীয় গৰাকীৰ আয়ুস আৰু বেছি দিন নাই। স্বাস্থ্য ক্রমাগতভাৱে অৱনতি ঘটাত ১৯৪১ চনৰ ২৫ জুলাইৰ দিনা শান্তিনিকেতনৰ পৰা তেওঁক কলিকতালৈ নিয়া হয় আৰু তেওঁৰ জন্ম লাভ কৰা জড়াসাঁকোৰ ঘৰত ৰখা হয়। আৰু তাতে ৭ আগষ্টৰ দিনা তেওঁ পৰলোক গমন কৰে !

সত্যজিতৰ কাৰণে সাত আগষ্টৰ দিনটো অবিস্মৰণীয় আছিল। গুৰুদেৱৰ মৃত্যুৰ বাতৰি পাই মানিকে সহপাঠীৰ লগত পোনচাটেই জড়াসাঁকোলৈ বাট ললে। বিশাল জনসমুদ্র ৰবীন্দ্রনাথ ঠাকুৰৰ বিশাল ঘৰটোৰ সমুখত। শেষ বাৰৰ কাৰণে গুৰুদেৱক দেখা পোৱাৰ প্রবল আশা আছিল যদিও সেয়া সম্ভৱ হৈ নুঠিল। এই বিশাল জনসমুদ্র আৰু গুৰুদেৱৰ অন্তিম যাত্রাৰ দৃশ্যৰেই সত্যজিতে ৰবীন্দ্রনাথৰ ওপৰত তৈয়াৰ কৰা তথ্যচিত্রখন আৰম্ভ কৰিছিল। এই অপূৰ্ব তথ্যচিত্রখনৰ যোগেদি সত্যজিতে কবিজনাক বিশ্বৰ আগত অতি নিখুঁতকৈ পৰিচয় কৰাই দিয়াৰ লগতে তেওঁৰ প্রতি থকা নিজৰ অসীম শ্রদ্ধাৰ চানেকি ৰাখি থৈ গৈছে।

কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰে সত্যজিতৰ হৃদয়ত মচিব নোৱৰা প্রভাৱ ৰাখি থৈ গ'ল। তেওঁৰ বহুমুখী প্রতিভাই সত্যজিতৰ নিজৰো বহুমুখী প্রতিভাৰ মূৰ্ত্ত প্রকাশত অবদান পৰোক্ষভাৱে হলেও দিছিল। তাৰ প্রমাণ মানিকবাবুৰ প্রতিখন বোলছবিয়েই বহণ কৰিছে। আৰু চাৰিজন ব্যক্তিয়ে তেওঁৰ ব্যক্তিত্বত প্রভাব পেলাইছিল। তেওঁলোক হ'ল সুকুমাৰ কলাৰ শিক্ষক নন্দলাল বোস, প্রসিদ্ধ চিত্রকাৰ বিনোদ বিহাৰী মুখাৰ্জী, জাৰ্মানীৰ পৰা দেশ এৰি অহা ইহুদী যুৱক এলেক্স এৰনচন আৰু কলাৰ ছাত্র পৃথ্বীশ নেওগী। 'মাষ্টাৰমশাই' নন্দলাল বোসৰ প্রতি মানিকৰ আছিল অসীম শ্রদ্ধা। তেওঁৰ ছবিৰ প্রতিটো ৰেখাৰ দৃঢ়তা আৰু অৰ্থপূৰ্ণ প্রকাশভংগী, সংৰচনা বা 'কম্পজিচন'ৰ বিতং প্রস্তাৱনা আৰু ভিন্নতা সত্যজিতৰ অতি ভাল লাগিছিল। নন্দলাল বোসৰ চিত্র প্রতিভাত বিমুগ্ধ সত্যজিতে তেওঁৰ প্রতিটো গুণ আহৰণ কৰিবলৈ চেষ্টা কৰিছিল। পিছত এই বিষয়ে উল্লেখ কৰি সত্যজিতে লিখিছিল যে এবাৰ তেওঁ এজনী গাই গৰুৰ ছবি এখন আঁকি থাকোতে 'মাষ্টাৰমশাই' আহি ছবিখন চাই ক'লে ঃ "ছবিখনৰ আউটলাইন ঠিকেই হৈছে। কিন্তু গাইজনীৰ ছবিখন আঁকোতে তুমি তাইৰ গঠনটো অনুভব কৰিব লাগিব। তাইৰ ছালখনৰ ভিতৰত মঙহ আৰু হাড় আছে – এই কথাটো তোমাৰ পেঞ্চিলডাল কাগজৰ ওপৰেদি গৈ থাকোতে অনুভব কৰিব লাগিব।" এই বিখ্যাত চিত্রকৰৰ অনুপ্রেৰণা, শিকনি আৰু প্রতিভাৰ ছাঁ সত্যজিতৰ ওপৰত বাৰুকৈ পৰিছিল আৰু তাৰ মূৰ্ত প্রকাশ পাইছে 'পথেৰ পাঁচালি' বোলছবি কৰাৰ আগতে তেওঁ আঁকা দৃশ্যবোৰত। সেই কথা উল্লেখ কৰি তেওঁ লিখিছিল ঃ "অসীম আকাশৰ তলত প্রতিটোৱে জন্ম হয়, প্রসাৰ হয়, মৃত্যু হয়, আৰু পুনৰজন্ম হয়। এক ক্রমবিকাশৰ চক্রৰ মাজত এটা গঠনৰ পৰা আনটোলৈ অবিৰাম পৰিবৰ্তন ঘটে। যিজনে এই পৰিবৰ্তনৰ অন্তৰালৰ মাজত সোমাব পাৰে তেঁৱেই প্রকৃতিৰ কবি বা প্রকৃতিৰ চিত্রকৰ হ'ব পাৰে।"

নন্দলাল বোসৰ চিত্রত চীন দেশৰ কলা আৰু হস্তলেখাবিদ্যাৰ প্রচুৰ প্রভাব পৰিছিল। ৰবীন্দ্রনাথ ঠাকুৰৰ লগত তেওঁ চীন ভ্রমণ কৰি সেই দেশৰ চিত্রকলাৰ বিষয়ে চাক্ষুষ পৰিচয় হোৱাৰ পিছত তেওঁৰ চিত্রকলাত চীনা ৰেখাচিত্রৰ অপূৰ্ব সংযোজন কৰিবলৈ ধৰিলে। চিত্রকলাৰ এই নতুন অনুভূতি, য'ত জীৱনৰ সৰলতা অথচ প্রাণ-প্রাচুৰ্যতা পোৱা যায়, তেওঁ সত্যজিতৰ মাজত সুমুৱাই দিবলৈ সক্ষম হৈছিল। তাকে সত্যজিতে অতি গভীৰ উপলব্ধিৰে গ্রহণ কৰিছিল। এখন ছবি আঁকোতে হাতৰ, আঙুলিৰ, কিলাকুটিৰ ক্রিয়াই চিত্রৰ বিষয়বস্তুক বাস্তৱ আৰু জীৱন্ত ৰূপত প্রতিফলিত কৰিব পৰাতহে চিত্রকৰৰ সাৰ্থকতা দেখা যায়। সেয়েহে মানিক বাবুৰ চিত্রই যেন কথা কয়, গঠন আৰু বিষয়বস্তুৰ মৌলিক অনুভূতি দিব পাৰে আৰু যেন কলাৰ চিৰন্তন সৌন্দৰ্যৰ লয়-ললিতা দিয়ে। প্রাচ্যৰ মহান চিত্রকৰ আৰু শিল্পী প্রতীকধৰ্মী সৃষ্টিৰ মাজত এনেধৰণৰ কথাবোৰে ঠাই লয়। সেইবাবে সত্যজিৎ ৰায়ৰ চিত্রকলা আৰু প্রাচ্যৰ মহান চিত্রকৰ আৰু কথাছবি নিৰ্মাতাসকলৰ মাজত ভাবৰ কোমলতা আৰু সৰলতাৰ সাদৃশ্য পোৱা যায়।

শান্তিনিকেতনত থাকোতে সত্যজিৎ ৰায়ে নিজকে নীৰৱ সাধক হিচাপে পৰিচয় দিছিল। তেওঁৰ সহপাঠী পৃথ্বীশ নেওগী আৰু দিনকৰ কৌশিকৰ দৃষ্টিত তেওঁৰ বিশাল দৈহিক গঠনৰ মাজত সাগৰ সদৃশ গভীৰতা দেখা গৈছিল। দেউতাক সুকুমাৰ ৰায়ৰ দৰে তেওঁ বৰ অমায়িক আছিল। কোনোদিনে খং কৰিব নাজানিছিল। পিছৰ জীৱনত সাক্ষাৎ লওঁতে তেওঁক প্রায়ে এই বিষয়ে সুধিলে কৈছিল যে তেওঁৰ মনত হয়তো কেতিয়াবা খং উঠে; কিন্তু তেওঁ তাক অনুভৱ কৰিব বা প্রকাশ কৰিব নাজানিছিল। নীৰৱ সাধকসকলৰ চৰিত্রতহে এনে এক বিৰল বৈশিষ্ট্য দেখা পোৱা যায়।

শান্তিনিকেতনত নন্দলাল বোসৰ নিচিনাকৈ মানিকৰ মনত গভীৰ সাঁচ বহুৱাই ৰখা আন জন মহান চিত্রকৰ হ'ল বিনোদ বিহাৰী মুখাৰ্জী। সৰু কালতে বিনোদ বিহাৰীৰ দৃষ্টি শক্তি ক্রমাগতভাৱে লোপ পাবলৈ ধৰিলে আৰু পিছৰ জীৱনত তেওঁ একেবাৰে অন্ধ হৈ পৰিল। সকলোকে স্তম্ভিত কৰিব পৰা তেওঁৰ আচৰিত গুণ হ'ল অন্ধ হলেও তেওঁ ছবি আঁকিছিল। তেওঁ প্রায়বোৰ চিত্র বিশাল কেনভাচ বা দেৱালৰ ওপৰত আঁকিছিল। পোনতে কেনভাচ বা দেৱালত প্রাৰম্ভিক ট্রেচিং নকৰাকৈয়ে তেওঁ অন্তৰ্দৃষ্টি শক্তিৰে ছবি আঁকি গৈছিল। ১৯৪০ চনত সত্যজিতে শান্তিনিকেতনত উপস্থিত হৈ প্রথমতেই নতুনকৈ সাজি উলিওৱা দুমহলীয়া ছাত্র নিবাসত ভৰি দি দেখিছিল বিনোদ বাবুৱে আঁকা

বিশাল ছবিখন। এখন গাঁৱৰ দৃশ্য। এই ছবিখনে পিছত তেওঁক গাঁৱৰ কাহিনীৰ ওপৰত নির্মাণ কৰা কথাছবি 'পথেৰ পাঁচালি' কৰাত অনুপ্ৰেৰণা জগাইছিল। গছ-গছনি, পশু-পক্ষী, পুখুৰী আৰু পথাৰ আদি লৈ প্ৰকৃতিৰ বাবে বৰণীয়া সংমিশ্ৰণৰ গাওঁ! ইমান বিতং আৰু বিস্তৃত! সত্যজিৎ ৰায়ৰ নিজৰ ভাষাতে বিনোদ বাবুৰ এইখন ছবিয়ে চিত্ৰকলাৰ বিশ্বকোষ বহণ কৰিছে। দহ বছৰ মানৰ পিছত বিনোদ বিহাৰীয়ে আৰু এখন বিশাল ছবি শান্তিনিকেতনৰ অন্য এটা ভৱনৰ তিনিখন দেৱালত আঁকিছিল। এই ছবিখনত তেওঁ মধ্য যুগৰ ভাৰতৰ সন্ত-ঋষিৰ জীৱন আৰু আদর্শক প্ৰতিফলিত কৰিছে। এইসকল মহান লোকৰ জন্ম পৰিচয়ত বৈশিষ্ট্য নাথাকিলেও তেওঁলোকে প্ৰচাৰ কৰা প্ৰেম আৰু মানৱতাবাদৰ সৰল কথাবোৰে সাধাৰণ মানুহক কিদৰে পৰশি গৈছিল তাৰে অতি স্বচ্ছ প্ৰকাশ পাইছে এইখন ছবিত। সত্যজিতৰ নিজৰ দৃষ্টিত এইখন ছবি বোধকৰো এই শতিকাৰ ভাৰতৰ আটাইতকৈ উৎকৃষ্ট সৃষ্টি। এইজন মহান চিত্ৰশিল্পীৰ প্ৰতি থকা সত্যজিতৰ অসীম শ্ৰদ্ধাৰ সাক্ষ্য বহণ কৰিছে তেওঁ নির্মাণ কৰা 'The Inner Eye' তথ্যচিত্ৰখনে। বিনোদ বাবুৰ দৃষ্টি শক্তি নাছিল – কিন্তু অন্তর্দৃষ্টিৰে তেওঁ অতুলনীয় চিত্ৰ আঁকি থৈ গৈছে আৰু সেই বাবেই সত্যজিতৰ তথ্যচিত্ৰৰ নাম 'The Inner Eye' ৰাখিছিল।

সহপাঠী আৰু ছাত্ৰাবাসৰ বন্ধু পৃথ্বীশ নেওগীৰ সৈতে সত্যজিতে কলা সম্পৰ্কীয় বহু কথাই আদান-প্ৰদান কৰিছিল। দুয়ো সংগীত আৰু চিত্ৰকলাৰ অনুৰাগী আছিল যদিও চিত্ৰকলাই তেওঁলোকৰ আলোচনাত ঘাইকৈ ঠাই পাইছিল। পৃথ্বীশৰ ৰাপ আছিল চিত্ৰকলাত আৰু সত্যজিতৰ আছিল সংগীতত। কিন্তু লাহে লাহে দুয়োৰে মাজত থকা ঘনিষ্ঠতাই পিছলৈ নেওগীক সংগীতৰ প্ৰতি আসক্ত কৰিলে আৰু সত্যজিতকো চিত্ৰকলাৰ সম্পৰ্কে জ্ঞান আহৰণ কৰাত সহায় কৰিলে। নেওগীয়ে সত্যজিতক বিশেষকৈ ভাৰতীয় চিত্ৰ আৰু ভাস্কৰ্যৰ প্ৰতি সুস্থ ধাৰণা আৰু অনুৰাগ বঢ়োৱাত সহায় কৰিছিল। আন ছাত্ৰৰ লগতে সত্যজিৎ আৰু পৃথ্বীশ শান্তিনিকেতনত পঢ়ি থাকোতে অজন্তা, ইলোৰা, এলিফেনটা আৰু খাজুৰাহোলৈ গৈ চিত্ৰ আৰু ভাস্কৰ্যৰ যাউতিযুগীয়া নিদর্শনসমূহ চাই সত্যজিতে প্ৰথমবাৰৰ বাবে ভাৰতীয় চাৰু কলাৰ মহিমা, সৌন্দর্য আৰু প্ৰাণ-প্ৰাচুৰ্যতা হৃদয়ঙ্গম কৰিবলৈ সক্ষম হয়। তেওঁ নিজকে ভাৰতীয় শিল্পীৰূপত ভাবিবলৈ শিকিলে।

আগতে উল্লেখ কৰা হৈছে যে শান্তিনিকেতনত সত্যজিতে নিজকে নীৰৱ সাধকৰ পৰিচয় দিছিল। চিত্ৰকলা শিকোতে বেছি সময় পাৰ কৰিলেও তেওঁ যেতিয়া অকলে কোঠাত থাকে তেতিয়া তেওঁ ঘৰৰ পৰা লৈ অনা গ্ৰামোফ'নত শাস্ত্ৰীয় সংগীত বা ৰবীন্দ্ৰ সংগীত শুনিছিল অথবা কলা সম্পৰ্কীয় কিতাপ পঢ়িছিল। কথাছবি সম্পৰ্কীয় কিতাপবোৰ আছিল তেওঁৰ অন্যতম প্ৰিয় বস্তু। তেতিয়া আৰম্ভ কৰা ব্যাপক অধ্যয়নে পিছৰ জীৱনত কথাছবি নির্মাণ কৰোতে বিস্তৃত সহায় কৰিলে। কাৰণ, এই কিতাপবোৰে প্ৰথমতে তেওঁক কথাছবি নির্মাণৰ কলা-কৌশল শিকাইছিল আৰু তাৰ ওপৰত ভিত্তি কৰি তেওঁ এসময়ৰ অনুৰাগক জীৱনৰ সবাতকৈ ভালপোৱা কর্মলৈ ৰূপান্তৰিত কৰিছিল। নীৰৱ সাধক সত্যজিতে শান্তিনিকেতনত পোৱা আজৰি সময়ত কথাছবি চাবলৈ বেছি সুবিধা নাপাইছিল। ছাত্ৰাবাসৰ পৰা দুই কিলোমিটাৰমান নিলগত এটা প্ৰেক্ষাগৃহ আছিল আৰু তাত ধর্মমূলক কথাছবিহে সাধাৰণতে প্ৰদর্শন কৰা হৈছিল। কথাছবি সম্পৰ্কে অতি গুৰুত্ব সহকাৰে কথা-বতৰা পাতিবলৈ কোনো মানুহ নাছিল। বন্ধ পালে তেওঁ মাকক চাবলৈ বুলি ঘৰলৈ আহিছিল আৰু তেতিয়া বিজয়াৰ লগত কথাছবি চাবলৈ প্ৰায়ে গৈছিল। এনে সুবিধাত তেওঁ কেতিয়াবা কলিকতাতে ভাল কথাছবি চাবলৈ পাইছিল। ছাত্ৰাবাসত কেতিয়াবা দিনকৰ কৌশিক আৰু পৃথ্বীশ নেওগীৰ লগত 'গোল্ড ৰাছ', 'দ্যা গ্ৰেট ডিক্টেটৰ' আদি কথাছবি বিষয়ে আলোচনা হৈছিল যদিও সেয়া তেওঁ নিজে আৰম্ভ কৰা আৰু শেষ কৰা আলোচনা। কাৰণ তাত তেওঁৰ বন্ধুসকলে সংযোজন দিব পৰা একো কথা নাছিল। 'মাষ্টাৰমশাই' নন্দলাল বোস, বা কবি গুৰুৰ পৰাও কথাছবিৰ বিষয়ে শিকিব লগা একো নাছিল। কাৰণ, দেশী কথাছবিৰ মানদণ্ড অতি নিম্ন আছিল যাৰ কাৰণে এইসকল বিজ্ঞলোকে কথাছবি চোৱাটো বা তাৰ কলা-কৌশলৰ প্ৰতি আগ্ৰহ দেখুওৱাৰ কোনো স্থল নাছিল। গতিকে শান্তিনিকেতনত আজৰি সময়ত নীৰৱে কথাছবি নির্মাণৰ সম্পৰ্কে প্ৰকাশ পোৱা কিতাপ অধ্যয়ন কৰি মানিকে ভৱিষ্যতৰ বাবে বিশাল পুঁজি গঠন কৰি লৈছিল।

লাহে লাহে শান্তিনিকেতন মানিকৰ ভাল নলগা হ'ল। নিজৰ শিক্ষাৰ প্ৰতি, নিজে অঁকা ছবিবোৰৰ প্ৰতি বিতৃষ্ণা লগা হ'ল। মনত ভাব হ'ল: "মইতো চিত্ৰকৰ হবলৈ বিচৰা নাই।" বিনোদ বাবুক অতিকৈ ভাল লাগিছিল যদিও তেওঁৰ সৈতে চিত্ৰকলাৰ বিষয়ে ব্যাপক আলোচনা কৰি তেওঁৰ মনত এটা কথা পৰিষ্কাৰ হ'ল যে তেওঁৰ প্ৰতিভা চিত্ৰকলাৰ যোগেদি প্ৰকাশ হোৱাৰ কোনো সম্ভাৱনা নাই। তেওঁ জানিছিল যে তেওঁ হয়তো চেষ্টা কৰিলে ভাল চিত্ৰকৰ হ'ব পাৰিব; কিন্তু এই কলাৰ প্ৰতি তেওঁৰ অনুৰাগ সংগীত আৰু বোলছবিতকৈ বেছি নহয়। ১৯৪২ চনটো নানা সংশয়ৰ মাজেদি যাবলৈ ধৰিলে। দেশব্যাপী "ভাৰত ত্যাগ" আন্দোলনে আৰু দ্বিতীয় মহাযুদ্ধই ৰাজনৈতিক অস্থিৰতা আনি দিলে। জাপানী বিমানে কলিকতাত বোমা বর্ষণ কৰিব বুলি বৰকৈ গুজব ওলাবলৈ ধৰিলে। সকলো সন্ত্ৰস্ত। ইপিনে কোনো কামত মানিকৰ মন নবহা হ'ল। অৱশেষত ১৯৪২ চনৰ ২০ ডিচেম্বৰত জাপানী বোমা কলিকতাত পৰিল বুলি যেতিয়া শান্তিনিকেতনৰ বাসিন্দাৰ মাজত প্ৰচাৰ হ'ল, পিছ দিনাই মানিক, পৃথ্বীশ আৰু দিনকৰ ছাত্ৰাবাস এৰি প্ৰায় ২০ কিলোমিটাৰ খোজ কাঢ়ি আহি কলিকতালৈ বুলি যোৱা ৰেলগাড়ী ধৰিবলৈ ওলাল। ৰেলগাড়ী নাপাই সেই দিনা ষ্টেচনতে নিশাটো কটাই পিছ দিনা অর্থাৎ ২২ ডিচেম্বৰৰ দিনা তেওঁলোক আটাই কেইজন ৰেলত উঠি কলিকতা পালেগৈ।

প্ৰায় আঢ়ৈ বছৰ কাল শান্তিনিকেতনত থাকি মানিক বাবুৱে পিছত নিজে সেই দিনবোৰ বিশ্লেষণ কৰি কৈছিল যে তেওঁৰ আঢ়ৈটা বছৰ ভাললগা আৰু বেয়া লগাৰ মাজতে পাৰ হৈ গৈছিল। তেওঁৰ প্ৰধান আকৰ্ষণ আৰু শান্তিনিকেতনৰ প্ৰাণ ৰবীন্দ্ৰনাথ ঠাকুৰৰ তেওঁ অহাৰ এবছৰৰ ভিতৰতে পৰলোক প্ৰাপ্তি ঘটে। শান্তিনিকেতন যেন কাঁহ পৰি জিন যোৱা, নিতাল, নিষ্প্ৰাণ, নিঃকিন হৈ পৰিলে। তথাপি শান্তিনিকেতনৰ গাঁৱলীয়া, নিজান, নির্মল আৰু নিবিড় পৰিবেশ তেওঁৰ ভাল লাগিছিল। ভাল লাগিছিল তাৰ মুকলি আকাশ; নিশাৰ তৰা ভৰা মুকলি আকাশ কলিকতাৰ চহৰত দেখা পোৱা নাযায়। ভাল লাগিছিল এটা সাপৰ দৰে গৈ থকা কপাই নৈখন। শান্তিনিকেতনৰ এনে বিৰল পৰিবেশে মনত আনি দিছিল সাধনা আৰু ধ্যান-তপস্যাৰ পৱিত্ৰভাব। কিন্তু শান্তিনিকেতনলৈ আহি তেওঁ আঢ়ৈ বছৰ ধৰি কলিকতাৰ আমেজ লগা পৰিবেশৰ পৰা যে বঞ্চিত হৈছিল। জন্মলাভ কৰা এইখন প্ৰাণ প্ৰাচুৰ্যময়ী চহৰত নিজকে পাহৰি যাব পৰা বহুতো কিবা 'কিবি আছে। নিজকে বিলীন কৰি দিব পৰা চৌৰঙ্গীৰ জনসমুদ্ৰ, কলেজ ষ্ট্ৰীটৰ ফুটপাথত পুৰণি কিতাপৰ দোকানীৰ আগত মানুহৰ বিশাল জুম, কথাছবিৰ প্ৰেক্ষাগৃহত বহি হলিউদৰ কল্পনাত বিভোৰ হ'ব পৰা পৰিবেশ। এইবোৰ ভাল লগা কথা শান্তিনিকেতনত নহলেও আঢ়ৈটা বছৰে সত্যজিতৰ মনৰ খিৰিকিখন অজ্ঞাতে খুলি দি দেখুৱাই দিলে ভাৰতীয় জীৱন, কলা-সংস্কৃতিৰ বিশাল জগতখন। তাৰ যিকোনো এটা দিশলৈ কলা জগতত অতুলনীয় অবদান আগবঢ়াবলৈ আছে অশেষ সমল।

ঘৰলৈ আহি কি কৰিব মানিকে? চাৰু-কলা আধৰুৱা হৈ থাকিল। শান্তিনিকেতনলৈ উভতি যোৱাৰ মন নাই। সেই সময়ৰ স্বৰাজৰ আন্দোলনত জঁপিয়াই পৰিবলৈকো মন নাই। দিনকৰ কৌশিকে স্বাধীনতা আন্দোলনত ভাগ লৈ কাৰাগাৰৰ অতিথি হ'লগৈ। "কমাৰ্চিয়েল আটিষ্ট" হোৱা পুৰণি আশাটোৱে মনত উক দি উঠিল। তাৰেই সন্ধানত তিনিটা মাহ কটোৱাৰ পিছত সত্যজিতে ১৯৪৩ চনৰ এপ্ৰিল মাহত এনেধৰণৰ চাকৰি এটা পালে। আৰম্ভ হ'ল চাকৰি আৰু আৰ্টক লৈ ব্যস্ত জীৱন। *(ক্ৰমশঃ)*





# পুথি প্ৰকাশক আৰু বিক্ৰেতা সকলৰ সমস্যা

পৱিত্ৰ লহকৰ

সমগ্ৰ অসমতে পুথি প্ৰকাশক আৰু বিক্ৰেতা সকলৰ গ্ৰন্থ ব্যৱসায়টো দিনক দিনে শেষ হৈ যোৱাৰ উপক্ৰম হৈছে। এই ব্যৱসায়টো শেষ হৈ গলে এটা জাতি আৰু এই ব্যৱসায়ৰ লগত লিপ্ত হৈ থকা সৰহ সংখ্যক লোক যে নিঃচিহ্ন হৈ যাব সেইটো জনসাধাৰণ আৰু চৰকাৰে অকণো চিন্তা চৰ্চা কৰা নাই। বর্তমান গ্ৰন্থ ব্যৱসায়টোৰ যি পৰিস্থিতিৰ উদ্ভৱ হৈছে আৰু যদি এই ভাবেই থাকে তেন্তে অতি কম সময়ৰ ভিতৰতেই অসমৰ গ্ৰন্থ ব্যৱসায়ী সকল নাইকিয়া হৈ যাব। এই ভদ্ৰ ব্যৱসায়টো ১৯৭২ চনলৈকে যিটো অৱস্থাত আছিল তাৰ পিছত লাহে লাহে বেয়াৰ ফালে আহি শেষত আজিৰ যিটো পৰিস্থিতিত গ্ৰন্থ ব্যৱসায়টো উপস্থিত হৈছে, সেইটো যদি এইদৰেই চলি থাকে তেন্তে এটা সময়ত গৈ একেবাৰেই নাইকিয়া হৈ যাব এইটো বাস্তৱ সত্যত পৰিণত হ'ব। সময় থাকোতেই যদি এই ব্যৱসায়টোৰ কথা চৰকাৰে চিন্তা নকৰে তেন্তে প্ৰকাশন উদ্যোগটো একেবাৰেই শেষ হৈ যাব। চৰকাৰে ভৱিষ্যতৰ কোনো কথা চিন্তা-চৰ্চা নকৰাকৈ ভুল নীতিৰ মাজেৰে ব্যক্তিগত প্ৰকাশক সকলৰ পৰা স্কুলীয়া কিতাপ সমূহ নিজৰ হাতলৈ নি গ্ৰন্থ ব্যৱসায়টোক মাধমাৰ দিয়াৰ ওপৰিও জাতিটোক শেষ কৰিবলৈ ওলাইছে।

চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া পাঠ্য-পুথি বিতৰণ কৰি শিক্ষা আৰু জ্ঞানৰ লগত ৰাজনীতিত পৰিণত কৰা যেন অনুমান হয়। এটা সু-স্পষ্ট নীতিত উপনীত হৈ গ্ৰন্থ ব্যৱসায়টো আৰু এই ব্যৱসায়টোৰ লগত জড়িত লোক সকলক বচাই ৰখাৰ দিহা কৰিবলৈ চৰকাৰ আগ বাঢ়ি অহাটো নিতান্ত প্ৰয়োজন।

কিছু বছৰ আগতে ব্যক্তিগত প্ৰকাশক সকলে স্কুলীয়া কিতাপ সমূহ উচ্চমানদণ্ডেৰে প্ৰকাশ আৰু বিক্ৰী কৰি তাৰ লাভাংশেৰে গল্প, উপন্যাস, কবিতা, নাটক আদি প্ৰকাশ কৰি ৰাইজৰ হাতত দিব পাৰিছিল, কিন্তু এতিয়া বছৰেকত ৩/৪ খনো বাহিৰা কিতাপ প্ৰকাশ কৰিবলৈ প্ৰকাশক সকলে চিন্তা কৰিবলগীয়া হৈছে। কিছু বছৰ আগতে পঢ়ুৱৈ সমাজে যি ২/১খন কিতাপ পঢ়িবৰ কাৰণে কিনিছিল, এতিয়া সেইটোও নাইকিয়া হ'ল। ইয়াৰ প্ৰধান কাৰণ সমূহ হ'ল বর্তমান ইমানবোৰ মাহেকীয়া, পষেকীয়া, সাপ্তাহিক, দৈনিক কাকত ওলাইছে যে একোজন পঢ়ুৱৈই ইমানবোৰ কাকত পঢ়াৰ পিছত কিতাপ কিনি পঢ়াৰ সময়ো নাই, আৰু লগতে ক্ৰয় শক্তিও নাইকিয়া হৈ গৈ আছে। তাৰ উপৰি ঘৰে ঘৰে টি ভি, ৰেডিঅ', ভিচিপি, ষ্টেৰিও আদি হ'ল। গতিকে সেইবোৰেই চাব নে কিতাপেই পঢ়িব? ইমানখিনি সময় ক'ত? ইয়াৰ উপৰি আগতে বিয়া-সবাহতো ২/৪খন কিতাপ উপহাৰ হিচাপে কিনিছিল, এতিয়া সেইটোও মুদা মৰিল অৰ্থাৎ আজিকালি ৰাইজে "প্লাষ্টিক কনটেইনাৰ" আদি বিয়া-সবাহত উপহাৰ দিয়া কৰিছে। গতিকে কিতাপৰ বিক্ৰীও তেনেই কমি গৈছে। তথাপিও ২/৪ খন ভাল কিতাপ প্ৰকাশ কৰিব পৰা হলে তাতে যদি কোনো অনুষ্ঠানৰ পৰা পুৰস্কাৰ পায় তেন্তে সেই কিতাপখন বিক্ৰী হবই লাগিলে নপঢ়ি ড্ৰইং ৰুমতেই সজাই থ'ব। কিন্তু এই কিতাপখন ছপাবলৈও প্ৰকাশক সকলে অৰ্থৰ অভাৱত প্ৰকাশ কৰিব নোৱৰা হৈছে। প্ৰকাশক নাইবা বিক্ৰেতা সকলৰ হাতত টকা আহিবলৈ হলে স্কুলীয়া কিতাপ বিক্ৰীৰ যোগেৰে আর্থিক ভাবে টনকিয়াল হ'ব পৰা যায়। গ্ৰন্থ ব্যৱসায়টোৰ ,এশ এবুৰি সমস্যাৰ সমুখীন হৈছে। যদি চৰকাৰে স্কুলীয়া কিতাপৰ কিছু অংশ ব্যক্তিগত প্ৰকাশক সকলক এৰি নিদিয়ে তেনেহলে গ্ৰন্থ ব্যৱসায়ীসকলৰ ক্ষেত্ৰত এটা গুৰুতৰ সমস্যাই দেখা দিব।

আনফালে চৰকাৰে বাহিৰা কিতাপ ক্ৰয়ৰ নীতিটোও এটা আঁসোৱাহপূৰ্ণ কৰি ৰাখিছে। অসম ৰাজ্যিক পুথি ভঁৰাল, ডি পি আই আদি চৰকাৰী বিভাগবোৰত বাহিৰা কিতাপ ক্ৰয়ৰ নিয়ম কৰিছে যদিও অতি কম সংখ্যক কিতাপহে অসমৰ পুথি প্ৰকাশকৰ পৰা ক্ৰয় কৰে। এই ক্ষেত্ৰতো অসমত থকা ৪০০/৫০০ কিতাপ বিক্ৰেতা সকলৰ পৰা কিতাপ ক্ৰয় কৰাটো শুনা নাযায়। অসম ৰাজ্যিক পুথিভঁৰালে প্ৰকাশকৰ (অসমৰ প্ৰকাশকৰ ক্ষেত্ৰতহে বাহিৰৰ প্ৰকাশকৰ ক্ষেত্ৰত কিন্তু নহয়) পৰা কিতাপ কিনিবলৈ হলে খুব কঢ়া নিয়মেৰে ২৫ খনৰ পৰা ৭৫ খনহে কিতাপ ক্ৰয় কৰে কিন্তু কোনো লেখক নাইবা কোনো ব্যক্তিগত লোকে প্ৰকাশ কৰা কিতাপ ১০০ খনৰ পৰা ২০০ খনলৈকে কোনো কঢ়া নীত নিয়ম নোহোৱাকৈ পুথিভঁৰাল নাইব ডি পি আইয়ে কিতাপ ক্ৰয় কৰে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে যোৱা বছৰ অপাৰেচন ব্লেকবোৰ্ডৰ জৰিয়তে প্ৰকৃত গ্ৰন্থ ব্যৱসায়ী সকলৰ পৰা কিতাপ ক্ৰয় নকৰি ৰাতিটোৰ ভিতৰতে কিছুমান প্ৰকাশকৰূপে জন্ম হোৱা লোকৰ পৰা লাখ লাখ টকাৰ কিতাপ কিনি চৰকাৰৰ নীতি নোহোৱা কাম কৰিছে। লাগিলে সেইবোৰ কিতাপ শিশু সকলৰ বাবে উপযোগীয়ে নহওক। এই ক্ষেত্ৰত সমগ্ৰ অসমৰ পুথ প্ৰকাশক আৰু বিক্ৰেতা সকলৰ কথা চৰকাৰে অকণো চিন্তা নকৰিলে। ঠিক সেইদৰেই ৰাজা ৰাম মনোহৰ পুথি ভঁৰালৰ ক্ষেত্ৰতো কোনো স্পষ্ট নীতি নোহোৱাকৈ নাইবা কোনো বাতৰি কাকতত বিজ্ঞাপন আদি নিদি গোপনে কিছুমান ব্যক্তিগত লোকৰ পৰা কিতাপ কিনি পুথিভঁৰালটো টনকিয়াল কৰিলে। এই ক্ষেত্ৰতো গ্ৰন্থ ব্যৱসায়ী সকল বঞ্চিত হৈয়ে আছে।

সমগ্ৰ অসমৰ চুকে-কোণে ইংৰাজী মাধ্যমৰ স্কুল (ঘৰে ঘৰে বুলি কলেও বেছি কোৱা নহয়) গঢ়ি উঠিছে আৰু সেইবোৰ স্কুলতেই ইংৰাজী কিতাপ বিক্ৰীৰ একোটা কেন্দ্ৰ স্থাপিত হৈছে আৰু আনফালে অসমৰ বাহিৰৰ প্ৰকাশক আৰু বিক্ৰেতাসকল লাভবান হৈ গৈ আছে। এই ক্ষেত্ৰত বিশেষকৈ দিল্লী, বোম্বাই, মাদ্ৰাজ আদিৰ প্ৰকাশক সকলে অসমৰ পৰা বছৰে বছৰে লাখ লাখ টকা লৈ গৈ আছে। এইবোৰ ক্ষেত্ৰতো চৰকাৰ নাইবা ৰাইজে অকণো চিন্তা-চৰ্চা কৰা দেখা নাযায়।

চৰকাৰে এই গ্ৰন্থ ব্যৱসায়টোক অৰ্থাৎ কিতাপ প্ৰকাশন ব্যৱস্থাটোক উদ্যোগ বুলি স্বীকৃতি দি উদ্যোগ সমূহে পাই থকা সা-সুবিধাখিনি দিব লাগে যাতে ভৱিষ্যতলৈ এই উদ্যোগটো বাচি থাকি জাতিটোক ৰক্ষা কৰিব পাৰে। ব্লেকবোৰ্ডটোক যদি উদ্যোগৰ ভিতৰত ধৰা হয় তেন্তে গ্ৰন্থ প্ৰকাশনটোক উদ্যোগ হিচাপে ধৰাত কি আঁসোৱাহ থাকিব পাৰে? গতিকে কিতাপ প্ৰকাশনটোকো উদ্যোগ হিচাপে চৰকাৰে আইনৰ গণ্ডিৰে স্বীকৃতি দিব লাগে।

কিতাপৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ কোনো ৰাজ্যই এতিয়ালৈকে বিনামূলীয়াকৈ কিতাপ বিতৰণ কৰাৰ ব্যৱস্থা কৰা নাই আৰু ফলৱতীও কোনো পথ্যেই হ'ব নোৱাৰে। আমাৰ প্ৰতিবেশী ৰাজ্য পশ্চিমবঙ্গই অতি কম মূল্য নিৰ্দ্ধাৰিণ কৰি ছাত্ৰ-ছাত্ৰীসকলক কিতাপৰ যোগান ধৰিছে আৰু কিতাপ ব্যৱসায়ী সকলৰ জৰিয়তে কিতাপবোৰ সহজে পোৱাৰ ব্যৱস্থা কৰিছে। আনহাতে উৰিষ্যা চৰকাৰে কিতাপ প্ৰকাশনটোক উদ্যোগ হিচাপে চৰকাৰী আইন কৰি লৈ গ্ৰন্থ ব্যৱসায়ী সকলক বচাই ৰাখিবলৈ ব্যৱস্থা কৰিছে।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে চৰকাৰে প্ৰকাশন পৰিষদ, ৰাজ্যিক পাঠ্য-পুথি প্ৰকাশন নিগম, বিজ্ঞান ছোচাইটি আৰু শিশু ন্যাসৰ জন্ম দি বছৰে বছৰে লাখ লাখ টকা অনুদান আৰু আগধন আদি সাহায্য দি আহিছে – সেইদৰে সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সকলকো অনুদান আৰু সাহায্য দিয়াটো উচিত হ'ব।

# লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্য

ৰূপশ্ৰী গোস্বামী

খৃষ্টান মিচনেৰী সকলৰ যত্নত ১৮৪৬ খৃষ্টাব্দত প্ৰকাশ পোৱা 'অৰুণোদই' কাকততেই প্ৰকৃত অসমীয়া গদ্যৰ আৰম্ভণি হয়। তাৰ পাছত কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰ কেইগৰাকীমানৰ উদ্যোগত ১৮৮৯ খৃষ্টাব্দত 'জোনাকী' নামৰ অসমীয়া মাহেকীয়া আলোচনী কাকত এখনৰ জন্ম হয়। 'জোনাকী'য়ে অসমীয়া সাহিত্যত এক নতুন অধ্যায়ৰ সূচনা কৰে কাৰণ এইখন কাকততে অসমীয়া সৃষ্টিশীল গদ্য সাহিত্যৰ বিভিন্ন ভাগৰ আৰম্ভণি হয়। 'জোনাকী'ৰ অন্যতম সম্পাদক, লেখক লক্ষ্মীনাথ বেজবৰুৱাই সৃষ্টিশীল গদ্যৰ বিভিন্ন ভাগত বুজন সংখ্যক অৱদান আগবঢ়াই অসমীয়া গদ্য সাহিত্যৰ ভেটি সুদৃঢ় কৰে।

লক্ষ্মীনাথ বেজবৰুৱাই (১৮৬৪-১৯৩৮) 'জোনাকী'ৰ জন্ম লগ্নৰে পৰাই কাকতখনৰ যোগেদিয়ে অসমীয়া গদ্য সাহিত্যৰ প্ৰতিটো ভাগতে কলম চলাই অসমীয়া গদ্য সাহিত্যৰ বিভিন্ন ভাগত থকা অভাৱ মোচনৰ বাবে চেষ্টা কৰে। ফলত লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাসমূহে অসমীয়া গদ্য সাহিত্যৰ বুৰঞ্জীত একক স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হয়।

লক্ষ্মীনাথ বেজবৰুৱাৰ পৰম সৌভাগ্য আছিল এয়ে যে তেওঁ গদ্য ৰচনা কৰিবলৈ লোৱাৰ আগতেই হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ চেষ্টাত অসমীয়া ভাষাই ব্যাকৰণৰ নীতি-নিয়মেৰে এক শৃংখলিত ৰূপ পৰিগ্ৰহণ কৰিছিল। গতিকে লক্ষ্মীনাথে এক সুস্থিৰ ভাষাৰূপত লিখিবলৈ পাইছিল। স্কুলীয়া ছাত্ৰ হৈ থাকোতেই লক্ষ্মীনাথে হেমচন্দ্ৰ বৰুৱা সম্পাদিত সাদিনীয়া ইংৰাজী অসমীয়া বাতৰি কাকত 'আসাম নিউচ' পঢ়াৰ সুযোগ লাভ কৰিছিল। এইখন কাকতৰ লেখাৰ ধৰণৰ প্ৰতি লক্ষ্মীনাথ আকৰ্ষিত হৈছিল। তেওঁ তেওঁৰ আত্মজীৱনীত এই কথা উল্লেখ কৰি গৈছে যে, "বাস্তৱিকতে 'আসাম-নিউচ' পঢ়ি তাৰ অসমীয়া লিখা গঢ়ৰ ফালে ভালকৈ মন দিহে প্ৰথমতে মই অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকো।"[১] তাৰ পাছত গুণাভিৰাম বৰুৱাৰ চৰকাৰী কৰ্ম জীৱনৰ শেষৰ ফালে উলিওৱা মাহেকীয়া 'আসাম বন্ধু' নামৰ কাকতখনো বেজবৰুৱাই ছাত্ৰ অৱস্থাতে পঢ়াৰ সুবিধা পাইছিল। প্ৰকৃত আধুনিক আৰ্হি অসমীয়া গদ্যত লেখা প্ৰবন্ধ এইখন কাকততে প্ৰকাশ হৈছিল সেয়ে লক্ষ্মীনাথ বেজবৰুৱাই 'আসাম নিউচ' আৰু 'আসাম-বন্ধু'ত প্ৰকাশ পোৱা 'সুললিত, সৰল, ৰসাল অথচ ওখ শাৰীৰ গদ্য ৰচনা'[২] পঢ়ি সেই ধৰণে সেই গঢ়ত অসমীয়া সাহিত্যত নিজৰ গদ্য লিখিবলৈ অনুপ্ৰেৰণা লাভ কৰে।



লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যলৈ দি যোৱা গদ্য ৰচনাসমূহে অসমীয়া গদ্য সাহিত্যত সেই সময়ত থকা অভাৱ পূৰণত বিশেষভাৱে সহায় কৰিছিল। সাহিত্য হিচাপে তেওঁৰ ৰচনাসমূহৰ মূল্যৰ কথা বিবেচনা নকৰাকৈও অসমীয়া গদ্য সাহিত্যৰ বিকাশত তেওঁৰ গদ্য ৰচনাসমূহৰ ভূমিকা অতুলনীয় বুলি ক'ব পাৰি।

একোগৰাকী কৃতী গদ্য লেখকৰ গদ্য ৰচনাৰ কৃতিত্ব নিৰ্ভৰ কৰে তেওঁ নিৰ্বাচন কৰা শব্দ সম্ভাৰ, তেওঁৰ বাক্যৰীতি, দফা বিভাগ, অলংকাৰ, ছন্দ আদিৰ প্ৰয়োগৰ কৌশলৰ ওপৰত। আমাৰ এই প্ৰবন্ধত এই দৃষ্টিকোণৰ পৰাই লক্ষ্মীনাথৰ গদ্যৰীতি সম্পৰ্কে এক ধাৰণা লবলৈ চেষ্টা কৰা হৈছে।

## শব্দ সম্ভাৰ :

লক্ষ্মীনাথ বেজবৰুৱাই ভাবৰ উপযোগী শব্দ ব্যৱহাৰ কৰাত গুৰুত্ব দিছিল। কাৰণ ভাবৰ লগত মিলি যোৱাকৈ শব্দ ব্যৱহাৰ কৰিব পাৰিলেহে গদ্যই স্পষ্টতা গুণ (Clarity) লাভ কৰিবলৈ সমৰ্থ হয়। সেইকাৰণে লক্ষ্মীনাথ যদিও ঘৰুৱা অসমীয়া শব্দ ব্যৱহাৰ কৰাৰ পক্ষপাতী আছিল তথাপিও আৱশ্যক অনুসৰি সংস্কৃত, ইংৰাজী বা অন্য ভাষাৰ পৰা শব্দ গ্ৰহণ কৰাৰ প্ৰতিও তেওঁৰ সমৰ্থন আছিল। কোমল আৰু কঠিন দুই ধৰণৰ শব্দকে তেওঁ সমানে ব্যৱহাৰ কৰিছিল।

তেওঁ বিদেশী ইংৰাজী শব্দ ব্যৱহাৰ কৰাৰ যুক্তিযুক্ততাও এইদৰে প্ৰতিপন্ন কৰিছিল যে, "কোনোটো ভাব কোনোটো চিন্তা আমাৰ শব্দেৰে প্ৰকাশ কৰিব নোৱাৰিলে সহজে বুজা বিদেশী শব্দ ধাৰৈকে আনি সেই কাৰ্যৰ নিমিত্তে তাৰ সহায় ল'লে ভাষাৰ মঙ্গলৰ বাহিৰে অমঙ্গল নহয় আৰু ভাষাৰ জাতো নাযায়।"[৩] আনকি অসমীয়া ভাষাৰ ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাই "উজনিৰ প্ৰাধান্য থকা ভাষাইও ভাটিৰ পৰা শব্দ সম্ভাৰ ল'বই লাগিব"[৪] বুলি দৃঢ়তাৰে কৈছিল। কাৰণ বেজবৰুৱাই বিশ্বাস কৰিছিল "বৰ্দ্ধিষ্ণু ভাষাই চাৰিওফালৰ পৰা ভাব আৰু ভাব ব্যঞ্জক শব্দ নিজৰ ভিতৰুৱা কৰি লয়।"[৫]

বিষয়ৰ লগত সামঞ্জস্য ৰাখি শব্দ ব্যৱহাৰ কৰাটো ভাল গদ্য লেখকৰ এটা ডাঙৰ গুণ। বেজবৰুৱাৰ এই গুণ আছিল বাবে তেওঁ বিষয় বস্তুৰ লগত খাপ খোৱা শব্দ বিচাৰি ব্যৱহাৰ কৰিছিল। তেওঁৰ গল্প, উপন্যাস আৰু নাট, ৰস ৰচনাৰ মাজত ঘৰুৱা শব্দৰ আধিক্য যিদৰে দেখা যায় সেইদৰে তত্ত্ব কথাৰ নিচিনা গম্ভীৰ ভাব বিষয়ক ৰচনাত সংস্কৃত শব্দৰ ব্যৱহাৰ যথেষ্ট পৰিমাণে দেখা পায়। তদুপৰি ছাত্ৰৰ উদ্দেশ্যে লেখা ভাষা সাহিত্য বিষয়ক প্ৰবন্ধত ইংৰাজী শব্দৰ প্ৰয়োগো তেওঁ কোনো কাৰ্পণ্য নকৰাকৈ কৰিছে।

গল্প, উপন্যাসত চৰিত্ৰৰ মুখত খাপ খোৱা শব্দহে লক্ষ্মীনাথে সংলাপৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিছে। লক্ষ্মীনাথৰ চৰিত্ৰসমূহক এই কথাই স্বাভাৱিকতা দান কৰিছিল। উদাহৰণ স্বৰূপে 'মলক গুইন গুইন' নামৰ গল্পটোত ইংৰাজী শিক্ষা লাভ কৰা মলখুৰ (পিছত মলক গুইন গুইন নাম লৈছে) মুখত ইংৰাজী শব্দ মিহলি সংলাপ, হিন্দুস্থানী চাপৰাছীটোৰ মুখত হিন্দী শব্দ মিহলি সংলাপ আৰু মলখুৰ দেউতাকৰ মুখত হোজা গাঁৱলীয়া চহা লোকৰ ব্যৱহৃত ঘৰুৱা অসমীয়া শব্দৰ ব্যৱহাৰলৈ আঙুলিয়াব পাৰি। সেইদৰে পাহাৰী নগা ছোৱালী ডালিমীৰ মাক-দেউতাকৰ মুখৰ ভগা অসমীয়া শব্দ প্ৰয়োগ চৰিত্ৰৰ স্বাভাৱিকতা ৰক্ষা কৰিবলৈ কৰা হৈছে।



তলত লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ গদ্য ৰচনাত ব্যৱহাৰ কৰা শব্দ সম্ভাৰৰ নমুনা কিছু দিয়া হ'ল :-

| অসমীয়া শব্দ | সংস্কৃত | ইংৰাজী |
|---|---|---|
| কাপ | | |
| মহী | প্ৰাঞ্জল | boy of mediocre |
| বাঁহৰ চুঙাৰ | বৰ্দ্ধিষ্ণু | early riser |
| মৈলাম | সশঙ্কিত | risky |
| ওমলা | মুখঃ নিঃসৃত | discipline |
| চালপীৰা | দুৰ্জ্জন | unprepared |
| লগুৱা | শয়ন | last attempt |
| দিনচেৰেক | তৃষ্ণা | honest |
| ফোপজহী | গাৰ্হতম | up to the |
| আঁহফলা | ক্ষুদ্ৰজন্তৱ : | last moment |
| চেৰেকা পানী | সঙ্কীৰ্ণ | companionate |
| পিলিকা | কাম্যাদিজনিত | marriage |
| ওৰে ৰাতি | নিষ্পন্ন | public |
| ফানতি | কৰ্ণাঞ্জলি | opinion |
| একুৰি ছুঅঁৰা | কৃষ্ণাৰ্পণমস্ত | freely used |
| সোণৰ সোলেং | পূৰ্ব্বজন্মাৰ্জ্জিত | strongly |
| বহতীয়া | পূৰ্ণচন্দ্ৰ | feel |
| ঢোদোঙা | উদিত | progress |
| আলেঙে আলেঙে | অস্তাচলগামী | observed |
| চেলেং কাপোৰ | প্ৰসন্ন বদন | vibration |
| | | fact in fact |
| | | broadcast |

তদুপৰি বহু হিন্দী শব্দও তেওঁ ব্যৱহাৰ কৰিছিল, যেনে মদৎখানা, আদমি, জান, ইন্টাজান, মুলাকাৎ ইত্যাদি। সাধাৰণতে হাস্যৰস সৃষ্টিৰ বাবেও তেওঁ কেতিয়াবা ইংৰাজী আৰু সংস্কৃত শব্দ ব্যৱহাৰ কৰিছিল। সেইদৰে হিন্দী শব্দও একেটা কাৰণতে অসমীয়া বাক্যৰ মাজত সুমুৱাইছিল।

তলত হাস্যৰস সৃষ্টিৰ উদ্দেশ্যে ব্যৱহাৰ কৰা এনে ধৰণৰ বিভিন্ন শব্দৰ সংমিশ্ৰণ থকা কেইটামান বাক্য তুলি দিয়া হ'ল।

"মোৰ মৃগনেত্ৰ সদৃশ জীৱনত আমাৰ পণ্ডিত সকলৰ হিচাপ মতে 'ক' বুলিব পাৰিলো বা নোৱাৰিলো, কিন্তু পুৰাণ ভাবৰ আৰু বুৰঞ্জী ইতিহাসৰ ৰত্নাৱলী অনেক পঢ়িলো।"[৬]

"মই তেতিয়াই ছাত্ৰৰ নামৰ ৰেজিষ্টাৰ কিতাপটো আনি ভুচুঙাক দুবছৰলৈ ৰাষ্টিকেট কৰিলো।"[৭]

"হোপলেছ কেছ, কিন্তু ভৱিষ্যতত সি ভাল হ'ব পাৰে।"[৮]

"অৰ্থ নহলে দুনীয়া নচলে।"[৯]

"স্বমতত অত্যাসক্ত আৰু পৰমতত অসহিষ্ণু মই নিজকে ভইৰ লোক ভাবিবলৈ ধৰিলো আৰু লোকৰ সকলো কথাতে 'ক্ৰিটিচাইজ' (সমালোচনা) কৰি 'এইসা নাহি হো সেক্তা', 'তেইসা নাহি হো সেক্তা' বুলি মূৰৰ মই-বৰ-পাগুৰি দুপিয়াবলৈ ধৰিলো।"[১০]

আনকি কেতিয়াবা তেওঁ নিজকৈও কিছুমান ইংৰাজী শব্দৰ প্ৰতিশব্দও সৃষ্টি কৰি লৈছিল। যেনে-

neglected — পেলনীয়া
forfeited — জপৎ বা জৰিমনা
natural — জাতীয়
energy — উদম শক্তি
ঈশ্বৰৰ ওচৰত resignation আত্মসমৰ্পণ
reckless — বেপৰোৱা
morbid sentimentality — বিকৃত ভাবপ্ৰৱণতা
etiquette — দস্তুৰ
rude — অশিষ্ট
craft — মোচাবিদা
Sleep of tongue — জিভাৰ পিচলনি
gullent and chivalrous — সৌন্দৰ্যপূৰ্ণ আৰু স্ত্ৰী জাতিৰ মনোৰঞ্জনকাৰী মানুহ।

তদুপৰি নিজাকৈ তেওঁ কিছুমান শব্দৰো সৃষ্টি কৰি লৈছিল। যেনে সুযশস্যা, জাতীয় ভাঙৰতা, ফেটলেঙা ডিঙিৰে, ইত্যাদি।

এটা শব্দেৰে ঠিকভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱৰা বুলি ভাব হলে তেওঁ তাক বাক্যেৰে বা বাক্যাংশেৰে বুজাবলৈ চেষ্টা কৰিছিল, যেনে,

"Reserve অৰ্থাৎ সুকীয়াকৈ চিহ্নিত কৰি ৰাখিব লাগিব।"[১১]

"মই সকলো কথাতে Opinionative অৰ্থাৎ নিজৰ মতত বৰ চন্দ্ৰ হৈ উঠিছিলো যে আজিকালি সেইটো মনত পৰিলেও মোৰ ওকালি আহিব খোজে।"[১২]

## বাক্যৰীতি :

বেজবৰুৱাৰ বাক্যৰীতিও মনকৰিবলগীয়া। কাৰণ একোটা শব্দই অকলে সৌন্দৰ্য বা মহত্ব লাভ কৰিব নোৱাৰে। বাক্যত তাৰ উপযুক্তভাৱে হোৱা প্ৰয়োগৰ ফলতহে শব্দটোৰ সৌন্দৰ্য চকুত পৰে আৰু শব্দটোহে ঠিকমতে ভাব বহণ কৰিবলৈ সমৰ্থ হয়। Herbert Read অৰ মতে বাক্য হ'ল, "a unit of expression, and its various qualities — length, rhythm and structure are determined by a sight sense of this unity."[১৩] বেজবৰুৱাই তেওঁৰ গদ্যত বাক্যৰ এই বিভিন্ন গুণ ঠিকমতে ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল।

বেজবৰুৱাই তেওঁৰ বাক্যৰ গাঁথনি শুদ্ধ অসমীয়া গঢ় কৰি ৰাখিবলৈ যত্ন কৰিছিল। তাৰ মাজতো কেতিয়াবা ইংৰাজী বাক্যৰীতিৰ প্ৰভাব কিছু পৰিছিল। 'বিশেষকৈ কৈ দিলে', 'হঠাৎ বিজুলী মৰাৰ দৰে' আদিত ইংৰাজী বচন ভংগীৰ প্ৰভাব পৰা দেখা যায় বুলি ডঃ প্ৰফুল্ল কটকীয়ে 'ক্ৰম বিকাশত অসমীয়া কথাশিল্পী' নামৰ গ্ৰন্থত মত প্ৰকাশ কৰিছে।

লক্ষ্মীনাথৰ বাক্যৰীতি প্ৰায়ে সৰল আছিল। – সেইকাৰণে ইংৰাজী, সংস্কৃত ৰচনা শৈলীৰ সংমিশ্ৰণ ঘটালেও বাক্যৰ সৰল ৰীতিয়ে তাক পাঠকৰ বোধগম্য কৰিছিল।

বেজবৰুৱাই চুটি আৰু দীঘল দুই ধৰণৰ বাক্যকে ব্যৱহাৰ কৰিছিল। সাধাৰণতে মানুহে কথা কওঁতে বেছি দীঘল বাক্য ব্যৱহাৰ নকৰে। বেজবৰুৱাই সেই কথালৈ লক্ষ্য ৰাখি নাটৰ সংলাপ বা চুটি গল্প উপন্যাসৰ চৰিত্ৰৰ সংলাপত দীঘল বাক্য প্ৰয়োগ কৰা নাছিল। যেনে-

"মিঙিমাহা। সেইটোন কি ?
বকতিয়াল। কানি।
মিঙিমাহা। কানি কি ?
বকতিয়াল। আফিং
মিঙিমাহা। আফিং মই কি কৰিম ?
বকতিয়াল। ভোজন কৰিব।"[১৪]

সাধাৰণতে বৰ্ণনামূলক কথাতহে বেজবৰুৱাই দীঘল বাক্য প্ৰয়োগ কৰিছিল। কিন্তু দীঘল হলেও বাক্যবিলাকৰ গাঁথনি সহজ সৰল আছিল। তদুপৰি কমা, চেমিক'ল'ন, ক'ল'ন আদি দীঘল বাক্যবিলাকৰ মাজত সঘনে ব্যৱহাৰ কৰা হেতুকে অৰ্থ সহজবোধ্য হৈ পৰিছিল। যেনে-

"প্ৰকৃতিৰ কাম্যবন আকাশলঙ্ঘা পৰ্বতমালাৰে মেৰ খোৱা, ব্ৰহ্মপুত্ৰৰ পৱিত্ৰ পানীৰে ধুতি অলেখ তীৰ্থস্থানেৰে ভৰপূৰ কামৰূপৰ প্ৰধান নগৰ গুৱাহাটীত, যাৰ প্ৰাগজ্যোতিষ নাম

পৃথিৱীত প্ৰখ্যাত, যাৰ ৰজা, ষোল হাজাৰ কন্যাৰ অধিপতি পৃথিৱীৰ পুত্ৰ নৰকাসুৰ আৰু মহাভাৰতৰ যুদ্ধৰ মহাবীৰ ভগদত্ত, যি গুৱাহাটীৰ নীলাচল পৰ্বতত মহামায়া ভগৱতীৰ প্ৰধান পীঠস্থান কামাখ্যা বৰ্তমান; যাৰ পশ্চিম দক্ষিণ ফালে প্ৰাচীন ৰাজ্যৰ বিজয় ঘোষণা কৰি নৰকাসুৰৰ পৰ্বত নিৰ্ভয় চিত্তে থিয় হৈ আছে; যাৰ অগ্নি কোণৰ সন্ধ্যাচল পৰ্বতত তিনিও সন্ধ্যাৰে পৰিভ্ৰমন বশিষ্ঠ মুনিৰ আশ্ৰম; যি গুৱাহাটীৰ বেলতলা নামেৰে ঠাইত ষাঠি হেজাৰ শিষ্যৰে বেঢ়ি থকা মহামুনি গান্ধৰ্বৰ বেদ ধ্বনিৰে প্ৰতিধ্বনিত হৈছিল; পূজনীয় গোকৰ্ণ ঋষিৰ সামবেদ গীতত যি গুৱাহাটীৰ হয়গ্ৰীৱ মাধৱৰ কাণ আপ্লুত হৈছিল, এনে গুৱাহাটীত হৰদত্ত নামেৰে এজন ধনী, প্ৰতাপী, সম্ভ্ৰান্ত কায়স্থ কুলীয়া লোক ১৭১৭ শকত বসতি কৰিছিল।"[১৫]

ওপৰৰ বাক্যটোত কেইবাটাও গুণবাচক বাক্যাংশ (qualifying clauses) ব্যৱহাৰ কৰি দীঘলীয়া কৰা হৈছে। এনে ধৰণৰ বাক্যত ইংৰাজী বাক্যৰ জটিল ৰীতিৰ প্ৰভাৱ পৰা দেখা যায়। এই দীঘলীয়া বহু বাক্যাংশযুক্ত বাক্যৰ বিপৰীতে চুটি বাক্যও লক্ষ্মীনাথৰ বৰ্ণনাত আছে। কেতিয়াবা এটা দুটা শব্দেৰেও এটা বাক্যৰ অৰ্থক চমুৱাই পেলোৱা হৈছে। যেনে–

"ভৰ দুপৰ। ৰ'দটো পকি পৰিছে। বেলিয়ে মূৰকে ভৰিকে ছাঁৰে লগলগাই দিছে। চৰাই-চিৰিকতি নিমাত। চাৰিওফাল নিজম। শব্দৰ ভিতৰত, পলাশৰ শুকান পাতত মোৰ ভৰি পৰি খৰ-খৰণি উঠিছে।"[১৬]

কেৱল তত্ত্বৱ শব্দৰ ব্যৱহাৰেৰে লক্ষ্মীনাথ বেজবৰুৱাই যি কৃতিত্বৰে বাক্য ৰচনা কৰিছে সেই একে কৃতিত্বৰে সংস্কৃত, ইংৰাজী আদি শব্দ মিহলি কৰিও বাক্য ৰচনা কৰিছে। ব্যঙ্গ ৰস প্ৰকাশৰ বাবেও বাক্যত সংস্কৃত শ্লোক ব্যৱহাৰ কৰাটো তেওঁৰ ৰচনা ৰীতিৰ এটা বিশেষত্ব।

বাক্যৰ এই ধৰণৰ বিভিন্ন প্ৰয়োগৰ বাবে বেজবৰুৱাৰ গদ্যৰ বিচিত্ৰতা গুণ বৃদ্ধি হৈছে; বৰ্ণনা কেতিয়াবা দীঘলীয়া কৰিলেও আমনিকৰ হোৱা নাই। তদুপৰি বেজবৰুৱাই কিছুমান এনে শক্তিশালী বাক্য ৰচনা কৰি থৈ গৈছে যে সেইবিলাক আপ্ত বাক্যৰ দৰে হৈ পৰিছে। যেনে, "স্বদেশৰ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গল মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।"[১৭]

## দফা বিভাগ :

গদ্য ৰচনাৰ ক্ষেত্ৰত দফা বিভাগ কৰাটো ধৰা-বন্ধা নিয়ম নহয়। কিন্তু ভাল গদ্য লেখকে সদায় তেওঁলোকৰ লেখনীত দফা বিভাগো ঠিকমতে কৰাত গুৰুত্ব দিয়ে। তেওঁলোকে পাঠকক একোটা কথা উপলব্ধিৰ সুযোগ দিবৰ বাবে দফা বিভাগ কৰাটো প্ৰয়োজন বুলি ভাবে। কাৰণ "Each paragraph treats one aspect of the topic and each leads on to the next reasoning, this is the whole art of paragraphing from the point of view of logic."[১৮]

বেজবৰুৱাই এই কথাকে মানি উপযুক্তভাবে দফা বিভাগ কৰিছে। পাঠকক একোটা বিষয়ৰ এটা দিশ সাধাৰণতে এটা দফাৰ ভিতৰত বুজাবলৈ চেষ্টা কৰিছে। প্ৰবন্ধত যেনে ধৰণে তেওঁ যথেষ্ট দীঘলীয়া দফা ব্যৱহাৰ কৰিছে গল্পত তেনেদৰে কৰা নাই। অসমীয়া ভাষা সাহিত্য বিষয়ক প্ৰবন্ধ বা তত্ত্বকথাত যুক্তি সহকাৰে কোনো এটা বিষয় প্ৰতিপন্ন কৰিবলগীয়া হোৱাত একোটা দফা যথেষ্ট দীঘল হৈছে। কিন্তু তেওঁৰ চুটি গল্প বা উপন্যাসত তেনে ধৰণৰ দীঘল দফাৰ প্ৰয়োগ কৰা হোৱা নাই। কেতিয়াবা অৱশ্যে বিষয়ৰ লগত সামঞ্জস্য নথকা কথাৰ একোটা দফাৰ প্ৰয়োগেহে বেজবৰুৱাৰ ৰচনাৰ সৌন্দৰ্য হানি কৰিছে। 'পদুম কুঁৱৰী' উপন্যাসৰ এটা দফালৈ আঙুলিয়াব পাৰি –

"হৰি হৰি বিধি। এজনী ছোৱালীৰ নিমিত্তে তুমি কত দুখ থৈছা ? তেওঁৰ বুকুৰ ধনটি কাঢ়ি নি তোমাৰ হেঁপাহ নপলাল, শেহত মুখ জুৰাবলৈ মাকজনী আছিল তাকো তুমি কাঢ়ি নিলা ? এই বাবেহে তোমাক ক্ৰূৰ বিধি, নিদাৰুণ বিধি, 'কণা গোসাঁই' ইত্যাদি নাম মানুহে দিয়ে।"[১৯]

উপন্যাসৰ কাহিনীৰ বাবে প্ৰয়োজন নথকা লেখকৰ স্বগতোক্তিৰ দৰে এই দফাটোৱে উপন্যাসখনৰ ঘটনাৰ ক্ৰম ৰক্ষা আৰু ৰস আস্বাদনত বাধা দিছে।

দফাৰ মাজত গীত পদ, শ্লোকৰ উদ্ধৃতিও লক্ষ্মীনাথৰ গদ্যত প্ৰায়ে দেখা যায়। ৰস সৃষ্টি আৰু বক্তব্য বিষয়ক শক্তিশালী কৰি দাঙি ধৰাই বেজবৰুৱাৰ এই উদ্ধৃতি সমূহৰ উদ্দেশ্য।

## গদ্যৰ লয় :

".......Great prose has fine rhythm"[২০] কবিতাৰ দৰে গদ্যত ছন্দৰ প্ৰয়োজন নাই যদিও উৎকৃষ্ট গদ্যত লয় সদায় নিহিত হৈ থাকে। শব্দ, অলঙ্কাৰ আদিৰ উপযুক্ত প্ৰয়োগে এই লয় ৰক্ষা কৰে। লক্ষ্মীনাথৰ গদ্যৰ মাজতো এই লয় অনুভৱ কৰা যায়। এই লয়ে তেওঁৰ গদ্যক কেতিয়াবা কাব্যিক লালিত্যও দান কৰিছে। আৰু বৰ্ণনাও এনে ক্ষেত্ৰত গম্ভীৰ প্ৰকৃতিৰ হৈ পৰিছে। কোমল শব্দৰ প্ৰয়োগহে এনে বৰ্ণনাত বেছি।

"ৰূপহী সৰু নৈ। দ। খৰালীৰ পানী চিৰচিৰিয়া, সেই পানীক ক'ৰবাৰ পৰা বৈ অহা ফটিক জোল বুলিলেহে ৰজে। কিন্তু বাৰিষাৰ টৌ-লেও দিয়া বোকা। আহিন-কাতিৰ ৰূপহী নিমাতী ক্ষীণ আৰু লাজকুৰীয়া। আহাৰ-শাওণৰ ৰূপহী টপটপী শকত, ডেও পাৰতী আৰু নাচনী ..........."[২১]

## অলংকাৰ :

বেজবৰুৱাৰ উপমা প্ৰয়োগৰ পাৰদৰ্শিতালৈ লক্ষ্য কৰি স্বৰ্গীয় বেণুধৰ শৰ্মাই এইবুলি মন্তব্য দিছিল যে, "উপমা কালিদাসস্য" বুলি সংস্কৃত সাহিত্যত এটি সত্য যেনেকৈ জগজ্জননী হৈ পুৰুষ পৰম্পৰায় চলি আহিছে বেজবৰুৱাৰ উপমাও অসমীয়া সাহিত্যত তেনেকৈয়ে অনুপম বুলি স্বীকৃত হৈ আহিছে। তেওঁৰ বাক্যাৱলীত এনেয়ে ৰস চৌ চৌৱাই থাকে, তাতে যদি কাৰোবাৰ সৈতে তৰ্ক কৰিবলগীয়া হয়, তেন্তে হৰা-জিকা সুকীয়া কথা উপমাৰ আৰু অন্ত নাই – এখন যেন নৈহে বৈ যায়........"[২২]

লক্ষ্মীনাথৰ বিভিন্ন ৰচনাৰ মাজত অন্তঃসলিলা ফল্গুৰ দৰে প্ৰবাহিত হাস্যৰস প্ৰকাশত উপমা অলঙ্কাৰে সঁচাকৈয়ে বিশেষ বৰঙনি যোগাইছে। উপমা অলঙ্কাৰৰ সহায়ত কনেদৰে লঘু ৰস প্ৰকাশ পাইছে তাৰে সুন্দৰ উদাহৰণ হ'ল এই বৰ্ণনাটো, "তেওঁৰ মূৰটো ৰঙা লাওৰ নিচিনা, যদিও পাহ কাটি দীঘল চুলি ৰাখিবলৈ যত্ন কৰিছিল তথাপি তেওঁৰ তালুখন ধান মেলি শুকাব পৰা। গোফ মেকুৰীৰ গোফৰ নিচিনা; বৰণ চুৱা চৰুৰ তলিতকৈ অলপহে পোহৰ, চকু দুটা সৰু, নাকটো হাকোটাটো যেন, গাল মেৰোটা মকুটি হনু ওলোৱা, হাত ভৰি বৰ বৰ।"[২৩]

উপমা, ৰূপকৰ সুন্দৰ প্ৰয়োগে লক্ষ্মীনাথৰ বৰ্ণনাক কেতিয়াবা চিত্ৰময় আৰু কাব্যিক গুণ সমৃদ্ধও কৰিছে। যেনে–

"দুখ সমুদ্ৰৰ অকুল পানীৰ মাজতো আশা কাঠ এডুখৰি কেতিয়াবা ওপঙি থকা পোৱা যায় : নৈৰাশ্যৰ লক্ষ কাঁড়ৰ মাজতো আশা ছালৰ ঢাল এখনি গা ঢাকিবলৈ কেতিয়াবা মিলে।"[২৪]

"সূৰ্যৰ শুকান মন দুবৰি এতিয়া আশা নীয়ৰ পাই অলপ ঠন ধৰিলে।"[২৫]

"আহা ! প্ৰকৃতিৰ কি সুন্দৰ শোভা। ওপৰত নিৰ্ম্মল আকাশ। চাৰিওফালে নিৰ্ম্মল বায়ু। বনৰ ফুল, ফল, গছ-লতাই গোটেইখন জকমকাব লাগিছে। দূৰৈত সৌ ওখ পৰ্ব্বত শাৰী কেনেকৈ আকাশৰ ফালে মূৰ তুলি আছে। যেন স্বৰ্গৰ বিদ্যাধৰী সকলৰ নৃত্যগীত শুনি থাকিহে সিহঁত তন্ময় তদগত। চৰাইবোৰে মিঠা গীত গাই কেনেকৈ আনন্দত নাচি নাচি উৰি ফুৰিছে ! সিহঁতৰ কি মুকলি ভাব ! চৰাই-চিৰিকতি পহু পতং সকলোৰে ইয়াত কেনে মুক্ত ভাব, উদাস প্ৰাণ। ইয়াত ভৈয়ামৰ পচা শোক নাই; দুখ নাই, হিংসা নাই, খিয়াল নাই।.........."[২৬]

লক্ষ্মীনাথে শ্লেষ আৰু বক্ৰোক্তিৰ প্ৰয়োগো যথেষ্টভাবে কৰিছে। কেতিয়াবা লক্ষ্মীনাথৰ



ৰচনাত ব্যৱহাৰ হোৱা বক্ৰোক্তিয়ে 'চুগাৰ কোটেড কুইনাইন'ৰ নিচিনা কা· কৰে। যেনে–

"........মিছা কথা ক'লে, ভণ্ডামি কৰিলে, ভেঁটী খালে, আনকি অগম্যাগমন কৰিলেও, চিৰস্তদাৰৰ শাৰীৰ লোকৰ জাত যোৱা দেখা নাযায়; কিন্তু বিদ্যাৰ্থী ল'ৰাই বিদ্যা শিকিবলৈ গৈ বিদেশত বিদেশী বামুণৰ হাতে ভাত এমুঠি খাই লেখা-পঢ়া শিকিলেহে হেনো তাৰ জাতিটো যায়। চকৰীৰ চুৰাত তেল দি লোৱা আৰু চকৰীৰ বেৰত বৰৰ আঠাৰে মেৰ লগাই লোৱা গাড়ীৰ দৰে চিৰস্তদাৰ কোম্পানীৰ জাত কেৰণেকেৰোৱাকৈ সুৰ্সুৰ কৰে তিনিও প্ৰসঙ্গতে আহে আৰু যায়, কোনেও তাৰ গম নাপায়।........"[২৭]

সেই সময়ৰ সমাজৰ ফোঁপোলা নীতিনিয়মক বিদ্ৰূপ কৰা ওপৰৰ গদ্য ছোৱাত বেজবৰুৱাৰ মিঠা সুৰত কোৱা কথাৰ ভিতৰত থকা চোকা সুৰটো সুন্দৰকৈ ফুটি ওলাইছে।

বক্ৰোক্তিমূলক গদ্য শৈলীৰ এটি উৎকৃষ্ট উদাহৰণ হ'ল বেজবৰুৱাৰ 'চোৰ' গল্পটো। ইয়াত লঘু হাস্যৰস সুন্দৰভাবে ফুটাই তোলা হৈছে বক্ৰোক্তিপূৰ্ণ উক্তিৰ যোগেদি।

"চক্ৰধৰ ফুকন শিৱসাগৰৰ এজন ডাঙৰ লোক : কাছাৰীৰ আমোলা। তেওঁৰ 'আমোলাপট্টি'ত ঘৰ; এগোহালি গৰু; এভড়াল ধান; এবাৰী তামোল পাণ; এবাৰী বাঁহ; এপুখুৰী পানী আৰু সৰুৱে বৰে বাৰটা ঘৰ। অৱশ্যে বতাহত তিনিটা ঘৰৰ মুধচ আজি এবছৰ হ'ল, উৰি গৈছে; দুটাৰ ছালেদি চৰগ দেখি; পাঁচোটাৰ বেৰ 'মেৰামত'ৰ অপেক্ষাত আছে; এটাৰ বেৰে ঢকুৱাৰ তাপলি পাইছে আৰু এটাই পিৰালিৰ পৰা চুৱা পাতনি বটা পাইছে।........"[২৮]

## ফকৰা যোজনা :

বিভিন্ন অলংকাৰৰ বাহিৰেও খাঁচ অসমীয়া ফকৰা যোজনা, প্ৰবাদ পটন্তৰেৰে লক্ষ্মীনাথৰ গদ্য ৰচনাসমূহ উপচি আছে। বেজবৰুৱাৰ ভাষা নিভাঁজ ঘৰুৱা হোৱাৰ গুৰিতে এই প্ৰবাদ পটন্তৰ খণ্ডবাক্যসমূহ। এইবিলাকে লক্ষ্মীনাথৰ ভাষা শক্তিশালী কৰিছে।

তলত কেইটিমান উদাহৰণ দাঙি ধৰা হ'ল;
বুঢ়া গৰুৰ মুখত কোমল ঘাঁহ (বেলিমাৰ)
গুৰিয়াল নহ'লে নাৱৰ মৰণ
(কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা)
এদাক দেখি উঠিল গা কেতুৰীয়ে বোলে মোকে খা
(বৰ বৰুৱাৰ বুলনি)
উৰহি গছৰ ওৰ (ভেমপুৰীয়া মৌজাদাৰ)
নোম টেঙৰ (বেলিমাৰ)
সাত বিহুৰ সৈয়া কণী (কেহোকলি 'ভেৰা')
বুদ্ধিত বৃহস্পতি (কেহোকলি 'ভেৰা')

হাস্য আৰু ব্যঙ্গ ৰস প্ৰকাশৰ বাবে বেজবৰুৱাই বৰ্ণনাৰ মাজত বীজগণিতৰ ভাষাও প্ৰয়োগ কৰিছে। যেনে–

(১) $\sqrt{\text{ভোজ}^{২} - \text{মদ}^{২} - \text{কুকুৰা}^{২}} = ০$

(২) বিয়া – তিৰোতা$^{২}$ = ০

শৰাধ – দক্ষিণা = ০

(৩) মিছা$^{২}$ + ভণ্ডামি$^{৩}$ = অসম সমাজ

ভিতৰ ক'লা$^{২}$ + বাহিৰ বগা$^{৩}$ = অসমীয়া।

(৪) এলজোবৰাত ডগলাৰ ফেকচন কাক কয় ? (কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা)

এইদৰে সুকীয়া ধৰণে কৰা শব্দ, বাক্য, অলঙ্কাৰ, খণ্ডবাক্য আদিৰ সহযোগত লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰ মাজেদি এক সুকীয়া সাহিত্যিক ৰূপ (Individual literary style) গঢ় লৈ উঠিছিল।

## বিশিষ্ট গদ্য :

বিভিন্ন ৰচনাৰ মাজত লক্ষ্মীনাথে বিভিন্ন ধৰণৰ গদ্য যেনে বৰ্ণনামূলক, নাটকীয়, যুক্তিতৰ্কমূলক, ব্যাখ্যামূলক আদি গদ্য প্ৰয়োগ কৰিছে। তত্ত্বকথা আৰু অসমীয়া ভাষা-সাহিত্য বিষয়ক প্ৰবন্ধসমূহৰ মাজত তেওঁৰ যুক্তি তৰ্কমূলক গদ্যই বিকাশ লাভ কৰিছে। সেয়ে তত্ত্ব কথাত আৰু এই প্ৰবন্ধবিলাকৰ মাজত বৰ্ণনাৰ গাম্ভীৰ্য ফুটি ওলাইছে। উপন্যাস আৰু চুটি গল্প; ৰস ৰচনাৰ মাজত বৰ্ণনামূলক আৰু নাটকীয় দুই ধৰণৰ গদ্যৰ প্ৰয়োগ হৈছে। বৰ বৰুৱাৰ বুলনি, কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা আদিৰ বৰ্ণনাৰ মাজত ব্যাখ্যামূলক গদ্যৰ ব্যৱহাৰ কৰা হৈছে।

এনে বিভিন্ন ধৰণৰ গদ্যৰ ব্যৱহাৰৰ মাজত উৎকৃষ্ট গদ্যত থাকিবলগীয়া স্পষ্টতা, শিষ্টতা আৰু সৰলতা আদি গুণ সুন্দৰভাবে ৰক্ষা কৰা হৈছে। অৱশ্যে বেজবৰুৱাৰ গদ্যত সংক্ষিপ্ততা গুণৰ অভাৱ উপলব্ধি কৰা যায়। হাস্য ৰস প্ৰকাশৰ ক্ষেত্ৰত বেজবৰুৱাই শিষ্টতা গুণ পৰিহাৰ কৰি ভাষাক পৰি যাবলৈ দিয়া নাই। ফলত হাস্য ৰস সম্পৃক্ত ৰচনা সমূহতো বেজবৰুৱাৰ গাম্ভীৰ্যসুলভ ব্যক্তিত্বৰ ছাপ পৰিছে। বেজবৰুৱাৰ গদ্যৰ এটা বিশেষ গুণ হ'ল সাৱলীলতা। ভাব অনুসৰি ভাষাক পৰিচালিত কৰাৰ ফলত বৰ্ণনাত ক'তো আৰষ্টতা নাই।

অসমীয়া ভাষাটোৰ শুদ্ধ ৰূপ ৰক্ষা কৰাটোহে বেজবৰুৱাৰ সকলো গদ্য ৰচনাৰে উদ্দেশ্য আছিল। কাৰণ ভাষাৰ শুদ্ধ ৰূপ ৰক্ষাৰ অবিহনে ভাষাৰ উন্নতি অসম্ভৱ। সেই কাৰণে ভুলকৈ অসমীয়া ভাষা লিখা সকলৰ প্ৰতি সতৰ্ক বাণী স্বৰূপে সেইদিনতে (বাঁহী, ১ম বছৰ ২য় সংখ্যা, ১৮৩১ শক) লক্ষ্মীনাথ বেজবৰুৱাই তলত উল্লেখ কৰা মন্তব্য দাঙি ধৰিছিল।

"আজিকালি দেখা যায় যে অসমীয়া ভাষাৰ ব্যাকৰণ, বৰ্ণবিন্যাস আৰু বাক্য ৰচনাৰ ভঙ্গীলৈ বিশেষ চকু নেৰাখি লেখে। দুটা কি এটা উদাহৰণ স্বৰূপে আঙুলিয়াই দিওঁ : অসমীয়াত 'মই' শব্দ একবচন – তাৰ বহুবচন 'আমি', 'আমালোক' নহয়। 'আমালোক' শব্দ অশুধ, তাক 'তোমালোক' শব্দৰ আৰ্হি লৈ কৰা হৈছে। কিন্তু আমাৰ মাজত অনেক লেখক আছে যি ভুল 'আমালোক' শব্দ ব্যৱহাৰ কৰে। অনেকে সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াৰ কৰ্ত্তৃতে 'এ' কাৰ আৰু 'অ' ব্যৱহাৰ কৰাত ভুল কৰে। সমাপিকা আৰু অসমাপিকা ক্ৰিয়াত 'য়' আৰু 'ই' ব্যৱহাৰ কৰোতে গণ্ডগোল লগায়। কোনো কোনোৱে 'পুতেক'ৰ ঠাইত 'পিতাকৰ' নিচিনা চহা শব্দ ব্যৱহাৰ কৰি নিজৰ ৰচনাত মলি সানে। আমাৰ উঠি অহা ডেকা লেখাৰু সকলে এইবোৰ দোষলৈ চকু ৰাখি চলিলে উপকাৰ হ'ব।"[২৯]


লক্ষ্মীনাথ বেজবৰুৱাই নিজে তেওঁৰ গদ্যৰ মাজেদি সুস্থ, সবল, নিভাঁজ ঘৰুৱা ৰূপত অসমীয়া ভাষাটোক প্ৰকাশ কৰাৰ চেষ্টা চলাই গৈছিল। কিন্তু লক্ষ্মীনাথৰ কাৰণে এনেদৰে অসমীয়া ভাষাটোৰ শুদ্ধ ৰূপ ৰক্ষা কৰাটো সহজ নাছিল। লক্ষ্মীনাথে জীৱনৰ অধিকাংশ সময় অসমৰ বাহিৰত কটাইছিল। তেওঁৰ সাহিত্যিক জীৱনৰ আৰম্ভণি কলিকতাত আৰু বিয়াও কৰাইছিল বঙ্গদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালত। বিয়াৰ পাছত স্বাভাৱিকতে লক্ষ্মীনাথৰ ওপৰত শহুৰেকৰ ঘৰৰ পৰা হেঁচাও দিয়া হৈছিল অসমীয়া লেখিবলৈ এৰি বাংলা ভাষাত লেখাৰ বাবে। এই কথা লক্ষ্মীনাথে নিজে উল্লেখ কৰি গৈছে, "তেওঁলোকৰ ইচ্ছা মই অসমীয়া ভাষাৰ হকে চেষ্টা চৰিত্ৰ পৰিত্যাগ কৰি বঙ্গ ভাষাৰ উন্নতি কামনাত লাগি যাওঁ। তাৰ গুৰিত এনে এটা ভাবো আছিল যে মই যেন সম্পূৰ্ণৰূপে বঙালী হৈ যাওঁ।"[৩০]

কিন্তু লক্ষ্মীনাথে তেওঁলোকক সম্পূৰ্ণ নিৰাশ কৰি নিজ মাতৃ ভাষাৰ উন্নতিৰ হকে একাণপতীয়াকৈ লেখাত ধৰে। এক শক্তিশালী, প্ৰকাশক্ষম গদ্যৰ সৃষ্টি কৰি লক্ষ্মীনাথে ভৱিষ্যতৰ লেখকৰ বাবেও আদৰ্শ ৰাখি থৈ যায়। সুস্থ, সবল, জতুৱা ঠাঁচ যুক্ত অসমীয়া ঘৰুৱা ভাষাৰ সফল প্ৰয়োগ লক্ষ্মীনাথৰ বাহিৰে কোনো অসমীয়া লেখকে কৰিব পৰা নাই। সেই কাৰণে ডঃ বাণীকান্ত কাকতিয়ে উপযুক্ত অভিমতকে দি গৈছিল এই বুলি যে "অসমত নিজক বাদ নিদিয়াকৈ সকলো উৎসাহী অসমীয়া লেখকক ক'ব খোজো, বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা।"[৩১]

শুদ্ধ অসমীয়া ভাষা লেখা আৰু শক্তিশালীভাবে নিজৰ মত দাঙি ধৰা জোৰবান গদ্যৰ সৃষ্টি কৰাত লক্ষ্মীনাথৰ গদ্য অসমীয়া লেখকসকলৰ বাবে সদায় প্ৰেৰণা হৈ ৰ'ব। ■

# তেজৰ ডোঙাত শুই থকা মানুহবোৰ

ৰশ্মিৰেখা বৰা



অংকন : চম্পক বৰবৰা

কলেজৰ পদূলিটোত সোমায়েই তাই ৰৈ গ'ল। প্ৰচণ্ড ভিৰৰ মাজেদি আগুৱাই যোৱাটো অসম্ভৱ হৈ পৰিল। তাই তাইৰ চাৰিওফালে এক মৃদু উত্তেজনা অনুভৱ কৰিলে।

কি হৈছে বাৰু ? কি হৈছে ইয়াত ?

হঠাতে তাইৰ মূৰটো ঘূৰাই গ'ল।

– 'ছোৱালী এজনীয়ে কলেজৰ ৰুমত চাদৰেৰে গাঁঠি দি ওলমি আছে।'

আচৰিত ! অতি আচৰিত !!

কোনোবাই তাইৰ কাণৰ কাষত ফুচফুচাই ক'লে –

– 'দুজন চাৰক সিহঁতে মাৰিলে। গুৰিয়াই গুৰিয়াই ফিল্ডত বগৰাই পেলালে।'

– কিয় ? তাই চিৎকাৰ কৰি উঠিল।

– 'চাৰে ছোৱালীজনীক পৰীক্ষা হলৰ পৰা উলিয়াই দিছিল। সেই বাবেই.......'

ৰৈ থাকিবলৈ তাইৰ ধৈৰ্য নোহোৱা হ'ল। কলেজৰ পৰা ওলাই তাই বেগাই খোজ ললে। বহুত সময় তাই কলৈ গৈছে ক'ব নোৱাৰিলে। মনত তাইৰ প্ৰিয় অধ্যাপক দুজনৰ যন্ত্ৰণাকাতৰ মুখ দুখন ভাহি থাকিল।

আ ঃ। তাই ৰৈ যাবলৈ বাধ্য হ'ল। ক'ব নোৱৰাকৈ তাই শ্মশানৰ বাটটোৱেদি আহিল। তিনিকুৰা জুই জ্বলি থকা তাই দেখা পালে। জুইৰ মাজৰ পৰা মৃতদেহ এটা উঠি আহিবলৈ বৰ যত্ন কৰিছে। মানুহ কেইজনমানে জোৰকৈ পুনৰ শুৱাই দিছে। তাইৰ ভয় লাগিল। মনৰ মাজত একুৰা জুই দপকৈ জ্বলি উঠিল। এদিন তাইৰ দেউতাককো এইদৰে পুৰি পেলাইছিল মানুহবোৰে। তাইৰ চকু দুটা তিতি গ'ল। তাই দৌৰিবলৈ বাধ্য হ'ল। মানুহ পোৰা গোন্ধটোৱে তাইক বহু পৰলৈকে খেদি থাকিল।

জুই দেখিলে তাইৰ বৰ ভয় লাগে। সৰু থাকোতে তাই এদিন বহু দূৰত শাৰী শাৰীকৈ ঘৰবোৰ জ্বলি উঠা দেখা পাইছিল। বহুত মানুহৰ চিঞৰত সিহঁতৰ গাওঁখন সাৰ পাই উঠিছিল। সেইবাৰৰ সাম্প্ৰদায়িক সংঘৰ্ষত তাইৰ খুড়াক এজনৰ মৃত্যু হৈছিল। মূৰ আৰু শৰীৰ বিচ্ছিন্ন হৈ পৰা খুড়াকক দেখি তাইৰ আইতাকে কেনেকৈ কান্দিছিল তাইৰ ভালকৈয়ে মনত আছে। তাইৰ অকণমানি মনটোৱে এটা কথা জানিছিল – মানুহ এনেকৈয়ে মৰে।

তাৰ পাছত বহুত দিনলৈকে ৰাতি তাই চক্‌খাই উঠিছিল। দূৰৈত সামান্য পোহৰ দেখিলেই তাই জুই বুলি ভাবিছিল।

আঃ কিযে ভয়ঙ্কৰ আছিল সেই দিনবোৰ ! বহুত দিন পাৰ হৈ গৈছিল। ৰাতি শব্দ হ'লেই উচাপ খাই উঠা অভ্যাসটো তাইৰ তেতিয়াও আছিল। তেনেতে এদিন ৰাতি আকৌ হুলস্থূল লাগি পৰিছিল। তাইৰ চকুৰ আগতে ৰাষ্ট্ৰীয় পথত কেইবাখনো গাড়ীত দুবৃৰ্তই আক্ৰমণ কৰি জুই লগাই থৈ গৈছিল। আকৌ এবাৰ ৰাতিৰ আকাশ ৰঙা হৈ পৰিছিল। আহত মানুহবোৰক যেন তেজৰ ডোঙাত সাঁতুৰিফুৰা তাই দেখা পাইছিল। পিছদিনা সেইটো বাটেদি তাই অকলে স্কুললৈ যাব পৰা নাছিল। ডোঙা বন্ধা তেজবোৰ দেখি তাই দৌৰিছিল। বহুদিনলৈকে তাই শান্তিৰে শুব পৰা নাছিল। তাইৰ সপোনবোৰতো তেজ লাগিছিল। যন্ত্ৰণাত তাইৰ মনটো কেঁকাই উঠিছিল। অসহ্য ! অতি অসহ্য আছিল সেই যন্ত্ৰণা।

শ্মশানৰ ৰাস্তাটো এৰি তাই ব্যস্ত ৰাজপথত ভৰি দিলে। অলপ সময়ৰ বাবে এটুকুৰা ঠাইত তাইৰ দৃষ্টি ৰৈ গ'ল। হুমুনিয়াহ এটা অজানিতে তাইৰ মুখৰ পৰা ওলাই গ'ল। অলপদিনৰ আগতে ভয়ঙ্কৰ দুৰ্ঘটনা এটা ঘটি গৈছে সেই ঠাইত। সেইদিনা তাই দোকান এখনৰ পৰা ওলাই সেইখিনি পাইছিলহে মাথোন। পাৰ হৈ যোৱা বাছ এখনৰ পৰা হঠাতে ল'ৰা এটা সৰি পৰিল। বাছখনৰ দুৱাৰত সি ওলমি গৈছিল। পাগলৰ দৰে দৌৰি গৈ তাই সেইখিনি পালেগৈ।

বিস্ময়কৰ দৃশ্য !

এডোঙা তেজত ল'ৰাটো শুই আছে।

তাই শিয়ৰি উঠিল। পুৰণা ভয়টোৱে পুনৰ তাইক হেঁচা মাৰি ধৰিলে। ঘটনাটো মনত পৰাৰ লগে লগে তাইৰ গতি দ্ৰুত হ'ল। মূৰৰ ওপৰত দুপৰীয়াৰ সূৰ্যটো লৈ তাই বেগাই আগবাঢ়িল। পৃথিৱীখন বেছি জোৰত ঘূৰা যেন লাগিল।

কি হৈছে তাইৰ ?

এক অদ্ভুত যন্ত্ৰণাত তাই চটফটাই উঠিল। ভিতৰে ভিতৰে মৰি যোৱা যেন অনুভৱ হ'ল তাইৰ।

বেগাই খোজ কঢ়াৰ বাবে তাই ভাগৰি পৰিছিল। তাই ৰাস্তাৰ কাষৰ চুক এটালৈ চালে। আছে – সদায় থকাৰ দৰে তাত উলংগ পাগলীজনী বহি আছে। বিচিত্ৰ ভাষাৰে তাই কাৰোবাক গালি পাৰি আছে। শুকান মেটেকাৰ শিপাৰ দৰে চুলকোচা তাইৰ পিঠিত পৰি আছে।

তাই আৰু চাই থাকিব নোৱাৰিলে। সেই ঠাইৰ পৰা তাই আঁতৰি আহিল। তাইৰ মনত বহুতো ছবি ভাহি উঠিল – তেজৰ মাজত শুই থকা ল'ৰাটো, তাইৰ খুড়াকৰ মৃতদেহ, অধ্যাপক দুজনৰ যন্ত্ৰণাকাতৰ মুখ দুখন। তাই চকুপানীক বাধা দিব নোৱাৰিলে। এবাৰ মাথো তাই আকুল ভাবে কৈ উঠিল – 'অকণমান শান্তি দিয়া ভগৱান।'



# পূজনীয়া আৰু মৰমৰ মা উঁষা চৌধুৰীলৈ

অনুৰাধা দাস

মোৰ আন্তৰিক সেৱা গ্ৰহণ কৰিবা। বহুদিনৰ মূৰত এয়া তোমালৈ লিখিবলৈ লৈছো। কিমান দিন যে তোমাক সশৰীৰে দেখা নাই। শুনা নাই তোমাৰ মিঠা মৰমৰ মাত। নিষ্ঠুৰ নিয়তিয়ে তোমাক আমাৰ মাজৰ পৰা লৈ গ'ল – সকলো যোগাযোগ বিচ্ছিন্ন কৰি। ৰৈ গ'ল মাথো হিয়াত পলস পেলোৱা মুঠি মুঠি স্মৃতি। আমাৰ বাবে তুমি আছিলা পলাশ বনৰ এটি কোমল সপোন। আকাশ, বতাহ, জোনাক, ডাৱৰ, পাহাৰ, নদী, ফুল, তৰা, গান, কবিতা সকলোতেই তোমাৰ স্মৃতি – মোৰ বাবে।

গীতাৰ শ্লোক ভাঙনি কৰি এদিন তুমি আমাক কৈছিলা – "দুখতো বিহ্বল হৈ নপৰা, সুখতো অধীৰ নোহোৱা জনেই স্থিৰ মনৰ মানুহ।" তথাপিও মৃত্যুৱে তোমাক আদৰি লোৱাৰ দিন ধৰি অনুভৱ কৰিছো – চাৰিওফালে কিবা যেন এক অন্তহীন শূন্যতা। ভবা নাছিলো কেতিয়াও মোৰ অন্তৰঙ্গ নিৰ্জন ক্ষণবোৰ ইমান উদাস হ'ব বুলি – হিয়া উজাৰি নিগৰি আহিব – তপত চকুলো।

মৃত্যু জীৱনৰ এক নিষ্ঠুৰ সংঘাত। মৃত্যুৰ হিমচেঁচা পৰশে আপোনজনৰ হিয়াত জগাই তোলে এক গভীৰ বেদনা। মনলৈ প্ৰায়েই প্ৰশ্ন আহে মৃত্যুনো কি ? বুজিও ভেদ নাপাওঁ মৃত্যুৰ পিছতনো মানুহৰ কি হয় ? মাথো অন্তৰেৰে বিচাৰো, মোৰ মৰমৰ মা, তুমি য'তেই আছা দুঃখৰ হুমুনিয়াহে চুমিব নোৱৰা বৃত্তৰ পৰিধিৰ বাহিৰত শান্তিৰ প্ৰশ্বাসেৰে আমালৈ চকু দি থাকা।

নিশাৰ বাছেৰে সিদিনা উভতিছিলো দুলীয়াজানলৈ – গুৱাহাটীৰ পৰা। কিবা এক পাই হেৰুওৱাৰ বেদনাই অন্তৰৰ কোনোবা এটা কোণ বিষাই তুলিছিল। মনোৰমা ভট্টাচাৰ্যৰ 'মোহভঙ্গ' কবিতাৰ দুটা শাৰী বাৰে বাৰে মনলৈ আহিছিল

'অকস্মাতে কিয় হ'ল বতাহ গধুৰ
হৃদয়ত দুৰ্বিসহ পাষাণৰ ভাৰ.........
নুবুজে নামানে কিয় অবুজ হৃদয়ে
সংসাৰ ইয়াৰে নাম। এয়েই সংসাৰ।'

তোমাৰ মৃত্যুৰ পিছত তুমি নোহোৱা ঘৰখনলৈ প্ৰথমবাৰৰ বাবে গৈছিলো – দেউতাৰ অসুখৰ বাতৰি পাই। জীৱনত কোনোদিন অসুস্থ নেদেখা দেউতাক এইবাৰ বৰ বিহ্বল দেখিছিলো। ঘৰখনত কেৱল মাথো তোমাৰ অভাৱ – যি আন একোৱেই পূৰাব নোৱাৰে। তুমিতো দেউতাৰ জীৱনী শক্তি আছিলা –



উষা চৌধুৰী

সেয়ে তোমাৰ বিৰহত দেউতাৰো শাৰীৰিক আৰু মানসিক শক্তিৰ বহু পৰিমাণে স্খলন হ'ল। তুমি গঢ়ি থৈ যোৱা ঘৰখনৰ প্ৰতিটো ইটা বালিয়ে আজিও তোমাৰেই কথা সোঁৱৰে। তোমাক হেৰুওৱাৰ দুঃখ আমাৰ ঘৰখনৰ বাবে এক চৰম বিপৰ্যয়। মাতৃৰ উপৰিও এগৰাকী সহৃদয়া বান্ধৱীৰূপে তোমাক হেৰুওৱাৰ শোকত আজি মই জৰ্জৰিত। মাথো তোমাৰ হিয়াৰ উমবোৰ জীৱন্ত স্মৃতি হৈ ৰৈ আছে মোৰ কলিজাত। তুমিতো জানাই তোমাৰ হৃদয়ৰ স্পন্দনতেই জন্ম মোৰ সত্তাৰ। এই বিশাল পৃথিৱীত আমাৰ অস্তিত্বৰ যি পৰিচয় তাৰ বুনিয়াদ হ'ল তোমাৰ একান্ত আন্তৰিকতা আৰু তোমাৰ ঐকান্তিকতা। সেয়ে মই গাওঁ

'হৃদয়ত জোৱাৰ উঠে এমুঠি আদৰ
হিয়া নিয়া হিয়া দিয়া বিক্ষিপ্ত পোহৰ
আছে মাথো জীৱনৰ মোহময় ক্ষণ
হেৰোৱা অতীত আৰু পৰাণৰ ৰঙ।'

ওৰে নিশাৰ বাটটো বৰষুণে ধুই নিছিল। বাছখনৰ মোৰ আসনত বহি বহি নিৰ্জনতাৰ আঁৰত মই বিলীন হৈ গৈছিলো। কাষৰ বন্ধ খিৰিকিখনেৰে বাহিৰলৈ চাই চাই মনত পৰিছিল তাহানিৰ গুৱাহাটীৰ আমাৰ আমবাৰীখনৰ কথা। সেইসময়ত আমবাৰীৰ বেছিভাগ ঠাই বিল আৰু মেটেকাৰে ভৰা আছিল। মাজে মাজে এটা দুটা ঘৰ – নতুনকৈ সজা। আমাৰ ঘৰ বুলিবলৈ প্ৰথম অৱস্থাত মাথো এটি সৰু কোঠাহে আছিল নহয় জানো মা ? কোঠাটোৰ গাতে লাগি আন এটা কোঠা সজাৰ প্ৰস্তুতিৰে ভেটিটো মাত্ৰ সজা হৈ আছিল বহুদিনলৈ। সেই ভেটিটোৰ ওপৰত এখন চন্দ্ৰতাপ আঁৰি তুমি যে ষ্টভত ৰন্ধাবঢ়া কৰিছিলা আৰু কাষতে সন্ধিয়া লেম্পৰ পোহৰত আমি পঢ়াশুনা কৰিছিলো মুকলি বতাহত। কেতিয়াবা ধুমুহা বতাহত ষ্টভ আৰু লেমৰ শিখা অস্থিৰ হৈ কঁপিছিল। লগে লগে চন্দ্ৰতাপখনো। কিন্তু তোমাক কোনোদিনেই মই অস্থিৰ দেখা মনত নপৰে। এপদ দুপদকৈ বস্তুবোৰৰ লগতে আমাকো আথেবেথে সামৰিছিলা কোঠাটোৰ ভিতৰলৈ। এজাক ডাঙৰ বৰষুণ আহিলেই আমাৰ ঘৰৰ চাৰিওফালে পানী জমা হৈ গৈছিল। বাৰিষা প্ৰায়েই পানী আমাৰ ঘৰৰ ভিতৰলৈও সোমাইছিল। লগতে বিলৰ কেচু, কুমটি, সাপ বেঙো পানীত উটি আহিছিল। তাতে একাঠু পানী খচকি তুমি আমাৰ খোৱাবোৱাৰ ব্যৱস্থা কৰিছিলা। কতদিন উজাগৰে কটাইছিলা – নিশা ধাৰাসাৰে বৰষুণ আহিলে। দেউতা আৰু তুমি বাহিৰলৈ চাই চাই পানীৰ উমান লৈছিলা। আমি কাতৰ হৈ বিছনাৰ পৰাই প্ৰাৰ্থনা কৰিছিলো পানী যাতে ঘৰৰ ভিতৰলৈ নাহে।

জানা মা কবি হেমন্ত ৰাজবংশীৰ দৰে ময়ো

'ওপজা গাঁৱৰ সুবাসিত দোকমোকালিত
এক আহত চেতনাৰে ফিৰাই পাওঁ
মোৰ শৈশৱ, কৈশোৰ, যৌৱনৰ প্ৰতিদিন '

সেই সময়ত মই নিচেই সৰু। চোতালৰ শেৱালি জোপাৰ প্ৰতি পাহে পাহে তেতিয়া সপোনবোৰ এঠা হৈ লাগি ৰৈছিল। সন্ধিয়া তোমাৰ কণ্ঠত শুনি শিকিছিলো বৰগীত। জ্যোতিসংগীত, গীতাৰ শ্লোকবোৰ। কেতিয়াবা চেতাৰ বজাই শুনাইছিলা, কেতিয়াবা সূতা কাটিছিলা। তুমি আন কামত ব্যস্ত হৈ থাকিলে দেউতাই ৰামায়ণ, মহাভাৰত, কীৰ্তন আদি সুৰ দি পঢ়ি আমাক ৰসাল কাহিনীবোৰ আমোদ লগাকৈ বুজাই গৈছিল। কিমান যে আমেজ আছিল সেই সন্ধিয়াবোৰত – কিমান যে প্ৰশান্তি আছিল ঘৰখনত। আজি মাথো আছে কেৱল তাৰেই মিঠা অথচ উদাস স্মৃতিৰ সুৰভি।

মা, জানো যে মৃত্যু জন্মৰে আনটো পিঠি। এইটোও জানো যে

'অস্থায়ী মানৱ দেহা কৰিম দুদিন বেহা
ফুৰিম দুদিন মাথো সংসাৰ হাটত
দুদিনৰ অন্ত হলে আয়ুস ঢুকাই গ'লে
সুন্দৰ দেহাৰ ঠাই শেষ শ্মশানত
(আনন্দচন্দ্ৰ আগৰৱালা)

প্ৰকৃততে কি জানা দুলীয়াজানৰ বস্তুবাদী আৰু গতানুগতিক জীৱন যাত্ৰাত মই ব্যতিব্যস্ত হৈ পৰিছো। পদ মৰ্যাদাৰ খাতিৰত ইয়াত বেছিভাগ মানুহ ভয়ঙ্কৰ ৰূপে আত্মসচেতন। ইয়াত মনুষ্যত্বৰ জোখেৰে মানুহক বিচাৰ কৰা নহয়। মানুহৰ মূল্যায়ন হয় ক্ষমতাৰ মান চাই। ইয়াত মানুহৰ মৰম চেনেহবোৰ নিঃসৰিত হয় সুবিধাৰ ভৃত্য হৈ। এক প্ৰচণ্ড যান্ত্ৰিকতাৰ মাজত অন্তৰৰ অনুভূতিবোৰো যান্ত্ৰিক ৰূপতে প্ৰকাশ হয়। বিশেষকৈ বুদ্ধিজীৱী সকলেও যেতিয়া নিজৰ বিবেকৰ সঁহাৰি নজনায় তেতিয়া লাজ আৰু দুঃখত নিজকে মানুহ বুলি পৰিচয় দিবলৈও কুণ্ঠাবোধ হয়। যিফালেই চাওঁ মানুহৰ বিষয় বাসনামুখী মন। আজিৰ পৃথিৱীখনৰ ৰেহৰূপ চাই; মানুহৰ নৈতিকতাৰ স্খলন দেখি তুমি সৰুতে কোৱা কথা কেইষাৰ সেই সকল মানুহৰ আগত চিঞৰি চিঞৰি কবলৈ মন গৈছে. – 'বিষয় বাসনাৰ সীমা নাই; গতিকে পৰিপূৰ্ণতাৰো সম্ভাৱনা নাই। পৰিতৃপ্তিৰ শান্তি সীমিত কিন্তু অপৰিতৃপ্তিৰ অশান্তি অসীম আৰু অনন্ত।' বেছি দুঃখ লাগে কেতিয়া জানা, আমি যাক বাছি দিওঁ আমাৰ প্ৰতিনিধি ৰূপে সেই সকলেই নিজকে আমাৰ প্ৰভু বুলি ক্ষমতাৰ অপব্যৱহাৰ কৰে। অৱহেলিত জনতাৰ প্ৰতি আন্তৰিক অনুভৱ কৰিব পৰা মানৱীয়তা সেই নেতাৰ অনেকেই হেৰুৱাই পেলায়। তেওঁলোকে পাহৰি যায় যে তেওঁলোক জনসাধাৰণৰ সেৱকহে। আজিকালিৰ ৰাজনীতিত নৈতিকতাৰ কোনো স্থান নাই। আমি হেনো স্বাধীন দেশৰ নাগৰিক। তাতে তৰুণ সকলৰ উশৃংখলতাই আমাৰ বাক্ স্বাধীনতাও নাইকিয়া কৰি দিছে। তৰুণ, স্বাধীন এই শব্দবোৰ শুনিলে কবি হীৰেণ ভট্টৰ দৰে মোৰো 'তুমুৰলি তেজত টগবগাই উঠে এহেজাৰ এটা ৰণুৱা ঘোৰা।'

মা, তুমি শিকাইছিলা মৰমৰ প্ৰতিদানত মৰম পোৱা যায়। দেউতাৰ ক্ষেত্ৰতে মই দেখিছো – দেউতা মানুহ বিচাৰি ফুৰা সাধাৰণ মানুহ। সৰুৰে পৰাই দেখিছিলো আমাৰ ঘৰত বিভিন্ন মানুহৰ সমাবেশ। ঘৰত থকা সময়ত এদিন মানুহ নাহিলেই দেউতা কেনেকৈ ঘৰটোত অস্থিৰ হৈ ঘূৰি ফুৰিছিল আৰু শেষত ওলাই গৈছিল মানুহ বিচাৰি। তোমাৰ সহযোগিতা ত্যাগ আৰু পূৰ্ণসমৰ্থনেৰে তুমি কেনেকৈ দেউতাক জীৱনৰ বাটত আগবঢ়াই দিছিলা সেয়া আমাৰ চকুৰ আগত এতিয়াও সুস্পষ্ট হৈ আছে। প্ৰতিদানত তুমি পালা জীৱনৰ সৰ্বোত্তম আনন্দখিনি – মানুহৰ আদৰ, মানুহৰ মৰম, মানুহৰ ভালপোৱা।

আমাৰ বাছখন দ্ৰুতগতিৰে আগুৱাই গৈছিল আৰু মোৰ মন দ্ৰুতগতিৰে গৈছিল পাছলৈ – অতীতলৈ।

সেয়া ১৯৮৪ চনৰ কথা কৈছো। মোৰ অক্ষম শাহুৰ লগতে মোৰ বৰমা শাহুও তেতিয়া দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত হৈ আমাৰ লগতে আছিল। বৰমাৰ শাৰীৰিক কষ্ট দেখি আৰু লগতে এশ এবুৰি ঘৰুৱা কামৰ লেঠা আৰু দুয়োগৰাকী শাহুক চোৱাচিতা কৰি মাজে মাজে 'মই মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছিলো। তাতে মোৰ বান্ধৱীসকলৰ মুক্ত জীৱন যাত্ৰাৰ সতে মোৰ নিজৰ জীৱনৰ ৰিজনিয়ে মোৰ সেই সময়ৰ অপৰিপক্ক মনটো হতাশাৰে ভৰাই তুলিছিল। দুখ পাতলাবলৈ মই তোমালৈ আৰু দেউতালৈ চিঠি দিছিলো – য'ত মোৰ মনৰ অৱস্থাৰ পূৰ্ণ প্ৰতিফলন হৈছিল। উত্তৰত তুমি লিখিছিলা 'তুমি যিখিনি কৰিবলৈ পাইছা সেয়া কেইজনৰ ভাগ্যত ঘটে? তুমি অতি ভাগ্যৱতী – ঈশ্বৰে তোমাক ধৈৰ্য আৰু মনোবল দিয়ক! বৰমাৰাৰ আশীৰ্বাদ নিশ্চয় পাবা।' দেউতাই লিখিছিল 'তুমি ইমান সোনকালে জীৱনত ভাগৰি পৰিলে কেনেকৈ হ'ব? আমাৰ জীৱনলৈ চোৱা – মাৰাৰ আদৰ্শ লোৱা।' এই চিঠি দুখনে সেই সময়ত মোক নতুন জীৱনৰ সাহস যোগাইছিল। মই প্ৰেৰণা পাইছিলো। সেয়ে এই চিঠি দুয়োখন মোৰ জীৱনৰ এক অমূল্য সম্পদ হৈ ৰ'ল। মই উপলব্ধি কৰিলো সঁচাকৈয়ে মই বৰ ভাগ্যৱতী।

মা, তুমি মোৰ বাবে সাধাৰণৰ মাজতেই অসাধাৰণ। তুমি আমাৰ ঘৰখনৰ বাবে আছিলা প্ৰেৰণাৰ উৎস। যি কোনো কামতে তুমি ভাল বুলি কোৱাৰ পিছত দ্বিতীয় ব্যক্তিৰ মতামতৰ আৱশ্যকতা মই কোনোদিনেই অনুভৱ কৰা নাছিলো; সকলো কামতে উৎসাহ যোগাই প্ৰত্যয়ৰ বীজ সিঁচি দিছিলা আমাৰ মাজত। মোৰ মনত পৰে পুৱতি নিশাতে তুমি দেউতাক টোপনিৰ পৰা জগাই লিখিবলৈ উদগনি দিছিলা। দেউতাৰ লিখা হলে কিমান লিখিলে কিনো লিখিলো চাইহে তুমি সন্তুষ্টি লভিছিলা। অসুস্থ হৈয়ো শোৱাপাটীৰ পৰাই গোটেই ঘৰখনৰ দায়িত্ব নিৰ্বিকাৰভাৱে লৈ মৰমেৰে বান্ধি ৰাখিছিলা আটাইকে শেষ মুহূৰ্তলৈকে। তোমাৰ ধৈৰ্য আৰু সহনশীলতাৰ আদৰ্শ আজি আমাৰ প্ৰতিগৰাকী নাৰীৰ মাজতে প্ৰয়োজন হৈ পৰিছে। কাৰণ মাতৃ হৃদয়েৰে নাৰীয়ে সমাজৰ সকলোকে প্ৰেমৰ এনাজৰিৰে বান্ধি ৰাখি কৰ্মৰ প্ৰেৰণা যোগাব পাৰে তোমাৰ দৰেই।

চৰকাৰী চাকৰি নকৰাৰ দেউতাৰ যি প্ৰতিজ্ঞা তাক অক্ষুণ্ণ ৰখাত তুমি দেউতাক জীৱনৰ প্ৰতি খোজতে সহায় কৰিছিলা। ৱাৰ্দ্ধা আশ্ৰমত প্ৰশিক্ষণ লৈ ৰহাৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত চাকৰি কৰি থকা তুমি বিয়াৰ এবছৰ পিছতে পাণবজাৰ ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰী ৰূপে যোগ দিছিলা বহু কম বেতনলৈ। সেই টকাৰে তেতিয়া ঘৰখন চলোৱাত হেনো তোমাৰ বহুত অসুবিধা হৈছিল সেয়া ডাঙৰ হৈহে জানিব পাৰিছিলো।

বহু জয় পৰাজয়ৰ মাজেৰে জীৱনৰ দুৰ্বাৰ গতি অব্যাহত ৰাখি যোৱা দেউতাৰ কিমান যে আদৰৰ লগৰী আছিলা তুমি। দেউতাৰ নিৰ্বাচনী অভিযানবোৰত দেহ-মন-প্ৰাণ সঁপি তুমি খাটিছিলা। প্ৰায়েই ৰাতি নাৱেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ ঘৰলৈ উভতিছিলা ক্লান্ত দেহ লৈ। এটা কথা ঠিক যে উত্থান-পতন ঘাত-প্ৰতিঘাত ভৰা জীৱনৰ সঁচাকৈয়ে মাধুৰ্য আছে।

মা, তুমি সৰুতে আমাক শিকাইছিলা 'প্ৰেম আৰু অহিংসাই জীৱনক মধুৰ কৰে। সজ চৰিত্ৰ আৰু সদাচাৰে জীৱনৰ সৌন্দৰ্য বঢ়ায়। স্বাৰ্থ ত্যাগ আৰু পৰোপকাৰে জীৱনক মহৎ কৰে।' কিন্তু আজিৰ মানুহৰ অন্তৰে অন্তৰে দেখো আকাশচুম্বী লোভ আৰু আক্ৰোশ। ক্ষমতাৰ লোভ, সম্পদ আহৰণৰ লোভ, সম্ভোগ লোভ – কেৱল লোভ আৰু লোভ। হত্যা, ধৰ্ষণ, লুণ্ঠন – এই সকলোবোৰেইতো এই লোভ পূৰণ কৰাৰেই প্ৰয়াস আৰু তাৰ বীভৎস পৰিণতি। যিখন দেশত হত্যাকাৰীৰ শাস্তি নহয় অথচ আদৰ্শক মৃত্যুদণ্ড যচা হয় সেই ঠাইৰ নিঃকিন জনসাধাৰণ বৰ অসহায়। মা, আজিৰ যুগত মানুহে ধৰ্মৰ প্ৰতি পিঠি দি পাপ-পুণ্যৰ বিশ্বাস হেৰুৱাই পেলাইছে। মই ভাবো য'ত ধৰ্ম থাকে তাত দুঃখ থাকিবই নোৱাৰে। কিয়নো ধৰ্মত ইজনৰ প্ৰতি সিজনৰ ইমান ত্যাগ ভাবনা থাকে যে তাত দুখৰ দৰ্শন হবই নোৱাৰে। আগতে মানুহে পূজা কৰিছিল দেৱতাক আৰু সেইজন লোকক – যি আনৰ কল্যাণৰ বাবে যথাসৰ্বস্ব ত্যাগ কৰিছিল। কিন্তু আজিৰ মানুহে পূজা কৰে সেইজনক যিজনৰ হাতত থাকে ক্ষমতা আৰু ঐশ্বৰ্য। মানি লৈছো মানুহ বিশেষে প্ৰত্যেকৰে ৰুচিবোধ বেলেগ। কিন্তু যি ৰুচিবোধে সমাজ তথা দেশৰ প্ৰগতিত অন্তৰায় হৈ পৰে তেনে ৰুচিবোধৰ লোক দেশদ্ৰোহী আৰু এনে লোকক আদৰা জনো দেশদ্ৰোহী বুলিয়েই মই ভাবো। মা, তুমিতো সদায়েই কৈছিলা মই বৰ কল্পনা প্ৰিয় বুলি। জানা, এতিয়াও মই এনেকুৱা এখন পৃথিৱীৰ কল্পনা কৰো য'ত মানুহৰ অন্তৰবোৰৰ পৰস্পৰ সম্পৰ্ক থাকিব অৰ্থাৎ এজনৰ হাঁহিৰ ধ্বনি বতাহে বতাহে উৰি সকলোৰে মনবোৰ নিকা আৰু ফৰকাল কৰি তুলিব – য'ত এজনৰ কান্দোনে আন সকলোৰে মনবোৰ বেদনা গধুৰ কৰি তুলিব। মোৰ এই কল্পনা বাস্তৱত ৰূপায়িত হোৱাটো জানো অসম্ভৱ? তথাপিও এটা অসম্ভৱ স্বপ্ন আৰু এক অন্তহীন অন্বেষণ – সিয়েইতো জীৱনৰ একমাত্ৰ সাৰ্থকতা – জীৱনৰ গৌৰৱ। মা, আশীৰ্বাদ কৰিবা জীৱনৰ প্ৰতি খোজতে যেন তোমাৰ আদৰ্শক অক্ষুণ্ণ ৰাখিব পাৰো। মই যে তোমাৰ মঙহৰো মঙহ, হাড়ৰো হাড়।

পোহৰে উজান দিয়াৰ লগে লগে বাছখন দুলীয়াজান পালেহি। বাছৰ পৰা নামি গতি জড়তা আঁতৰাবলৈ ক্ষন্তেক ৰলো। বাছখনে পুনৰ গতি কৰিলে। অকস্মাতে মনলৈ মোৰ ভাব আহিল – পুৱতি নিশাৰ সপোন যদি ফলিয়াই!





# অসমীয়া লৰাৰ মিত্ৰ ঃ এখন সু-সম্পাদিত গ্ৰন্থ

নগেন শইকীয়া

এতিয়াৰ পৰা প্ৰায় ডেৰশ বছৰৰ আগতে আনন্দৰাম ঢেকিয়াল ফুকনৰ দ্বাৰা প্ৰণীত (১৮৪৬) আৰু প্ৰকাশিত (১৮৪৯) অসমীয়া ভাষাৰ প্ৰথম পাঠ্যপুথি "অসমীয়া লৰাৰ মিত্ৰ' দ্বিতীয় কাণ্ডৰ প্ৰথম সংস্কৰণৰ এটি নিৰ্ভৰযোগ্য আৰু সু-সম্পাদিত মুদ্ৰণ 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থানে' সম্প্ৰতি প্ৰকাশ কৰি উলিয়াইছে।

আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰসংগ উত্থাপিত হলেই 'অসমীয়া লৰাৰ মিত্ৰ'ৰ নামো উচ্চাৰিত হয়েই। কাৰণ, ল'ৰা-ছোৱালীৰ উপযোগীকৈ ৰচনা কৰা এইখনেই আধুনিক অসমীয়া ভাষাৰ প্ৰথম পাঠ্যপুথি। যদিও মিছনেৰিসকলে 'বাৰেমতৰা', 'গণনাৰ পুথি' আদি ১৮৪৯ খ্ৰীষ্টাব্দৰ আগতে প্ৰকাশ কৰি উলিয়াইছিল, সেই পুথিসমূহ আছিল প্ৰাথমিক পৰিচয়মূলক পুথি। সেয়ে হ'লেও সেই পুথিসমূহৰ ঐতিহাসিক মূল্যও কম নহয়। কিন্তু ঢেকিয়াল ফুকনৰ পুথিখন হ'ল – বিষয়, ভাষা আৰু প্ৰকাশ ৰীতিৰ ফালৰ পৰা প্ৰথম পূৰঠ পুথি। বাৰেমতৰা আদিক যদি 'প্ৰাইমাৰ' বুলিব পাৰি, 'অসমীয়া লৰাৰ মিত্ৰ'ক বুলিব পাৰি 'ৰীডাৰ'।

ইমান দিনে এই পুথিখনিৰ বিষয়ে আমাৰ সাহিত্যৰ বুৰঞ্জী লেখক আৰু অন্যান্য আলোচক সকলেও গুণাভিৰাম বৰুৱাই সংক্ষিপ্ত ৰূপত সম্পাদনা কৰি প্ৰকাশ কৰা 'অসমীয়া লৰাৰ মিত্ৰ'ৰ সংস্কৰণসমূহৰ ভিত্তিতে পুথিখনিৰ বিষয়ে আলোচনা কৰি গৈছে। নন্দ তালুকদাৰে সম্পাদনা কৰি উলিওৱা "আনন্দৰাম ঢেকিয়াল ফুকন ৰচনা সংগ্ৰহ"তো গুণাভিৰাম বৰুৱা – সম্পাদিত সংক্ষিপ্ত ৰূপটোৱেই সন্নিবিষ্ট হৈছে আৰু তালুকদাৰে মূল প্ৰথম সংস্কৰণৰ দুষ্প্ৰাপ্যতাৰ বিষয়ে নিজা ব্যাখ্যাও আগবঢ়াই গৈছে। তদুপৰি পুথিখনিৰ তিনিটা খণ্ড (কাণ্ড) সম্পৰ্কেও ভিন্ ভিন্ মত আছিল। পুথিখনিৰ প্ৰথম কাণ্ডটো ক'তো পোৱা নাই বা তাৰ উল্লিখনো ক'তো দৃষ্টিগোচৰ হোৱা নাই। সম্ভৱতঃ তেওঁৰ আঁচনিৰ প্ৰথম কাণ্ডটো তেওঁ প্ৰণয়ন কৰি উলিওৱাই নাছিল। দ্বিতীয় আৰু তৃতীয় কাণ্ড যে একে সময়তে (১৮৪৯ চনত) প্ৰকাশ হৈ ওলাইছিল তাৰ সংবাদ 'অৰুণোদই' কাকতে দি গৈছে। দ্বিতীয় কাণ্ডটো হ'ল 'বালকোপদেশক' আৰু তৃতীয়টো 'ভূগোল প্ৰকৰণ'। ডিম্বেশ্বৰ নেওগে 'ভূগোল শিক্ষক' (ভূগোল প্ৰকৰণ)ক 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰথম ভাগ আৰু 'অসমীয়া শিক্ষক (বালকোপদেশক)ক দ্বিতীয়ভাগ বুলি দিয়া মন্তব্যৰ পৰা পুথিখনিয়ে তেখেতেও দেখা পোৱা নাছিল, সেই কথা অনুমান কৰিব পাৰি। নেওগৰ আগতে হেমচন্দ্ৰ গোস্বামীয়ে তৃতীয় খণ্ডটো প্ৰকাশ হোৱাই নাছিল বুলি দিয়া মতৰ পৰা গোস্বামীয়েও এই কাণ্ডটো দেখা নাছিল বুলি সহজেই বুজিব পাৰি। সম্প্ৰতি শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞাই সম্পাদনা কৰা আৰু 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থানে' প্ৰকাশ কৰি উলিওৱা 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দ্বিতীয় কাণ্ডটোৱে উল্লিখিত তথ্য আৰু মত সমূহত থকা ভ্ৰান্তি দূৰ কৰিলে আৰু আমাৰ সাহিত্যৰ বুৰঞ্জীতো এই বিষয়ৰ তথ্যৰ সত্যটি প্ৰতিষ্ঠা কৰিলে।

'অসমীয়া লৰাৰ মিত্ৰ'ৰ দ্বিতীয় কাণ্ডৰ প্ৰথম সংস্কৰণৰ পুনঃপ্ৰকাশে আৰু কেইবাটাও জেঙা দূৰ কৰাত সহায় কৰিলে। প্ৰথমটো হ'ল ঢেকিয়াল ফুকনৰ বৰ্ণ-বিন্যাস সম্পৰ্কীয় মতামতৰ জেঙা। ঢেকিয়াল ফুকনে মিছনেৰি সকলৰ বৰ্ণ-বিন্যাস ৰীতিকে গ্ৰহণ কৰা বুলি ডঃ নেওগ প্ৰমুখ্যে অনেকেই মত পোষণ কৰিছিল। কিন্তু এই পুথিখনিৰ প্ৰকাশে দেখুৱালে যে ফুকনে মিছনেৰি সকলৰ ৰীতি গ্ৰহণ কৰা নাছিল। তেওঁ সংস্কৃত জানিছিল আৰু তেওঁৰ লেখাত যথেষ্ট তৎসম আৰু তদ্ভৱ শব্দই ঠাই পাইছিল আৰু এই শব্দাৱলীৰ বৰ্ণ-বিন্যাস প্ৰায় মূলানুগ আছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ফুকনে এখন অভিধানো প্ৰণয়ন কৰিছিল আৰু তাৰ সংবাদ আৰু আৰ্হি 'অৰুণোদই'ত প্ৰকাশিত হৈছিল। মিছনেৰি সকলে 'অসমীয়া' শব্দটোৰ 'ম'ত হ্ৰস্বই-কাৰ ব্যৱহাৰ কৰিছিল। ডঃ নেওগে ফুকনৰ পুথিখনতো সেই বৰ্ণ-বিন্যাস থকা বুলি ঠাৱৰ কৰিছিল। কিন্তু, পুথিখনৰ প্ৰকাশে দেখুৱালে যে তেওঁ 'অসমীয়া' শব্দটো দীৰ্ঘ-ঈকাৰ দিয়েই লিখিছিল। কিন্তু 'লৰা' শব্দটোত 'ল'ৰ সোঁহাতে ওপৰত 'কমা'ৰ ব্যৱহাৰ কৰি 'ল'ৰা' কৰা নাছিল। মন কৰিবলগীয়া কথা যে হেমচন্দ্ৰ বৰুৱায়ো 'লৰা' শব্দটোত উৰ্দ্ধ কমা এটা ব্যৱহাৰ কৰা নাছিল; বৰং তেনে উচ্চাৰণৰ বেলা বৰ্ণটোৰ ওপৰত এডাল আঁচ ব্যৱহাৰ কৰি পৃথকতা নিৰ্দেশ কৰিছিল। 'অসমীয়া লৰাৰ মিত্ৰ'ৰ 'লৰা' শব্দত উৰ্দ্ধ কমাৰ ব্যৱহাৰ কৰে গুণাভিৰাম বৰুৱাই তেওঁ সম্পাদনা কৰি উলিওৱা 'অসমীয়া ল'ৰাৰ মিত্ৰ'ৰ মুদ্ৰণতহে। এই বিষয়ে অসমত শিক্ষকতা কৰা এগৰাকী বঙালী ৰামেশ্বৰ সেনে তেওঁৰ 'আত্মকাহিনী বা স্বৰচিত জীৱন কথা'ত দিয়া বিৱৰণো শ্ৰীভূঞাই 'ভূমিকা'ত সন্নিবিষ্ট কৰি দিছে। (প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সেন ডাঙৰীয়াৰ এই গ্ৰন্থখনিয়ে উনবিংশ শতিকাত অসমীয়া ভাষাই সমুখীন হোৱা সংকটৰ এটা নেদেখা দিশো উন্মোচন কৰি গৈছে। কিন্তু অসমৰ ভাষা-সংকট সম্পৰ্কে আলোচনা কৰা সকলে জানি বা নাজানি হওক এই গ্ৰন্থখনিৰ সম্পৰ্কে নীৰৱতা অৱলম্বন কৰি আহিছে। এই গ্ৰন্থখনিয়ে আধুনিক অসমীয়া ভাষাৰ বুৰঞ্জী ৰচনাত কিছু নতুন পোহৰ পেলাব; আৰু সেই ফালৰ পৰা এইখন গ্ৰন্থৰ পুনৰ মুদ্ৰণো অত্যাৱশ্যকীয় বুলি অনুভৱ কৰো।) সি যি কি নহওক বৰ্ণ-বিন্যাসৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ বাবেও যে ফুকনেই আৰ্হি স্থাপন কৰি গৈছিল সেই বিষয়েও 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰকাশ এটা স্পষ্ট ইংগিত দিলে। দেখাত সৰু যেন লাগিলেও আমাৰ ভাষা-সাহিত্যৰ ইতিহাসৰ চৰ্চাত এইবিলাক একো একোটি তাৎপৰ্যপূৰ্ণ ঘটনা। শ্ৰীভূঞাই তেখেতৰ সু-বিস্তৃত 'ভূমিকা'ত এই ঐতিহাসিক তথ্যবোৰৰ সত্যতা প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। 'অসমীয়া লৰাৰ মিত্ৰ'ক ময়ো প্ৰথম অসমীয়া 'প্ৰাইমাৰ' বুলি 'বেক্‌গ্ৰাউণ্ড অব মডাৰ্ণ আছামিছ লিটাৰেচাৰ'ত কৰা মন্তব্যৰ প্ৰতি শ্ৰীভূঞাই আঙুলি নিৰ্দেশ কৰি কৈছে যে অসমীয়া মানুহে লিখা বুলিহে ইয়াক প্ৰথম বুলিব পাৰি; কাৰণ তাৰ আগতে মিছনেৰি সকলে 'বাৰেমতৰা' প্ৰকাশ কৰি গৈছে। মই 'প্ৰাইমাৰ' শব্দটোৰ ঠাইত এই পুথিখন সম্পৰ্কে এতিয়া 'ৰীডাৰ' শব্দটো ব্যৱহাৰ কৰিব খোজো।

শ্ৰীভূঞাই 'ভূমিকা'ত আৰু এটা বিষয় সম্পৰ্কে সবল মত দাঙি ধৰিছে। বিষয়টো হ'ল – আধুনিক অসমীয়া ভাষাৰ নতুন ৰূপ সম্পৰ্কীয়। আমাৰ সৰহ সংখ্যক আলোচকেই মিছনেৰি সকলক আধুনিক অসমীয়া ভাষাক গঢ় দিওঁতা বুলি কৈ আহিছে। শ্ৰীভূঞাই দেখুৱাইছে যে সেই কাম কৰি গৈছে ঢেকিয়াল ফুকনেহে। তেওঁ প্ৰাচ্য আৰু পাশ্চাত্য শিক্ষা-সভ্যতা আৰু সংস্কৃতিৰ সমন্বিত ৰূপৰ মাজেদি যিটো নতুন ভাব আৰু আদৰ্শ গ্ৰহণ কৰিছিল, তাৰ মাজতেই জন্ম লাভ কৰিছিল আধুনিক অসমীয়া ভাষাৰ অন্তৰ-ৰূপটোৱেও। কাশীনাথ তামুলী ফুকনৰ 'আসাম বুৰন্‌জি'ত ভাষাৰ যিটো সুৰ আমি নুশুনো, ঢেকিয়াল ফুকনৰ ভাষাত আমি সেই নুশুনা নতুন সুৰটো শুনো। মিছনেৰি সকলৰ ভাষাত এই 'সুৰটো' কেঁচুৱা ল'ৰাৰ থুনুক-থানাক মাতৰ দৰে ফুটি উঠিছিল। কিন্তু ফুকনৰ ৰচনাত সি পৈণত ৰূপত প্ৰকাশ লাভ কৰিছিল। এতেকে, শ্ৰীভূঞাই ফুকনক আধুনিক অসমীয়া গদ্যৰ জনক বুলি দিয়া মন্তব্য অতিশয়োক্তি বুলিব নোৱাৰি।

শ্ৰীভূঞাই – "অসমীয়া লৰাৰ মিত্ৰ"ৰ

প্ৰকাশৰ বাবে ধন দিওঁতা সকলৰ তালিকাখনো সন্নিবিষ্ট কৰি দিছে। এই ক্ষেত্ৰত ঁবেণুধৰ শৰ্মা ডাঙৰীয়াৰ দ্বাৰা উদ্ধৃত তালিকাত থকা দুই এটি প্ৰমাদো শ্ৰীভূঞাই দূৰ কৰিছে।

শ্ৰীভূঞাৰ 'ভূমিকা'খন ঘাইকৈ ঐতিহাসিক বিচাৰমূলক। তেখেতে প্ৰাপ্ত-তথ্য সমূহৰ ভিত্তিত সেইবাবে পুথিখনিৰ লগত সম্পৰ্কিত সকলোবোৰ ঐতিহাসিক বিষয় চালি-জাৰি চাই সিদ্ধান্তলৈ আহিছে। তদুপৰি, গ্ৰন্থখনি মুদ্ৰণৰ বেলাও মূল পাঠৰ পৃষ্ঠা সংখ্যা নতুন ছপা পৃষ্ঠাৰ মাজে মাজে অন্তৰ্ভুক্ত কৰি যোৱাটো এটি বিজ্ঞানসন্মত কাম হৈছে। সমগ্ৰ কিতাপখনৰ হুবহু প্ৰতিচ্ছবি ছপা কৰিব পৰা হ'লে আটাইতকৈ ভাল হ'লহেঁতেন। সেয়ে নহলেও প্ৰথম সংস্কৰণৰ পৃষ্ঠা সংখ্যাৰ অন্তৰ্ভুক্তিয়ে সেই প্ৰয়োজন বহু পৰিমাণে পূৰণ কৰিছে।

"অসমীয়া লৰাৰ মিত্ৰ"ৰ সম্পৰ্কত আৰু দুটামান কথা মনলৈ আহে। অসমত আধুনিকতাৰ অগ্ৰদূত স্বৰূপ আনন্দৰাম ঢেকিয়াল ফুকনৰ মনৰ আধুনিকতা তেওঁৰ বিষয়-বস্তু নিৰ্বাচনৰ মাজেদিয়েই প্ৰকাশিত হৈছে। 'ইংলণ্ডৰ বিৱৰণ'ত তেওঁ লিখিছিল – "হে কৃপাময় জগদিশ্বৰ, এই অসম দেশৰ লোক সকলক সভ্য, গিয়ানি আৰু ধাৰ্ম্মিক কৰিবলৈ মতি দিয়া, সিবিলাকৰ অভাৱ আৰু দুৰ অৱস্থা জানিবলৈ সিবিলাকক গিয়ান দিয়া, আৰু তোমাৰ বিচিত্ৰ শক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আগ্যা পালিবৰ জোগ্য কৰা।" তেওঁৰ এই প্ৰাৰ্থনাৰ মাজতে এহাতে তেওঁৰ আধুনিকতাৰ আৰু আনহাতে স্বদেশ-হিতৈষণাৰ মন্ত্ৰ ধ্বনিত হৈছিল। সন্দেহ নাই ফুকনৰ বৃটিছ ৰাজশক্তিৰ ওপৰত গভীৰ আস্থা আৰু বিশ্বাস আছিল। কিন্তু অসমত অসমীয়া ভাষাৰ ঠাইত বাংলা প্ৰচলনৰ চৰকাৰী সিদ্ধান্ত তেওঁ মনে-প্ৰাণে গ্ৰহণ কৰিব পৰা নাছিল। 'এ নেটিভ' – এই ছদ্মনামত অসমীয়া ভাষা সম্পৰ্কে লিখা তেওঁৰ পুস্তিকাখনি আৰু মোফাট মিলছক দিয়া আবেদন-পত্ৰই ফুকনৰ ভাষা আৰু স্বদেশপ্ৰীতিৰ স্বাক্ষৰ বহণ কৰিছে। এই পৰিপ্ৰেক্ষিতত তেওঁৰ অভিধান প্ৰণয়নৰ প্ৰয়াস আৰু "অসমীয়াৰ লৰাৰ মিত্ৰ"ৰ প্ৰণয়ন ভাষাৰ ক্ষেত্ৰত ৰজাঘৰীয়া সিদ্ধান্তৰ বিৰুদ্ধে গ্ৰহণ কৰা তেওঁৰ কাৰ্যকৰী পন্থা বুলি ক'ব পাৰি।

'অসমীয়া ল'ৰাৰ মিত্ৰ'ৰ সৰহভাগ পাঠ গুণাভিৰামৰ ভাষাত "নানা উপদেশ-গৰ্ভ ইংৰাজী প্ৰস্তাৱ"ৰ "অসমীয়া ভাষাই ভাষান্তৰ"। এনে পাঠ বিলাকৰ ঘাই লক্ষ্যই আছিল নৈতিক শিক্ষা দান কৰা। আন কেইটামান পাঠৰ উদ্দেশ্য ঈশ্বৰ-বিশ্বাস গঢ়ি তোলা। আৰু বাকী পাঠ সমূহৰ ঘাই লক্ষ্য অসমীয়া ল'ৰাক বহিৰ্জগতৰ জ্ঞান দিয়া। নৈতিক শিক্ষাদানৰ বাবে যুগুতোৱা পাঠ সমূহ হয় ইংৰাজীৰ পৰা কৰা অনুবাদ, নহয় ছাঁ লৈ লিখা। এনে পাঠ সমূহৰ ভাষাত বাইবেলৰ ভাষাৰ ঠাঁচ মন কৰিবলগীয়া। সম্বোধনত 'হে'ৰ ব্যৱহাৰ (হে প্ৰিয় লৰাসকল), 'নানা বচন' শিতানৰ বাক্য সমূহত থকা বাক্যাংশ (ঈশ্বৰক সকলো চিত্তে সৈতে প্ৰেম কৰিবা। তোমাৰ অধ্যাপকক প্ৰেম কৰিবা ইত্যাদি) আৰু তেনে ধৰণৰ প্ৰকাশভংগীয়ে তাৰ পৰিচয় বহণ কৰিছে। মিছনেৰিসকলে ব্যৱহাৰ কৰাৰ আগতেই আনন্দৰামে এনে প্ৰকাশভংগী ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া। আনহাতে কেতিয়াবা তেওঁৰ ভাষাই বুৰঞ্জীৰ ভাষাৰ পৰাও আৰ্হি লৈছে। যেনে – "………এনেতে বুঢ়াগোঁহাঞি ডাঙৰিয়া মৰিলত পুতেক ৰুচিনাথ বুঢ়াগোহাঁঞি হ'ল; পিছে বৰফুকন স-সৈন্যে জোৰহাট পাব লগা হলত বুঢ়াগোহাঁঞি গুয়াহাটিলৈ ভাগি গ'ল। বৰফুকন স্বৰ্গদেৱে সৈতে সাক্ষাৎ কৰি মন্ত্ৰি ফুকন বুঢ়াগোহাঁঞিৰ ফালৰ কেতবোৰ মানুহক দণ্ড কৰিলে। পিছে স্বৰ্গদেৱে মান ৰজালৈ এক কন্যা দি সৈন্যক সন্তোষকৈ বিদায় দিলে।" এই বাক্যৰীতিত বুৰঞ্জীৰ গদ্যৰ প্ৰভাৱ মন কৰিবলগীয়া। আনহাতে আন কেতবোৰ বিষয়ৰ বৰ্ণনাত ইংৰাজী বাক্যৰীতিক তেওঁ স্বাভাৱিক অসমীয়া ৰূপ দিছে। যেনে – "ময় যি কওঁ তাক মনত ৰাখিব পাৰিলে তুমি অনেক জানিবা, কিন্তু সেই নিমিত্তে গপ নকৰিবা, যদি তুমি সদ্ব্যৱহাৰ কৰা তেন্তে যিমান শিকা তিমান ভাল, কিন্তু জ্ঞানী হৈ দুষ্ট হোৱাতকৈ হোজা হৈ ধাৰ্ম্মিক হোৱাই ভাল। ময় যিমান অধিক দিন জিওঁ তিমান অধিককৈ পতিয়াম যে শুদ্ধ আৰু মৰমিয়াল চিত্ত বৰ বিদ্যা আৰু গুণতকৈ ভাল, আৰু পৃথিৱীৰ গোটেইবোৰ বিদ্যাই মনুষ্যক যিমান সুখী কৰে, ঈশ্বৰক ভয় কৰি তেওঁৰ আজ্ঞা পালন কৰিলে তাতকৈ অধিক সুখী কৰে।" দেখা যায় আধুনিক অসমীয়া ভাষাৰ যি বৰ্ণ-বিন্যাস আৰু গদ্যৰীতিৰ বাবে আমি হেমচন্দ্ৰ বৰুৱাক দায়ী কৰো, সেই বৰ্ণ-বিন্যাস আৰু গদ্য ৰীতিৰ প্ৰথম প্ৰৱৰ্তক আনন্দৰাম ঢেকিয়াল ফুকনহে। "অসমীয়া লৰাৰ মিত্ৰ"ৰ দ্বিতীয় কাণ্ডৰ এই সংস্কৰণটিয়ে আমাৰ আধুনিক ভাষা-সাহিত্যৰ ভাব-শক্তি (Spirit) আৰু গঢ়ৰ (Form) জন্মক্ষণৰ লগত আৰু বৈশিষ্ট্যবোৰৰ লগত পৰিচয় হোৱাৰো সুযোগ উলিয়াই দিছে। শ্ৰীভূঞাই যথেষ্ট সতৰ্কতাৰে আৰু সকলো দিশ খৰছি মাৰি কৰা সম্পাদনাৰ বাবে সকলোৰে ধন্যবাদৰ পাত্ৰ হৈ ৰ'ব। 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থান'ৰ কাৰ্যবাহী সমিতিৰ সভাপতি, প্ৰথিতযশা পণ্ডিত ডঃ প্ৰফুল্ল দত্ত গোস্বামীদেৱে সঠিকভাবেই কৈছে – "ভূঞাৰ ভূমিকাখন পঢ়িবলৈ পাই গম পাইছো সম্পাদন কাম কিমান জটিল আৰু কষ্টসাধ্য আৰু এই ডেকা পণ্ডিতজনে কিমান একাগ্ৰতাৰে দায়িত্বটো সমাধা কৰিছে।" আমি ভূঞাৰ পৰা "অসমীয়া লৰাৰ মিত্ৰ"ৰ তৃতীয় কাণ্ডটো পাবলৈও বাট চালো।

# "এজাক জোনাকীৰ জিলিকনি"

ছায়েন্স ফিক্‌চন বা বৈজ্ঞানিক কল্পকাহিনী বুলিলেই যিজন লেখকৰ কথা সাধাৰণতে মনলৈ আহে সেইজন হ'ল আইজাক এছিমভ, এই ক্ষেত্ৰত তেওঁক বৰ্তমান যুগৰ পথ প্ৰদৰ্শক বুলি কলেও বঢ়াই কোৱা নহয়। অৱশ্যে আই য়েফ্ৰেমভ, এইচ জি ৱেল্‌ছ, জুলে ভাৰ্গে, আৰ্থাৰ ক্লাৰ্ক, এ হেইন্‌লিন্‌ আদি খ্যাতনামা লেখকসকলৰ বৈজ্ঞানিক কল্প কাহিনীসমূহেও বিশ্ব সাহিত্যত উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে।

পৰিতাপৰ কথা এয়ে যে সাহিত্যৰ অন্যান্য শাখাত ভাৰতীয় ভাষাৰ বহু লেখকে খ্যাতি আৰ্জন কৰিছে যদিও বৈজ্ঞানিক কল্প কাহিনীৰ ক্ষেত্ৰত আজিও ভাৰতীয় সাহিত্য একেবাৰে পিছপৰা। তেনেস্থলত অসমীয়া ভাষাত দুই চাৰিখন এনেধৰণৰ পুথি পঢ়িবলৈ পোৱাটো আমাৰ বাবে আনন্দৰ কথা।

দীনেশ চন্দ্ৰ গোস্বামীৰ ৰচিত "এজাক জোনাকীৰ জিলিকনি" সদ্য প্ৰকাশিত এখন বিজ্ঞান ভিত্তিক উপন্যাস। উপন্যাসখনৰ পটভূমি হ'ল এটা বিজ্ঞানাগাৰ, লেখকে জ্ঞাত তথ্যৰ ভিত্তিত বিজ্ঞানৰ সম্ভাৱনাপূৰ্ণ উদ্ভাৱনাবোৰ উপন্যাসখনৰ কাহিনীৰ বিচিত্ৰ পৰিবেশত বৰ্ণনা কৰিছে যিটো বিজ্ঞানভিত্তিক উপন্যাসৰ মূল বৈশিষ্ট্য। বিবিধ বিষয়ৰ ওপৰত থকা বিশদ অধ্যয়নৰ যোগেদিহে এনেদৰে বিজ্ঞানৰ বহুমুখী দিশবোৰ উন্মোচন কৰিব পাৰি। স্বপ্নদ্ৰষ্টা লেখকৰ পাৰ্গতালি প্ৰকাশ পাইছে এই খিনিতেই।

বিজ্ঞানভিত্তিক উপন্যাস বুলি যে লেখকে কাহিনীটোত কেৱল পাণ্ডিত্যপূৰ্ণ বিজ্ঞানৰ অনুসন্ধানেৰে ভৰাই পেলাইছে এনে নহয়। তাৰ উৰ্দ্ধত জীৱনৰ সত্যখিনিও অভিব্যক্ত কৰাৰ সচেষ্ট প্ৰয়াস কৰিছে।

বিজ্ঞানে সাংস্কৃতিক আৰু সামাজিক পৰিবৰ্তন আনে, স্বাচ্ছন্দ্যৰে ভৰা জীৱন যাত্ৰাৰ মানদণ্ড উন্নত কৰে, প্ৰকৃতিৰ নিয়ম কানুনৰ প্ৰতি গভীৰ শ্ৰদ্ধা বঢ়ায়, মানুহৰ মনত চেতনা, বুদ্ধি আৰু স্বচ্ছ ধাৰণাৰ উন্মেষ ঘটায়। লেখকে বিজ্ঞানসাধিত কাৰ্যকলাপৰ বৰ্ণনা দিছে ইণ্টেলিজেণ্ট হাউছ, কম্পিউটাৰৰ অটোমেটাইজেচন আদিৰ নিখুঁত ছবিৰে। এনে, কাহিনী পঢ়িলে মানুহৰ কল্পনাৰ দিগন্ত প্ৰসাৰিত হয় আৰু সৃষ্টিমূলক ভাবৰ সঞ্চাৰণ ঘটে।

আনহাতে বিজ্ঞানৰ অপপ্ৰয়োগে সৃষ্টি কৰা অপচয়ী আৰু মানৱবিধ্বংসী কাৰ্যকলাপৰ দিশটোও আঙুলিয়াই দিয়াৰ প্ৰতি লেখক যথেষ্ট সচেতন হৈছে। বিজ্ঞানৰ জটিল তত্ত্ববোৰকো সহজ সৰল ভাষাৰে এনেদৰে বুজাই দিয়া হৈছে যে সৰ্বসাধাৰণ পাঠকৰ বাবেও এই কথাবোৰ বোধগম্য হৈ পৰিছে।

উপন্যাসখনৰ মূল চৰিত্ৰ ডঃ কল্যাণ চৌধুৰী এক আদৰ্শবান যুৱক। শুদ্ধ চিন্তা আৰু চেতনাৰে তেওঁ বিজ্ঞান মন্দিৰত প্ৰৱেশ কৰিছে। বৈজ্ঞানিক নৈতিকতাৰে উদ্বুদ্ধ হৈ তেওঁ সত্যক প্ৰকাশ কৰাৰ বাবে, মানুহৰ নৈতিক অৱক্ষয়ৰ বিৰুদ্ধে অক্লান্তভাবে যুঁজ দিছে। জীৱনৰ সংকটাপূৰ্ণ মুহূৰ্ততো তেওঁ মনোবল হেৰুওৱা নাই; আনহাতে উদাৰতাৰে ভৰা তেওঁৰ হৃদয় কোনোবা দুৰ্বল মুহূৰ্তত গভীৰ অনুকম্পাৰে ভৰি পৰিছে।

বিচিত্ৰ মানৱ চৰিত্ৰৰ নানা উপাদান লৈ উপন্যাসৰ কাহিনীটো সাৱলীল গতিৰে আগবাঢ়িছে। দৈনন্দিন জীৱনত সাধাৰণভাবে ঘটা ঘটনা, কাৰ্যকলাপৰ বিৱৰণবোৰ সৰস হৈ পৰিছে। লেখকে মানুহৰ সহজাত প্ৰবৃত্তি আৰু মানৱিক সম্পৰ্কক যিদৰে ৰূপ দিছে সেইদৰে অসৎ লোকৰ স্থূল কামনা বাসনাকো বহল আৰু বিস্তৃত ভাবে বৰ্ণনা কৰিছে।

উপন্যাসখনত এক কাল্পনিক কাহিনীৰ সৃষ্টি কৰা হৈছে যদিও সেই কাহিনীৰ অন্তৰালত বৰ্তমান যুগৰ আমাৰ সমাজৰ যিকোনো প্ৰতিষ্ঠানতে সোমাই পৰা পংকিল ৰাজনীতি আৰু সামাজিক কলুষ কালিমাবোৰ প্ৰতিফলিত হৈছে। উপন্যাসখনৰ যোগেদি বিজ্ঞানাগাৰৰ সঞ্চালনাৰ আসোঁৱাহপূৰ্ণ দিশবোৰ সুনিৰ্দিষ্ট কৰি দেখুৱাৰ ক্ষেত্ৰত নিশ্চয় বিভিন্ন বিজ্ঞানাগাৰৰ লগত জড়িত হোৱাৰ অভিজ্ঞতাই লেখকক সহায় কৰিছে। যশ, খ্যাতি আৰু আত্মপ্ৰচাৰৰ প্ৰতি আকৰ্ষিত হোৱা স্বাৰ্থান্বেষী ক্ষমতালোভী, হিংসাপৰায়ণ শ্ৰেণীটোৰ প্ৰৰোচনাত পৰি অনুবাইদেউ বা পবন ভাৰ্গৱৰ দৰে নিৰীহ কৰ্মৰ দুৰ্গতি হোৱাটো সঁচায়ে বিষাদজনক।

মানৱ সমাজত বিজ্ঞানভিত্তিক উপন্যাসৰ মূল্য কেনে ধৰণৰ হোৱা উচিত এই প্ৰশ্ন উত্তৰত আইজ্যাক এছিমভে কৈছিল, "মই ভাবো উচ্চ মানৰ কোনো গল্প বা উপন্যাস অৰ্থাৎ এনে ধৰণৰ গল্প বা উপন্যাসে কেৱল মাত্ৰ আনন্দ বিতৰণ কৰাৰ উপৰিও যাতে মনুষ্য প্ৰজাতিৰ সমুখত এক সাৰ্থক দৰ্পণ তুলি ধৰিব পাৰে।"

"এজাক জোনাকীৰ জিলিকনি" পঢ়ি আমি এই সত্যত উপনীত হ'ব পাৰো যে প্ৰশাসন আৰু ৰাজনীতিৰ মেৰ পাকে বিজ্ঞান সাধনাৰ পথ কণ্টকাকীৰ্ণ কৰিলেও প্ৰকৃত সাধনাই শত বাধা বিঘিনি নেওচি এদিন সমাজক পোহৰ কৰিবই।

জয়ন্তী চুতীয়া

এজাক জোনাকীৰ জিলিকনি

লেখক ঃ দীনেশ চন্দ্ৰ গোস্বামী



## ওক গছৰ তলত / ডি এইচ লৰেঞ্চ

মই তোমাক যেতিয়া কওঁ তৰাবোৰে জ্বলন্ত সংকেত দিয়ে,
প্ৰতিটো সংকেতেই ভয়ংকৰ,
তুমি যদি বিবেচক হোৱা,
তুমি ঘূৰি কেতিয়াও উত্তৰ নিদিবা
'পৰম আশ্চৰ্য এই ৰাতি '
তুমি যদি জানিলাহেঁতেন
এই অন্ধকাৰে মোক কেনেকৈ নিঃশেষ কৰি প্লাবিত কৰিছে,
আৰু মোৰ সত্তালৈ সঞ্চাৰিত কৰিছে অপবিত্ৰ ভীতি,
আনকি তুমিও গমি চালাহেঁতেন
আহত হোৱা আৰু আনন্দিত হোৱাৰ মাজৰ পাৰ্থক্য কি।
কাৰণ মই তোমাক কওঁ
দ্ৰুইদৰ ছুৰিকাঘাতত নিৰ্গত যজ্ঞ-ধূমৰ দৰে
এই মহতী ওক বৃক্ষৰ তলত
মোৰ সমগ্ৰ আত্মাৰ সঞ্জীৱনী ৰস
নিষ্কাষিত হৈ ওলাই পৰিছে।
পুনৰ মই তোমাক কওঁ, মই ৰক্তাক্ত হৈছো,
মই লতাৰ নাগ-পাশত কবলিত হৈছো,
মই বল-হীন হৈছো।
তোমাক মই কওঁ এই ওক গছৰ তলৰ মাটিত
টোপাটোপে সৰি পৰিছে মোৰ তেজ।
মোৰ ওপৰত ছাঁয়া-ধুসৰ ধোঁৱাৰ মাজত
গজি উঠিছে ৰক্ত-জাত গুল্ম-লতা।
কিন্তু তুমি কোন চৰাইৰ দৰে শব্দ কৰি
এই ওক গছৰ তলত ইফালে-সিফালে ঘূৰি ফুৰিছা ?
শুভ বা অশুভ, তুমি কি কৰিব পাৰা ?
এই পুৰাতন ঠাইখনিৰ ৰহস্য,
মোৰ এই প্ৰাচীন অভিশাপৰ লগত তোমাৰ কি সম্পৰ্ক ?
মোৰ জীৱনৰ ইতিহাসত ক'ত তোমাৰ স্থা· ? □

## কেৱল ঘূৰি ফুৰাৰ আনন্দ / ৰালেচ্ ষ্টিভেন্‌চ্

বাগানখন ঘূৰি ঘূৰি উৰি ফুৰিছিল দেৱদূতৰ সতে,
দেৱদূত ঘূৰি ঘূৰি উৰি ফুৰিছিল ডাৱৰৰ সতে,
আৰু ডাৱৰবোৰ ঘূৰি ঘূৰি উৰি ফুৰিছিল আৰু ডাৱৰবোৰ ঘূৰি ঘূৰি উৰি ফুৰিছিল
আৰু ডাৱৰবোৰ ঘূৰি ঘূৰি উৰি ফুৰিছিল ডাৱৰৰ সতে।
লাওখোলাবোৰত আছে নেকি কিবা গোপন ৰহস্য,
বননিৰ সেই গৰুৰ লাওখোলাবোৰত ?
ক'লা টুপী পিন্ধা ঢুলীয়াবোৰে সিহঁতৰ ঢোলত
সঁচাই বজাই নেকি কিবা গৎ ?
শ্ৰীমতি এন্দাৰচনৰ চুইদিশ শিশুটি
হবও পাৰিলেহেঁতেন জাৰ্মান অথবা স্পেনিশ,
তথাপি এই,যে বস্তুবোৰ ঘূৰিয়েই থাকে আৰু ঘূৰিয়েই থাকে,
এনে যেন লাগে যেন ই চিৰ শ্বাশ্বত। □

অনুবাদঃ হোমেন বৰগোহাঞি

# মানৱ সভ্যতা আৰু সংস্কৃতি

## অতীত, বৰ্তমান, ভৱিষ্যত

পবিত্ৰ কুমাৰ শৰ্মা

### পাঁচ

মধ্যপ্ৰাচ্যত টাইগ্ৰিছ আৰু ইউফ্ৰেটিছ নদীৰ পাৰৰ কৃষি উপযোগী মাটিত খৃঃ পূঃ ৭০০০ৰ পৰা কৃষি উৎপাদন আৰু পশুপালন কৰা হৈছিল। গছ-গছনি আৰু ঘাঁহ-খেৰ কাটি, মাটি ব্যৱহাৰ কৰি পঁজাঘৰ নিৰ্মাণ কৰা হৈছিল। শীতকালত হোৱা প্ৰ ও বৰষুণত পঁজাঘৰ পানীত উটি গৈছিল। ঘৰত পোহা জীৱ-জন্তুৰ মৃত্যু হৈছিল। বানপানীৰ পাছত মহামাৰীত হাজাৰ হাজাৰ মানুহ আক্ৰান্ত হৈছিল। বনৰীয়া গাহৰিয়ে শস্য পথাৰ নষ্ট কৰিছিল। বাঘ-সিংহই পোহনীয়া জন্তু খাই থৈছিল। এনে দুৰ্গম প্ৰাকৃতিক পৰিবেশৰ মাজতো মানুহে খাল কাটি, পানী সিঁচি খেতিবাতি, ফলৰ বাগান কৰিছিল। জনবাস কৰা অঞ্চলৰ আশেপাশে পথৰ দাঁতিত শ শ খেজুৰ গছ লগোৱা হৈছিল। খেজুৰ গছক ভিত্তি কৰিয়েই সেই অঞ্চলৰ কৃষি সংস্কৃতিয়ে গঢ় লৈছিল। খেজুৰ গছৰ খৰি, ৰচি আৰু শোতা তৈয়াৰ কৰা হৈছিল। খেজুৰ গুটিৰ পৰা ময়দা আৰু মৌ তৈয়াৰ কৰা হৈছিল। অতি সাৰুৱা মাটিত কৃষি উৎপাদন বৃদ্ধি হোৱাত মানুহৰ জীৱন ধাৰাতো পৰিবৰ্তন আহিছিল। মধ্য প্ৰাচ্যৰ এই অঞ্চলেই দক্ষিণ মেছোপটেমিয়া। কৃষি কৰ্মৰ বাহিৰেও মধ্য প্ৰাচ্যত ভেৰা পোহা হৈছিল। সেই বাবেই পশম উৎপাদনৰ কেন্দ্ৰ হিচাপেও দক্ষিণ মেছোপটেমিয়া জনাজাত।

অতি উৰ্বৰা মাটিত প্ৰচুৰ কৃষি উৎপাদনক ভিত্তি কৰি মধ্যপ্ৰাচ্যত বেবিলন নগৰ ৰাষ্ট্ৰৰ প্ৰতিষ্ঠা হৈছিল। বেবিলনৰ ৰাষ্ট্ৰব্যৱস্থাও মিছৰীয় ৰাষ্ট্ৰ ব্যৱস্থাৰ অনুৰূপ আছিল। মধ্যপ্ৰাচ্যত খৃঃ পূঃ ২য় আৰু প্ৰথম শতিকাত লোহাৰ ব্যৱহাৰ প্ৰচলিত হৈছিল। চুল্লা ব্যৱহাৰ কৰি তাত কাঠ কয়লা দি লোহাৰ আকৰ গলাই লোহা নিষ্কাষন কৰা হৈছিল। লোহা আহৰণ আৰু ব্যৱহাৰৰ লগে লগে মানৱ সভ্যতাৰ গতি ধাৰাত পৰিবৰ্তন আহিল। লোহাৰ নাঙল, লোহাৰ কোৰ আৰু বেলছাৰ সহায়ত পাহাৰ পৰ্বত, ওখমাটি আৰু দুৰ্গম ঠাইতো মাটি ভাঙি খেতিবাতি আৰু বসবাস কৰা সম্ভৱ হৈছিল। মধ্যপ্ৰাচ্যৰ স্তেপ আৰু পাহাৰী অঞ্চলত প্ৰচুৰ খেতি সম্প্ৰসাৰণ হ'ল। ফলৰ বাগিচা, জাহাজ নিৰ্মাণ আৰু পশুৱে চলোৱা গাড়ী তৈয়াৰ কৰা হ'ল। কৃষি, পশুপালন আৰু হস্তশিল্পৰ বিকাশৰ এই স্তৰত নৌ-বাণিজ্যৰো প্ৰসাৰ হবলৈ ধৰিলে। আঠালেটীয়া মাটিৰে ইটা, বাল্টি, নলী আৰু বাকচ তৈয়াৰ কৰা হৈছিল। এইবিলাক বিনিময়ৰ কেন্দ্ৰ হিচাপে চহৰে গঢ় লৈছিল। চহৰৰ পৰা ধাতু, কাঠ আৰু পাথৰৰ বিনিময়ত খাদ্য শস্য আৰু পশম যোগান ধৰা হৈছিল। খৃঃ পূঃ ৪ৰ্থ শতিকাত তাম, সোণ আৰু পিতলৰ প্ৰচলন হৈছিল মধ্য প্ৰাচ্যত। ইয়াৰ পিছত দ্বিতীয় শতিকাত লোহাৰ ব্যৱহাৰ হোৱাৰ লগে লগে কৃষক আৰু কাৰিকৰৰ উৎপাদন প্ৰণালীত প্ৰভাৱ পৰিল। লোহাৰ তৈয়াৰী যন্ত্ৰপাতি ব্যৱহাৰ কৰি মজবুত জাহাজ আৰু পশুৱে টনা গাড়ী তৈয়াৰ কৰা হ'ল। ভূমধ্য সাগৰৰ পাৰত বসবাস কৰা ফিনিছীয় জাতিয়ে খৃঃ পূঃ প্ৰথম শতিকাৰ আৰম্ভণিৰ পৰা জাহাজ নিৰ্মাণত পাৰদৰ্শী হৈ পৰিল। তেওঁলোকৰ বেহাবেপাৰ সাগৰৰ পথেদি বিস্তৃত হ'ল। সমুদ্ৰ বাণিজ্যই মধ্যপ্ৰাচ্য সংস্কৃতিক প্ৰভাৱিত কৰিলে।



অংকন : চম্পক বৰবৰা

ইউফ্ৰেটিছ নদীৰ পাৰত বেবিলন চহৰ গঢ় লৈ উঠাত সাগৰীয় বেপাৰী সকলৰ উল্লেখযোগ্য বৰঙণি আছে। নদী পথেদি চহৰলৈ অনা সামগ্ৰী বেচা-কিনাৰ কাৰণে বিভিন্ন কৰ্মীৰ প্ৰয়োজন হৈছিল। মাছ মৰীয়া, কুলি (মুটিয়া), কাৰিকৰ আদিয়ে মাটি আৰু খেৰৰ সৰু সৰু জুপুৰীত বাস কৰিছিল। তাৰ মাজে মাজে কিছুমান পাথৰৰ তৈয়াৰী ঘৰো সজা হৈছিল। মধ্য প্ৰাচ্যত এনে দৰেই বেবিলন এখন প্ৰধান নগৰৰাষ্ট্ৰ হৈ পৰিল; সেনা, প্ৰহৰী, আমোলা আদি শাসনৰ প্ৰয়োজনীয় শ্ৰেণীসমূহো গঢ় লৈ উঠিল।

খৃঃ পূঃ অষ্টম শতিকাত টাইগ্ৰিছ নদীৰ পাৰত এছিৰীয় সাম্ৰাজ্য প্ৰতিষ্ঠা হৈছিল। পাৰস্য উপসাগৰৰ পাৰত খৃঃ পূঃ ষষ্ঠ শতিকাৰ প্ৰতিষ্ঠা হোৱা পাৰস্য সাম্ৰাজ্যৰ ৰজা কিৰোছে বেবিলন অধিকাৰ কৰে। যুদ্ধত কিৰোছৰ মৃত্যুৰ পাছতো পাৰস্য অভিযান অব্যাহত আছিল। খৃঃ পূঃ ৫ম শতিকাত সম্ৰাট প্ৰথম ডেৰিয়ুছৰ সময়ত মিছৰৰ পৰা সিন্ধু নদী লৈকে পাৰস্য সাম্ৰাজ্য বিস্তাৰ হৈছিল। এনে দৰেই ৰাজ্য অধিকাৰ আৰু সম্প্ৰসাৰণৰ ফলত নগৰ ৰাষ্ট্ৰৰ মাজত একোজন প্ৰতিপত্তিশালী সম্ৰাটৰ অধীনত বিশাল সাম্ৰাজ্যই গঢ় লৈছিল। এছিৰীয় সম্ৰাট সকলৰ ৰাজপ্ৰাসাদবিলাক ওখ ঠাইত তৈয়াৰ কৰা হৈছিল। প্ৰাসাদৰ চাৰিওফালে আছিল ওখ প্ৰাচীৰ। প্ৰাচীৰৰ প্ৰবেশ পথত শিলত কটা ষাড় গৰুৰ মূৰ্তিত আছিল মানুহৰ মূৰ আৰু দুখন পাখি।

মেছোপটেমিয়াত খৃঃ পূঃ চতুৰ্থ শতিকাত মাটিৰ ফলকত সাংকেতিক চিনেৰে শব্দ বা আখৰ লিখা হৈছিল। এনে লিপিক বোলা হৈছিল কিউনিফৰ্ম। দক্ষিণ মেছোপটেমিয়াত এই লিপি ব্যাপকভাৱে ব্যৱহাৰ হৈছিল। এই লিপিৰ পৰাই ফিনিছীয়সকলে ২২টা ব্যঞ্জনবৰ্ণৰ বৰ্ণমালা আৱিষ্কাৰ কৰিলে। বৰ্ণমালা ব্যৱহাৰ হোৱাত লেখা সহজ হ'ল আৰু জ্ঞান চৰ্চাৰ লিপিৱদ্ধ ৰূপ সম্ভৱ হ'ল। গণিত চৰ্চা, চিকিৎসা পদ্ধতি, জ্যোতিষচৰ্চা আদি সংৰক্ষিত হ'ল, লিপি, বিজ্ঞান আৰু শিল্পচৰ্চাৰ মাজেদি মধ্যপ্ৰাচ্য সংস্কৃতিয়ে গঢ় লৈছিল। ■





# কথামালা (শেহ ছোৱা)

মুখলেছুৰ ৰহমান


*সম্প্ৰতি বজাৰত 'কথামালা (শেহ ছোৱা)' নামৰ মোৰ যিখন কিতাপ ওলাইছে তাৰে কেইটামান সাধু পাঠকবৰ্গলৈ আগবঢ়াইছো। এইখিনিতে কৈ থওঁ গল্পবোৰৰ শেষত কোনো নীতিবাক্য অৰ্থাৎ 'মৰেল' দিয়া হোৱা নাই। পাঠক নিজেই বুদ্ধিমান।*

## (ক) শিয়াল আৰু কাউৰী

এদিনাখন এটা কাউৰীয়ে কচাইৰ দোকানৰ পৰা মঙহ এডোখৰ লৈ গছ এজোপাৰ ডাল এটাত গৈ বহিল। এনেতে তলেদি শিয়াল এটা যাওক। কাউৰীক তেনৈকে মঙহ ডোখৰ লৈ গছৰ ডালত বহি থকা দেখি তাৰ মুখত পানী আহি গ'ল। ভাবিলে, কিবা উপায়েৰে যদি কাউৰীৰ মুখখন মেল খুৱাব পাৰো, তেনেহলে মঙহ ডোখৰ খাই মই তৃপ্তি পাওঁ।

শিয়ালে ক'লে, "নমস্কাৰ কাউৰীদা, ভালে আছেনে? বহুত দিনৰ মূৰত আপোনাক লগ পালো। আপোনাৰ প্ৰশংসা যিমানেই কৰা যায় সিমানেই কম হ'ব। বাহ, কি ক'লা আপোনাৰ ঠোঁট, গোটেই গাটোও কিচ কিচ কৰে ক'লা। আজিকালি যে ক'লাৰে দিন সেইটোনো কোনে নাজানে। এইবাৰ অলিম্পিকতে সেইটো প্ৰমাণ হৈ গ'ল। নেলচন মেণ্ডেলাক পাৰিলেনে সিহঁতে ধৰি ৰাখিব? বাদ দিয়ক সেইবোৰ কথা। কিমান দিন হ'ল আপোনাৰ মুখৰ গান এটা শুনিবলৈ বাট চাই আছো। আজি মোৰ পৰম সৌভাগ্য যে আপোনাক পাই গলো। দাদাই গান এটা গাই যদি শুনালেহেঁতেন........।"

শিয়ালৰ কথাত কাউৰীয়ে বৰ ভাল পালে। সি মঙহ ডোখৰ সাৱধানেৰে গছৰ ডালত থলে আৰু ঠেঙ এখন তাৰ ওপৰত থলে যাতে সৰি নপৰে। তাৰ পিছত শিয়ালৰ ফালে চাই ক'লে, "আজিকালি গজলৰ দিন জানাই, সেয়ে এটা গজলকে গাওঁ; চবকো মালুম হ্যায়........।"





## (খ) শহা আৰু কাছৰ সাধু

এক আছিল কাছ। এক আহিল শহা পহু। এদিনাখন দুয়ো এটা বাজি মাৰিলে যে সিহঁতৰ মাজত এক দৌৰ প্ৰতিযোগিতা হ'ব আৰু যিয়ে আগত গৈ সৌ আঁহত জোপাৰ তল পাবগৈ সিয়ে বিজয়ী হ'ব। চৰ্ত থাকিল যিয়ে হাৰিব তাৰ কাণ কাটি লোৱাৰ অধিকাৰ পাব বাজি জিকোতাজনে।

দৌৰ আৰম্ভ হ'ল। শহাই নিমিষতে আধা বাট পাৰ গৈ গ'ল। কাছ লাহে ধীৰে গৈ থাকিল। কিছু দূৰ গৈ কাছই ভাবিলে বহুত আহিলো, এতিয়া অলপ বেষ্ট লোৱা যাওক। এইদৰে গছ এজোপাৰ তলত বহি লৈ কাছই নিজৰ গৌৰৱময় অতীতৰ কথা ভাবিবলৈ ধৰিলে। কি দিনেই নাছিল সেইবোৰ! এটা সময় আছিল যেতিয়া এই পৃথিৱীত কাছই ৰাজত্ব কৰিছিল। বিজ্ঞান আৰু দৰ্শনতো আগবঢ়া আছিল আৰু আজি মামুলী এক শহাৰ লগত বাজি মাৰিব লগা হৈছে। এইবোৰ ভাবি থাকোতেই কাছৰ তন্দ্ৰাভাব হ'ল আৰু অলপ পিছত ভালকৈয়ে টোপনি গ'ল। সপোনত সি দেখিলে যে সি সিংহাসনত বহি আছে আৰু অন্য কচ্ছপেতৰ প্ৰাণী যেনে, মানুহ, বাঘ, সিংহ, ভালুক, শহা ইত্যাদিয়ে তাৰ আগত হাতযোৰকৈ থিয় হৈ আছে।

কিমান সময় তেনৈকে আছিল কাছই ক'ব নোৱাৰে। টোপনি ভঙাৰ পিছত সি আকৌ গন্তব্য স্থানলৈ বুলি লাহে ধীৰে ৰাওনা হ'ল। আঁহত জোপাৰ তল পাই দেখে যে তাত শহাৰ নাম গোন্ধ নাই। সি বৰ আনন্দিত হ'ল। নিজকে বাহ বাহ দিলে। শহা, তই আহ মোৰ লগত ফেৰ মাৰিবলৈ!

এনেতে সি দেখিলে যে সৰু শহা পোৱালি এটাই তাত খেলি আছে। সি সুধিলে, "অ'ই পোৱালি! তই শহা ডাঙৰীয়াক চিনি পাৱনে?"

পোৱালিটোৱে ক'লে, "হয় চিনি পাওঁ। তেওঁৰ মোৰ পিতৃ আছিল। আপুনি নিশ্চয় সেই কাছ যাৰ লগত দেউতাই বাজি মাৰিছিল।"

কাছই ক'লে, "ঠিক! এতিয়া পিছে তোৰ দেউতাৰ ক'ত?"

পোৱালি – "তেওঁতো পাঁচ মিনিটতে আহি এইখিনি পাইছিল, আপোনাৰ কাৰণে বাট চাই চাই তেওঁ ইয়াতে স্বৰ্গী হ'ল। মৰিবৰ সময়ত মোক কৈ গৈছে আপোনাক লগ পালে কাণ দুখন যাতে কাটি লওঁ। এতিয়া দিয়ক আপোনাৰ কাণ।"

কাছই তৎক্ষণাৎ নিজৰ কাণ আৰু মূৰ চলঙৰ ভিতৰত লুকুৱাই পেলালে। আজিও কাছই তেনৈকেয়ে ফুৰে।

## (গ) একতাৰ পতন

এক বুঢ়াৰ পাঁচ পুতেক আছিল। সিহঁতৰ মাজত মিলা-প্ৰীতি নাছিল। কিবা নহয় কিবা কথাত সিহঁতৰ মাজত লাগিয়ে থাকে। এই লৈ বুঢ়াৰ বৰ চিন্তা। বুঢ়াৰ যেতিয়া মৃত্যুকাল উপস্থিত হ'ল, ভাবিলে যে অন্তত মৰাৰ আগতে সিহঁতক একগোট কৰি থৈ যাওঁ।

এদিনাখন পাঁচোটা ল'ৰাক নৰীয়া পাটীৰ ওচৰলৈ মাতি আনি বুঢ়াই ক'লে, "মই আৰু বেছি দেৰি জীয়াই নাথাকো। মৰাৰ আগতে তহঁতে মোক এমুঠি ইকৰা আনি দিবিনে?"

১ম পুত্ৰ : 'ইকৰা? ইকৰাৰে আপুনি কি কৰিব?'

৩য় পুত্ৰ : 'দাদা, বুঢ়াৰ মূৰ বেয়া হৈছে যেন পাইছো।'

২য় পুত্ৰ : 'নহয়, দেউতাই জীৱনত এই এটা বস্তুৱেই আমাৰ পৰা খুজিলে। দেউতাৰ অন্তিম ইচ্ছাটো আমি পূৰণ কৰা উচিৎ। লালমিঞাক এটা খবৰ দেচোন।'

লালমিঞাক খবৰ দিয়া হ'ল। ইকৰা আহিল। তেতিয়া বুঢ়াই ইকৰামুঠি হাতত লৈ এজন এজনকৈ সকলোকে ভাঙিবলৈ কলে।

১ম পুত্ৰ : 'বুঢ়াই ধেমালি কৰিবলৈ সময় নেপালে আৰু!'

৩য় পুত্ৰ : 'আমি কিয় ইকৰা ভাঙিম? পাগল নেকি?'

বুঢ়াৰ চতুৰ্থ পুত্ৰ আছিল জুডো আৰু কেৰাটে চেম্পিয়ন। সি আগুৱাই আহিল। 'হু; দিয়াচোন।' বুলি কৈ অনায়াসে ইকৰা মুঠি ভাঙি পেলালে। বিস্ফোৰিত চকুৰে বুঢ়াই চকু মুদিলে। ■

অংকন : চম্পক বৰবৰা

## গদ্যপাঠ

### ধ্রুৱজ্যোতি দাস

এয়াই স্বদেশ
খোজত মৃত্যুৰ খবৰ লৈ জৰ্জৰিত আহত স্বদেশ !

প্ৰিয় সুধীবৃন্দ,
আহক গদ্যপাঠ কৰোঁ ।
দুটকীয়া চাউল বিলাই বিপ্লৱৰ মুখ বন্ধ কৰিব খোজা
নেতাৰ কথা পাতো । বিপন্ন সীমান্তৰ কথা পাতো ।
কথা পাতো—কেৱল কথা পাতো
সাপৰ দৰে পৰি থকা ক'লা ৰাস্তাৰ কথা
বেদনাদায়ক তেজ নিঃসৰিত হৈ ক'লা ৰাস্তা ৰঙা হোৱাৰ কথা ।

### প্ৰথম ছেদ ঃ

আমাৰ মাজৰ বহুতেই আজি ইয়ালৈ অনাহাৰে আহিছোঁ ।
দুটকীয়া চাউল কাকতত বিলোৱাৰ কথা থাকিলেও
চাউলৰ দাম বাঢ়িছে ।
বাঢ়িছে—তেলৰ দাম, ঔষধৰ দাম, সকলো বস্তুৰ দাম ।
দাম বাঢ়িছে ৰেহাই মূল্যৰ খদ্দৰ কাপোৰৰ ।

কেৱল এতিয়া আমাৰ তেজৰ দাম কমিছে
আমাৰ মগজৰ দাম কমিছে ।
কমিছে—আশাৰ দাম, সপোনৰ দাম ।

এতিয়া দীঘল দি পৰিছে চিত্ৰৱ । ধপ্‌ধপাই আছে বাতিবোৰ ।
মন্ত্ৰীয়ে ঘোষণা কৰিছে গ্ৰামাঞ্চলত সান্ধ্যআইন ।
জনগণৰ কাম চপাৰ বাবেই চাকৰিয়ালৰ শান্তিমূলক বদলিকৰণ;
ধৰ্মঘট বন্ধ । খ্ৰীষ্টমাচ বন্ধ । মহৰম বন্ধ ।
ৰাষ্ট্ৰপতিয়ে ঘোষণা কৰিছে ঃ দেশৰ সকলো নাগৰিকৰ
প্ৰতি উশাহ, প্ৰতি খোজ নিষিদ্ধ ।

### দ্বিতীয় ছেদ ঃ

এয়েই স্বদেশ !
মুখত ছিটিকি পৰিছে ক্লান্ত মৃত্যু ।
ভৰিৰ তলত মৃতদেহ । এতিয়া সময় জ্বলিছে সকলোফালে ।

পুলিচ—মিলিটেৰী নামৰ ৰাষ্ট্ৰযন্ত্ৰৰ সুৰক্ষাত থকা
এদল ক্ষুধিত জন্তুৱে
বিচাৰি ফুৰে ৰাত্ৰি ।
মহতিয়াই পথাৰ-সমাৰ । দুৱাৰত সিহঁতৰ দাঁতৰ কড়ৰৎ ।
ষোড়শী গাভৰুৰ বুকু চোবাই
খেতিয়কৰ ডেকা ল'ৰাৰ গুপ্তাংগ চিঙি
সিহঁতে বিচাৰে বিদ্ৰোহী অথবা বন্দুকৰ কাৰখানা !

এতিয়া সময় পুৰিছে লাহে লাহে ।
বিপ্লৱ আৰু বিপ্লৱীৰ এতিয়া অনেক তফাৎ ।

হাজাৰটকীয়া জোতা পিন্ধি বন্দুক চুব পাৰিলেই
যুৱক বিপ্লৱী হয় ।
সেই বিপ্লৱী যুৱকে 'দাচ্‌কেপিটেল' কি চিনি নাপায় ।
শ্ৰেণী সংগ্ৰামৰ নাম শুনিলেই তেওঁলোকৰ অস্বাভাৱিক হৈ পৰে
কণ্ঠস্বৰ আৰু চকু ।

এতিয়া শোক গ্ৰস্ত চৌপাশৰ ঘৰৰ দুৱাৰ ।
এনেকি এতিয়া মতৰ অমিল ঘটিলেই কোমল কিশোৰেও
বিদ্যালয়-মহাবিদ্যালয় ভাঙিব পাৰে নিৰ্বিবাদে ।
বাটত সাংবাদিকৰ কলিজা কাঢ়ি পেলাব পাৰে
বৰ সহজ ভাবেই ।

### তৃতীয় ছেদ ঃ

এয়েই স্বদেশ ।
ৰাতিৰ চহৰ অথবা গাঁৱত সহজ মৃত্যু উপহাৰ ।

কোনো সৰু ল'ৰা-ছোৱালীয়েই এতিয়া জলফাই-শিলিখাৰ তললৈ
যোৱা নাই । কুমাৰী ছোৱালীয়ে মাটিৰ স'তে কথা হোৱা নাই ।
গৰখীয়া ল'ৰাৰ বাঁহীত মাত নাই ।
ডোঙা ডোঙে তেজ । একাকাৰ তেজৰ ডোঙা ।
নদী-বিল ভেটা
গঞ্জাৰ মূৰত খবৰদাৰী টাঙোন । শ্ৰমিকৰ মূৰত টাঙোন ।

আইৰ পিয়াহ পোৱে । সময় জ্বলিয়েই থাকে ।
পেট ভৰে, পেট মৰে ।
তোমাৰ-আমাৰ চামৰা চেলিয়াই ধনৰ মোনা ।

এয়াই স্বদেশ
শোকাকুল নদীঘাট, ক'লা ৰাজপথ ।
তোমাৰ-আমাৰ ঘৰৰ দুখৰ দুৱাৰ ।

### উপসংহাৰ ঃ

প্ৰিয় সুধীবৃন্দ !
এই যে কথা হ'লো, কথা ক'লো—
ৰাজপথৰ কথা, আমাৰ দুখৰ কথা—

এইবোৰ দেখা নোপোৱা বহুতো ব্যক্তি আছে ।
ছাত্ৰনেতা আছে । বুদ্ধিজীৱী আছে । শিক্ষক আছে । কবি আছে ।
তোমাৰ-আমাৰ চামৰাৰে গঁঠা মোনাত
সেইসকলবো হাত ।
প্ৰতিদিনেই সেইসকল 'সভ্য' হয় ।
নতুন মডেলৰ ফ্ৰিজ, ৰঙীন টিভি, লটাৰীৰ 'প্ৰিমিয়াৰ পদ্মিনী'
লাখটকীয়া গাড়ীত সুন্দৰী পত্নীৰ সতে সিহঁতে সপোনত ডুবি
পান কৰে আমাৰ তেজ—লিটাৰে লিটাৰে ।

বুদ্ধিজীৱী নাম লৈ টেবুলত চৰকাৰী বঁটা
দেৱালত 'বিশাল ম'হৰ শিং'
বাঘৰ মূৰ
'কুকুৰৰ পৰা সাৱধান'—নঙলামুখ ।

জীৱন গঢ় দিয়া বহুতো শিক্ষকেই এতিয়া পাহৰি পেলাইছে
জীৱনৰ সংজ্ঞা ।
"কবি কাৰো গোলাম নহয়"—এই সত্যতা দলিয়াই
বহুতো বেশ্যা কবিয়ে এতিয়া মন্ত্ৰীৰ স'তে যাপন কৰিছে
অভিসাৰ নিশা ।

মোৰ প্ৰিয় সুধীবৃন্দ !
আজি ইয়াৰ পৰা তেনেবোৰ ব্যক্তিক,
তেনেবোৰ ছাত্ৰনেতাক, তেনেবোৰ বুদ্ধিজীৱীক, তেনেবোৰ শিক্ষকক,
সাংবাদিকক, যুৱকক, কবিক, সাহিত্যিকক
সুধিবৰ মন গৈছে ঃ
কাঠৰ হাত, কাঠৰ ভৰি, কাঠৰ মস্তিষ্ক লৈ
জীৱনৰ স'তে তোমালোক আছানে—আছানে তোমালোক
জীৱনৰ স'তে ?? □□□

## কবিতা

### মৌচুমী বৰা

মুমূৰ্ষু গধূলিটো তোমাৰ বাবেই জীয়াই থ'লো
স্তূপীকৃত পুৰণা খবৰৰ দৰে আজি নিষিদ্ধ অনুভূতিবোৰ আঁতৰি যাওক
চকুৰ পোহৰতে মই কথা পাতিব খোজো
দলিয়াই দিয়া কামনাৰ এন্ধাৰ পোছাক—
মোক লাগে শৰীৰৰ সঠিক উত্তাপ
তুমিও সন্তৰ্পণে জৰীপ কৰা মোৰ স্নায়ুৰ বিন্যাস

পুৰুষ আৰু নাৰী হোৱাৰ আগতে এক অনুপল আমি হৈ পৰো
আদিমতম আদম আৰু ইভ
লাজহীন – শঙ্কাহীন – নিষ্পাপ ।

কোনে জানে, হয়তো কিছুপৰৰ পিছতে মামীভূত হ'ম আমি
প্ৰেমৰ ঊৰ্দ্ধত মাত্ৰ চকু মেলি ৰ'ব
অনুপম অনবয়বী কামনা । □

## কবিতা

### দীপিকা দেৱী

এদিন তুমি মই আকো লগা লগি হ'ম
হাতৰ মুঠিত অনুভৱ কৰিম
বহুদিন বুকুত গাপ দি ৰখা সেই বিচিত্ৰ
অনুভূতি !

পুনৰুজ্জীৱিত হ'ব আমাৰ ৰ'দ ভৰা আবেলি
আৰু বৰষুণত ভিজা কোমল ৰাতি !

গুণগুণাই উঠিব – নিশ্চুপ আকাশত
আমাৰ হেৰাই পোৱা উলাহ !

এদিন তুমি মই লগালগি হ'ম
নিবিড় গোপনীয়তাত আত্মীয়তাৰে গলি যাব
অভিমানী দুচকুৰ কঠিন পথাৰ । □

## এটা প্ৰেমৰ দুঃস্বপ্ন

### মঞ্জুৰী বৰুৱা

তোমালৈ মোৰ ইমান ভালপোৱা
বাথৰুমত স্নানৰত গাভৰুৰ
উলঙ্গ দেহৰ সৌন্দৰ্যৰ দৰে

তোমালৈ মোৰ ইমান মৰম
নিজৰাৰ চুমাচুমি কৰি বৈ যোৱা ঢৌবোৰক আঁকোৱালি লোৱা
শিলনিৰ দৰে

তোমালৈ মোৰ ইমান চেনেহ
চাৰি আলিৰ চ'কটোত থিয় হৈ গাড়ী নিয়ন্ত্ৰণ কৰা পুলিচজনৰ
হাতৰ ইঙ্গিতৰ দৰে

তোমালৈ মোৰ ইমান আন্তৰিকতা
গুলি খাজিলৈ ট্ৰিগাৰত আঙুলি থোৱা
বন্দুকটোৰ দৰে । □

OKDISCD

# সাংবাদিকৰ খোচাবিন্ধা আৰু বাতৰিৰ আঁৰৰ বাতৰি

নৰকান্ত বৰদলৈ

আজি কিছুদিন ধৰি গুৱাহাটীত সাংবাদিকৰ মেলমিটিং ভালেখিনি হৈছে। সংবাদ পত্রৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপনৰ বাবেও প্রস্তুত চলিছে। শেহতীয়াভাৱে প্লে ৰেবেলনিউজ নেটৱৰ্কৰ সৌজন্যত এক গুৰুত্বপূর্ণ আলোচনা চক্র অনুষ্ঠিত হৈ যায়। এই মেলমিটিং সমূহৰ ধৰন কৰন গতি প্রকৃতিয়ে মফচলীয়া সাংবাদিক সকলৰ স্থিতিসম্পৰ্কে কিছুকথা নতুনকৈ ভাবিবলৈ এচাম মফচলীয় সাংবাদিকক বাধ্য কৰিছে।

মফচলীয়া সাংবাদিক বুলি প্রেছ আইনত কোনো সংজ্ঞা নাই। The Working Journalist and other Newspaper Employees (condition of service) and Misc Provisions Act 1955 ৰ ২ (j) ধাৰামতে কৰ্মৰত সাংবাদিকৰ সংজ্ঞা দিয়া আছে। Working Journalist ৰ সংজ্ঞা মতে Working Journalist এ যেনে ধৰণৰ কাম কাজ কৰে সেই অর্থত মফচলীয় সাংবাদিকেও একে কামকে কৰে। কাকতৰ মালিক পক্ষই এই সকলক Scribe, Correspondent, Stringer, Retainer আদি নানান আখ্যাৰে কৰ্মৰত সাংবাদিকৰ পৰা পৃথকৈ ৰাখে। সা সুবিধাৰ ক্ষেত্রত মফচলীয়া সাংবাদিকসকলে কাকত কর্তৃপক্ষৰ পৰা বিশেষ একো দাবী কৰিব নোৱাৰে। কাকত কর্তৃপক্ষই যি দিয়ে তাতে সন্তুষ্ট নেথাকিলে এনে সাংবাদিকৰ নাম কাটি দিয়ে–নাম কটি দিলেও এওঁলোকে একো কৰিব নোৱাৰে। প্রতিবাদ কৰিলেও কোনো কামত নাহে। কোনো এখন ঠাইৰ পৰা বাতৰি সৰবৰাহ কৰোতা এজনৰ নাম কাটি দিয়াৰ পিছত পিছদিনাই আনএজন আহি কাকতৰ কাৰ্যালয়ত উপস্থিত হয়হি। মফচলীয়া সাংবাদিক হবলৈ বিশেষ কোনো যোগ্যতাৰ প্রশ্ন নাই বয়সৰ কথা নাই; মাজে মাজে চৰকাৰে যে কয় কোনো চৰকাৰী কৰ্মচাৰীয়ে সাংবাদিকতা কৰিব নোৱাৰে বুলি সেই সম্পৰ্কেও কাকত কর্তৃপক্ষৰ কোনো নিজা দৃষ্টি ভঙ্গী নাই। অসমৰ সংবাদ মাধ্যমৰ সংগ্রাম আৰু উত্তৰন সম্পৰ্কে অলপতে হোৱা আলোচনা চক্রত ডঃ হীৰেণ গোহাঁয়ে যে কলে সাংবাদিকক যাতে পোহনীয়া কুকুৰৰ দৰে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে কাকতৰ মালিক পক্ষৰ এটা নীতি থকা দৰকাৰ–এতিয়া স্পষ্ট নীতিৰ অভাৱত মফচলীয় সাংবাদিকৰ ক্ষেত্রত সেইটোৱে হৈ আছে। অসম আন্দোলনৰ সময়ত দুখনমান কাকতে যি ভূমিকা গ্রহণ কৰিছিল তাৰ কাৰণে আজি বহুতো সাংবাদিক নিন্দাৰ পাত্র। বহুতো সাংবাদিকে আজি নিজেও সেই কথা উপলব্ধি কৰি অনুতাপ কৰে। কিন্তু কাকত পক্ষৰ নিজা নীতিৰ কাৰণেই সেই বিশেষ কাকত কেইখনত সংবাদসেৱী সকলে মালিক পক্ষৰ চেওত নাচিব লগা হৈছিল। তেতিয়াৰ সেই (হেমলিনৰ) বাহী বাদক সকলে তেওঁলোকৰ সঙ্গীত সৃষ্টিৰ বাবে উচিত পুৰস্কাৰ লাভ কৰিলে। আমাৰ কাকতৰ মালিক পক্ষৰ কোনো এক স্পষ্ট উমৈহতীয়া নীতি নথকাৰ কাৰণেই চৰকাৰে কাকতৰ টেটু চেপিবলৈ অকনো কুণ্ঠাবোধ নকৰে। স্পষ্ট নীতি বা কাকতৰ মালিকপক্ষৰ কৌনো ধৰণৰ সংগঠন নথকাৰ কাৰণেই তেওঁলোকৰ কাকতৰ সংবাদসেৱী সকলৰ স্বাধীনতা খৰ্ব হৈছে। কাকত উদ্যোগৰ কাৰণে কাম কৰি যেতিয়া সাংবাদিক অপদস্ত বা নিগৃহীত হয় তেতিয়া মালিক পক্ষই প্রতিবাদ কৰাৰ উদাহৰণ নাই। তেতিয়া সগোত্রৰ সংবাদসেৱীয়েহে চিঞৰ বাখৰ কৰিব লাগে।

সংবাদপত্রৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন কৰিবৰ বাবে কেন্দ্রীয়ভাবে যিখন সমিতি গঠন কৰা হৈছে ইয়াৰ গঠন প্রকৃতি দেখি অনুমান কৰিব পৰা যায় মফচলীয় সাংবাদিকৰ মৰ্যদা বুলি কিবা ৰয়নে নৰয়গৈ সি সন্দেহৰ বিষয়। মায়াৰাম তামুলী এগৰাকী আজীৱন সংবাদসেৱী। সাংবাদিকতাকে তেওঁ জীৱিকাৰূপে লৈ এতিয়া উত্তৰ পূব মফচলীয় সাংবাদিক সংস্থাৰ সভাপতি। পিছে ডেৰশ বছৰীয়া জয়ন্তী উদযাপন সমিতিৰ উপদেষ্টা মণ্ডলীৰ তালিকাত তেওঁৰ নামটো এখন দৈনিক কাকতত মাত্র দেখা পোৱা গ'ল বাকী এখনো কাকতত তেওঁৰ নাম নাই। সেই মফচলীয় সাংবাদিক গৰাকী উপদেষ্টা হয়নে নহয় সভাত উপস্থিত নথকা সংবাদিকে আজিও জানিব নোৱাৰিলে। শুনিবলৈ পোৱামতে সাংবাদিক গৰাকীয়ে সভাকক্ষৰ পৰা আগতীয়াকৈ বিদায় লব লগা পৰিবেশো সৃষ্টি হৈছিলগৈ। উদযাপন সমিতিয়ে গ্রহণ কৰা আচঁনিত মফচলীয়া সাংবাদিকৰ স্থিতি কেনে হ'ব সেই সম্পৰ্কেও কোনো আভাষ পাব পৰা নগ'ল।

ইয়াৰ সমান্তৰাল ভাৱে অসম সাংবাদিক সংস্থাৰ (মফচলীয়) সভাপতি সুৰেশ চন্দ্র বৰঠাকুৰ আৰু প্রবীন সাংবাদিক বদন বৰুৱাৰ মাজতে যিখন কাগজৰ যুজ চলিছে (সূত্রধাৰৰ পাতত) সি কিন্তু মুঠেই আদৰণীয় নহয়। দুয়োগৰাকী সাংবাদিক প্রবীন, দুয়োগৰাকী আমাৰ নমস্য তথা আমাৰ বহুতৰে পথ প্রদর্শক। মফচলীয় সাংবাদিকসকল আজি কালি যি সমস্যাত পৰি আত্মনিয়ন্ত্রনৰ অভাৱ অনুভৱ কৰে বৰঠাকুৰ আৰু বৰুৱাৰ দৰে লোকে একে উদ্দেশ্যৰে কাম কৰিলেহে মফচলীয় সকলৰ কিবা কিবি হ'লগৈহেঁতেন। কিন্তু তাকে নকৰি বদন বৰুৱা এজন নিৰ্ভীক সংবাদসেৱী; আমি দীর্ঘদিন ধৰি দেখি আহিছো বৰুৱাদেৱে নিজৰ নামতে বাতৰি পৰিবেশন কৰি থাকে, তেনেকৈ বাতৰি পৰিবেশন কৰা কাৰ্যক বৰঠাকুৰে বৰুৱাৰ প্রচাৰধৰ্মীতা বুলিলেও ই সম্পূর্ণ সত্য নহয়। কীৰ্ত্তিনাথ হাজৰিকাৰ পিছত দৈনিক অসমৰ পৰা বদন বৰুৱাৰ নাম কিয় কটা গ'ল তাৰ ব্যাখ্যা বৰঠাকুৰে নিবিচৰাই ভাল। কৰণ কাকত এখনৰ পৰা সংবাদ সেৱী এগৰাকীৰ নাম কিয় কটা যায় সেইকথা বৰঠাকুৰে নিশ্চয় জানে। মৰিগাৱঁৰ সকলোতকৈ প্রবীন সংবাদসেৱী পুষ্পনাথ শৰ্মাৰ নামটো দৈনিক জনমভূমি কাকতে কোনো কাৰণ নোহোৱাকৈ কটা আৰু আন এগৰাকীক (শৰ্মাৰে ছাত্র) নিযুক্তি দিয়াৰ বিষয়ে আমি নিজে বৰঠাকুৰক কৈছিলো আৰু বিহিত ব্যৱস্থাৰ বাবে সভাপতিৰূপে বৰঠাকুৰক অনুৰোধ জনাইছিলো। পিচে কিবা হ'ল জানো। কিবা যে নহয় সেই কথা আমিও জানো বৰঠাকুৰেও জানে।

১–১৫ জুলাই সূত্রধাৰত বদন বৰুৱাই লেখা দুই এটা কথা চালি জাৰি চাব খোজা হৈছে। বিভিন্ন ঠাইত ৰঘূমলাৰ দৰে গঢ়ি উঠা মফচলীয়া সাংবাদিকৰ অনুষ্ঠানবোৰে সাংবাদিকৰ সা-সুবিধাৰ কৰণে একো নেমাতে বুলি কোৱাৰ আগতে বৰুৱা বৰঠাকুৰহঁতৰ কাজিয়াখন ভাঙি লব লাগিব। অলপতে যোৰহাটৰ এগৰাকী সাংবাদিকে আন এগৰাকী সাংবাদিকৰ ফটোখনতে কলা চশমা আৰু ডাঢ়ি আকি প্রকাশ কৰাৰ যি খোচাবিন্ধা কাহিনী প্রকাশ হৈছে; একেটা ঘটনাৰ দুটা বিন্দুত থিয়হৈ জাগীৰোডৰ এজন সাংবাদিকে আন তিনিজনৰ বিৰুদ্ধে শস্তিৰ দাবী জনোৱাৰ বৃতান্ত লেখিছে ইয়াৰ পিছত সাংবাদিকৰ সা-সুবিধা বাবে মাত মাতিয়েই জানো কিবা লাভ হ'ব। জাগীৰোডৰে উল্লিখিত কাহিনী সম্পৰ্কত আজিৰ অসমৰ নিজা প্রতিবেদকৰ বাতৰি খণ্ডন কৰি কাকতৰ অফিছলৈ এখন চিঠি গ'ল। চিঠিখনত নিজা প্রতিবেদকৰ এনে এটা অভিযোগ তোলা হ'ল যে "পৰীক্ষাত নকল কৰি বহিষ্কৃত হোৱা প্রতিবেদকজন কেনেকৈ কলেজখনলৈ যায় ঘটনাটোৰ বিষয়ে বুজ লবলৈ।" নিজৰ প্রতিবেদকজনৰ বিৰুদ্ধে এনে এক মানহাণিকৰ বক্তব্য আজিৰ অসমে প্রকাশ কৰি দিলে। আজিৰ অসমে কি যুক্তি দিব সেয়া সকলোৱে জানে–"সম্পাদকলৈ লেখা চিঠিৰ দায়দায়িত্ব পত্রলেখকৰ"–ইয়াৰ পিছত মন্তব্য নিষ্প্রয়োজন। গতিকে বৰুৱাদেৱে নিশ্চয় মানিলব লাগিব যে এইসকল সংবাদসেৱীয়ে নিচাগ্রস্থ হৈ কাকতৰ কামত লাগি আছে নানান ধৰণৰ অপমান সহ্য কৰি হঁলেও। স্কুল কলেজৰ বহুতো এম, এ এম,এচচি পাচ শিক্ষকে এই নিচাৰ কাৰণে এই বৃত্তি গ্রহণ কৰি বয়সত সৰু শিক্ষাদীক্ষাত কথা কয়–নহলে নাম কাটি- দিয়াৰ ভয়। বদন বৰুৱাৰ অভিযোগত ভিত্তি আছে যদিও এই কথা ঠিকযে বিষয়ববীয়া ৯০% ৰে মুল বৃত্তি সাংবাদিকতা নহয়। কাকত পক্ষই আকৌ এনেকৈ নিজৰ ধনেৰে ভ্রমন কৰি বাতৰি সংগ্রহ কৰিব পৰা প্রেৰণ কৰিব পৰা লোককহে মফচলত নিযুক্তি দিয়ে। তদুপৰি কোনো ধৰণৰ প্রেছ আইনত মফচলীয়া সকলৰ বাবে বিশেষ একো ধাৰ্য কৰি দিয়া নাই যেতিয়া এনেয়ে চিঞঁৰ বাখৰ কৰিনো লাভ কি, কাকত পক্ষৰ সদিচ্ছা থকাহলে নিজাববীয়াকৈ মফচলীয়া সকলৰ বাবে কিবা নীতি নির্দ্ধাৰণ কৰি লব পাৰিলেহেঁতেন, এটা কথা ঠিকে যে যদি চৰকাৰেই এনে এটা নীতি মানি লয় যে বিকল্প বৃত্তি নথকা সংবাদসেৱীক বাচাৱট আয়োগৰ নিৰিখত দাদৰ্মহা সা-সুবিধা কাকত কর্তৃপক্ষই দিবলৈ বাধ্য তেতিয়া অন্য বৃত্তিত থাকি সাংবাদিকতা কৰা সকেল কেতিয়াও প্রতিবাদ নকৰে। সকলো প্রকাৰ শ্রমৰ যদি মৰ্যদা থাকে তাৰ মূল্যও নিশ্চয় থাকিব লাগিব। এই মফচলীয় সকলে নিজে কাম কৰা কাকতখনক আপোন বুলিলৈ জেপৰধনেৰে ভ্রমন কৰে, শ্রম কৰে; কিন্তু আমাৰ ৰাজ্যত এইবিধেই একমাত্র শ্রম যাৰ মুল্য দিয়া নহয় আৰু আমাৰ ৰাজ্যত লেখামেলা কৰাটোৱেই একমাত্র নিচা যাক আত্মবিনোদনৰ ক্ষেত্রত এক নম্বৰত স্থান দিব পৰা যায়। লেখা মেলাৰ লগত প্রায় বিশবছৰ আৰু নিয়োজিত সাংবাদিকতাৰ লগত ১২/১৩ বছৰ জড়িত থাকিও আমি সাংবাদিকৰ লেখকৰ মেল মিটিং সম্পৰ্কত কোনো ধৰণৰ উৎসাহবোধ নকৰো। গুৱাহাটীৰ বাহিৰে অন্য ঠাইত বসবাসকৰি এইবোৰ চৰ্চা কৰটো এটা বিলাসমাত্র। আজি কালি দুই এক কাকতৰ মালিকে Retainershipৰ নামত মফচলীয় সকলক মাহে ৫০ টকা বা এশ টকা দিবলৈ লৈছে। কিন্তু এইখিনি ধনৰ ওপৰত আশা কৰি সাংবাদিকতা কৰা লোক কেইজন ওলাব।

মফচলীয় সাংবাদিক সংস্থা গঠনৰ নামত ডুলিয়াজান অধিবেশনত হাজাৰজন সাংবাদিক গোটখালে। অধিবেশনত কোন উপস্থিত আছিল, কোনে বিষয়া বাব পালে সেইটো কোনো কথাৰ কথা নহয়। কিন্তু যিটো সংগঠনত হাজাৰ জনতকৈও অধিক সদস্য আছে তেওঁলোকে সাংগঠনিক ভাৱে কিবা এটা কৰিব নোৱাৰাৰ কাৰণ নাই। পিছে এই সংগঠনটোৱে জানো কিবা এটা কৰিব পাৰিছে। কোনো বৃত্তিত নিয়োজিত লোকে অন্যত্র পূর্নকালীন ভাৱে কাম কৰিব নোৱাৰে যদিও অংশকালীন ভাৱে নির্দিষ্ট মাননিলৈ কাম কৰিব পাৰে। অন্ততঃ সাংবাদিক সংস্থাই এই ক্ষেত্রত এটা আন্দোলনতো কৰিব পাৰে যে মফচলীয় কাকত কর্তৃপক্ষই দৰ্মহা নিদিলেও মাহিলি কমেও ৫০০ টকাৰ পৰা ১০০০ টকা পৰ্যন্ত মাননি দিব পাৰে। আজিকালি বজাৰ মুল্যত Retainership ৰ এশটকাক কি টকা বুলিব পাৰি ?

এয়া সম্ভৱ হব যদি বদন বৰুৱা সুৰেশ বৰঠাকুৰৰ মতপাৰ্থক্য দূৰ হয়; যদি যোৰহাট, জাগীৰোডৰ সাংবাদিকসকলৰ মাজত বিৰাজ কৰা নিকৃষ্ট স্তৰৰ খোচৰা ব্যাধি দূৰ হয়, প্রাধান্য বিস্তাৰৰ চেষ্টা কৰাতকৈ বৰুৱা আৰু বৰঠাকুৰে অনুভৱ কৰাৰ দৰে যদি সকলোখিনি সংবাদসেৱী মাৰ বান্ধি থিয় হয় তেনেহলে কিবা এটা আশা পোষণ কৰিব পৰা যায়। নহলে ডঃ হীৰেণ গোহাঁইদেৱে কোৱাৰ দৰে এই সকললোক মালিক পক্ষৰ পোহনীয়া কুকুৰ স্বৰূপ হৈ থাকিব। সূ



পূৰবী প্রকাশনৰ পৰা

অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক

জনক্রান্তি

প্রতি দেওবাৰে

সকলো ধৰণৰ প্রবন্ধ-পাতি পঠোৱাৰ ঠিকনা
সম্পাদক,
জনক্রান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)

# একাপ গৰম চাহৰ সোৱাদ

চন্দ্ৰ শেখৰ শৰ্মা

পুৱা বিছনাৰ পৰা উঠি মুখ হাত ধোৱাৰ পাছত একাপ গৰম চাহ যেতিয়া আপোনাৰ আগত উপস্থিত হ'বহি আপুনি বাৰু চাহকাপ নোখোৱাকৈ থাকিব পাৰিবনে ? কেতিয়াও নোৱাৰে ; আৰু পাৰিলেও অতি কম সংখ্যকেহে এনে একাপ চাহৰ সোৱাদৰ পৰা আঁতৰি থাকিব পাৰে । আনকি এসময়ৰ যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি থিওদৰ ৰুজভেল্টেও সদায় চাহকহে কফি বা ব্ৰেণ্ডিতকৈ আগস্থান দিছিল । কিন্তু আপুনি বাৰু কেতিয়াবা ভাবেনে চাহপাতৰ কি ৰাসায়নিক গুণৰ কাৰণেনো ই শ শ বছৰ ধৰি পৃথিৱীৰ কোটি কোটি মানুহক আনন্দ দি আহিছে । মৃদু উত্তেজনাৰে গা মন জুৰাই নিয়া চাহৰ এই অপূৰ্ব গুণৰ গঠন মানুহৰ কাৰণে এতিয়া আৰু অজ্ঞাত হৈ থকা নাই ।

প্ৰায় ১৮২৫-২৬ চন মানৰ পৰা চাহপাতৰ ৰাসায়নিক গঠনৰ ওপৰত পৰীক্ষা নিৰীক্ষা আৰম্ভ হয় আৰু ১৮২৭ চনত চাহপাতত টেনিন জাতীয় পদাৰ্থ থকাৰ প্ৰমাণ পোৱা হয় । ১৮৩০ চনত কেঁচা চাহপাত আৰু ক'লাচাহপাত (Black Tea) তৈয়াৰ কৰোতে হোৱা ৰাসায়নিক পৰিৱৰ্তনৰ যথেষ্ট সম্ভেদ পোহৰলৈ আহে আৰু ১৮৮০ চনত চাহপাতৰ ৰাসায়নিক গুণৰ বিষয়ে প্ৰায় সকলো কথা জানিব পৰা হয় । চাহপাতৰ ৰাসায়নিক গঠনৰ ওপৰতে চাহৰ মূল্য নিৰ্ভৰ কৰে । কোষৰ ভিতৰত থকা ৰাসায়নিক পদাৰ্থ পলিফেনলবোৰে চাহৰ মানদণ্ড, যেনে বৰণ (Colour) , শক্তি (Strength), সতেজতা (briskness) আদিৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে । কেইবা দশক আগৰে পৰা পৃথিৱীত ক'লা চাহ (Black Tea)ৰ প্ৰতি অতি উচ্চ সমাদৰ দি অহা হৈছে । ক'লা চাহৰ কি গুণৰ কাৰণে ইয়াৰ প্ৰতি মানুহৰ ইমান সমাদৰ ? ই এ, এইচ্ ৰবাৰ্ট (E.A.H. Roberts) নামৰ বিজ্ঞানী গৰাকীয়ে ১৯৪০-৫০ চনত প্ৰথমবাৰৰ কাৰণে ক'লা চাহপাতৰ বিশেষ গুণটো আৱিষ্কাৰ কৰে । ৰবাৰ্ট তেতিয়া ভাৰতীয় চাহ সংস্থাৰ (Indian Tea Association) লণ্ডনৰ বাট্‌লাৰ ওৱাৰ্ফ (Butler Wharf)ত থকা কাৰ্যালয়ত গৱেষণা কৰি আছিল । তেওঁ প্ৰমাণ কৰি দেখুৱায় যে ক'লা চাহত দুবিধ বিশেষ ৰাসায়নিক পদাৰ্থ থকাৰ কাৰণে ইয়াৰ উত্তেজনা আৰু সতেজতা অনা গুণটো অন্য চাহতকৈ বেছি । ৰবাৰ্টে আৱিষ্কাৰ কৰি উলিওৱা এই দুবিধ ৰাসায়নিক পদাৰ্থ হ'ল থিয়ফ্লেভিনচ্ (Theaflavins) আৰু থিয়ৰুবিজিনচ্ (Thearubigins) দুয়োবিধে ফেনলিক জাতীয় পদাৰ্থ । ৰবাৰ্টৰ মতে চাহ ফেক্টৰিত তৈয়াৰ কৰোতে কিন্বন (Fermentation)ত সহায় কৰা এনজাইম (Enzyme) বোৰে এই ফেনলিক পদাৰ্থ কেটেছিনক (Catechines) জাৰিত কৰি (Oxidise) থিয়ফ্লেভিন আৰু থিয়ৰুবিজিনচ্ উৎপন্ন কৰে ।

থিয়ফ্লেভিন পদাৰ্থবোৰ চাৰি প্ৰকাৰৰ । প্ৰাকৃতিক ৰাসায়নিক পৰিৱৰ্তনত গঠন হোৱা এই পদাৰ্থবিলাক ৭টা কাৰ্বন থকা একোটা চাইক্লিক (Cyclick) জৈৱ যৌগ । এক বিশেষ পদ্ধতিৰ সহায়ত ইলেকট্ৰন বোৰ এই কাৰ্বন মৌলবোৰৰ চাৰিওফালে সিচঁৰতি হৈ থাকে আৰু তাৰ ফালতে থিয়ফ্লেভিনে দ্ৰৱনীয় অৱস্থাত উজ্জ্বল ৰঙা বৰণ দেখুৱায় । সেইকাৰণে এই চাহক বহুতে স্ফূৰ্ত্তিযুক্ত কাৰক (briskness), সতেজতা (Freshness) অনাৰ বাহক বুলি আখ্যা দিয়ে । সকলোবোৰ ক'লা চাহতে এই গুণ বিলাক থাকে । অসম আৰু কেনিয়াৰ চাহপাতত এই গুণটো বিশেষ ভাবে পোৱা যায় ।

১৯৬৫ চনত এমেৰিকাৰ থমাছ জে, লিপ্‌টন (Thomas J. Lipton) কোম্পানীত কাম কৰা বিজ্ঞানী গেৰি চেণ্ডাৰছনে (Gary Sanderson) থিয়ফ্লেভিনত থকা অইন এবিধ হল দিগালেট (Digallate) আৰু ইয়াৰ সতেজতা অনাৰ ক্ষমতা মূল থিয়ফ্লেভিনতকৈ ৬ গুণ বেছি । আনবিধ ৰাসায়নিক যৌগ থিয়ৰুবিজিনচ্‌ৰ ৰাসায়নিক গঠন কিন্তু এতিয়াও ৰহস্য হৈয়ে আছে । ৰবাৰ্টৰ মতে থিয়ফ্লেভিনৰ নিচিনাকৈ এই বিধ পদাৰ্থও কেটেছিনৰ কিন্বনৰ সময়ত উৎপন্ন হয় ।



চাহত যে অকল ফেনলিক পদাৰ্থ কেটেছিন আৰু ইয়াৰ উপজাত যৌগ থিয়ফ্লেভিন আৰু থিয়ৰুবিজিনচ্ আছে এনে নহয় ; চাহত অন্যান্য পদাৰ্থৰ লগতে পেক্‌টিন , প্ৰোটিন, কেফিন, বিভিন্ন এমিনো এছিদ, চেনি (Sugar) আদি বিভিন্ন জৈৱ পদাৰ্থ থাকে (তালিকা-১ দ্ৰষ্টব্য) চাহপাতৰ প্ৰৰোহৰ (Shoot) বেলেগ বেলেগ অংশত থকা ফেনলিক পদাৰ্থ বিলাকৰ পৰিমাণ বেলেগ বেলেগ আৰু সেয়ে চাহগছৰ বেলেগ বেলেগ অংশৰ পৰা তৈয়াৰ কৰা চাহৰ মানদণ্ডও বেলেগ বেলেগ ।

**তালিকা- ১ ঃ চাহপাতৰ ৰাসায়নিক গঠন**

| | শুকানপাত (%) | পানীত দ্ৰৱণীয় (%) |
|---|---|---|
| হেমিছেলুলজ | ২৮.০ | ০.০ |
| পেক্‌টিন | ৬.৫ | ২.৩ |
| প্ৰোটিন | ১৭.০ | ০.০ |
| পেলিফেনল (কেটেছিন) | ২২.০ | ২২.০ |
| কেফিন | ৪.০ | ৪.০ |
| এমিনো এছিদ | ৭.০ | ৭.০ |
| চেনী | ৩.০ | ৩.০ |
| জৈৱিক এছিড | ৩.০ | ৩.০ |
| চৰ্বী | ৪.০ | ০.০ |
| ষ্টাৰ্চ | ০.৫ | ০.০ |
| ছাই | ৫.০ | ৪.০ |
| | ১০০.০ | ৪৫.৩ |

ইমান বিলাক ৰাসায়নিক যৌগৰে সমৃদ্ধ চাহপাত কিন্তু এতিয়াও ৰসায়নবিদ সকলৰ কাৰণে প্ৰত্যাহ্বান স্বৰূপ হৈ আছে । এওঁলোকৰ ভাব ইমান বিলাক জটিল জৈৱ যৌগ আছে যেতিয়া আকৌ অইন কবা যৌগ আছেই কিজানিবা !

সকলো চাহৰে গোন্ধ আছে । অৱশ্যে কিছুমান চাহৰ ঋতু ভেদে গোন্ধও বেলেগ বেলেগ হয় । এইবিলাক চাহ উৎকৃষ্ট শ্ৰেণীৰ বুলি ধৰা হয় । চাহৰ এই বিশেষ গোন্ধ চাহপাতত থকা সুগন্ধি তেল ফেনাইল, ইথাইল এলকহল, ছিট্ৰনেলল আৰু হেক্সানলে এই সুগন্ধ সৃষ্টি কৰাত মুখ্য অংশ গ্ৰহণ কৰে । চাহপাতত থকা কেফিনৰ পানীয় গুণৰ কাৰণে সৰ্বসাধৰণ লোকৰ মাজত চাহৰ প্ৰচলন ইমান প্ৰাচীন আৰু তাৎপৰ্যপৰ্যণ । কেফিনে শৰীৰৰ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰত ক্ৰিয়া কৰে আৰু ইয়াৰ বাবে ভাগৰ বা অৱসাদ দূৰ হয় । ইমানসিক কৰ্ম ক্ষমতাও বৃদ্ধি কৰে । চাহত ভিটামিন পি থকাৰ প্ৰমাণ ছোভিয়েট বিজ্ঞানীসকলে পাইছে । এই ভিটামিন পি থকাৰ প্ৰমাণ ছোভিয়েট বিজ্ঞানীসকলে পাইছে । এই ভিটামিন পিয়ে মানুহৰ শৰীৰৰ অতি মিহি মিহি সিৰা উপসিৰাবোৰত তেজ চলাচলত সহায় কৰে ।

জাপান দেশত সেউজীা চাহ (Green Tea)ৰ প্ৰচলন অলপ বেছি । এই বিধ চাহ বিশেষ পদ্ধতিৰ সহায়ত প্ৰস্তুত কৰা হয় । চাহত থকা এনজাইম এইবিধ চাহৰ ক্ষেত্ৰত গছৰ পৰা পাত ছিঙি অনাৰ পাছতে তপতোৱাৰ সময়ত নষ্ট হয় আৰু সেইকাৰণে তপতোৱাৰ পাছত শুকান অৱস্থাত এইবিলাক চাহ মোহাৰিলেও ৰঙা নহয়, সেউজীয়া হৈয়ে থাকে । ক'লা চাহত (black Tea) থকাৰ নিচিনাকৈ এইবিধ চাহত পিছে থিয়ফ্লেভিন আৰু থিয়ৰুবিজিনচ্ নাথাকে ।

অইন এবিধ চাহে বৰ্তমান পশ্চিমৰ দেশৰ বজাৰত এক বিশেষ সমাদৰ লাভ কৰিছে । এইবিধ চাহ হ'ল ইনষ্টেণ্ট (Instant Tea) এক মাইলৰ খুটাৰ স্বৰূপ । এই চাহপাত পানীত নতপতোৱাকৈ যাতে কফিৰ দৰে উতলা পানীত দি লগে লগে খাব পাৰি তাৰ বাবে এই চাহ নতুন কাৰিকৰী পদ্ধতিৰ সহায়ত প্ৰস্তুত কৰা হয় । এই চাহৰ বৰণ মুগা ক'লা বৰণৰ । এই চাহ গৰম, ঠাণ্ডা বা tea colaৰ দৰেও খাব পাৰি ।

একাপ চাহৰ পৰা (চেনী আৰু গাখীৰ নোহোৱাকৈ কৰা লাল চাহ) আমি প্ৰায় ৪ কেলৰি শক্তি পাওঁ । এচামুচ গাখীৰ দিলে তাত আৰু ১০ কেলৰি শক্তি যোগ হয় । তাৰ লগত চেনী এচামুচ দিলে আৰু ২৫ কেলৰি যোগ হয় । মুঠতে সাধাৰণ চাহ একাপ খালে আমি প্ৰায় ৪০ কেলৰি শক্তি পাওঁ ।

আকৌ দিনে ছকাপমান চাহ খোৱা এজন প্ৰাপ্ত বয়স্ক লোকে তেওঁক লগা ভিটামিনৰ দহ ভাগৰ এভাগ চাহখিনিৰ পৰাই পাই ।

সাধাৰণচাহ একাপত একৰতি পৰিমাণৰ (one grain) কেফিন থাকে । আৰু টেনিনৰ নিৰিখমতে পৰিমাণ ইয়াৰ দুগুণ । চিকিৎসাবিজ্ঞানৰ নিৰিখমতে একাপ চাহত একৰ পৰা পাচ ৰতিমান কেফিন থাকিলে ইয়ে কোনো অপকাৰ নকৰে । আকৌ টেনিনৰ পৰিমাণ এইক্ষেত্ৰ পাচৰ পৰা দহৰাতি ।

চাহৰ অৱশিষ্ট অংশৰ পৰা কেফিন সংতাপন কৰি (Isolate) তাৰ পৰা বিভিন্ন ঔষধ প্ৰস্তুত কৰাটো আজিকালি এক ডাঙৰ লাভজনক ব্যৱসায় হৈ পৰিছে । বিশেষকৈ হৃদ্‌ৰোগ আৰু ৰক্তচাপত ভোগা ৰোগীৰ কাৰণে কেফিনৰ পৰা প্ৰস্তুত কৰা এই ঔষধ এক ডাঙৰ বনৌষধি ।

চাহত গাখীৰ মিহলোৱাৰ পাছত চাহৰ পৰা পোৱা উত্তেজনাটো (Stimulation) কিছু পৰিমানে কমি যায় । গাখীৰ যোগ কৰাৰ পাছত গাখীৰত থকা কেচিয়িনে (cascin) (এবিধ গাখীৰত থকা প্ৰটিন) চাহত থকা টেনিনক স্থিৰ কৰি পেলায় । চেনী দিয়াৰ পাছত চেনীয়ে টেনিনক মিঠা কৰি পেলায় ।

এজন লোকে চাহৰ খোৱাৰ লগে লগে ই প্ৰথমে পাকস্থলিত প্ৰৱেশ কৰে আৰু ইয়াত চাহত থকা চেনী খিনি শোষণ (absorb) হয় আৰু তাৰ পাছত কেফিনৰ এক্ৰিয়া আৰম্ভ হয় । যদিও আমি চাহ খোৱাৰ লগে লগে চাহৰ পৰা অন্য এক মাদকতা অনুভৱ কৰো, তথাপি চাহৰ পৰা পোৱা উত্তেজনাটো চাহ খোৱাৰ আধাঘণ্টামান পাছতহে ভালকৈ অনুভৱ কৰিব পৰা হয় ।

ইমানখিনি গুণেৰে সমৃদ্ধ একাপ চাহে শ শ বছৰ ধৰি মানুহক কিয় ইমান আকৰ্ষণ কৰি আহিডেছ আপুনি এতিয়া নভাবাকৈ থাকিব পাৰিবনে ? পুৱাৰ সেই এতেজতাৰ প্ৰতিক চাহকাপ দেখিলে আপুনি এতিয়াও মুখখন ঘুৰাই দিবনে ??

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# এক মুহূৰ্তৰ আলোচনা

যোৱা ১৯৭০ চনৰ পৰা আজি পৰ্যন্ত আমাৰ সাহিত্যত যিবোৰ গল্প, উপন্যাস বা কবিতা লেখা হ'ল (একে কাম মই নিজেও কৰিছো), সেইবোৰৰ কিবা স্থায়ী মূল্যবোধ আছে নে নাই এই কথাটো প্ৰায়ে মোৰ চিন্তা হয়। মাজে মাজে এনেকুৱা লাগে যেন আমি লেখক সকলে সাহিত্য লিখিবলৈ গৈ ৰাজনৈতিক শ্লোগানহে লিখিলো। অৱশ্যে মই নাজানো, সাহিত্যৰ মাজেৰে ৰাজনৈতিক শ্লোগান লিখাটো উচিত নে অনুচিত? অৱশ্যে আমাৰ দৰে তৰুণ আৰু নবীন লেখকৰ দুৰ্ভাগ্য এইটোৱেই যে আমাক বাট দেখুৱাই দিবৰ বাবে কোনো এক কৃতী সমালোচকো নাই। আমি যুগসন্ধিত জন্মিছিলো আৰু লিখিবলৈ আৰম্ভ কৰিলো যুগসন্ধিত। পঞ্চাশৰ দশকত এটা গল্প লৈ দুবছৰ ধৰি বিভিন্ন নিষ্ঠাবান কৃতী ক্ষুৰধাৰ সমালোচকৰ কলম বন্ধ নৈহেছিল। কিন্তু আমাৰ সময়ত তেনে দূৰদৰ্শী সমালোচক নোলাল বাবেই হয়তো আমাৰ এনে হ'ল। যিয়েই নহওক, আমি সমস্যাৰ বলি হলো বুলিয়েই ভাবিছো। যিয়েই নহওক, প্ৰসঙ্গটো হৈছে অসমীয়া সাহিত্যত যোৱা কুৰি বছৰে লিখা সাহিত্যৰ স্থায়ী মূল্যাবোধ সম্পৰ্কতহে। এই কথাটো মই সিদিনাখন, অসম প্ৰকাশন পৰিষদৰ সচিব শ্ৰীযুত কুমুদ গোস্বামীক কথা প্ৰসংগত সুধিছিলো (কুমুদ গোস্বামী সত্তৰৰ দশকৰ এজন প্ৰতিষ্ঠিত লেখক। তেখেতৰ দুৱাৰ (১৯৭২) প্ৰকাশ হোৱাৰ পাছত সেই একে নামৰ গল্পটোৱে সেইসময়ত বৰ জনপ্ৰিয়তা অৰ্জন কৰিছিল। তদুপৰি ঘনচিৰিকাৰ বাহ (গল্পসংকলন ১৯৭৬), পান্থশালা (উপন্যাসিকা, ১৯৭৪), প্ৰাৰ্থনা (গল্পসংকলন, ১৯৮০), উল্কাৰ পোহৰ (উপন্যাস, ১৯৮০), ৰাতিৰ চৰাই (গল্পসংকলন, ১৯৯১) আদি উল্লেখযোগ্য সৃষ্টি)

গোস্বামীয়ে এই প্ৰসংগত ,মোক ইংৰাজ কবি মিল্টনৰ কথা সোঁৱৰাই দি ক'লে যে কিছুদিন ধৰি তেওঁ মিল্টনৰ জীৱন আৰু কৰ্ম অধ্যয়ন কৰিছিল। সেই অধ্যয়নৰ পৰা আহৰণ কৰা জ্ঞানৰ ভিতৰত উল্লেখযোগ্য দিশটো হ'ল – "সাম্প্ৰতিকতাবাদ"। সাম্প্ৰতিকতাক নিজৰ জ্ঞান আৰু প্ৰতিভাৰে বিশ্বজনীন আৰু চিৰন্তন ৰূপ দান কৰিছে কবি মিল্টনে। ডেকা বয়সত তেওঁ ইংলণ্ডৰ সাম্প্ৰতিক সামাজিক সমস্যা সমূহৰ বিষয়ে মন্তব্য কৰিছিল; নিয়ম-নীতিৰ দোষ-ক্ৰুটিৰ সমালোচনা কৰিছিল। পৰোক্ষভাবে, পৰবৰ্তী জীৱনত কাব্য ৰচনা কৰোতে তেওঁ তাকেই কৰিছে। মাত্ৰ পাৰ্থক্য হৈছে সমস্যাবোৰ সাম্প্ৰতিক হলেও কিন্তু তাৰ মূল্য আৰু আবেদনক তেওঁ এক চিৰন্তন ৰূপ দান কৰিছিল।

গোস্বামীৰ কথাৰ পৰা এইটোৱেই পৰিষ্কাৰ হৈ ওলাই পৰিছে যে – আকৌ এবাৰ মিল্টনৰ অধ্যয়ন আমাৰ কাৰণে বোধহয় ফলপ্ৰসূ হ'ব।

এই প্ৰসংগতে যোৱা কিছুদিন ধৰি তলত লিখা কেইটামান প্ৰশ্নই মোক জুমুৰি দি ধৰিছে–

(১) আমি বাৰু কোনো ৰাজনৈতিক পাৰ্টিৰ উত্থানৰ উদ্দেশ্য লৈ সাহিত্য ৰচনা কৰিছিলো নেকি? যদি কৰিছিলো, সেই বিশেষ উদ্দেশ্য প্ৰণোদিত সাহিত্যই আজিৰ যুগসন্ধিত আকৌ শ্লোগান যেন হৈ ধৰা দিছে নেকি?

(২) বা, কোনো পাৰ্টিৰ কৰ্মীয়ে আমাক সেই মতাদৰ্শৰ প্ৰতি উত্তেজিত কৰি ৰাখিছিল নেকি? আৰু সেই বিশেষ কাৰণতেই আমি সাহিত্যৰ নামত আৱেগময়ী বক্তৃতা লিখিছিলো?

(৩) নে কোনো পাৰ্টিৰ কৰ্মীয়ে আমাক প্ৰভাৱান্বিত কৰি ৰাখিছিল?

(৪) এনে ধৰণৰ দুঃচিন্তা মোৰ মনলৈ পুনৰ আহিল কিয়?

বাতৰি কাকত, আলোচনী, টেলিভিজিয়ন ইত্যাদিত প্ৰায়ে যোৱা কুৰিটা বছৰৰ অসমীয়া সাহিত্যৰ খতিয়ান আলোচনা কৰি সমালোচক সকলে এনেকুৱা এটা নিৰাশাজনক সিদ্ধান্তত উপনীত হয় যে সেইবোৰ শুনি বা পঢ়ি উঠি অহা চাম হতাশ হ'বলগীয়া হয়। অৱশ্যে ইয়াৰ প্ৰকৃত বিচাৰ এদিন সময়ে কৰিব। কিন্তু ইয়াৰ লগত জড়িত মোৰ প্ৰশ্নটো হৈছে যে বিগত কুৰি বছৰে বাৰু একো নহ'ল কিন্তু ভৱিষ্যতেও তাৰ মানে অসমীয়া সাহিত্যত প্ৰকৃত আধুনিক সাহিত্য সৃষ্টি নহ'ব নেকি? এইবিষয়ে গোস্বামীক প্ৰশ্ন কৰাত তেখেতে এক আশাব্যঞ্জক উত্তৰ দিছিল। গোস্বামীৰ ধাৰণাটো এনেকুৱা ধৰণৰ–

"অসমত অসমীয়া মানুহে বিদেশীৰ অত্যাচাৰৰ সমুখীন হ'ল, নিজৰ মানুহৰ সৈতেও সংঘৰ্ষত লিপ্ত হ'ল – প্ৰকৃতাৰ্থত অসমীয়া মানুহৰ দ্বন্দ্ব-সংঘাত সম্পূৰ্ণ নহলেও বৰ্তমান চূড়ান্ত ৰূপ পালে। গতিকে এতিয়াহে অসমত আচল সৃষ্টিৰ পথ মুকলি হ'ল। আগৰ পৰম্পৰা চিগি এতিয়াহে অসমত নতুন সৃষ্টিশীল সাহিত্যৰ জন্ম হ'ব। আৰু এই সাহিত্যইহে প্ৰকৃত আধুনিক অসমীয়া সাহিত্য হ'ব।"

হয়তো গোস্বামীৰ কথাই সঁচা, বৰ্তমানৰ যি অস্থিৰ ৰাজনৈতিক অৱস্থা, তালৈ চাই ভৱিষ্যতে অসমীয়া সাহিত্যত সোণত সুৱগা চৰা যুগ এটা হয়তো আৰম্ভ হ'ব। আমি আশাৰে তালৈ বাট চাই থাকিম।

যোৱা কুৰি বছৰে অসমীয়া জাতীয় জীৱনত যি পৰিবৰ্তন ঘটিল, সেই ইতিহাসৰ লগত তাৰ আগৰ ইতিহাসৰ কোনো মিল নাই। অৰ্থাৎ, এই কুৰি বছৰে গান্ধী মাৰ্গীয় সংগ্ৰামৰ বিপৰীতে সশস্ত্ৰ সংগ্ৰামৰ তাণ্ডৱলীলা চলাৰ পাছত আমি যি অভিজ্ঞতা সঞ্চয় কৰিলো, মোৰ ধাৰণাত এই অভিজ্ঞতাৰ এটা গঠনমূলক দিশো নথকা নহয়। মই ভাবো, আমি লেখকসকলে এতিয়া একাণপতীয়াকৈ ধীৰ আৰু স্থিৰভাবে দৰ্শন অধ্যয়ন কৰিব লাগিব। নহলে অদূৰ ভৱিষ্যতে আমাৰ ৰচনা পিছৰ পুৰুষে নৰ্দমাত পেলাই দিব নেকি? এনেকুৱা এটা ধাৰণা মোৰ বহুদিন ধৰি হৈ থকাত সেই প্ৰশ্নটোৱো গোস্বামী ডাঙৰীয়াক সুধিছিলো –

'এইটোৱেই হৈছে দুঃসময়ৰ গঠনমূলক কাম। আমি এতিয়া পঢ়িব লাগিব পশ্চিমীয়া দৰ্শন' – গোস্বামীয়ে স্পষ্টভাবে কথাষাৰ ক'লে।

'কেৱল পশ্চিমীয়া দৰ্শনেই নে? ভাৰতীয় দৰ্শন?' – মই সুধিলো।

'ভাৰতীয় দৰ্শনো আমি পঢ়িব লাগিব তেনেকৈ পঢ়িব লাগিব পশ্চিমীয়া দৰ্শন। ভাৰতীয় দৰ্শনত স্বাস্থ্যৰ কথা পাহৰি যায়। মনত ৰাখিব লগীয়া এইটোৱেই, মহাকাব্যৰ লেখক হোমাৰ কিন্তু মল্লবীৰহে আছিল। এৰিষ্টটল বিৰাট শৰীৰৰ আছিল। ভাৰতীয় দৰ্শনে ঠিক এই যুক্তিত পিছ পৰিছে, আমি সেই কাৰণেই পশ্চিমীয়া মানে গ্ৰীক দৰ্শন অধ্যয়ন কৰিব লাগে। কেৱল গ্ৰীক দৰ্শনতহে মন আৰু স্বাস্থ্য উভয়ৰে সংযোজন ঘটিছে।' মোৰ ধাৰণাত, দৈনন্দিন যিবোৰ বিশৃঙ্খলতা আমি আমাৰ বৰ্তমান সমাজ জীৱনত দেখিবলৈ ধৰিছো, সেই বিশৃঙ্খলতাক লেখক কবি শিল্পীয়ে প্ৰতিৰোধ কৰিব লাগিব। বৰ্তমান সময়টো এনেকুৱা এক দুঃসময় যে, শৃঙ্খলতাপূৰ্ণ অধ্যয়নত নাথাকিলে লেখকৰ অৱস্থা কিন্তু উদংপথাৰৰ গৰুৰ নিচিনা হ'ব। পৰিৱেশে জনসাধাৰণক এতিয়া বিমূঢ় কৰি তুলিছে। এই বিমূঢ় জনসাধাৰণক আগুৱাই নিবলৈ কিন্তু এটা বাতৰিকাকত সৰ্বস্ব জীৱনেই যথেষ্ট নহয়। তাৰ কাৰণে লাগিব দৰ্শন সম্বলিত সাহিত্য। যি সাহিত্যই জনসাধাৰণৰ বাবে জীয়াই থকাৰ অকণমান হলেও অৱলম্বন হ'ব পাৰে।

